বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন- ২০১৭



বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ২০১৭
বিষয়ববীয়া আৰু সদস্যসকল

Parag Jyoti Gogoi
Rukmini Nagar, Wirless
Dispur, Ghy-6

সাহোন

বৃহত্তৰ ৰুক্মিণী নগৰ ৩৪তম্ বৰ্ষ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

১ আৰু ২ ব'হাগ, ১৪২৪ ভাস্কৰাব্দ
বুধবাৰ আৰু বৃহস্পতিবাৰ
১৫ আৰু ১৬ এপ্ৰিল, ২০১৭ চন

BRIHATTAR RUKMINI NAGAR SOCIO-CULTURAL CENTRE
RS/KAM/240/N/706 OF 2004-2005

প্ৰতি,

মাননীয়/মাননীয়া [illegible] লৈ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা 'সাহোন' ধন্যবাদেৰে প্ৰদান কৰিলো।

শুভেচ্ছাৰে.....

মঞ্জুলা কাকতি
সভাপতি

অভিজিত নেওগ
সম্পাদক

৩৪তম্ সংখ্যা

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা - ২০১৭

সম্পাদনা সমিতি

উপদেষ্টা : শ্ৰীযুত ৰমেন কলিতা
শ্ৰীযুতা ভাৰতী ভট্টাচাৰ্য্য

সভাপতি : শ্ৰীযুতা মঞ্জুলা কাকতি

উপ-সভাপতি : শ্ৰীদীপাংক হাজৰিকা
শ্ৰীযুতা উন্মনা মাধুৰী দত্ত

সম্পাদক : শ্ৰীঅভিজিৎ নেওগ

সহকাৰী সম্পাদকত্ৰয় : শ্ৰীঅলকেশ ভাগৱতী
শ্ৰীমতী অজন্তা বৰঠাকুৰ
শ্ৰীমতী সুৱৰ্ণলতা হাজৰিকা

সদস্য/সদস্যা : সৰ্বশ্ৰীকল্পনা শৰ্মা, নিলীমা ডেকা, নিলীমা শইকীয়া দাস, হেপী গোস্বামী, প্ৰসেণজিৎ বৈশ্য, মুক্তিকাম সান্দিল্য

প্ৰকাশক : বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি,
ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি
গুৱাহাটী-৭৮১০০৬

মুদ্ৰণ : পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬



ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় মৰ্যাদা দি মঞ্চ বিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন) পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে 'বিহু উদ্বোধনী' গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুষোত্তম দাসৰ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সবে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

GOVERNOR
ASSAM

RAJ BHAVAN
GUWAHATI



MESSAGE

It gives me immense pleasure to know that Brihattar Rukmini Nagar Rongali Bihu Sanmilan is all set to celebrate the 34th Rongali Bihu during 15 and 16 April, 2017. A commemorative souvenir christened ***'Sahoon'*** is going to be released synchronising with the event.

Rongali Bihu sets the tune for the advent of a new year and a new agricultural cycle. This Bihu personifies gaiety and celebrations. I hope the celebrations usher in peace, prosperity and plenty in Assam.

I convey my best wishes to the organiser and the editorial team of the souvenir all success in their endeavours.

Dated: April 1, 2017

(Banwarilal Purohit)
Governor of Assam

সৰ্বানন্দ সোণোৱাল



সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
১৬-৩-২০১৭

শুভেচ্ছাবাণী

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ১৫ আৰু ১৬ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে বুলি জানিবলৈ পাই মই আনন্দিত হৈছো। এই উদ্‌যাপনৰ লগত সংগতি ৰাখি ‘সাহোন’ নামৰ এখন স্মৰণিকা প্ৰকাশৰ বাবে উদ্যোগ লোৱাটো নিতান্তই আদৰণীয়।

বিহু অসমৰ জাতীয় উৎসৱ। বিহু অসমীয়াৰ মনৰো মনৰ, প্ৰাণৰো প্ৰাণৰ। জাতীয় উৎসৱ বিহুৱে অসমৰ সমাজ জীৱনত বিশেষ প্ৰভাৱ পেলাই আহিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয়তাৰ মাজেৰেই সমন্বিত ৰূপ ধাৰণ কৰা বিহুৰ জৰিয়তে আমাৰ চহকী সাংস্কৃতিক বৈভৱ উদ্ভাষিত হৈছে। কৃষি ভিত্তিক উৎসৱ বিহুএ আমাৰ গ্ৰাম্য জীৱনৰ সামগ্ৰিক ৰূপ দাঙি ধৰাৰ উপৰি আমাক আগুৱাই যাবলৈ সদায়ে অনুপ্ৰেৰণা যোগাই আহিছে। ৰঙালী বিহু উদ্‌যাপনে আমাৰ সাংস্কৃতিক চিন্তা-চৰ্চাক শক্তিশালী কৰাৰ উপৰি গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ বাবে সকলোকে প্ৰেৰণা যোগাব বুলি মই আশা কৰাৰ লগতে এই উৎসৱ উদ্‌যাপনৰ জৰিয়তে আমাৰ মাজত বৰ্তি থকা ভাতৃত্বৰ এনাজৰি অধিক সুদৃঢ় হোৱাৰ কামনা কৰিলো।

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপনৰ সকলো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া স্মৰণিকাখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)

শুভেচ্ছাবাণী

শুনি সুখী হৈছো,

ৰুক্মিণীনগৰ হাউচিং ক'লনি বিহুতলীয়ে উদ্‌যাপন কৰি অহা ৰঙালী বিহু সন্মিলনে এইবাৰ তেত্ৰিশটা বছৰ অতিক্ৰমি উলহ-মালহেৰে চৌত্ৰিশ বছৰত ৰঙালীক আদৰিবলৈ সাজু হৈছে। অতিশয় আনন্দিত হৈছো যে বিগত বছৰবোৰৰ দৰে এইবাৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে ক'লনিবাসীয়ে বিহু সন্মিলনখনি জাকত জিলিকাকৈ উদ্‌যাপন কৰাৰ পৰিকল্পনা হাতত লৈছে, লগতে সন্মিলনিৰ স'তে ৰজিতা খুৱাই পূৰ্বৰ দৰে এইবাৰো আটকধুনীয়া ৰূপত 'সাহোন'ক সজায়-পৰাই সংস্কৃতিপ্ৰেমী পঢুৱৈ সমাজৰ হাতত তুলি দিয়াৰ মানস কৰিছে উদ্যোক্তসকলে।

আমি আশা ৰাখিছো সংস্কৃতিপ্ৰেমী ৰাইজৰ মনৰ চাহিদা পূৰণ কৰিব পৰা 'সাহোন' এইবাৰো তথ্য সমৃদ্ধ লেখনিৰে সৰ্বাঙ্গসুন্দৰ হৈ পাঠকৰ হাতত পৰিবহি।

অসমৰ জাতীয় সংস্কৃতিৰ দাপোণস্বৰূপ এই বিহু উৎসৱ অসম আৰু অসমীয়াৰ শান্তি, সদভাব, সম্প্ৰীতি আৰু সমৃদ্ধিৰ সাকো হৈ আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষণ, প্ৰতিটো পল-অনুপল উলাহেৰে ভৰাই তোলক, এই কামনাৰে—

মীৰা ঠাকুৰ
খানাপাৰা

শ্ৰদ্ধাঞ্জলি

প্ৰবীন চন্দ্ৰ বৰ্মণ

ৰঞ্জীতা চক্ৰৱৰ্তী

ধনেশ্বৰ দাস

লিখক চন্দ্ৰ চাংমাই

ৰঞ্জীত দাস

বিজয় নেওঁগ

বিনোদ পাচোৰান

কামেশ্বৰ দাস

বাসন্তী চৌধুৰী

মুকুট কুমাৰ বৰা

পদ্মা দেৱী

কুলেন দাস

সম্পাদকৰ বাটচৰা

'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপাবে
ব'হাগৰ বিহুটিৰ কথা।'

জয় জয়তে সমূহ ৰাইজলৈ '**বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন**'ৰ তৰফৰ পৰা ৰঙালী বিহুৰ ওলগ আৰু শুভেচ্ছা যাচিলো। যিসকল মহান ব্যক্তিৰ অকুণ্ঠ প্ৰচেষ্টাত আজিৰ এই ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনখনি নৱপ্ৰজন্মৰ মাজত অব্যাহত আছে, তেওঁলোকলৈও সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

অসমীয়া জাতিৰ হিয়াৰ দাপোণ বাপতি সাহোন ৰঙালী বিহুটিয়ে ভেদাভেদ পাহৰায় যি মহামিলনৰ প্ৰতিচ্ছবি দাঙি ধৰে তাকে স্মৰণিকাৰ যোগেদি অংকন কৰিবলৈ চেষ্টা কৰিছো।

আমাৰ এই প্ৰচেষ্টাত উৎসাহ-উদগনি জনোৱাৰ বাবে সাধাৰণ সম্পাদক শ্ৰীযুত ৰঞ্জিত গগৈদেৱ তথা সমূহ কৰ্মকৰ্তালৈ আমাৰ আন্তৰিক ধন্যবাদ জনাইছো। যিসকল লেখক-লেখিকাই তেওঁলোকৰ লিখনিৰে 'সাহোন'খন পৰিপুষ্ট কৰি তুলিলে তেওঁলোকলৈও আমাৰ অশেষ ধন্যবাদ থাকিল আৰু পৰৱৰ্তী সংখ্যালৈও তেওঁলোকৰ পৰা লেখা পাম বুলি আশা ৰাখিলো।

সময় অতি কম হোৱাৰ বাবে অজানিতে হ'ব পৰা ভুল-ত্ৰুটিৰ বাবে আমি সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সমূহ বিহুৱৰীয়া ৰাইজলৈ ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

অভিজিৎ

স্মৰণিকা সভানেত্ৰীৰ একলম

চ'তে গৈয়ে গৈয়ে বহাগে পালেহি

ফুলিলে ভেবেলী লতা

কৈনো কৈ থাকিলো ওৰকে নপৰে

আমাৰে বিহুৰে কথা।।

এই বিহু শব্দৰ অৰ্থ হৈছে সমন্বয় তথা মানুহৰ প্ৰতি থকা শ্ৰদ্ধা আৰু মৰম। উৎসৱ হৈছে সমাজৰ প্ৰতি জনব্যক্তিয়ে প্ৰতিজনৰ লগত বান্ধি ৰখা বাট। এই উৎসৱত জড়িত থাকে গীত, মাত, নৃত্য আদি। উৎসৱে মানুহক দিয়ে আনন্দ আৰু কৰ্মৰ প্ৰেৰণা।

সকলো উৎসৱৰ ভিতৰত অসমীয়াৰ বহাগ বিহুৰ উৎসৱেই হ'ল অতি আদৰৰ আৰু আনন্দৰ এশ এবুৰি চিন্তাত বুৰ গৈ থাকিও, এই ৰঙালী বিহুটিত সকলো কাটি কৰি একত্ৰিত হৈ বিহুটিক আদৰিবলৈ ওলাই আহে অসমবাসী। প্ৰকৃতিয়েও ৰূপ সলাই বিনন্দীয়া বিহুটিক সজাবলৈ। বসন্তৰ আগমনৰ লগে লগে গছে পাত সলায় আমে মলিয়াই, কঁঠালে মুচি পেলাই, কুলি-কেতেকীয়ে চিঞঁৰি চিঞঁৰি বসন্তৰ জাননীকে দিয়ে। হেতুলুকা কেইটাও যেন তাৰে লগত ছন্দ মিলাই যায়। প্ৰকৃতিৰ এই মনোমোহা ৰূপত প্ৰতিজন অসমবাসীৰ দেহত ৰঙ্গে ৰঙ্গে উৎসৱৰ বন্যা বৈ যায়।

সেয়েহে বিহুগীতত লিখিছে —

অতিকৈ চেনেহৰ মুগাৰে মহুৰা

তাতোকৈ চেনেহৰ মাকো

তাতোকৈ চেনেহৰ বহাগৰ বিহুটি

নেপাতি কেনেকৈ থাকো।

এই বিহুত ঢোল, পেঁপা, টকাৰ মাতত প্ৰতিজন অসমীয়াৰ গা উখল-মাখল হয়। ভাতৰ চৰুত থকা বোৱাৰীগৰাকীয়েও ঢোলৰ চাপত কোনেও নেদেখাকৈ এপাক নাচিলেহে মন শাঁত হয়। সেয়েহে বহাগ বিহুক ৰঙালী বিহু বোলে। কাৰণ এই বিহুত ৰঙৰ পয়োভৰ হয়।

আগৰ দিনত অৰ্থাৎ কোম্পানীৰ আমোলৰ সময়লৈকে চ'ত মাহত পথাৰৰ আঁহত গছৰ তলত ঢোল, পেঁপাৰ, গগণা আদি বজাই বেলেগে বেলেগে গাঁৱৰ ল'ৰা-ছোৱালীয়ে নৃত্য দিছিল আৰু বিহু নাম গাইছিল। বিহুতলীতে ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰৰ মনৰ ভাব প্ৰকাশ কৰিছিল।

হুঁচৰি বহাগ বিহুৰ এটি অংগ। গাঁৱত বিহুত হুঁচৰি গাই গৃহস্থক বছৰটিৰ বাবে আশীৰ্বাদ দিয়ে। হুঁচৰি আহোম ৰাজত্বৰ কালত স্বৰ্গদেউ শিৱ সিংহই ৰাজসভাত গাঁৱৰ ৰাইজ মাতি গোৱাইছিল লগতে বিহু গোৱাইছিল বুলি বুৰঞ্জীত উল্লেখ আছে।

এই ৰঙালী বিহুটিৰ আনন্দখিনি আমাৰ বৃহত্তৰ ৰুক্মিণী নগৰৰ ৰাইজেও কেইজনমান সমাজ সচেতন ব্যক্তিৰ প্ৰচেষ্টাতে ১৯৮৪ চনত আৰম্ভ কৰা এই বিহু সন্মিলনখনি আজিও আমি সকলো কৰ্মকৰ্তাৰ যৎপৰোনাস্তি চেষ্টাত পালন কৰি আহিছো। বৰ্তমানৰ বিহুৰ মঞ্চটিৰ বাবে ঁ পৰেশ নেওঁগদাদাই বহুতো খাটিছিল কিন্তু আজি তেখেত হয়তো সৰগৰ পৰাই আশিস কৰি আছে। আনন্দৰ কথা যে বিহুখনিৰ জৰিয়তে বৃহত্তৰ ৰুক্মিণী নগৰৰ সমূহ ৰাইজ একত্ৰিত হৈ বিহুৰ আনন্দ উপভোগ কৰা হৈছে। এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে ৰাইজৰ বৰঙণিতে বিহুৰ মঞ্চটোও আটক ধুনীয়াকৈ গঢ় লৈ উঠিছে আৰু চৰকাৰৰ ফালৰ পৰাও ৰুক্মিণী নগৰ প্ৰেক্ষাগৃহটোও ৰাইজৰ বাবে বৃহৎ অৱদান। অদুৰ ভৱিষ্যতেও এই অঞ্চলত এতিয়াও বহুতো কৰণীয় কাম আছে। সেইখিনি কৰিবলৈ ৰাইজৰ সেৱা মনোভাৱে নিজৰ স্বাৰ্থ পৰিহাস কৰি ৰাইজৰ আস্থাভাজন হ'লেহে হয়তো বাকী থকা কামখিনি হৈ উঠিব। শেষত বৃহত্তৰ ৰুক্মিণী নগৰৰ সমূহ ৰাইজলৈ বিহুৱৰীয়া ওলগ ও শুভেচ্ছা যাচি অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি সভানেত্ৰীৰ কলমৰ যৱনিকা পেলালো।☐

✍ মঞ্জুলা কাকতি

সূচীপত্ৰ

চহৰত বিহু ◆ বত্ৰ ওজা ◆ ১১

ৰঙালী বিহু, হুঁচৰি.... ◆ প্ৰশান্ত বৰুৱা ◆ ১৩

অৰুণাচলৰ বিহু উৎসৱ ◆ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী ◆ ১৭

বৈদিক যুগৰ নাৰী..... ◆ কবিতা হাজৰিকা ◆ ২০

বহাগ এক অনুভৱ ◆ ধীৰেন্দ্ৰ নাথ শইকীয়া ◆ ২২

বহাগত অলপ ব্যতিক্ৰমী চিন্তা ◆ মেঘালী দাস ◆ ২৩

ৰঙালী বিহুৰ পৰম্পৰা ◆ তুলনা দত্ত মেধি ◆ ২৫

ভাৰতৰ অৰ্থনৈতিক উন্নয়নত.... ◆ ৰুনুমী মহন্ত বৰা ◆ ২৭

হস্তভাঁত শিল্পৰ ঐতিহ্য.......... ◆ ধৰ্মেশ্বৰ সোণোৱাল ◆ ২৯

সৃষ্টিৰ অন্য নাম বসন্ত ◆ প্ৰদীপ কুমাৰ বৰ্মন ◆ ৩৪

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ◆ অঞ্জলি দত্ত ◆ ৩৬

সামাজিক 'দায়বদ্ধতাৰ' স্বৰূপ ◆ অঞ্জলি দেৱী গোস্বামী ◆ ৩৮

সঞ্চয় বা বিনিয়োগ কৰিবলৈ.... ◆ ভাস্কৰ জ্যোতি বৰুৱা ◆ ৪০

যন্ত্ৰ মানৱ ◆ জ্যোতিৰূপম দত্ত ◆ ৪২

এমুঠি জোনাক ◆ কুংকুম সাধনিদাৰ বৰুৱা ◆ ৪৫

আশ্ৰয় ◆ চন্দ্ৰধৰ কলিতা ◆ ৪৭

সাপ্তাহিক (?) পতি ◆ হেমন্ত কাকতি ◆ ৫০

ফেচবুক আৰু জীৱনৰ.... ◆ মেঘালী দিহিঙীয়া ◆ ৫৩

ৰবীন আইলেণ্ডপ পৰা..... ◆ অগ্নিভ দত্ত ◆ ৫৯

সোঁতৰ বিপৰীতে ◆ কণিকা দেৱী ভাগৱতী ◆ ৬২

অসমাপ্ত চিঠিখন ◆ সবিতা দেৱী ◆ ৬৫

ৰজা আৰু জ্ঞানী বুঢ়া ◆ সংগ্ৰহ ◆ ৬৯

আততায়ী ◆ কবিতা দত্ত গোস্বামী ◆ ৭১

ৰিমা ◆ নিলীমা শইকীয়া দাস ◆ ৭৫

মোহছন্ন ◆ মঞ্জুলা কাকতি ◆ ৭৭

সাৰথি ◆ গিৰীশ দত্ত ◆ ৭৯

চ'তৰ বিহু— ব'হাগৰ বিহু ◆ পাৰুল বৰুৱা ◆ ৮৩

কুলি চৰাইৰ জন্ম কাহিনী ◆ কবিতা দত্ত গোস্বামী ◆ ৮৫

চোৰ আৰু ৰাজপৰিষদ ◆ সংগ্ৰহ ◆ ৮৯

বিপন্ন সময় ◆ ৰেৱতী মোহন হাজৰিকা ◆ ৯২

লণ্ডনৰ তিনিটা স্নেপশ্বট ◆ মীনাক্ষি ডেকা ◆ ৯৬

আহ্বান ◆ হেপী গোস্বামী ◆ ৯৯

তপত চেনেহৰ এসুঁতি ◆ অৰুণিমা কাকতি ◆ ১০১

সেই সেউজীয়া ফ্ৰকটো ◆ ডাঃ কুমাৰ পাৰ্থ প্ৰতীম ◆ ১০৪

OF ASSAM AND THE ASSAMESE ◆ Rituparna Das ◆ ১১১

BOHAG BIHU ◆ Hrishikesh Sarma ◆ ১১৩

ZUBEEN GARG .... ◆ Partha Prawal ◆ ১১৪

শান্ত শ্ৰী ◆ মীৰা ঠাকুৰ ◆ ১১৯

ব'হাগৰ প্ৰহৰ ◆ বিজয়া দেৱদাস ◆ ১২০

গাভৰু হোৱাই তাইৰ লেঠা ◆ পশুপতি হাজৰিকা ◆ ১২০

স্নিগ্ধ বৰষা ◆ কুংকুম সাধনিদাৰ বৰুৱা ◆ ১২০

যন্ত্ৰণা ◆ ৰাজীৱ হাজৰিকা ◆ ১২১

বিষাদ ◆ পলাশ বৰুৱা ◆ ১২১

হে সময় ◆ পশুপতি হাজৰিকা ◆ ১২২

নতুনৰ বতৰা ◆ বীণা পূজাৰী ◆ ১২২

পৰিৱৰ্তনৰ ধামখুমীয়াত বিহু ◆ ৰমেন কলিতা ◆ ১২২

মন ◆ দী বৈশ্য ◆ ১২৩

অতীতক বিচাৰি ◆ ফুলেশ্চ গগৈ ◆ ১২৩

কপৌ ফুলৰ সুবাসেৰে ◆ অঞ্জলি দেৱী গোস্বামী ◆ ১২৩

শব্দ-কবিতা আৰু ল'ৰালি ◆ হেমন্ত কুমাৰ চৌধুৰী ◆ ১২৪

বিহুৰ বতৰত ◆ মানসী দাস ◆ ১২৫

হেঁপাহৰ ব'হাগ ◆ অঞ্জনা দেৱী ◆ ১২৫

অনুভৱ ◆ সিদ্ধাৰ্থৰাজ বৰদলৈ ◆ ১২৫

গীত এটি বহাগৰ ◆ কল্পনা শৰ্মা ◆ ১২৬

ৰেড লাইট এৰিয়াত তাই ◆ নয়নমণি দেৱী ◆ ১২৬

ব'হাগ ◆ ড° চিত্তৰঞ্জন দাস ◆ ১২৭

বাঁহ বিজ্ৰেয় ◆ চন্দাস্মিতা হালৈ ◆ ১২৭

বিষাদ ◆ মামনী দাস ◆ ১২৭

বহাগী বা লাগি ◆ মৌচুমী ব্ৰহ্ম ◆ ১২৮

এৰাসুঁতি ◆ প্ৰতিমা বৰা ◆ ১২৮

প্ৰতিষ্ঠা হ'ব নতুন সমাজ ◆ বেদৱতী দাস ◆ ১২৯

আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে ◆ চন্দন বাচফোৰ (ওম) ◆ ১২৯

বসন্তৰ আগমনত ◆ কৰবী গগৈ ◆ ১৩০

গীত ◆ তফজ্জুল আলী ◆ ১৩০

চহৰত বিহু

✍ ৰত্ন ওজা

পৃথিৱীৰ আদিম মানুহৰ আদিম পৰিয়ালৰ আদিম মুখীয়ালজন এদিন দূৰণিৰ হাবিয়নী ঠাই এখনলৈ গৈছিল। অকলে। তাতে তেওঁ দেখিলে এটি অচিনাকি অদ্ভুত অথচ মনোৰম জানোৱাৰ। উভতি আহি তেওঁ সেই অচিনাকি অদ্ভুত অথচ মনোৰম জানোৱাৰটোৰ আকৃতি অংকন কৰিবলৈ চেষ্টা কৰিলে — তেওঁলোক থকা গুহাৰ সন্মুখৰে প্ৰকাণ্ড শিলত। কিছু পৰিমাণে তেওঁ কৃতকাৰ্য হ'ল। পৰিয়ালৰ সকলোবোৰ মানুহকে গোট খুৱাই তেওঁ সেইটো দেখুৱালে আৰু ক'লে যে সেয়া সিদিনা তেওঁ সেইটো নতুন জানোৱাৰ দেখিলে আৰু সেইটো তেনেকুৱা।

আদিম মানুহজনে নিজৰ নতুন অভিজ্ঞতাৰ এটাৰ সন্ধান পৰিয়ালৰ আনবোৰ মানুহকো দিয়াৰ স্বাভাৱিক ইচ্ছাৰ বশৱৰ্তী হৈ আঁকিছিল সেয়া প্ৰথম প্ৰতিকৃতি। পুৰুষানুক্ৰমে, বংশানুক্ৰমে আৰু যুগানুক্ৰমে তেনেকৈয়ে নিজৰ নিজৰ অভিজ্ঞতাৰ সন্ধান আনক দিবলৈ বুলিয়েই নানা ধৰণৰ চিত্ৰ প্ৰতিকৃতি ইত্যাদি অংকিত হৈ আহিছে। আৰু অভিজ্ঞতাৰ এনে ধৰণৰ আদান-প্ৰদানেই সময়ত চিত্ৰশিল্পৰূপে পৰিগণিত হৈছে। অৱশ্যে অভিজ্ঞতাৰ আদান-প্ৰদান চিত্ৰ শিল্পৰ ৰূপ পোৱাৰ লগে লগে সি কোনো আদান-প্ৰদানৰ বাহনেই হৈ নাথাকিল। আদান-প্ৰদানৰ মাজত ৰূপ-ৰস আৰু প্ৰাণৰ পৰশ লভি শিল্প গুণেৰে বিভূষিত হ'ল। কিন্তু আমাৰ আদিম পৰিয়ালৰ আদিম মুখীয়ালজনে সেই খবৰ জানো পালে? আৰু আদিম পৰিয়ালৰ আদিম মুখীয়ালজনে সেই খবৰ জানো পালে? আৰু আদিম পৰিয়ালৰ আদিম মুখীয়ালজনে এই এক স্বাভাৱিক পৰিৱৰ্তনত অস্বাভাৱিক ধাৰা প্ৰদান কৰিবলৈ তেওঁৰ বংশৰ সতি-সন্ততিবোৰৰ তেজত এসুঁতি বেয়া তেজ জানো সিঁচি দিলে? নাই নিদিলে! ঠিক তেনেকৈয়ে বৰ্তমান অসমত বিহুৰ নামত এটা গঠনমূলক পৰিৱৰ্তনখিনিক ভেঁটা দিবলৈ বিহুৰূপী কৃষ্টিৰ সৃষ্টিকাৰী সুসভ্য আদিম অসমীয়াসকলে তেওঁলোকৰ সন্তান-সন্ততিৰ তেজত বেয়া তেজ এধাৰা সিঁচি দিয়া নাই।

ভঁৰালত ধান, দেহত বল আৰু মনত ৰং থকা কোনো এক কালত খেতিপথাৰলৈ বুলি যাত্ৰা কৰাৰ আগমুহূৰ্তত খদমদম মেধ-মাদলৰ চেৰে-চেৰে সোঁ-সোঁৱনি বতাহী-পেঁপাৰ সুৰে সুৰে আৰু ঝিপ ঝিপ ঝিপ বৰষুণৰ চাপৰিৰ তালে তালে আনন্দত আপোন পাহৰা হৈ আমাৰ পূৰ্বপুৰুষসকলে নাচিছিল, গাইছিল। পৃথিৱীৰ আদিম মানুহজনে চিত্ৰেৰে নিজৰ নতুন অভিজ্ঞতা ক'ব খোজাৰ দৰে আমাৰ পূৰ্ব-পুৰুষসকলে নৃত্য-গীতেৰে নিজৰ মনৰ আৰু দেহৰ আনন্দ-বিজুতিত নতুন অভিজ্ঞতাৰ কথা ক'ব বিচাৰিছিল।

তেওঁলোকে হয়তো ভাবিব পৰা নাছিল সেই নৃত্য-গীতেই এদিন বিহু নৃত্য, বিহুগীতৰূপে পৰিগণিত হ'ব; শিল্পকলা ৰূপে স্বীকৃতি লাভ কৰিব। আৰু নতুন পৃথিৱীৰ নতুন মানুহে সমাদৰ জনাব। সময়ৰ পৰিৱৰ্তনে সেইটো হ'বলৈ দিলে। আমি সতি-সন্ততিসকলেও সেইটো হোৱাত বাধা নিদিলো। দিয়াটো সম্ভৱো নহয়। উচিতো নহয়।

সময়ৰ লগে লগে বছৰৰ নিৰ্দিষ্ট এটা সময়ত খেতি প্ৰধান গাঁওবোৰত নৃত্য-গীতৰ সমন্বয়ত বিহু উৎসৱ পালন কাৰ্য চলিব ধৰিলে। লাহে লাহে খেতিপ্ৰধান গাঁৱৰ পৰা এই বিহু উৎসৱ গৈ কাৰু শিল্প প্ৰধান গাঁৱতো সোমাল। কাৰণ কাৰু শিল্প প্ৰধান গাঁৱৰ ৰাইজে জানে খেতিয়কসকলৰ পৰিশ্ৰমৰ মূলধনখিনিৰেহে তেওঁলোকৰ প্ৰকৃত জীৱন-নিৰ্বাহ কাৰ্য সম্ভৱ। সেয়েহে খেতিয়কৰ আনন্দৰ সময়খিনিকেই তেওঁলোকৰো আনন্দৰ সময় আৰু খেতিয়কৰ দুখৰ সময়খিনিকেই তেওঁলোকৰ দুখৰ সময় হিচাপে গ্ৰহণ কৰিলে।

চহৰবোৰ গাঁৱৰ তুলনাত বহুতো পৰিমাণে আধুনিক সৃষ্টি। এই চহৰবোৰ নানাধৰণে বিজ্ঞানসন্মতভাৱে গঢ়ি তোলা বাবে অধিক ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'লেও গাঁৱৰ খেতিয়কসকলৰ শ্ৰমৰ উৎপাদনখিনিৰ ওপৰত নিৰ্ভৰশীল নহৈ নোৱাৰে। সেয়েহে কাৰু শিল্প প্ৰধান গাঁৱৰ ৰাইজৰ দৰে চহৰৰ ৰাইজৰ বুজন শ্ৰেণী এটিয়েও অনুভৱ কৰিলে যে খেতিয়ক ৰাইজৰ সুখ-দুখেই তেওঁলোকৰো সুখ-দুখ। আৰু সেয়েহে চহৰৰ ৰাইজেও এই বিহু উৎসৱক আদৰণি জনাবলৈ আৰম্ভ কৰিলে। খেতিয়ক ৰাইজে যি সময়ত হাঁহে-নাচে গায় ঠিক সেই সময়তে চহৰৰ ৰাইজেও হাঁহিবলৈ-নাচিবলৈ গাবলৈ আৰম্ভ কৰি দিলে। সেয়েহে আজি ন-দহ বছৰ আগৰ পৰা চহৰত বিহুতলীৰ সৃষ্টি। এয়া সময়ৰ প্ৰতিক্ৰিয়া। এয়া গঠনমূলক পৰিৱৰ্তন। এয়া পৰিৱৰ্তনলৈ আমাৰ স্বাগতম।

আধুনিক বিজ্ঞানৰ যুগাৰম্ভৰ আগে আগে প্ৰকৃতিৰ আগে আগে প্ৰকৃতিৰ উপাসক জনগণে সকলো পৰিৱৰ্তনকেই প্ৰকৃতিৰ হাতত এৰি দিছিল। সেয়েহে বিহু তেওঁলোকৰ মাজলৈ আহিছিল; আৰু এতিয়াও আহে। সেয়া গতানুগতিকভাৱেই হওক কিম্বা প্ৰকৃতিগত পৰিৱৰ্তনৰ মাজেৰেই হওক চহৰবাসীয়ে কিন্তু বিহু মাতি আনে, বিহু পাতে। সেয়া সময়ৰ লগত খাপ খোৱা পৰিৱৰ্তনৰ মাজেৰে।

সদ্যহতে চহৰৰ বিহুতলীসমূহত — বিশেষকৈ গুৱাহাটীৰ বিহুতলীসমূহত বিহু উপলক্ষে অসমীয়া প্ৰায় সকলো থলুৱা নৃত্য-গীত-ভাওনা আদিৰ সমাদৰ জনোৱা হয়; তাৰোপৰি সংস্কৃতিৰ লগত কুটুম্বিতা স্থাপন কৰিব বিচৰা ভাৰতৰ অন্যান্য নৃত্য-গীতসমূহকো আঁকোৱালি লোৱা হয়। ইয়াৰ দ্বাৰা অসমীয়াৰ প্ৰাণৰ উৎসৱটিৰ উদাৰতাৰ পৰিসৰ বৃদ্ধি কৰা হৈছে। লগে লগে অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহুক কেন্দ্ৰ কৰি আমাৰ ৰং-বিৰঙৰ থলুৱা সংস্কৃতিৰ এটি অজৰ-অমৰ আলপনা সৃষ্টি কৰাৰ পথ মুকলি কৰি দিয়া হৈছে। সেয়েহে এই পৰিৱৰ্তনক আমি গঠনমূলক পৰিৱৰ্তন বুলিছো। অসমৰ থলুৱা নৃত্য-গীতসমূহ অসমৰ গাঁৱৰ চুকে-কোণে জহি-খহি যাবলৈ আৰম্ভ কৰা এটি সন্ধিক্ষণত চহৰৰ বিহুতলীয়ে লোক শিল্পীসকলক সমাদৰ জনাই থলুৱা সংস্কৃতি সংৰক্ষণৰ উৎসাহ প্ৰদান কৰা কাৰ্যৰ কাৰণে চহৰৰ বিহুতলীসমূহক আমি অভিনন্দন জনাওঁ। আনফালে গঠনমূলক পৰিৱৰ্তনৰ নামত অসমীয়াৰ প্ৰাণতকৈও প্ৰাণৰ বিহু উৎসৱটিৰ মৰ্যাদা অকণো ক্ষুণ্ণ নহয় তালৈ লক্ষ্য ৰাখিবলৈ চহৰত বিহুতলীৰ উদ্যোক্তাসকলক অনুৰোধ জনাওঁ।□



ৰঙালী বিহু, হুঁচৰি, মুকলি বিহু ইত্যাদি

✍ প্ৰশান্ত বৰুৱা

বৰ্তমান সময়ত সকলোৰে চকুত পৰাকৈ প্ৰকট নহ'লেও বিহু বিশেষজ্ঞসকলে ৰঙালী বিহুক চ'তৰ বিহু আৰু ব'হাগৰ বিহু বুলি দুটা ভাগ কৰা দেখা গৈছে। অতীজত অসমৰ ডেকা-গাভৰুসকলে চ'ত মাহৰ মাজভাগৰ পৰাই মুকলি ঠাইৰ গছৰ তলত বা কোনোবা সুচল পথাৰত ৰাতি ৰাতি বিহু মাৰিছিল। সেইয়া আছিল চ'তৰ বিহু। বহু ঠাইত ডেকা আৰু গাভৰুসকলে পৃথকে কিন্তু ওচৰা-ওচৰিকৈ বিহু মাৰিছিল। তেওঁলোকে যৌৱনৰ সাৰ্বজনীনতাবোধ থকা ৰাতি বিহুৰ নাম গাইছিল যাক ঠেলানাম বুলিও কৈছিল। মৰাণ ডেকা-গাভৰুসকলে ৰাতি বিহু মাৰিবলৈ বিহু ঘৰ সাজি লৈছিল। বৰ্তমানৰ মঞ্চমুখী হৈ পৰা ৰঙালী বিহুৰ বিহুতলী প্ৰকৃতাৰ্থত মায়ামৰা মৰাণ সমাজতেই অপৰিৱৰ্তিত ৰূপত মুকলি পথাৰত জীয়াই আছে। অন্য এগৰাকী বিহু বিশেষজ্ঞৰ মতে ৰঙালী বিহুক দুটা ভাগত ভাগ কৰি মুকলি বিহু আৰু সমজুৱা বিহু নাম দিছে।

মানুহৰ চোতাল গৰকি নতুন বছৰৰ বাবে নতুনকৈ আশীৰ্বাদ দি হুঁচৰি গায়। ইয়াকে সমজুৱা বিহু বুলি কোৱা হৈছে। অন্যহাতে ডেকা-গাভৰুৱে মুকলি ঠাইত বনগীত-বিহুগীত গাই যি বিহু কৰে, তাকে মুকলি বিহু বুলি কোৱা হয়। মুকলি বিহুৰ আটাইতকৈ আকৰ্ষণীয় অংশটো হ'ল ডেকা-গাভৰুৰ যোৰানাম (ঠেলানাম) গাই গাই কথাৰ কটাকটি কৰি বিহুমৰা অংশ।

ব'হাগ বিহু চ'ত-ব'হাগৰ সংক্ৰান্তিৰ দিনাৰ পৰা সাতদিনলৈকে চলে। ইয়াক 'সাতবিহু' বোলে। 'সাতবিহু'ৰ সাতোটা বেলেগ বেলেগ নাম আছে। প্ৰতিটো দিনৰ বিহুৰ বেলেগ বেলেগ নাম থাকিলেও অসমৰ সকলো ঠাইতে এই সাত বিহুৰ পৃথক ৰূপ সম্পূৰ্ণভাৱে প্ৰকট হোৱাটো বৰ্তমান সময়ত দেখা পোৱা নাযায়।

হুঁচৰি প্ৰসঙ্গলৈ আহোতে এটা কথা একেষাৰে ক'ব পাৰি— হুঁচৰি ৰঙালী বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান। বিহু সংস্কৃতি অসমৰ লোকসংস্কৃতি। অসমৰ বিভিন্ন অঞ্চলৰ হুঁচৰিৰ ওপৰত স্থানীয় প্ৰভাৱ পৰি কিছু সালসলনি হৈছে। হুঁচৰিৰ ওপৰত স্থানীয় প্ৰভাৱ বিহুৰ আন আন উপাদানকৈ অধিক প্ৰকট। দেৰগাঁৱৰ হুচৰিৰ ৰূপৰ লগত শিৱসাগৰৰ হুঁচৰিৰ ৰূপৰ পাৰ্থক্য থাকিব পাৰে। নগাঁৱৰ হুঁচৰি বুলিলে আকৌ খোল-তাল লোৱা এটা বেলেগ অনুষ্ঠানৰ কথাহে বুজা যায়।

ডাঃ লীলা গগৈদেৱৰ 'বিহুগীত আৰু বনঘোষা' পুথিত হুঁচৰি প্ৰসঙ্গত সকলোৱে মনত ৰাখিবলগীয়া কেইটিমান প্ৰয়োজনীয় কথা উল্লেখ কৰিছে। ব'হাগৰ বিহুৰ জা-জলপাণ খোৱা, জ্যেষ্ঠজনৰ সেৱা-আশীৰ্বাদ লোৱা, বিহুৱান দিয়া আদি নীতি-নিয়ম আৰু সংস্কাৰৰ উপৰিও আটাইতকৈ



আকৰ্ষণীয় আৰু উল্লেখযোগ্য অনুষ্ঠান হ'ল হুঁচৰি গোৱা। মিয়ানমাৰত ব'হাগ বিহুৰ সময়ত ৰাইজ ৰাজআলিয়েদি সদলবলে গৈ থাকে আৰু ঘৰৰ গৃহস্থই সপৰিয়ালে ওলাই গৈ মাননি শৰাই দি আশীৰ্বাদ লয়। আমাৰ দেশতো অতীতত তেনেকৈয়ে হুঁচৰি গাইছিল বুলি অনুমান হয়। অতীতত ৰজা, ডা-ডাঙৰীয়া আদিক তোষামোদ কৰিবৰ বাবে তেখেতসকলৰ চোতালত হুঁচৰি গাই আশীৰ্বাদ দিয়াৰ পিছৰ পৰাই সকলোৰে চোতালত হুঁচৰি গোৱাৰ পৰম্পৰা এটাৰ সৃষ্টি হয়। ৰাইজৰ চোতালত গোৱা বিহুনামবোৰত বিহুৰ প্ৰতি মৰম আৰু হেঁপাহ, আনন্দ প্ৰকাশৰ উদগ্ৰীৱতা আৰু গৃহস্থক কৰ্তব্যৰ প্ৰতি সকিয়নি দিয়া ভাৱহে প্ৰকাশিত হয়। হুঁচৰি ল'ৰা-বুঢ়া-ডেকা সন্মিলিত হৈ গায় গাভৰুৰ তাত স্থান নাই।

ড° প্ৰফুল্ল দত্ত গোস্বামীদেৱে হুঁচৰি পুৰুষৰ সুকীয়া অনুষ্ঠান বুলি মতপোষণ কৰিছে। অসমীয়া হুঁচৰি অনুষ্ঠানটোত ঘাইকৈ বৈষ্ণৱ ধৰ্মৰ সাঁচ পৰা গীত গোৱা হয় আৰু গৃহস্থক আশীৰ্বাদ দিয়া হয়। পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাদেৱেও হুঁচৰি বিহুৰ এটা পৱিত্ৰ অনুষ্ঠান বুলি কৈছে। হুঁচৰিৰ গীত পদ শেষ হোৱাৰ পাছত গৃহস্থই আশীৰ্বাদ লয় আৰু পাছত গৃহস্থৰ অনুমতি লৈ ডেকাসকলে বিহু নাচ প্ৰদৰ্শন কৰে। সময়ৰ গতিৰ লগত পাছলৈ গৃহস্থৰ লগত ধেমালি কৰিবলৈ আৰু ঢুলীয়া-নাচনীৰ (পুৰুষ) জোৱা নামৰ চলেৰে এটি বিহুৰ পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টা কৰা হ'ল।

অন্য এজন সাহিত্যিক-সমালোচক পদ্ম বৰকটকী দেৱে 'বিহুঃ হুঁচৰিঃ শংকৰদেৱ' প্ৰবন্ধত কৈছিল— হুঁচৰি শব্দটো আছে কাৰণে বিহুৰ লগতে থৈ দিয়ে. আচলতে হুঁচৰি আৰু বিহু একে অৰ্থত ব্যৱহাৰ কৰা নহয়। বিহুগীত গাই বিহুনাচ নচাটোক বিহু মৰা বুলি কয়। বিহু মৰাৰ আগতে বয়সস্থসকলে ঘোষা পদ লগাই হৰিনাম গোৱাখিনিক হুঁচৰি বোলে। প্ৰথমতে হুঁচৰি, হুঁচৰিৰ পাছত গৃহস্থক আশীৰ্বাদ, তাৰ পাছতহে ডেকাসকলৰ বিহু।

বিজ্ঞজনৰ বিভিন্ন মতামত তথা গৱেষণাই হুঁচৰিৰ এটা স্পষ্ট ধাৰণা দিব পৰা যেন লাগিলেও বৰ্তমানৰ পঢ়া-শুনা জনা মানুহবোৰেও ওপৰত উল্লেখিত কথাবোৰ নপঢ়েও আৰু বুজিবলৈও যত্ন নকৰে।

এতিয়া নিজৰ অভিজ্ঞতাৰ প্ৰসঙ্গলৈ আহো। খোজ দিব পৰা হোৱাৰ পৰা যোৰহাটত চাকৰি কৰি থকা সময়লৈ মানে ১৯৬৮ চন মানৰ পৰা ১৯৮৯ চনমানলৈ প্ৰায় প্ৰতিবছৰেই মোৰ নিজৰ হুঁচৰি গোৱাৰ অভিজ্ঞতা আছে। এই সময়চোৱাৰ সিংহভাগ সময়ত ঘৰৰ সন্মুখৰ নিৰ্মল পুস্তকালয়ৰ হুঁচৰি যোৱাতেই হুঁচৰি গাই ব'হাগ বিহুৰ আনন্দ লভিছিলো। কেতিয়াবা কাৰোবাৰ চোতালত ঢুলীয়াৰ লগত জিটমাৰি ঘণ্টাৰ পিছত ঘণ্টা বিহুনাচি সময় কটাইছিলো। হুঁচৰিত আমিও প্ৰথমতে জ্যেষ্ঠসকলৰ লগতে একেলগে ঘোষা পদ গাই গৃহস্থক আশীৰ্বাদ দি বিহুমৰা আৰম্ভ কৰিছিলো। কেতিয়াবা জ্যেষ্ঠসকলে ডেকাসকলক চোতাল এৰি দি বিহু মাৰিবলৈ অনুমতি দিছিল আৰু কোনোবা সন্মানীয় ব্যক্তিৰ ঘৰত গৃহস্থৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি জ্যেষ্ঠসকলেও ডেকাসকলৰ লগত একেলগে বিহুনাচ-ঢোল-পেঁপা-গগণাৰে সহযোগ কৰিছিল। আমাৰ দেউতাই খুউব ভাল পেঁপা বজাইছিল আৰু বহুকেইটা পেঁপা নিজহাতে তৈয়াৰ দেখিছিলো। কেতিয়াবা ক'ৰবাত ফুৰিবলৈ গ'লেও চাইকেলত ওলোমাই থোৱা মোনাটোত পেঁপাটো নহ'লে নিজে বনোৱা চিকতি কেইটামান লৈ যাবলৈ নাপাহৰিছিল।

আমি হুঁচৰি কেতিয়াবা গৰু বিহুৰ দিনা গধূলিৰ পৰা কেতিয়াবা মানুহৰ বিহুৰ দিনাৰ ৰাতিপুৱা বা আবেলিৰ পৰা আৰম্ভ কৰিছিলো। গৃহস্থৰ চোতালত ভৰি দিয়েই বোলা জয় হৰি বা জয় অ'ৰাম বোলা, জয় অ' হৰি বোলা বুলি হুঁচৰি আৰম্ভ কৰিছিলো। কেতিয়াবা "পুখুৰীত মাছ-হৈছে, বাৰীত তামোল পান হৈছে, গোহালিত গৰু হৈছে, গৃহস্থৰ কুশলৰ অৰ্থে হৰি বোলা" ধ্বনি দি হুঁচৰি আৰম্ভ কৰিছিলো। কেতিয়াবা শঙ্কৰদেৱৰ কীৰ্ত্তন পদেৰে, কেতিয়াবা "হুঁচৰিয়ে দলৌ চৰাই, তামোলগুটি পান গুটি ৰূপৰ শৰাই" কেতিয়াবা "দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰী কেতিকী মলে মলায় অ' গোবিন্দাই ৰাম" আদি হুঁচৰিৰ ঘোষা, লহৰী খেলাৰ গীতেৰে হুঁচৰি অংশৰ সামৰণি মৰা হয় আৰু গৃহস্থক এজাউৰি আশীৰ্বাদ দিয়া হয়। লহৰী খেলা অংশত ঢোল-তালৰ লগত হাতৰ চাপৰি আৰু ভৰিৰ খোজৰ ছন্দ মিলি যোৱাটো এক বিশেষ বৈশিষ্ট্য।

এই সকলোবিলাক সূক্ষ্মভাৱে পৰ্যালোচনা কৰিলে এটা কথা স্পষ্ট ৰূপত প্ৰকাশ পায় যে হুঁচৰি এক শৃংখলিত, অতি মাৰ্জিত ৰূপ লৈ সংস্কাৰৰ মাজেদি গৃহস্থৰ চোতাললৈ অহা এটা অনুষ্ঠান। কিন্তু মঞ্চবিহুৰ হুঁচৰি প্ৰতিযোগিতা সমূহত হুঁচৰি দলবিলাকে এইবোৰ কথালৈ সমূলি মন-কাণ নিদি মঞ্চত প্ৰৱেশ কৰিয়েই চিঞৰ-বাখৰ কৰি জাপ মাৰি জাপ মাৰি হুঁচৰি আৰম্ভ কৰে। এইয়া বিৱৰ্তন বুলি মানি ল'ব পাৰি জানো? বিজ্ঞ বিহু সমিতিসমূহে, বিজ্ঞ বিচাৰকসকলেও বিৱৰ্তনৰ বিসংগতিপূৰ্ণ ৰূপটোকে স্বীকাৰ কৰি লোৱা যেন অনুভৱ হয়। মঞ্চলৈ আদৰি অনা হুঁচৰি অনুষ্ঠানটোক আমি যদি এক পৰিৱেশ্য কলাৰ ৰূপবুলি ধৰি লওঁ তেনেহ'লে কলাৰ গুণ ৰক্ষা কৰাৰ বাবে পৰম্পৰা বৰ্হিভূত

ব্যৱস্থাবোৰ বন্ধ কৰি ঐতিহ্য ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত। লোকসংস্কৃতিৰ পৰম্পৰাগত ৰূপটোক বাদ দি আমি কেতিয়াও সংস্কৃতিৰ ঐতিহ্য ৰক্ষা কৰিব নোৱাৰিম।

বিহুৰ ঐতিহ্যত যিহেতু হুঁচৰি আৰু হুঁচৰিৰ লগত গোৱা বিহুনাম আৰু মুকলি বিহুত গোৱা বিহুগীত-বনঘোষা পৃথকে চিনাক্তকৰণ কৰা হৈছে, গতিকে পৰিৱেশন কৰোতেই তাৰ শুদ্ধৰূপটোক স্বীকাৰ কৰাটো আমাৰ ঐতিহ্য-সংস্কৃতিৰ বাবে এক ইতিবাচক কথা। আমাৰ নতুন প্ৰজন্মই দুয়োটাৰ পাৰ্থক্য বুজিব পৰাকৈ যদি পৰিৱেশন কৰা হয় তেতিয়া হ'লেহে এটা শুদ্ধ সৰ্বজন স্বীকৃত ৰূপ থাকিব। বিহুৰ বাবে এইবিলাক মণি মুকুতা। গতিকে এই মণি মুকুতাবিলাকক আমি কেতিয়াও অৱহেলা কৰিব নালাগে।

হুঁচৰিৰ বিহুত বজোৱা ঢোলৰ চেওসমূহ আৰু ঢোলৰ চেওঁৰ লগত নচা নাচবিলাক অসমৰ কিছুমান নিৰ্দিষ্ট অঞ্চলৰ বিহুৱাসকলেহে জানে আৰু বহু অঞ্চলৰ বিহুৱাই বজাবও নাজানে আৰু নাচিবও নাজানে। মঞ্চ বিহু, কেছেট, টেলিভিচনৰ বিহুৰ বতাহে আমাৰ বিহু সংস্কৃতিক বৰকৈ কোবাই যোৱা যেন অনুভৱ হয়। হুঁচৰিৰ ঢোলৰ চেওঁ-চাপৰবোৰ কিছু ধীৰ-স্থিৰ আৰু বিচিত্ৰ, আনহাতে মুকলি বিহুৰ ঢোলৰ চেও-চাপৰবোৰ প্ৰায় একেধৰণৰ আৰু উদ্দাম লয়ৰ। হুঁচৰিত কছাৰি ছেওঁ, ধেমেলীয়া চেও, মিছিং চেওঁ, খৰা চেও আদি বিভিন্ন চেও বজাই ডেকা বিহুৱাসকলক নচুওৱা হয়। ডেকা-গাভৰুৰ বিহুৰ বেলেগ চেও থকাটো জনা নাযায়।

আগৰ গঞা ৰাইজে নিশা নিশা হুঁচৰি গাবলৈ যাওঁতে নিশ্চয় গাভৰু নাচনিহঁতক লৈ যোৱা নাছিল। চোতালত ডেকা-গাভৰুক বহুৱাই কোনো গৃহস্থই বিহুত সেৱা কৰাৰ পৰম্পৰা অসমীয়া জাতীয় জীৱনত কেতিয়াও নাছিল। আমাৰ গাঁৱলৈ আগতে কাৰোবাৰ আমন্ত্ৰণ ক্ৰমে মিছিং বিহুদলে বিহু মাৰিবলৈ আহিছিল কিন্তু হুঁচৰি গাবলৈ নহয়। মিছিং লোকসংস্কৃতিৰ মিঠা সোৱাদ ল'বলৈ মিছিং ডেকা-গাভৰুসকলক একেলগ হৈ আমাৰ অজনজাতি গাঁওসমূহলৈ কাৰোবাৰ আমন্ত্ৰণক্ৰমে আহিলেও আমাৰ গাঁওবিলাকত উচাহ-উলাহৰ ধল বৈছিল আৰু সম্প্ৰীতিৰ এনাজৰিডাল আৰু কটকটীয়া হৈছিল।

ব'হাগ মাহ আহিলেই 'বিহু কুঁৱৰী', 'বিহু সম্ৰাজ্ঞী', 'বিহু কোঁৱৰ', 'বিহু সম্ৰাট' আদি শব্দই আমাৰ অন্তৰত খুন্দা মাৰিবলৈ ধৰে। 'বহাগী বিদায়' শব্দই মূৰ আচন্দ্ৰাই কৰা অৱস্থাৰ সৃষ্টি কৰে। এইখিনিতে ডº মহেশ্বৰ নেওঁগ দেৱৰ মন চুই যোৱা উদ্ধৃতি দিয়াৰ চেষ্টা কৰিলো। তেখেতে কৈছিল— "বিহুক দুস্কৃতিৰ গৰাহৰ পৰা উদ্ধাৰ কৰি স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠা কৰিবৰ যত্ন নিশ্চয় প্ৰশংসনীয়। আজিকালি যেতিয়াই বিহু দেখিছো তেতিয়াই দেখা নোপোৱাৰ বাঞ্ছা কৰি চকু মুদিছো। আগৰ প্ৰাণ বা আগৰ অৱয়ব তাত নাই বাবে। বিহুৰ ঐতিহ্যময় যিবোৰ গীত (বনগীত, বনঘোষাই হওক বা বিহুনামেই হওক) আছিল সেইবোৰ দেখোন কোনেও নাগায়। নাচ আৰু তাৰ ভংগীৰ বিষয়তো অভিনৱ ৰূপ। তেনে তাৰ জাতীয় নামটোনো ক'ত থাকিল?

বিহু কোঁৱৰ, কুঁৱৰী আদি নামবোৰ সামন্ত যুগীয়া। অসমত তেনে নামৰ ঐতিহ্য থকাৰ কথা মনত নপৰে। এফালে সামন্ত যুগক গালি পৰা, আনফালে সামন্তযুগীয়া খিতাপ লোৱাটো কেনে কথা হৈছে?

ব'হাগী বিদায় বোলাটিৰ কোনো পুৰণি ঐতিহ্য মই বিচাৰি পোৱা নাই। ব'হাগী আৱাহন নোহোৱাকৈ ব'হাগী বিদায় আগতে আমাৰ আছিল বিহুক বিদায় দি নিজ নিজ কামত লগা পৰত 'বিহু উৰোৱা', যিসকলে ব'হাগ মাহটোৰেই বিহু মাৰে, তেওঁলোকৰহে এই ধেমালি, কিন্তু বিহু আহোতে শুই থকাসকলে মাহৰ শেষত কি বিহু উৰুৱাব? আৰু অনেক কথাই চকু খচকচায়।"

একে প্ৰসঙ্গত সাহিত্যিক অভিনেতা লক্ষ্যধৰ চৌধুৰীদেৱৰ উদ্ধৃতি হ'ল— "এৰা, কুঁৱৰী, ৰাণী, সম্ৰাজ্ঞী আদি শব্দবোৰে সামন্তবাদী সমাজৰ কথাকে বুজায়। কিন্তু বিহু লোকসংস্কৃতি। জনসাধাৰণৰ উৎসৱ। ঘাইকৈ ই কৃষি ভিত্তিক উৎসৱ, কৃষকসকলৰ উৎসৱ। সেয়ে 'কুঁৱৰী', 'ৰাণী', 'সম্ৰাজ্ঞী' আদিয়ে ইয়াত শোভা নাপায়। এইবোৰ সলনি কৰিব পাৰিলেল বৰ আনন্দৰ কথা হ'ব।"

প্ৰগতিশীল শিল্পী-সাহিত্যিক লোকনাথ গোস্বামীদেৱে এই প্ৰসঙ্গত কৈছে— "বিহুৰ জাতীয় স্বৰূপ হেৰোৱা কথাটো ঠিকেই। কিন্তু তাৰ আগয়ে দেখো অসমীয়া জাতিৰেই জাতীয় ৰূপ ধৰিব নোৱাৰা হৈছে। সংস্কৃতি আচলতে জাতিৰ পৰা সমাজৰ নিজস্বৰূপৰ প্ৰতিফলন। আজি সেইফালৰ পৰা চাবলৈ গ'লে বিহুৰ বিকৃতি মানে আমাৰ অসমীয়া জাতিৰ জাতীয় চৰিত্ৰৰে বিকৃতি ঘটা যেন লাগে। সংস্কৃতি আজি সঁচা মানুহৰ হিয়াৰ আমঠু নহৈ এচাম সুবিধাবাদী, ধনীক শ্ৰেণীৰ বিলাসৰ সামগ্ৰী হৈছে। আমি দুখীয়া অসমীয়াই মনৰ সংকীৰ্ণতাত ভুগি ধনৰ বলেৰে সংস্কৃতি কৰিবলৈ গৈ কোনোবা লাভখোৰ বেপাৰীৰ চৰণ তলত খেপিয়াই ফুৰিছোঁ।"

ওপৰত উল্লেখ কৰা ধৰণৰ উদ্ধৃতিৰে কৈ থাকিলে বিসংগতিৰ কথা কেতিয়াও শেষ নহ'ব। মঞ্চৰ বিহু বা মুকলি বিহু বা হুঁচৰিৰ শুদ্ধৰূপ অনুধাৱন কৰিব পৰাটোহে আচল কথা। মঞ্চ বিহুৰ শুদ্ধ ৰূপ বুলিলেনো কি বুলি ক'ম? চহৰ-নগৰৰ মঞ্চ বিহু বুলিলে আমাৰ সততে চকুত পৰে কেইজনমান খ্যাত-অখ্যাত শিল্পীৰ গীত পৰিৱেশনৰ কাৰ্যসূচী আৰু লগতে ভাল মানুহ উপভোগ কৰিবলৈ যোৱাৰ সময়ত উদ্যোক্তাসকলে পাতিব লাগে কাৰণে পতা কিছুমান প্ৰতিযোগিতা, কিন্তু এই সমিতিসমূহে আমন্ত্ৰিত শিল্পীৰ কাৰ্যসূচীৰ ওপৰত যিমান গুৰুত্ব দিয়ে বিহু বিষয়ক আনুসঙ্গিক কাৰ্যসূচীক সিমান গুৰুত্ব নিদিয়ে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰো বিৱৰ্তন হোৱাটো নুই কৰিব পৰা কথা নহয়। অপসংস্কৃতিৰ পৰা পৃথক কৰি সাধাৰণ মানুহৰ বুকুৰ উমেৰে উজ্জীৱিত জনসংস্কৃতিৰ ইতিবাচক উত্তৰণহে গ্ৰহণযোগ্য।

এতিয়া হুঁচৰিৰ মই বিচৰা ৰূপটো যিটো ৰূপ অতীজত আছিল তাৰ কথা ক'ব বিচাৰিছো। প্ৰায় সকলো বিজ্ঞ লোকেই হুঁচৰিত গাভৰুৰ স্থান নাই বুলি যুক্তি সহকাৰে উল্লেখ কৰিছে। অসমৰ বহু বিহুতলীৰ উদ্যোক্তাসকলে যুক্তিসংগত কাৰণতে হুঁচৰিত গাভৰুক অংশগ্ৰহণ কৰিবলৈ নিদিয়াকৈ হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। কিন্তু প্ৰতিযোগিতাত পুৰস্কাৰ পোৱা দলটিয়েই ৰাজহুৱা অনুষ্ঠানত হুঁচৰি দেখুৱাবলৈ যাওঁতে লগত গাভৰু নাচনি লৈ গৈছে আৰু উদ্যোক্তাসকলেও তেওঁলোকৰ নাচ-বাগ চাই বাঃ বাঃ দিয়া দেখা গৈছে। বিহু সংস্কৃতি ৰক্ষা কৰাৰ বাবে তেনে কাৰ্যক আমি কেতিয়াও প্ৰশ্ৰয় দিব নালাগে। হুঁচৰিক হুচৰি হিচাপে, মুকলি বিহুক মুকলি বিহু হিচাপে প্ৰক্ষেপ কৰিলে আমাৰ অনুষ্ঠানৰ সৌষ্ঠৱ কেতিয়াও নকমে বৰং বাঢ়িবহে। কোনটো হুঁচৰি কোনটো মুকলি বিহুৰ অনুষ্ঠান সেই কথাবিলাক বৈদ্যুতিন মাধ্যমেও জনা উচিত, নহ'লে প্ৰচাৰ সংস্কৃতিৰ নহ'ব অপসংস্কৃতিৰহে হ'ব।

পুৰণি ঢুলীয়াই শুদ্ধ চাপৰ বজাই পেটত পানী গামোচা বান্ধে আৰু নতুন ঢুলীয়াই খিচিৰি চাপৰ বজাই বহুজাতিক কোম্পানীৰ বিজ্ঞাপনত অংশ লয় আৰু গাড়ী মটৰ চাইকেল মাননি লয়। এনে পৰিৱৰ্তন আমাক নালাগে। চিন্তাবিদে চিন্তা কৰক কিদৰে আমাৰ বিহু সংস্কৃতিক উত্তৰ পুৰুষৰ হাতত অৰ্পণ কৰিব পাৰি।□

With best Compliments from.....

State Bank of India

অৰুণাচলৰ বিহু উৎসৱ (চমু আভাস)

✍ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

এচিয়া মহাদেশৰ অতি বিস্ময়কৰ তথা ৰোমাঞ্চকৰ দেশ খনেই হ'ল ভাৰতবৰ্ষ। ৰাজনীতিৰ কুটিলতাৰ বাবে এই ভাৰতবৰ্ষখন দ্বিখণ্ডিত হৈ দুখন ৰাষ্ট্ৰত পৰিণত হ'ল যদিও ভাৰত নামৰ সৰ্ববৃহৎ দেশ খন কিন্তু এতিয়াও আকৃতি, ভাষা-সাহিত্য-সংস্কৃতি আদি সকলো পিনৰ পৰা মহাদেশ সদৃশ ৰূপ লৈয়ে জিলিকি থকা বাবে দেশ-বিদেশৰ বহুতে ভাৰতক এখন উপমহাদেশ আখ্যা দিয়ে। সেইখন দেশৰে পূৰ্বাঞ্চলৰ তাহানিৰ বৃহত্তৰ অসম স্বাধীনতা কালৰ ৰাজনীতিৰ নানান কুটিলতাৰ মেৰপেচত পৰি বৰ্তমান সপ্তৰাজ্যত পৰিনত হ'ল। কিন্তু তাৰ মাজতো দেখিবলৈ পোৱা যায় সামাজিক বিবিধ কৰ্ম তথা ধৰ্ম সংস্কৃতিৰ মাজত অতীতৰ সেই সমিলমিল তথা মিলাপ্ৰীতিৰ আন্তৰিক সম্পৰ্ক। এই সপ্তৰাজ্যৰ সাংস্কৃতিক সম্পৰ্কৰ কাৰ্য্য কলাপবোৰ দেখি শুনি স্বদেশ বিদেশৰ ভাষা-সাহিত্য-সংস্কৃতিৰ চিন্তা-চৰ্চা তথা অধ্যয়ন কৰা লোক সকলৰ মন প্ৰাণ কৌতুহলাক্ৰান্ত হৈ পৰে আৰু এই অঞ্চলৰ সমাজ-সংস্কৃতি, ধৰ্ম -কৰ্ম-উৎসৱ খদ্যাদিৰ বিষয়ে নানা ভাবে চিন্তা চৰ্চা কৰিবলৈ উঠি পৰি লাগে। দেশ-বিদেশৰ তেনে কৌতুহলাক্ৰান্ত ব্যক্তিয়ে, আনকি মহিলা সকলেও এই বৃহত্তৰ অঞ্চলৰ সেইবিলাক বিষয় অধ্যয়ন গৱেষণাৰ কৰ্মত উঠিপৰি লাগে। আনহাতে আমি স্থানীয় তথা এই অঞ্চলৰ লোকে সদায় দেখি শুনি কাজে-কামে সময়মতে সেইবোৰ কামত জড়িত হৈ থকা বাবেই সম্ভৱতঃ বাহিৰৰ লোকসকলৰ দৰে এইবোৰ কথাৰ অধ্যয়ন বিশ্লেষনাদিৰ বাবে আকৃষ্ট নহওঁ, অথবা সিবোৰৰ ওপৰত গুৰুত্ব দিবলৈ মন নকৰো। সেই কথা ভাবিয়ে এই চুটি প্ৰবন্ধটিত অৰুণাচল প্ৰদেশৰ উল্লেখযোগ্য কিছুসংখ্যক উৎসৱ আৰু নৃত্যানুষ্ঠানৰ চমু আভাস দিবলৈ যত্ন কৰিছো। আচলতে ছাত্ৰাৱস্থাৰ শেষস্তৰত আৰু কৰ্মজীৱন তথা শিক্ষকতাৰ কৰ্মৰ ইতি পৰাৰ সময়ত বিশেষ ভাৱে কৌতুহলাক্ৰান্ত হৈয়ে সমগ্ৰ পূৰ্বাঞ্চলৰ ভালেমান উন্নত অনুন্নত জাতি উপজাতিৰ বাসস্থানবোৰত ভ্ৰমণ কৰি সকলোৰে লগত মিলিজুলি নাচিবাগি, হাঁহি মাতি সেইসকল লোকৰ সাংস্কৃতিক জীৱনৰ বিষয়ে জানিবলৈ চেষ্টা কৰিছিলো। সেই প্ৰচেষ্টাৰ সু ফল স্বৰূপে লাভ কৰা তথ্য-পাতিয়ে এই নিবন্ধৰ মূল সমল।

অৰুণাচলৰ বিভিন্ন জাতি- উপজাতিৰ ধৰ্ম-কৰ্ম-সংস্কৃতি অতি ৰোমাঞ্চকৰ। মনপা আৰু শেৰদুকপেন সকলৰ ঘাই বাসস্থান হ'ল তাৱাং আৰু কামেংজিলাৰ পশ্চিমাঞ্চল। তেওঁলোকৰ ধৰ্ম হ'ল বৌদ্ধ, যাক তেওঁলোকৰ নিজৰ ভাষাত গোমপা বুলি কয়। এই বৃহৎ অঞ্চলত বাসস্থান

কৰা আদি, অকা, আপাকানি, নিশি, মিজি, মিচ্‌বি তাংচা প্ৰভৃতি জাত - পাতৰ লোকে সূৰ্য্য আৰু চন্দ্ৰক শ্ৰেষ্ঠ দেৱতা জ্ঞান কৰি যথাক্ৰমে দোনিংপোলো আৰু আবোতানি নাম দি দুয়োগৰাকী দেৱতাৰ পূজা কৰে। সেই পূজাত বলি বিধানৰ ব্যৱস্থা আছে। নাগাৰাজ্যৰ সীমান্ততো এই জাতিৰ লোক আছে আৰু তাৰ মানুহবোৰে পূজাত কোনো জীৱ-জন্তু বলি নিদিয়ে। তেওঁলোকে এই পূজা পাতল কৰে কৃষি কৰ্মত প্ৰচুৰ সুফল লাভ কৰাৰ মানসেৰে। তেওঁলোকৰ সকলোবোৰ উৎসৱৰ তথা পূজা-পাতলৰ লক্ষ্য হ'ল কৃষি কৰ্মত প্ৰচুৰ সুফল লাভ। এই অঞ্চলৰ বিশেষকৈ তিৰাপ জিলাৰ সৰহ সংখ্যক লোকে বৈষ্ণৱ ধৰ্মৰ নীতি-নিয়ম তথা পূজা পাতলতহে বেছি মন দিয়ে। এওঁলোকৰ চোলুং মোজিন. লোছাৰ, বুৰি-বুট, ড্ৰী, খান, লোকু, মোল, লোংতে, য়ুশো, ন্যোকুম, এজিয়ালে, ৰেহ্, সাংকেন, তামলাদু, চি-দোন্যি আদি উৎসৱ বছৰৰ বিভিন্ন সময়ত পালন কৰে আৰু সেই সৰহসংখ্যক উৎসৱতে জীৱ-জন্তু বলি দিয়া হয়। লোচাৰ উৎসৱটো আমাৰ বহাগ বিহুৰ দৰে বছৰৰ আগমনৰ সময়ত পালন কৰা হয়। অৰ্থাৎ বছৰৰ শুভাৰম্ভৰ পুৰোহিত সকলে ও নাচি বাগি আনন্দ উৎসৱৰ সৌন্দৰ্য্য বৃদ্ধি কৰে। দিগাৰু মিচিমিয়ে পালন কৰে তামলাদু, কৃষিৰ উৎসৱ। চাংকেন উৎসৱত বুদ্ধৰ মূৰ্ত্তি সাজি পূজা কৰে। খান উৎসৱৰ বিশেষত্ব হ'ল ল'ৰা বুঢ়া ডেকা পুৰুষ - মহিলা সকলোৱে ডিঙিত এটুকুৰা গৰম উলৰ কাপোৰ বা উল সূতা কেইডাল মান মেৰাই লোৱা নিয়ম, কাৰণ তেনে কৰিলে ভাৱিষ্যত জীৱনত সকলো প্ৰকাৰে সুখৰ হয় বুলি বিশ্বাস। আকৌ সাংকেন উৎসৱত বুদ্ধৰ মূৰ্ত্তি আগত ৰাখি প্ৰাৰ্থনা কৰা হয় আৰু ইজনে সিজনলৈ পানী চটিয়াই দিয়ে। জীৱন সুখৰ হ'ব বুলি বিশ্বাস। আকৌ মপিন উৎসৱত ইজনে সিজনৰ গালে মুখে চাউলৰ গুৰি ঘঁহি দিয়ে। আৰু তেনে কৰিলে অহা বছতটো সুখৰ হয় বুলি বিশ্বাস। এই উৎসৱ বিলাকৰ লগত জড়িত নৃত্যানুষ্ঠান পৰম্পৰাগত ভাৱে চলি আহিছে। এই উৎসৱ বিলাকৰ লগত জড়িত বিভিন্ন নৃত্যানুষ্ঠাৰ বাহিৰেও আন কিছুমান নৃত্যতো সময়ে সময়ে আয়োজন কৰা হয়। কিছুমান নাচৰ আকৌ এপৰত উল্লেখ কৰা উৎসৱৰ সময়ত সেই স্থানতে আয়োজন কৰা হয়।

অৰুণাচলৰ কিছুমান জনজাতিৰ মাজত প্ৰচলিত সাধু আৰু বিশ্বাস অনুসাৰে পৃথিবী আৰু আকাশ আচলতে দুয়ো প্ৰেমিক প্ৰেমিকাহে। চিংফুৰ মাজত প্ৰচলিত বিশ্বাস আৰু সাধুকথা অনুসাৰি ভগবানে ৰামধেনুৰ আশ্ৰয়ত চন্দ্ৰৰ ওচৰলৈ নিজৰ ভাৰ্য্যাক বিচাৰি আহে। এইবোৰ একপ্ৰকাৰ লোক-বিশ্বাস। ওনেকুৱা বহু কথা আছে।

অৰুণাচলৰ এনেকুৱা নানা ৰকমৰ বিশ্বাস, সামাজিক ব্যৱস্থাৰে জীৱন যাপন কৰা বিভিন্ন জাতিৰ বিভিন্ন ভাষা-কৃষ্টি -সংস্কৃতিৰে মানৱী জীৱন যাপন কৰা কালতে বিভিন্ন সময়ত নানা ৰকমৰ নৃত্যানুষ্ঠাৰ জৰিয়তে ঈশ্বৰৰ কৃপানুগ্ৰহত সুখী জীৱন উপভোগ কৰাৰ সুবিধা লাভ কৰে বুলি তেওঁলোকৰ বিশ্বাস। সেয়ে ধৰ্ম।

আগশাৰীৰ জনজাতি 'আদি' সকলে পালন কৰা প্ৰধান উৎসৱটোৱে হ'ল পথাৰৰৰ খেতি ফচল আহৰনৰ শেষ পৰ্বত পালন কৰা উৎসৱ। সিয়েই হ'ল পোনাং নৃত্যানুষ্ঠান। গাভৰু আৰু বোৱাৰী সকলে মিলিজুলি খেতিৰ ফচল চপোৱাৰ সময়ত নাচি বাগি গীত পদ গাই এই পোনাং উৎসৱৰ আয়োজন কৰে। সেই সময়ত ধান কিম্বা আন ফচলো সংগ্ৰহ কৰা হয়। সেইদৰে আদিৰ গেলং সম্প্ৰদায়ৰ লোকে পালন কৰা টাপু উৎসৱ হ'ল শত্ৰুৰ হাততৰ পৰা নিজকে ৰক্ষা কৰাৰ সংকল্প লোৱা উৎসৱ। এমেৰেল্লো নৃত্যানুষ্ঠানৰ জৰিয়তে চৰাই চিৰিকতিৰ অত্যাচাৰৰ পৰা শস্য পথাৰ ৰক্ষা কৰা হয়। পশ্চিম চিপং জিলাত এই উৎসৱ পয়োভৰ প্ৰচলন। এই নৃত্যানুষ্ঠানত মহিলা সকলে সদলবলে যোগদান কৰিলে খেতি পথাৰৰ শস্য বৃদ্ধি হয় বুলি বিশ্বস। দোনিপোলো অৰ্থাৎ সূৰ্য্য-চন্দ্ৰত সমাজত প্ৰচলিত নীতি-নিয়ৰে নাচি বাগি পূজা কৰিলে কৃষিৰ শ্ৰীবৃদ্ধি হয় বুলিও বিশ্বাস। য়াকজোং আচলতে আদি সকলে বছৰৰ শুভাৰম্ভত আয়োজন কৰা উৎসৱ পালনৰ সময়ত ল'ৰা-ছোৱালীয়ে প্ৰতি ঘৰ লোকৰ পৰা খাদ্য-দ্ৰব্য- মাংস আদি গোটাই ডাঙৰ ভোজ-ভাত খোৱাৰ আয়োজন কৰে। সেই খাদ্য দ্ৰব্য ভোজনৰ সময়ত নাচি বাগি হুলস্থুল কৰি উছৰ মুখৰ পৰিবেশৰ দৃষ্টি কৰাৰ লগতে সুখৰ ভৱিষ্যত জীৱনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সেইদৰে আন এটা উল্লেখযোগ্য নৃত্যানুষ্ঠান হ'ল বিছুনায়ি, যিটো নৃত্যত তেওঁলোকৰ বিশ্বাসমতে মানুহ কুণ্ডহ- কমাৰ-বাদ্দৰ— এই চাৰি প্ৰকাৰ নাচনীয়ে যোগদান কৰি এক উখল মাখলৰ সৃষ্টি কৰি অমংগল নাশ কৰে। খামতি সকলৰ কাচেং আলুৱাং আৰু কাকোন তোকাই তাৎপয্যপূৰ্ণ নৃত্যানুষ্ঠান।

আপাতনিৰ পা, দমিন্দ আচলতে খেতিৰ সমৃদ্ধিৰ বাবে আয়োজন কৰা উৎসৱ। এওঁলোকে পালন কৰা চিত্তমে নৃত্যানুষ্ঠান আচলতে কৃষিৰ শ্ৰীবৃদ্ধি কামনাৰে আয়োজন কৰা উৎসৱ। আকৌ বিখাম্‌পদ উৎসৱ নৃত্য-গীতৰ বিশেষ আয়োজনেৰে সোৱনশিৰি জিলাত পালন কৰা উৎসৱ। এই উৎসৱৰ আদি আয়োজক সকলক আৰোতানি বুলি কোৱা হয়। তাবাং আৰু পশ্চিম কামেং জিলাৰ মন্‌পা আৰু ছেৰদুকপেন সকলৰ মাজত

তিৰ্ব্বত অঞ্চলত জনপ্ৰিয় হৈ পৰা ৰামায়ণৰ কাহিনীৰ আধাৰত যুগুতোৱা 'আসি লামু' জনপ্ৰিয় নৃত্যানুষ্ঠান। এই অঞ্চলত প্ৰচলিত য়াকনৃত্য কম বয়সীয়া তিৰোতা সকলৰ মাজত উখল মাখলৰ সৃষ্টি কৰা নৃত্যানুষ্ঠান, কাৰণ তাত অংশ লোৱাত বিশেষ আগ্ৰহী সেই সকল মহিলাহে। চাংলাং জিলাৰ ত্ৰাছো সকলেৰে মোকলুম সম্প্ৰদায়ৰ জনপ্ৰিয় নৃত্যানুষ্ঠান হ'ল মোল নৃত্য, এই নৃত্যৰ সময়ত গোৱা গীত পদৰ মূল বস্তু হ'ল মানৱ সমাজৰ আদি তথা উদ্ভৱ চিকানা আৰু আনুষাঙ্গিক কাৰ্য্য তথা জীৱনৰ কথাবোৰ। ফাৰাহ হ'ল তেওঁলোকৰ ভাষাত ঈশ্বৰ। সেই ঈশ্বৰকে নৃত্য-গীতৰ জৰিয়াতে প্ৰাৰ্থনা কৰা হয় সুখ-শান্তি-সমৃদ্ধিসহ সুদীৰ্ঘ জীৱন যাপনৰ বাবে আৰ্শীবাদ। এই উৎসৱৰো সময় আচলতে এই চ'তৰ শেষ আৰু বহাগৰ আদিকালছোৱা। লোকু ৰাৱাং উৎসৱৰ ঘাই ঠাই তাৱাং জিলা। এই উৎসৱৰ গীত-পদত ঠাইনৰ গছ-গছনি, ফল-ফুলৰ লগতে জীৱ-জন্তুৰ মঙ্গল কামনা কৰি গীত পদ গোৱা হয়। নে" সকলৰ মাজত এই উৎসৱৰ উখল মাখল অতি প্ৰৱল।

অৰুণাচলৰ মুঠ তেৰখন জিলাত বসবাস কৰা বিভিন্ন জাতি উপজাতিৰ লোকসকলৰ ঘাইকৈ তেইশটা ভাগত বিভাজ। সেই প্ৰতিটো জাতিৰ মাজত ভালেমান উপজাতিৰ লোৰ আছে। তেওঁলোক সামাজিক ৰীতি-নীত, মুখৰ মাত কথা তথা ভাষাৰ প্ৰধান ভাগ হ'ল ২৬ টা। সেই ভাষাৰো আকৌ একোবিধ কথিত ৰূপ তথা উপভাষা। তেওঁলোকৰ ধৰ্মীয় দৃষ্টিভঙ্গীও পৃথক পৃথক। সমাজত প্ৰচলিত গীত পদতো নানা ৰকমৰ ৰূপ দেখিবলৈ পোৱা যায়। এই বিষয়ে চিন্তা-ভাৱনা তথা অধ্যয়ন গৱেষণা কৰ্ম আৰম্ভ হৈছে যদিও এতিয়াও ভাষাৰ দিশত বহুখিনি বাকী আছে। সেইবাবে ভালেমান কথা আজিও বিদ্বৎ সমাজৰ দৃষ্টিগোচৰ হোৱা নাই। কোনো এটা দিশতে খাটাংভাৱে মতামত দিব নোৱাৰিলেও ইয়াৰ মাজতে যিখিনি অধ্যয়ন গৱেষণা তথা চিন্তা-চৰ্চা হৈছে তাৰ আলমতে প্ৰচুৰ তথ্য পোৱা যায়। সেই তথ্যৰ আধাৰতে এই প্ৰৱন্ধটি যুগুত কৰা হৈছে। অৱশ্যে ব্যক্তিগতভাৱে সীমিত স্থানত কিছু কিছু তথ্য পাতিও সংগ্ৰহ কৰা হৈছিল। অৱশ্যে সেয়া বহু বছৰৰ আগৰ কথা। সেইসময়ৰ তথ্যৰ আধাৰতে এই প্ৰৱন্ধটি যুগুতোৱা হৈছে।□



বৈদিক যুগৰ নাৰী আৰু সামাজিক স্থিতি

✍ কবিতা হাজৰিকা

এখন সমাজৰ সভ্যতা আৰু সংস্কৃতিৰ অগ্ৰগতিৰ মান প্ৰকৃততে সেই সমাজত বসবাস কৰা নাৰীসকলে কি স্থানত অৱস্থান কৰিছে তাৰ ভিত্তিত নিৰ্ধাৰণ কৰা হয়। এখন সমাজৰ জ্ঞান, বিজ্ঞান, কলা-সংস্কৃতি, ধৰ্ম, দৰ্শন আদিত নাৰী সকলৰ ভূমিকা কেনে ধৰণৰ তাৰ ওপৰত ভিত্তি কৰি সমাজখনৰ উন্নতিৰ মান বহু পৰিমানে নিৰ্ণয় কৰিব পাৰি। নাৰী শিক্ষা-দীক্ষা আৰু সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক মৰ্যদাৰ পৰ্যবেক্ষণৰ জৰিয়তে সমাজখনৰ উচ্চ বা নিম্ন মান সম্পৰ্কে এক সম্যক ধাৰণা কৰিব পাৰি।

ভাৰতীয় সংস্কৃতিত নাৰী এক মহান শক্তি। নাৰীৰ ক্ৰমবিকাশ পৰ্য্যালোচনা কৰিলে দেখা যায় যে পৃথিবীৰ ভিতৰত আমাৰ ভাৰতবৰ্ষই এখন দেশ যত সভ্যতাৰ আদিম কালৰে পৰা নাৰী সমাজক এক বিশেষ সন্মান দি অহা হৈছে। এগৰাকী নাৰী হৈছে পবিত্ৰতা, সুচিতা আৰু সুন্দৰতাৰ প্ৰতীক। সন্তানৰ প্ৰতি মমতা, স্বামীৰ প্ৰতি ভক্তি, জীৱৰ প্ৰতি কৰুণা, এই মহাপ্ৰবৃত্তি সমূহৰ প্ৰকাশিকা শক্তিয়েই হৈছে নাৰী, পৃথিৱীৰ ভিতৰতেই মাতৃ বা নাৰী সকল সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বপ্ৰথম।

বৈদিক মন্ত্ৰ উচ্চাৰণত নাৰী অধিকাৰ আছিল। সেইবাবে পুৰুষৰ দৰে উপনয়নৰ ব্যৱস্থা আছিল। উপনয়নৰ পাছত দ্বিজ হৈ তিৰোতা সকলোৱে ব্ৰহ্মগায়ত্ৰী মন্ত্ৰ উচ্চাৰণ কৰে। পবিত্ৰ অগ্নিত হোম কৰে আৰু অন্যান্য বৈদিক গ্ৰন্থ পাঠ কৰাৰ অধিকাৰ পায়। স্মৃতি শাস্ত্ৰকাৰৰ মতে প্ৰাচীন যুগৰ মহিলা দুবিধ, ব্ৰহ্মবাদিনী আৰু সদ্যোবধু। ব্ৰহ্মবাদিনী সকলৰ উপনয়ন বেদ অধ্যয়ন আদি সকলোতে অধিকাৰ আছিল তেওঁলোক আছিল তপসী। সদ্যোবধুসকলে গুৰুগৃহত শিক্ষা সমাপ্ত কৰিহে বিবাহত আবদ্ধ হৈছিল। সেই যুগত বিবাহ উৎসৱতো কন্যাই ভালেমান মন্ত্ৰ গাব লাগিছিল।

আনবিলাক অধিকাৰৰ দৰে ধৰ্মীয় অধিকাৰে বৈদিক যুগৰ নাৰীসকলে পুৰুষৰ সমানেই ভোগ কৰিছিল। শেই সময়ত পত্নী অবিহনে কোনো পুৰুষকেই সম্পূৰ্ণ নহয় বুলি গণ্য কৰা হৈছিল। অপত্নীক ব্যক্তিৰ যজ্ঞকৰ্মত অধিকাৰ নাছিল। যজ্ঞৰ বিভিন্ন কাৰ্যত পত্নীগৰাকীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

কেতিয়াবা আকৌ দেখা গৈছিল যে নাৰী সকলে অকলেই যজ্ঞৰকাৰ্য সম্পূৰ্ণ কৰিছিল। ঋকবেদত এগৰাকী কন্যাৰ বিষয়ে উল্লেখ আছে যে তেওঁ ইন্দ্ৰৰ যজ্ঞত আহুতি প্ৰদান কৰিছিল আৰু উল্লেখ আছে যে বিশ্ববাৰাই দোকমোকালিতে উঠি অকলেই যজ্ঞ সম্পন্ন কৰে। বৈদিক যুগত পুৰুষৰ সমানে নাৰীৰো উপনয়নৰ ব্যৱস্থা আছিল। সেই সময়ত কিছুমান ধৰ্মীয় সভা অনুষ্ঠিত কৰা হৈছিল আৰু তাত বিভিন্ন গুনী-জ্ঞানী লোক সকলৰ লগতে বিদুষী স্ত্ৰী সকলেও মত বিনিময় কৰিছিল। বৃহদাৰণ্যক

উপনিষদত পোৱা যায় যে যিখিনিৰ ৰজা জনকে এনে এখন সভা অনুষ্ঠিত কৰিছিল যিখন সভাত বিদূষী নাৰী গাৰ্গীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

বৈদিক যুগত বাল্য বিবাহ প্ৰথা একেবাৰে সীমিত আছিল। পতি নিৰ্বাচনৰ ক্ষেত্ৰত ঋকবেদীয় কন্যাই নহয় সকলো নাৰীৰ মনোমত পাত্ৰ নিৰ্বাচনৰ অধিকাৰ আছিল। নাৰীয়ে বিবাহ কৰাবই লাগিব এনে কোনে নিয়ম বৈদিক যুগত নাছিল। অবিবাহিতা কন্যাও পৈতৃক সম্পত্তি ভোগ কৰিব পাৰে। তাৰ উল্লেখ পোৱা যায়। পুৰুষ সকলৰ মাজত বহু বিবাহৰ প্ৰচলন থাকিলেও সমাজত দাম্পত্য সম্পৰ্কৰ আদৰ্শ আছিল উচ্চ। স্বামী স্ত্ৰী সুখে শান্তিৰে যৌথ জীৱন-যাপনেই সাধাৰণ নিয়ম আছিল। বিবাহৰ মন্ত্ৰ সমূহৰ পৰা বিবাহ বন্ধনৰ গভীৰতা আৰু পবিত্ৰতাৰ বিষয়ে পোৱা যায়। ইয়াৰ পৰাই অনুমান কৰিব পাৰি সমাজত নাৰীৰ উচ্চ স্থানৰ কথা। বৈদিক সমাজত পৰ্দা প্ৰথাৰ প্ৰচলন নাছিল বিবাহ সম্পন্ন হৈ যোৱাৰ পিছত সমবেত অতিথিৰ সন্মুখত নৱবিবাহিতা কন্যাক দৰ্শন কৰোৱা মন্ত্ৰ বেদত পোৱা যায়।

সহমৰণ প্ৰথা বৈদিক ঋকবেদ সমাজত নাছিল। ঋকবেদৰ কোনো ঠাইত সতীদাহ বা সহমৰণ প্ৰথাৰ উল্লেখ নাই। ঋষিসকলে সুস্থ আৰু স্বাভাৱিক দৃষ্টিভংগিৰে বিধবা নাৰীক জীয়াই থকাৰ অধিকাৰ দিছিল।

বৈদিক যুগৰ নাৰী সকলৰ ৰাজনৈতিক ক্ষেত্ৰতো স্বাধীনতা দেখিবলৈ পোৱা যায়। যুদ্ধ বিদ্যাতো পটীয়সী নাৰীৰ উল্লেখ বৈদিক সাহিত্যত পোৱা যায়। মুদগলিনী, বিশপল, বধ্ৰিমতী, শশীয়সী আদি যোদ্ধা ৰমনীৰ উল্লেখ ঋকবেদত পোৱা যায়। ৰাণী বিশপলাই যুদ্ধত ভৰি এখন হেৰুৱাৰ বিষয়ে ঋকবেদত পোৱা যায়। ঋষি মুঘালৰ পত্নী মুঘালিনীয়ে তেওঁৰ স্বামীৰ ধনুশৰ হাতত তুলি লৈ দুৰ্বৃত্তৰ লগত যুদ্ধ কৰি হেৰোৱা সম্পদ উদ্ধাৰ কৰিছিল। নাৰীসকল সেই সময়ত সাজ-সজ্জা কৰি যুদ্ধক্ষেত্ৰলৈ গৈছিল। দেৱী সৰস্বতীৰ বৃত্ৰঘ্নী বুলি অভিহিত কৰাৰ মূলত হৈছে- তেওঁ বৃত্ত নামৰ অসুৰৰ নিধন কাৰ্যত ইন্দ্ৰক সহায় কৰিছিল।

বৈদিক যুগত নাৰী সকলৰ কুটীৰ শিল্প, সুকুমাৰ কলা চৰ্চাৰ প্ৰমাণ বিভিন্ন প্ৰসংগৰ পৰা পোৱা যায়। ছোৱালীক নৃত্য-গীত আৰু বিভিন্ন বাদ্য-যন্ত্ৰ বজাবলৈ শিকোৱা হৈছিল। পুৰুষ নাৰী উভয়ে নৃত্য-গীতৰ চৰ্চা কৰিছিল যদিও নাৰীৰ বাবে বিশেষ উপযোগী কলা বুলি গণ্য কৰিছিল।

ইয়াৰ উপৰিও বিভিন্ন ৰঙৰ ঘুনাৰে ফুল বাচি কাপোৰ বোৱা, কাপোৰত চিলাই কৰা আদি কামত স্ত্ৰী সকলৰ একচেতীয়া অধিকাৰ আছিল। কঁপাহৰ পৰা সূতা তৈয়াৰ কৰা, বস্ত্ৰাদিত ৰং কৰা, জৰী তৈয়াৰ কৰা, নানা সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰা কামো নাৰী সকলে কৰিছিল।

প্ৰাচীন কালত নাৰী সকলৰ সম্পত্তিৰ অধিকাৰ সীমিত আছিল। পিতৃৰ সম্পত্তি পুত্ৰইহে লাভ কৰিছিল। কিছু কিছু ক্ষেত্ৰতহে তেওঁলোকে সম্পতিৰ অধিকাৰ লাভ কৰিছিল। পুত্ৰহীন পিতৃৰ কন্যা এগৰাকী পিতৃ সম্পত্তিৰ অধিকাৰী হোৱাৰ কথা ঋকবেদত উল্লেখ আছে। ইয়াৰ উপৰিও যি সকল স্ত্ৰীৰ বিবাহ সম্পন্ন হোৱা নাছিল তেওঁলোকেও পিতৃৰ সম্পতিৰ অধিকাৰী হ'ব পাৰিছিল।

বৈদিক যুগৰ নাৰীৰ স্থান যথেষ্ট উন্নত আছিল। সেই সময়ত নাৰী সকলক শিক্ষয়িত্ৰী, বেদমন্ত্ৰ ৰচয়িত্ৰী, ছাত্ৰী, ব্ৰহ্মবাদিনী, বীৰাংগনা, কুটিৰ আৰু শিল্পত পাকৈট আদি বিভিন্ন ৰূপত দেখা গৈছিল। নাৰী হৈছে সৃষ্টিৰ আধাৰ।

এই নাৰী শক্তিয়ে স্বাভাৱিকতে যুগে যুগে পূজিতা হ'ব লাগিছিল। কিন্তু ব্যৱস্থাৰ পৰিৱৰ্তন আৰু মানুহৰ মানসিকতাৰ অবক্ষয়ৰ ফলত নাৰী সমাজক হেয়জ্ঞান কৰিবলৈ ধৰিলে। মনু, চানক্য আদি পণ্ডিতৰ বিচাৰত, ডাকৰ কিছুমান বচনে নাৰীজাতিক অতি নিম্ন স্থানলৈ নমাই দিয়া দেখা গ'ল। শেষত নাৰী আৰু শূদ্ৰৰ বেদ অধ্যয়নৰ অধিকাৰ নাই বুলি বিধান দি নাৰী সকলক সকলো অধিকাৰৰ পৰা বঞ্চিত হ'ল। সমাজৰ পৰা সম্পূৰ্ণৰূপে পৃথক কৰি একমাত্ৰ ঘৰৰ ভিতৰতে আবদ্ধ কৰি ঘৰুৱা কাম-কাজ আৰু গাহ্যস্থ পালনেই প্ৰধান কাম হ'ল। ফলস্বৰূপে যোগ্যতা আৰু সাহস থকা স্বত্বেও সমাজৰ ভয়ত যি কোনো কাম কৰাৰ পৰা বিৰত থাকিবলগীয়া হ'ল।

সাম্প্ৰতিক সময়তো নাৰীয়ে নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে সংগ্ৰাম কৰাব লগা হৈছে। নাৰী অকলশৰে বাহিৰত ওলাব নোৱাৰা অৱস্থা হ'ল। আনকি কন্যা শিশু সকলো মানুহ ৰূপী নৰপিশাচৰ বলি হ'ব লগা পৰিলক্ষিত হৈছে।

সাম্প্ৰতিক সময়ত বৈদিক সমাজৰ আদৰ্শ অনুপ্ৰাণিত হৈ নাৰী জাতিৰ উন্নয়ণৰ বাবে চেষ্টা চলালে ভাৰতবৰ্ষত এখন সমতাৰ ভিত্তিত সমাজ প্ৰতিষ্ঠা হ'ব। স্বামী বিবেকানন্দই কৈ গেছে- যি দেশে, যি জাতিয়ে তিৰোতাক সন্মান নকৰে সেই দেশ বা জাতি মহান হব পৰা নাই আৰু ভৱিষ্যতেও নোৱাৰে।

(এই প্ৰবন্ধটি প্ৰস্তুত কৰোতে এইকেইখন কিতাপৰ সহায় লোৱা হৈছে

উপনিষদ অষ্টক - তীৰ্থনাথ শৰ্মা

বেদৰ পৰিচয় — ড° যোগীৰাজ বসু

প্ৰান্তিক - (অক্টোবৰ 2002)

মহিয়সী - (2011)



বহাগ এক অনুভৱ

✍ ধীৰেন্দ্ৰ নাথ শইকীয়া *(ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া)*

কুলিৰ মাতত ব'হাগ অহাৰ আগজাননি। নগৰখনৰ ঠাই বিশেষে থকা গছৰ জোপোহাৰ পৰা ভাঁহি অহা কুলিৰ মাতে উমান দিলে অসমীয়াৰ আয়ুস ৰেখা ব'হাগ যেন পদুলি মুখত। নগৰীয়া জীৱনৰ যান্ত্ৰিকতাৰ মাজত ব'হাগ অহাৰ মাদকতা যেন অনুভৱ কৰিব নোৱাৰি। মনটো গাঁৱলৈহে ঢাপলি মেলে। হিয়া-মন জোকাৰি যোৱা ব'হাগ। গভীৰ ডাঠ হাবিৰ পৰা ভাঁহি অহা কুলি-কেতেকীৰ মাতত সকলোটি সাজু হয় ব'হাগক আদৰিবলৈ। বতৰৰ বৰষুণজাকে জীপাল কৰি তোলে খেতিয়কৰ শইচ পথাৰ। ঢুলীয়াই ঢোলত দিয়ে চেওঁ। মাজনিশা দূৰৰ পৰা আহে কোনোবা বিহুবলীয়া ডেকাৰ একোটা উকি। চ'ত পাৰহে বহাগ আহিলেই ঢোল-পেঁপা, গগণাই প্ৰাণ পাই উঠে। ব'হাগ বিহুত কৃষিজীৱী পাই ৰঙালীৰ ৰূপত। ৰং-ৰহইছৰে ভৰি পৰে ধ্বনি। ব'হাগ আহে নদীৰ ঘাটলৈ, ব'হাগ আহে পথাৰলৈ, ব'হাগ আহে গছৰ তললৈ। ডেকা-গাভৰুৰ অন্তৰলৈ বহাগে লৈ আহে পাৰ ভাঙি অনা এক উছাহৰ ঢল। বিহুগীতত প্ৰাণ পাই উঠে চিৰি লুইত, দিখৌ, দিচাং আৰু যে ক'ত নদ-নদী আৰু জান-জুৰি। ব'হাগৰ মাজতেই প্ৰকাশ পায় পৰম্পৰাগত অসমীয়া সমাজখন। কৃষিজীৱী ৰাইজৰ কলা-কৃষ্টি আৰু জীৱনশৈলী, নিৰ্ভেজাল প্ৰেম, ভালপোৱা সকলোৰে প্ৰতিফলন এই ব'হাগ। ব'হাগ হৈ পৰে ৰঙালী। তগৰ, কেতেকী, কপৌফুলৰ গোন্ধই আমোল-মোলাই চৰ্তুদিশ। নতুন ভাৱৰ উদ্ৰেক হয় শ্ৰমজীৱি ৰাইজৰ মনত। সমাজ গঢ়াৰ নৱ-নৱ চিন্তা আনি দিয়ে ব'হাগে। ব'হাগ হৈ পৰে উছাহৰ ঢল লৈ অহা এক বোৱতী নৈ।

গাঁৱৰ পৰা চহৰলৈ আহে ব'হাগ— বিভিন্ন ৰূপত। ৰঙালী বিহু মঞ্চত। গাঁৱৰ পৰা হিল-দল ভাঙি আহে বিহুৱা-বিহুৱতী। প্ৰতিযোগিতাত নামি পৰে মঞ্চৰ শ্ৰেষ্ঠ বিহুৱা দল, বিহুকুঁৱৰী, বিহুৰাণী, বিহু সম্ৰাজ্ঞী হোৱাৰ মানসেৰে। ৰঙালী হৈ পৰে সপোন ভঙা পতাৰ এক খেল। ৰঙালী হৈ পৰে বহুজাতিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰচাৰ মাধ্যম। জেং বিহু হুঁচৰিৰ প্ৰৱেশ মঞ্চত। বিহুগীতত দিখৌৰ ঠিয় গড়া, লুইতৰ চাপৰি, কুলি-কেতেকীৰ মাত অদৃশ্য হৈ পৰিল। ঠাই পালে ব্যৱসায়িক প্ৰতিষ্ঠানৰ উৎপাদিত সমগ্ৰীয়ে। তথাপিও ব'হাগ আহে ৰঙালী হৈ প্ৰতিবছৰে। ৰঙালী বিহু যে অসমীয়াৰ বাপতি সাহোন। ব'হাগক আদৰিবলৈ প্ৰতিজন অসমীয়াই অধীৰ হৈ বাট চাই থাকে। মাজনিশা চোতালৰ নিয়ৰ গচকি হুঁচৰি দল আকৌ আহক। গৃহস্থৰ কুশলৰ অৰ্থে বুলি বিহুৱাৰ ঢোল, পেঁপা, গগণা আকৌ এবাৰ বাজি উঠক।□

বহাগত অলপ ব্যতিক্ৰমী চিন্তা

✍ মেঘালী দাস

বহাগ মাথো এটি ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ.......

অসমীয়াৰ জীৱনত বহাগৰ স্থান আৰু মান উপলব্ধি কৰিয়েই হয়তো ড° ভূপেন হাজৰিকাই লিখিছিল এই কালজয়ী গীত, যিয়ে সদায় আমাক সোঁৱৰাই থাকিব বহাগৰ গুৰুত্ব আৰু মহত্ব।

সঁচাকৈয়ে বহাগ এক আৰম্ভণি— নতুন বছৰৰ, নতুন দিনৰ। প্ৰকৃতিয়েও নতুন সাজ পিন্ধি নতুনৰ কথা কয়। গছে-বনে চৌপাশে নতুন আবৰণ, নতুন আভূষণ। বৰযুণজাকেও যেন ক'ব বিচাৰিছে ধুই দিয়া সমাজৰ কলুষতা, অপাই-অমঙ্গলবোৰ আৰু গাব বিচাৰিছে প্ৰগতি, সমৃদ্ধি আৰু উন্নতিৰ গীত। যি গীতে সূচনা কৰিব সমাজত নতুন দিগন্তৰ। এয়া যেন সময়ৰ আহ্বান। এয়া যেন বহাগৰ আহ্বান।

এই বহাগত আমিও নোৱাৰোনে সমাজত নতুন আশাৰ সঞ্চাৰ কৰিব? নোৱাৰোনে কাৰোবাৰ বাবে কিবা এটা সহায় কৰিব? যি সহায়ে কাৰোবাৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাব বা কাৰোবাৰ জীৱনশৈলীৰ উত্তৰণ ঘটাব। ব্যক্তিগতভাৱে ভাবিলে সহজসাধ্য নহ'বও পাৰে কিন্তু সমূহীয়াকৈ ভাবিলে তেনেই সহজ। ৰাইজে নখ জোকাৰিলে নৈ বয়। এই কথা সৰোগত কৰি আমি সমাজৰ বহু কামেই কৰিব পাৰো। এশ এবুৰি সমস্যাৰে কক্‌বকাই থকা আমাৰ সমাজখনত কোনোবাই যদি এটা-দুটা সমস্যা সমাধানত আগবাঢ়ি আহে তেন্তে ইয়াতেই সৰগ ৰচনা হ'ব। জনকল্যাণমূলক কাম কৰিবলৈ কোনো দল, সংগঠন বা পঞ্জীয়নৰ দৰকাৰ নাই। দৰকাৰ মাথো এক মুষ্টিমেয় মানুহৰ সদিচ্ছাৰহে। এবাৰ জনকল্যাণমূলক অভিমান আৰম্ভ হ'লে আপোনা আপুনিয়েই ই লাভ কৰে প্ৰচাৰ আৰু প্ৰসাৰ। এই বহাগতেই আমি প্ৰয়াস কৰিব নোৱাৰোনে এনে কিছুমান জনকল্যাণমূলক অভিমানৰ!!

বৰ্তমান জনকল্যাণমূলক কামত সহায় কৰিবলৈ বহু চৰকাৰী-বেচৰকাৰী আৰু ক'পৰেট গোষ্ঠী আছে। যিয়ে সময়ে সময়ে এনে অভিমান সফল হোৱাত বিভিন্ন ধৰণে সহায় আৰু সহযোগিতা আগবঢ়াই আহিছে। আমাৰ বিহু সমিতি, পূজা সমিতিবোৰেও এই ক্ষেত্ৰত চিন্তা কৰি চাব পাৰে। এবছৰত অসমত কেইবা হাজাৰো বিহু মঞ্চ আৰু পূজা মণ্ডপৰ আয়োজন চলে। এই সমিতিবোৰে সংগৃহীত ধনৰ এটা অংশৰে স্থানীয় বিদ্যালয়, মহাবিদ্যালয় অথবা অনাথ আশ্ৰম, শিশুগৃহ, নিৰ্যাতিতা মহিলাৰ গৃহ, বৃদ্ধাশ্ৰম

অথবা এনে কোনো অনুষ্ঠানৰ অভাৱ দূৰ কৰিব পাৰে বা তেওঁলোকৰ উপকাৰ হোৱাকৈ কিবা এটা দান-বৰঙণি যোগাব পাৰে। ৰাজহুৱা প্ৰস্ৰাবাগাৰ, শৌচাগাৰ, জিৰণী ঘৰ, বাছ আস্থান, বজাৰ বা বজাৰগৃহ আদিৰ উন্নয়নৰ কথাও ভাবিব পাৰে। নলা-নৰ্দমা, বাট পথ আদিৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ কথাও ভাবিব পাৰে, বস্তি অঞ্চল বা সেই অঞ্চলৰ শিশু, মহিলা বা দৰিদ্ৰ সীমাৰেখাৰ তলত থকা শিশু বা পৰিয়ালসমূহকো কিছু সকাহ দিয়াৰ কথা ভাবিব পাৰে। এনে পৰিয়ালৰ যুৱক-যুৱতী বা মহিলাসকলক বিনামূলীয়াকৈ বৃত্তিমূলক প্ৰশিক্ষণ দিলে তেওঁলোক অৰ্থনৈতিকভাৱে স্বালম্বী হোৱাত সহায়ক হ'ব। মহিলাসকলৰ বাবেও গোট হৈ বা ঘৰৰ পৰাই উপাৰ্জন কৰাৰ বাট মুকলি কৰিব পাৰে। এই ক্ষেত্ৰত বহু চৰকাৰী আঁচনি আছে যদিও এই আঁচনিয়ে বিভিন্ন কাৰণত সকলোকে সামৰি ল'ব পৰা নাই। যাৰ বাবে আন আন স্বেচ্ছাসেৱী গোটৰ প্ৰয়োজন সদায়েই আছে। কোনো এখন সমিতিয়ে যদি আগভাগ লৈ এনে শুভকাৰ্যৰ আৰম্ভণি কৰে তেন্তে পৰৱৰ্তী সময়ত নিশ্চয় আন আন সমিতিসমূহেও এনে কামৰ বাবে অনুপ্ৰেৰণা লাভ কৰিব। হাজাৰখন সমিতিয়ে যদি প্ৰতিবছৰে অলপ অলপ এনেধৰণৰ কাম কৰে, ভাবকচোন কেইবছৰমানৰ ভিতৰতে কিমান কাম হ'ব। কোন চনৰ কোন বিহু সমিতি বা পূজা সমিতিয়ে কাৰ নেতৃত্বত এই জনকল্যাণমূলক কাৰ্যৱলী কৰিলে স্পষ্টভাৱে লিখা থাকিব লাগে আৰু প্ৰচাৰ পত্ৰিকাতো প্ৰকাশ হ'ব লাগে। ভাল কামৰ সদায়ে কদৰ আৰু প্ৰচাৰ কৰিব লাগে যাতে আনেও অনুপ্ৰেৰণা পাব পাৰে।

বহুতেই হয়তো ক'ব বিচাৰিব এই কাম চৰকাৰৰ। আমি কিয় কৰিব লাগে? কথাটো মিছা নহয়। কিন্তু আমি সজাগ নাগৰিক হিচাবে চৰকাৰকতো সহযোগ কৰিব পাৰো। চৰকাৰে বাট-পথ, নলা-নৰ্দমা আদিবোৰ বনাই দিছে, কিন্তু লেতেৰা আৰু আবৰ্জনাময় কৰিছে কোনে? আমিবোৰেই নহয় জানো? তেন্তে? কেতিয়াবা যদি আমি থকা অঞ্চলটোৰ পৰিৱেশ উন্নয়নৰ বাবে চিন্তা-চৰ্চা কৰো তেন্তে সেয়া আমাৰেই লাভ নহয় জানো? দৰিদ্ৰতা, জনসংখ্যা, নিবনুৱা সমস্যা, অপৰাধ প্ৰৱণতাই কোঙা কৰি পেলোৱা সমাজখনত আমাৰ সহযোগত যদি অলপ আশাৰ ৰেঙণি আহে তাতকৈ আনন্দৰ কথা আৰু কি হ'ব পাৰে? আহক এই বহাগত আমি সকলোৱে প্ৰয়াস কৰো নিজৰ সাধ্যানুযায়ী সমাজৰ বাবে জনহিতকৰ কিছু কাম কৰিবলৈ। সমাজখন সুন্দৰ হ'লেহে আমাৰ জীৱন সুন্দৰ হ'ব। কাৰণ আমি যে এই সমাজৰে অংশ।❐





ৰঙালী বিহুৰ পৰম্পৰা

✍ তুলনা দত্ত মেধি

আদিম কালৰপৰাই প্ৰকৃতিৰ লগত মানুহৰ ওতঃপ্ৰোত সম্পৰ্ক। প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগত মানুহৰ দেহ-মনৰ পৰিৱৰ্তন হয়। চৰাই-চিৰিকটি, জন্তুবোৰেও গীত-মাত, দেহৰ অঙ্গী-ভঙ্গীৰে মনৰ আনন্দ, হৰ্ষবিষাদ প্ৰকাশ কৰে। জীৱশ্ৰেষ্ঠ মানুহেও মনৰ ভাৱ প্ৰকাশ কৰে গান-নাচেৰে। ই এটা সহজাত প্ৰবৃত্তি। এইদৰেই উৎপত্তি হয় প্ৰকৃতিৰ লগত সম্পৰ্কিত উৎসৱবোৰৰ। উৎসৱবোৰৰ উৎপত্তিৰ কোনো চন, তাৰিখ নাথাকে। হয়তো মানৰ জাতিৰ জন্মৰ লগে লগে উৎসৱবো জন্ম। যুগযুগ ধৰি একোটো একোটা জাতিৰ শিৰাই-শিৰাই প্ৰৱাহমান হৈ থাকে উৎসৱৰ ধাৰা। এইদৰেই অসমীয়াৰ বাপতি সাহোন জাতীয় উৎসৱ ব'হাগ বা ৰঙালী বিহুৰ উৎপত্তি হয়।

অসমীয়াৰ প্ৰাণৰ মাহ হ'ল বহাগ। এই মাহটো অসমীয়া জাতি আৰু মানুহৰ সমাজ জীৱনৰ অতি আকৰ্ষণীয় মাহ। এই বহাগতেই প্ৰকৃতি দেৱী নসাজেৰে সাজি-কাচি নতুন ৰূপত ওলাই আহে। গছে-গছে, লতাই-লতাই কোমল কুঁহিপাতে দেখা দিয়ে। কপৌ, কেতেকী, নাহৰ-তগৰ আদি ফুলে সুবাস বিলায়। নৈ-নিজৰাৰ কুলুকুলু শব্দ, খাল-বিলৰপৰা ভাহি আহে ভেকুলীৰ টোৰ-টোৰণি, কুলি-কেতেকীৰ মধুৰ গীতে চৌপাশ মন-প্ৰাণ পুলকিত কৰি তোলে। সকলোৰে মন ৰঙেৰে ভৰি পৰে। আমে মলিয়ায়, কঁঠালে মুচি পেলায়। প্ৰকৃতিয়ে সকলো ফালৰ পৰা ৰূপ সলায়।

প্ৰকৃতিগত আৰু স্বতঃস্ফূৰ্তভাৱে ওলাই অহা আবেগ অনুভূতিৰে বহাগ মাহ অৰ্থাৎ বসন্ত ঋতুত অসমবাসীয়ে হেঁপাহৰ ৰঙালী বিহু পালন কৰি আহিছে— জাতি-ধৰ্ম, ভাষা-বৰ্ণ নিৰ্বিশেষে। নামনিৰ পৰা উজনিলৈ অসমৰ সকলো জনগোষ্ঠীৰ বড়ো, হাজং, ৰাভা, ডিমাছা, খামতি, দেউৰী, চিংফৌ, চুতীয়া, তিৱা, মিছিং আদি লোকসকলে ৰঙালী বিহু পালন কৰে।

পাৰাপাৰ আনন্দত ডেকা গাভৰুৱে পথাৰলৈ লৰ মাৰে এপাক নাচিবলৈ। এই সুযোগতে প্ৰেমিক-প্ৰেমিকাই মনৰ কথা প্ৰকাশ কৰে প্ৰিয়জনক। ঋতুকেন্দ্ৰিক আৰু কৃষিকেন্দ্ৰিক হ'লেও ৰঙালী বিহুৰ লগত জড়িত হৈ থাকে উত্তাল যৌৱনৰ দুৰন্ত আশা আৰু মিলনৰ আকাংক্ষা।

বিহুলৈ এমাহমান থাকোতেই হেপাহঁৰ গামোছাখন তাঁতত বৈ উলিয়াই শিপিনীসকলে জ্যেষ্ঠজনক লগতে প্ৰেমিকক বিহুৱান হিচাবে দিবলৈ।

সাহোন

কৃষিৰ ওপৰত নিৰ্ভৰশীল অসমীয়া সমাজে গৰুক দেৱতা বুলি গণ্য কৰে। সেয়েহে চ'তৰ অন্তিম দিনটো গৰু বিহু হিচাবে পালন কৰে। গৰুক নোৱাই-ধুৱাই গো-পূজা কৰা হয়। দ্বিতীয় দিনটোত কনিষ্ঠই জ্যেষ্ঠজনক সেৱা কৰা, বিহুৱান আগবঢ়োৱা একেলগে জা-জলপান খোৱা আদি পালন কৰা হয় কাৰণে ইয়াক মানুহ বিহু বোলে। তৃতীয় দিনা সকলোৰে মঙ্গল কামনা কৰি মঠ-মন্দিৰ, দৌল-দেৱালয়, নামঘৰ-সত্ৰ আদিত নাম-কীৰ্ত্তন, পূজা-পাতল কৰে সেয়ে ইয়াক গোঁসাই বিহু বোলে। চতুৰ্থদিনাৰ বিহুক বাত বিহু, পঞ্চম দিনাৰ বিহুক মাইকী বিহু, ষষ্ঠ দিনাৰ বিহুক মেলা বিহু আৰু সপ্তম দিনাৰ বিহুক চেৰা বিহু বোলে। ঠাই বিশেষে অৱশ্যে বেলেগ নামেৰেও জনাজাত।

বিহুগীত আৰু নৃত্যত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰবোৰ যেনে— ঢোল, পেঁপা, গগণা, উকা, বাঁহী, সুতুলি ইত্যাদি প্ৰাকৃতিক বস্তুৰ পৰাই তৈয়াৰ কৰা হয়। গাভৰুহতে জেতুকা গছৰ পাতৰ ৰং হাতত বোলায় আৰু ওঠত লগায় বৰহমথুৰিৰ গছৰ গুটিৰ ৰং।

মাঘৰ বিহুত ম'হ যুঁজ, বুলবুলি চৰাই যুঁজৰ দৰে ব'হাগ বিহুত প্ৰচলন কণী যুঁজ এটা অসমীয়া কৃষ্টিৰ অন্যতম নিদৰ্শন। কণী প্ৰজননৰ প্ৰতীক। কণীৰপৰাই জীৱৰ সৃষ্টি। হয়তো ব'হাগত হাঁহ-কুকুৰা, পাৰ আদিৰ বংশ বৃদ্ধিৰ কামনাৰে কণী যুঁজায়।

ব'হাগ বিহুৰ আন এটি বৈশিষ্ট্য হ'ল হুচৰি গোৱাটো। গৃহস্থৰ ঘৰে ঘৰে গৈ গৃহস্থৰ বুলনৰ নিমিত্তে ঢোল, পেঁপা, গগণাৰ সুমধুৰ সমন্বয় তুলি নৃত্যগীতেৰে মুখৰিত কৰি তোলে।

এক ব'হাগৰ দিনা, ঠাই বিশেষে চেৰা বিহুৰ দিনা এটি লোকাচাৰ হ'ল এশবিধ শাক খোৱা প্ৰথা। এনেবোৰ শাকৰ ভিতৰত ঢেঁকীয়া, কচু, ভেদাইলতা, খুতুৰা, কলমৌ, মাটি কাছৰী, মহানিম, জিলমিল, মানিমুনি, দোৰোণ, সৰিয়হ আদি অন্যতম।

নৃত্যগীত-বাদ্য, আনন্দ ৰং ৰহইচ, খোৱা-বোৱাৰ মাজেৰে বিহুৰ মাদকতা অনুভৱ কৰা হয় যদিও বিহুৰ লগত জড়িত হৈ আছে সৃষ্টিৰ অদম্য হেঁপাহ আৰু নতুনক আদৰাৰ প্ৰাণ চঞ্চলতা। ৰঙালী বিহুৰ লগত জড়িত কলা-কৃষ্টি, লোকাচাৰ, আচাৰ-ব্যৱহাৰে বহন কৰে অসমীয়া জাতিৰ জাতিগত পৰিচয়, মান-সন্মান, অভিমান।

কিন্তু আজি অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু পৰিৱৰ্তনৰ পথত। পৰিৱৰ্তন আহিবই— প্ৰকৃতিত, মানুহৰ মনত, সমাজত, জাতিত। কিন্তু এই পৰিৱৰ্তনৰ ঢৌৱে উটুৱাই লৈ নাযাওঁক অসমীয়াৰ নিজস্ব পৰিচয়। অসমীয়া জাতি থাকে মানে বিহু থাকিব। সেয়েহে বিহুৰ পৰম্পৰাই ৰক্ষা কৰিব অসমীয়া জাতি।

ভাৰতৰ অৰ্থনৈতিক উন্নয়নত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা

✍ ৰুনুমী মহন্ত বৰা

অতীত কালৰে পৰাই ভাৰতৰ অৰ্থনৈতিক ক্ষেত্ৰত কুটীৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগসমূহে গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি আহিছে। কুটীৰ আৰু ক্ষুদ্ৰ শিল্প শিল্পীসকলে বিভিন্ন ধৰণৰ আপুৰুগীয়া বস্তু উৎপাদন কৰি তাৰ ভিতৰত কপাহী, পচমী আৰু ৰেচমী কাপোৰ, পিতল আৰু কাঁহৰ বাচন, কাগজ আৰু কাঁচৰ বস্তু আদিয়ে আন্তৰ্জাতিক খ্যাতি লাভ কৰিছিল। সেয়ে কাশ্মিৰী শ্বাল, ৰেচম শিল্প, বেনাৰসৰ কাৰ্পেট আজিও পৃথিৱীবিখ্যাত। পৃথিৱীৰ বিভিন্ন দেশত ভাৰতৰ এই শিল্পজাত বস্তুবোৰ বৰ সমাদৰ লাভ কৰিছিল আৰু ইয়াৰ কলা-কৌশল, কাৰুকাৰ্য দেখি সকলোৰে আচৰিত হৈছিল। কিন্তু অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা, ভাৰতৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পবোৰ ধ্বংস হ'বলৈ ধৰিছে যদিও একেবাৰে বিলোপ কৰিব পৰা নাই।

কুটীৰ উদ্যোগ বুলিলে আমি সাধাৰণতে বুজিব পাৰো যে যিবোৰ শিল্পৰ দ্বাৰা আংশিক বা সম্পূৰ্ণ জীৱিকাৰ উপায় হিচাপে মানুহে কোনো যন্ত্ৰৰ সহায় নোলোৱাকৈ আৰু কম সংখ্যক শ্ৰমিকৰ দ্বাৰা পৰিচালনা কৰা হয় তাকেই কুটীৰ শিল্প বুলি কোৱা হয়। সেইদৰে যিবোৰ শিল্পৰ উৎপাদন কাৰ্য্য ভাড়া কৰি অনা শ্ৰমিকৰ দ্বাৰা পৰিচালিত কৰা হয় সেইবোৰকে ক্ষুদ্ৰ শিল্প বুলি আখ্যা দিয়া হয়।

কুটীৰ উদ্যোগসমূহৰ ক্ষেত্ৰত হস্তচালিত উৎপাদন কৌশলৰ প্ৰাধান্য বেছি। কুটীৰ উদ্যোগসমূহে ভাৰতৰ পৰম্পৰাগতভাৱে অতীজৰে পৰা নানা ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰি আহিছে। ভাৰতৰ ৰাজহ সম্পৰ্কীয় আয়োগে কুটীৰ উদ্যোগসমূহক তিনিভাগত ভাগ কৰিছে— (ক) গ্ৰাম্যাঞ্চলৰ হ্ৰস্বকালীন কুটীৰ উদ্যোগ, (খ) গ্ৰাম্যাঞ্চলৰ দীৰ্ঘকালীন কুটীৰ উদ্যোগ আৰু (গ) পৌৰ এলেকাৰ কুটীৰ উদ্যোগ।

প্ৰথমবিধৰ কুটীৰ উদ্যোগসমূহ সাধাৰণতে গাঁৱলীয়া খেতিয়কসকলে কৰা ওপৰঞ্চি ব্যৱসায়। বিশেষকৈ ভাৰতৰ খেতিয়কসকলে বছৰৰ বেছিভাগ সময় কাম-বন নোহোৱাকৈ থাকিব লাগে। সেয়ে কুটীৰ শিল্পই খেতিয়কসকলক আংশিক বৃত্তিৰ যোগান ধৰি আৰ্থিক অৱস্থাৰ উন্নতি কৰাৰ সুবিধা কৰি দিয়ে। খেতি বাতি কৰাৰ উপৰি গাঁৱলীয়া খেতিয়কে সাধাৰণতে তাঁত বোৱা, সুতা কটা, ৰেচম শিল্প, বাঁহ-বেত আৰু কাঠৰ কাম আদি নানা ধৰণৰ খেতিৰ সঁজুলি প্ৰস্তুত কৰে।

দ্বিতীয়বিধৰ কুটীৰ উদ্যোগসমূহ গাঁৱলীয়া শিল্পী-কাৰিকৰী লোকৰ বৃত্তিস্বৰূপ। এই উদ্যোগৰ ভিতৰত কাঁহ-পিতল, মাটিৰ সামগ্ৰী, লোৰ সামগ্ৰী, তেল পেৰা, তাঁত উদ্যোগ আদিয়েই প্ৰধান।

তৃতীয়বিধ কুটীৰ উদ্যোগ নগৰত বাস কৰা শিল্পী-কাৰিকৰী লোকৰ প্ৰধান ব্যৱসায়। ইয়াৰ ভিতৰত সোণ-ৰূপৰ কাম, পুতলা তৈয়াৰ কৰা, পাটৰ কাপোৰ বোৱা, হাতী দাঁত, কাঁহ-পিতলৰ কাম ইত্যাদি।

ভাৰতবৰ্ষ এসময়ত কুটীৰ শিল্পত বিখ্যাত আছিল। ঢাকাৰ মুচলীন কাপোৰৰ ৰপ্তানীৰ পৰিমাণেই ভাৰতীয় কুটীৰ শিল্পৰ শ্ৰেষ্ঠতা ঘোষণা কৰিছিল। ভাৰত এখন জনবহুল দেশ। গতিকে এনে ধৰণৰ দেশৰ কাৰণে অধিক শ্ৰমিক নিয়োগ কৰিব পৰা শিল্প প্ৰতিষ্ঠানৰ বিশেষ প্ৰয়োজন। কুটীৰ শিল্পই ভাৰতৰ বহু সংখ্যক লোকক কামত নিয়োগ কৰে। কুটীৰ শিল্পই ভাৰতৰ শিল্পোন্নয়ন তথা অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত বৰঙণি যোগাইছে। স্বাধীনোত্তৰ কালছোৱাত পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত এই কুটীৰ উদ্যোগসমূহৰ গুৰুত্ব অধিক পৰিমাণে বৃদ্ধি পাইছে।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ ফলস্বৰূপে ভাৰতৰ লোকে বিদেশী বস্ত্ৰ বৰ্জন কৰিলে। ইয়াৰ ফলত কুটীৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে প্ৰস্তুত কৰা দেশীয় সামগ্ৰীসমূহৰ সমাদৰ বৃদ্ধি পালে। স্বদেশী আন্দোলনৰ সহযোগত দেশত অসংখ্য কুটীৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগৰ কেন্দ্ৰ গঢ়ি উঠিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত প্ৰাধান্য বিস্তাৰ কৰাৰ লগে লগে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ অন্ধকাৰ যুগৰ সূচনা হয়। ইংৰাজে ভাৰতলৈ যন্ত্ৰৰ আমদানি কৰাৰ লগে লগে আমাৰ দেশত যন্ত্ৰচালিত বৃহৎ উদ্যোগসমূহ স্থাপন হ'বলৈ ধৰে। তদুপৰি বিদেশৰ পৰা আমদানি কৰা সামগ্ৰীৱে দেশ ছাটি পেলোৱাৰ ফলত কুটীৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগ নিশ্চিহ্ন হোৱাৰ উপক্ৰম হয়। তথাপি বিদেশী সামগ্ৰীৰ সৈতে ফেৰ মাৰি বৃটিছ আমোলৰ বিৰূপ ব্যৱহাৰ সহ্য কৰিও গ্ৰাম্য অঞ্চলত এই দুয়োটা উদ্যোগৰ একেবাৰে বিলোপ কৰিব পৰা নাই।

দ্বিতীয় মহাযুদ্ধই ভাৰতৰ অৰ্থনৈতিক জীৱনলৈ পৰিবৰ্তন আনিলে। বিদেশৰ পৰা ৰপ্তানিৰ পৰিমাণ কমি অহাৰ লগে লগে দেশীয় সামগ্ৰীসমূহৰ চাহিদা বৃদ্ধি পালে। ফলস্বৰূপে, কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে পৰম্পৰাগত সামগ্ৰীসমূহ প্ৰস্তুত কৰাৰ উপৰি নতুন ধৰণৰ বৈদ্যুতিক সামগ্ৰী, ৰাসায়নিক সমাগ্ৰী আৰু ঔষধপাতি আদি প্ৰস্তুত কৰিবলৈ ধৰিলে। দ্বিতীয় মহাযুদ্ধ শেষ হোৱাৰ লগে লগে কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে প্ৰস্তুত কৰা সামগ্ৰীসমূহৰো চাহিদা কমি আহিল।

১৯৪৭ চনত ভাৰত স্বাধীন হ'ল যদিও অৰ্থনৈতিক ক্ষেত্ৰত বহুতো সংকটে দেখা দিলে। গতিকে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত বিভিন্ন উন্নয়নমূলক আঁচনিৰ ভিতৰত ভাৰতৰ জাতীয় অৰ্থনীতিৰ অবিচ্ছেদ্য কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ উন্নয়ন সাধন কৰাৰ আঁচনি হাতত লোৱা হয়। এই উদ্দেশ্যে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত চৰকাৰে ১৯৫৫ চনত ক্ষুদ্ৰ আৰু গ্ৰামোদ্যগ সমিতি গঠন কৰি দিয়ে। এই সমিতি কাৰ্ভে কমিটি বুলি জনা যায়। কাৰ্ভে কমিটিৰ নিৰ্দেশ অনুযায়ী পৰিকল্পনাৰ আমোলত কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ শিতানত খৰচ ধাৰ্য কৰে মুঠ দুশ কোটি টকা। ইয়াৰ ভিতৰত তাঁত উদ্যোগ আৰু খাদী উদ্যোগতে প্ৰায় ৬১ কোটি টকা। এই শিতানত মুঠ ২০০ কোটি টকাৰ ২৫ কোটি টকা খৰছ কৰে কেন্দ্ৰীয় চৰকাৰে আৰু ১৭৫ কোটি টকা খৰছ কৰে ৰাজ্য চৰকাৰে। এই পৰিকল্পনাৰ কালছোৱাত মুঠ খৰছ হয় ১৮৬৮ কোটি টকা।

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যবোৰৰ তুলনাত অৰ্থনৈতিক দিশত অসম বহু পিচপৰা। অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটা প্ৰধান কাৰণ হ'ল উদ্যোগ বিকাশৰ অভাৱ। অসমৰ নিবনুৱা সমস্যা, দাৰিদ্ৰতা আদি সমস্যাবোৰ অসমৰ উদ্যোগীকৰণৰ অভাৱৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছে।

অসম দেশ প্ৰাকৃতিক সম্পদত চহকী হোৱা স্বত্বেও শিল্প উদ্যোগ বিকাশৰ ক্ষেত্ৰত বহু পিচ পৰি আছে। খনিজ, বনজ, কৃষিজ সম্পদ আদি নানা প্ৰাকৃতিক সম্পদ গোটেই অসম ভৰি আছে। এই সম্পদবোৰ বহু শিল্পত কেঁচামাল হিচাপে নিয়োজিত কৰিব পাৰি কিন্তু চাহ, পেট্ৰ'লিয়াম আৰু কিছুমান বনজ সম্পদৰ ভিত্তিত স্থাপিত হোৱা শিল্পৰ বাহিৰে আন কাৰিকৰী শিল্পৰ ক্ষেত্ৰত অসম এতিয়াও বহু পিচ পৰি আছে।

১৯৫১ চনৰ এপ্ৰিল মাহত পোন প্ৰথমবাৰৰ কাৰণে ভাৰতত পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন আঁচনি কাৰ্যকৰী কৰিবলৈ আৰম্ভ কৰা হয়। পাঁচবছৰীয়া পৰিকল্পনাত অসমৰ উদ্যোগ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে প্ৰথম পাঁচবছৰীয়া পৰিকল্পনাত মাত্ৰ ১১.০৯ লাখ টকা উদ্যোগ আৰু খনিৰ শিতানত ধাৰ্য কৰা হৈছিল আৰু প্ৰকৃত ব্যয় হৈছিল মাত্ৰ ৯.৬৪ লাখ টকা।

দ্বিতীয় পৰিকল্পনাত ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ আছিল ৫.১৩ লাখ। ইয়াৰ ফলস্বৰূপে অসমত উদ্যোগৰ প্ৰয়োজনীয় কেঁচা সামগ্ৰী অপৰ্যাপ্ত হৈ থকা স্বত্বেও আন অঞ্চলতকৈ বহু পিচ পৰি থাকিল।

তৃতীয় পৰিকল্পনাৰ সময়ত উদ্যোগ বিকাশৰ প্ৰতি গুৰুত্ব দিয়া হৈছিল। তৃতীয় পৰিকল্পনাৰ পিছৰ তিনিটা বছৰ প্ৰকৃত পক্ষে ভাৰতত পৰিকল্পনাবিহীন বুলিয়েই ক'ব পাৰি যদিও বছৰেকীয়া পৰিকল্পনাৰ নামত কিছুমান শিতানত কিছু অৰ্থ ব্যয় কৰা হৈছিল।

চতুৰ্থ পৰিকল্পনাত কেবাটাও উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনতো কেবাটাও উদ্যোগ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। গতিকে প্ৰকৃত পক্ষে চতুৰ্থ পৰিকল্পনাৰ পৰাহে অসমত বিভিন্ন উদ্যোগ স্থাপনৰ প্ৰতি মনোনিৱেশ কৰা হৈছে। অৱশ্যে আজিকালি বিজ্ঞানৰ জৰিয়তে বিভিন্ন সা-সঁজুলি যোগান ধৰাৰ ফলত বৰ্তমানৰ খেতিয়কসকলেও বাৰমহীয়া খেতি বাতি কৰিবলৈ সুবিধা পাই অৰ্থনৈতিক ক্ষেত্ৰত লাভবান হোৱা পৰিলক্ষিত হৈছে।□

হস্তঁতাত শিল্পৰ ঐতিহ্য, থলুৱা সাজ-পাৰ আৰু অসমীয়া সংস্কৃতিত ইয়াৰ প্ৰভাৱ

✍ ধৰ্মেশ্বৰ সোণোৱাল

যেনেকৈ 'নানা মুনিৰ মত' বুলি অসমীয়া সমাজত এষাৰি প্ৰবাদ আছে, ঠিক সেইদৰে হস্তঁতাঁত আৰু বস্ত্ৰশিল্পৰ উৎপত্তিৰ ক্ষেত্ৰতো বহুধৰণৰ প্ৰবাদ, মতামত বা বাদানুবাদৰ সীমাসংখ্যা নাই। পণ্ডিতসকলৰ মতে বৈদিক যুগৰে পৰা এই হস্ততাঁত শিল্পৰ উৎপত্তিৰ সংক্ৰান্তত বাদানুবাদ চলি আহিছে। যেনে — (১) ছাৰ জি বি ৱাৰ্ডৰ ইণ্ডাষ্ট্ৰিয়েল আৰ্টছ অব ইণ্ডিয়া পুথিখনিৰ পৃষ্ঠা ২৪১ৰ মতে হস্তঁতাঁত বা কপাহী শিল্পৰ প্ৰথমে ইজিপ্তত আৰম্ভ হৈছিল। (২) পণ্ডিত গ্ৰেবিয়েলৰ মতে আদাম-ইভৰ দিনতেহে বস্ত্ৰশিল্পৰ ডিমৰু গছৰ পাত, অন্যান্য গছৰ বাকলি আৰু বাঁহেৰে আৰম্ভ হৈছিল। (৩) আকৌ ভাগৱতৰ ষষ্ঠ অধ্যায়ত উল্লেখ কৰা মতে কপাহী শিল্পৰ প্ৰথমকে ব্ৰহ্মাৰ পুত্ৰ মীৰিচ আৰু মীৰিচৰ পুত্ৰ তাশীপৰ ১৩ গৰাকী পত্নীৰ ভিতৰত ইলাৰ জন্মৰ সময়তহে উদ্ভাৱন হৈছিল। (৪) আকৌ এটুৱা নামৰ পণ্ডিত এজনৰ মতে ১৯৬ কোটি আৰু বহু লাখ বছৰৰ আগতে টুইষ্টা আৰু মে ঋষিয়ে বস্ত্ৰশিল্পৰ উদ্ভাৱন কৰিছিল। পুনৰ এটুৱা পণ্ডিতৰ মতে আদিম মানৱৰ জাতিয়ে ভগৱানৰ পৰা বুদ্ধি-বিবেকৰ অধিকাৰ হৈছিল যেতিয়া মানৱ জাতিয়ে নিজা লজ্জা নিবাৰণৰ কাৰণে ককৰাৰ জাল আৰু বাঁহ খাজিব জনা চৰাইবোৰক অনুকৰণ কৰি বস্ত্ৰ শিল্পৰ উদ্ভাৱন কৰিছিল। আকৌ এইজন এটুৱা পণ্ডিতৰ মতে ভগৱান ৰামৰ গুৰু বিশ্বামিত্ৰৰ দিনত ত্ৰেতা যুগতেই কপাহী শিল্পৰ উদ্ভাৱন হৈছিল। এই তথ্যটি ভাগৱতৰ ষষ্ঠ অধ্যায়ত বিশ্বামিত্ৰ ঋষিৰ জীৱনৰ চৰিতত উল্লেখ পোৱা যায়। কিন্তু ডঃ মিজলেটচনৰ মতে ১৮৯৭ চনৰ জানুৱাৰী মাহত প্ৰকাশিত ইমডিয়ান এগ্ৰি চেটলুৰিষ্ট নামৰ পুথিখনৰ মতে ভাৰতত প্ৰথমতে বেংগলত আৰু তাৰ পিছতহে উত্তৰ-পূৰ্বাঞ্চললৈ আধুনিক কপাহী শিল্পৰ উদ্ভাৱন হৈছিল। কিন্তু কোনো কোনোৰ মতে আধুনিক বস্ত্ৰ শিল্পৰ ঋষি, মুনি কবীৰ দাস আৰু মহাত্মা গান্ধীৰ দিনতহে সৰ্বভাৱততে হস্তঁতাঁত শিল্পৰ গঢ় লৈ উঠিছিল। আকৌ কোনো কোনোৰ মতে ক'ব বিচাৰে যে চীনৰ পৰাহে অসমৰ বয়ন শিল্পৰ ক্ৰমবিকাশ ঘটিছিল। উদাহৰণস্বৰূপে দ্বিতীয় মহাযুদ্ধৰ সময়ত (১৯৩৯-১৯৪৫) পূৰ্বোত্তৰৰ পাট পথৰ সৃষ্টি হৈছিল। পাট শিল্পৰ বাণিজ্যৰ বাবে পিছলৈ এই পথৰ নিৰ্মাণৰ বাবে দ্বিতীয় মহাযুদ্ধৰ মুখ্য ছাৰ ষ্টিল ওৱেলে প্ৰথমতে ৭০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ লিডুৰ ওচৰৰ পৰা ম্যানমাৰ হৈ চীনত সংযোগ কৰাৰ কথা পৰিকল্পনা কৰিছিল আৰু তেওঁৰ গমেৰেই বৰ্তমান এই পথৰ নাম ষ্টিল ওৱেল পথ হিচাপে জনা যায়।

সেয়া যি কি নহওক অসমৰ থলুৱা বয়ন শিল্পৰ প্ৰতিপালন আৰু থলুৱা কাপোৰ পৰিধান পৌৰাণিক যুগৰে পৰা চলি আহিছিল বুলি লিখিত আছে। উদাহৰণস্বৰূপে মংগোলীয়সকলে নুনী, এৰা, চোম, আৰু অন্যান্য এই বয়ন শিল্পত কামত অহা প্ৰয়োজনীয় গছ পুলি ৰোপণ কৰি লৈছিল আৰু নিজৰ পৰিয়ালৰ বাবেও প্ৰয়োজনীয় সাজপাৰ তৈয়াৰ কৰি লৈছিল। কেতিয়াবা তেওঁলোকে নিজৰ জীৱিকা অৰ্জনৰ বাবে বিক্ৰীও কৰিছিল। বুৰঞ্জীমূলকভাবে প্ৰবাদ আছে যে মংগোলীয় জনগোষ্ঠীৰ মহিলাই তাঁত বব জনাটো সমাজৰ অৰ্থনৈতিক নীতি আছিল আৰু বৰ্তমানেও আছে।

তাহানিৰ দিনত অসমীয়া নাৰীয়ে খেতিৰ পথাৰতো পুৰুষৰ সমানে শ্ৰমদান কৰিছিল। সাধাৰণৰ পৰা সম্ভ্ৰান্ত পৰিয়ালৰ নাৰীয়েও পৰিশ্ৰম কৰাৰ প্ৰমাণ আমি ইতিহাসৰ পাত লুটিয়ালেই গম পাওঁ। খেতিপথাৰৰ আজৰিৰ সময়ত বৈ-কাটি উলিয়াইছিল কপাহী পাট-মুগাৰ, ৰিহা আৰু মেখেলা, চেলেং, খনীয়া কাপোৰ ইত্যাদি। মুগা, মেজাংকৰীত তেওঁলোকে শুনা কৰিছিল, কিংখাপৰ ৰিহা-মেখেলা বৈছিল সৰু খনীয়া, বৰখনীয়া, চেলেং-চাদৰ ইত্যাদিত বুটা-বাচি দহি কাটি পিন্ধিছিল। তেওঁলোকে বৈ উলিওৱা পাটকাপোৰ বিদেশলৈও ৰপ্তানি হৈছিল। বিহুৰ বতৰত অসমীয়া গাভৰুৱে নিজৰ মনৰ মানুহজনীলৈ আৰু পৰিয়ালৰ আন পুৰুষসকলৰ বাবেও গোম চেঙৰ চোলাৰ কাপোৰ অশেষ কষ্টৰে বৈ দিছিল। ৰঙালী বিহুলৈ এমাহমান দিন বাকী থাকোতেই অসমীয়া গাভৰুৱে প্ৰিয়জনৰ বাবে তাঁতশালত ১০১ টা কাঠিৰে ফুল বাচি বিহুৱান বৈ উলিয়াইছিল, বিশেষকৈ গাভৰুসকলৰ মাজত কোনে কিমান ডাঙৰ ফুল বাচি প্ৰিয়জনক উপহাৰ দিব পাৰে তাৰো মনে মনে প্ৰতিযোগিতা চলিছিল। সেই কাৰণে অসমীয়া তিৰোতাসকলে তাঁতশালো ব্যৱহাৰ কৰা মাকো, দোৰপতি, গৰকা মাৰি, চেলেং চাদৰ, যতৰ, গামোচাও গৰু বিহুৱান ইত্যাদি শব্দবোৰৰ বিহুগীতত সঘনে ব্যৱহাৰ কৰা দেখা যায়। যেনে —

(১) বিলৰে শুৱনি পদুমৰ কলিটি
তাঁতৰে শুৱনি মাকো
বাপতি সাহোন যেন ৰঙালী বিহুটি
নাপাতি কেনেকৈ থাকো;
(২) মাছ মাৰিবলৈ নাযাবা লাহৰী
বোকা পানী লাগিব গাত,
ঘৰতে থাকিবা বিহুৱান বনাবা
সময় চাই লগাবা মাত।

আনহাতে অৰ্থসামাজিক দিশত জনজাতীয় মহিলাৰ বয়ন শিল্পই হ'ল এক চহকী শিল্প। পৃথিৱীৰ ভিতৰত সৰ্বাধিক ৬৭৬ লাখ জনজাতীয় জনগোষ্ঠী থকা দেশ হ'ল ভাৰতবৰ্ষ, তাৰ পিছতে হ'ল ১৪০ লাখেৰে ম্যানমাৰ আৰু ১০৯ লাখেৰে তৃতীয় স্থানত আমেৰিকা মহাদেশৰ মেক্সিকো দেশ। উত্তৰ-পূৰ্বাঞ্চলত সবাতোকৈ অধিক ৯৫ শতাংশৰে মিজোৰামত সৰ্বাধিক জনজাতিলৈকে বসবাস কৰে। তাৰ বাদে অসম, অৰুণাচল, মণিপুৰ, ত্ৰিপুৰা, মেঘালয় আৰু নাগালেণ্ড সৰ্বমুঠ প্ৰায় ২০৯ টা জনজাতীয় জনগোষ্ঠীয় বসবাস কৰে। গতিকে ওপৰত উল্লেখ কৰা জনগোষ্ঠীসকলৰ প্ৰত্যেকৰে একোটা একোটা স্বকীয় বৰ্ণাঢ্য ভাষা আৰু পৰম্পৰাগত সংস্কৃতি আছে।

উদাহৰণস্বৰূপে হস্তুতাঁত শিল্পৰ সহায়ত প্ৰতিজনী জনজাতীয় মহিলাই নিজ নিজ জনগোষ্ঠীৰ স্বকীয় ঐতিহ্য ৰক্ষা কৰি আহিছে। পাহাৰত থকা কালছোৱাৰ পৰাই মিচিং পৰীয়ে কপাহৰ খেতি কৰি উৎকৃষ্ট মিথি জিম বেবুং, এগেগাছৰ, ৰিবিং গাচেং মেকুগালক আৰু তাপুন গাছৰ ইত্যাদি সাজ পাৰ তৈয়াৰ কৰি নিজৰ তথা পৰিয়াল চাহিদা পূৰণ কৰাৰ লগতে ব্যৱসায়িক ভিত্তিতো সেইবোৰ বৰ্তমানে উৎপাদন কৰিবলৈ লৈছে। তাৰ পাছতেই অৰুণাচলৰ মহিলাসকলে পৰিধান কৰা জেইস্ফং আৰু জেইমচেং কাৰ্বিসকলৰ পিনি পেকক আৰু টিচচু বড়োসকলৰ দখনা, জৌমগ্ৰা, আৰনাই, আলোৱান, ডিমাচাসকলৰ ৰও, ৰিজামফেই, সোণোৱালসকলৰ মেখেলা, চাদৰ একাঠিয়া, ৰিহা, তিয়নি চেলেং গামোচা, দেউৰীসকলৰ ইকু, ইছা, ইউ, মেথানি, নাগালেণ্ডৰ নাগাস্বাল, মণিপুৰীৰ মণিপুৰি শ্বাল ৰাভা সকলৰ লেম্পটা, পাজাৰ, বাকচিত, ফালি ইত্যাদি মংগোলীয় জনগোষ্ঠীয় মহিলাসকলে তৈয়াৰ কৰা নিজা নিজা গোষ্ঠীগত সাজ পোছাক আছে। সেই কাৰণে জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল — Assam ladies as boom weavers to weave fairly tales in cloth. বৰ্তমানে ২০০০ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় গোলকীকৰণৰ প্ৰভাৱ তথা নতুন ধৰণৰ নস্কা কৰা বয়ন শিল্পৰ প্ৰগতিয়ে জনজাতীয় সাজ-পোছাকৰ চাহিদা আগতকৈ বহু পৰিমাণে বঢ়াইছে। গতিকে ভৱিষ্যতে এনে থলুৱা সামগ্ৰীবোৰৰ এখন সুন্দৰ মুকলি বজাৰৰ সৃষ্টি আৰু উত্তৰণ হোৱাৰ পথত, যিয়ে পূৰ্বাঞ্চলৰ জনজাতীয় জনগোষ্ঠীয় বিশেষকৈ মহিলাসকলক অনাগত দিনবোৰত অশেষ আৰ্থিক সুযোগ দিব পাৰিব।

গতিকে অসমৰ বহুবোৰ চৰকাৰী কুটিৰ শিল্পৰ ভিতৰত হস্তুতাঁত শিল্পই গ্ৰামীণ অৰ্থনীতিৰ বুনিয়াদ গঠন কৰাত যথেষ্ট সহায় কৰে। সেইকাৰণে অসম চৰকাৰে ১৯৪৮ চনতে হস্তুতাঁত শিল্পক কুটিৰ শিল্পৰ উদ্যোগ বিভাগৰ

পৰা পৃথক কৰি গঠন কৰিছিল। এই হস্ততাঁত শিল্প বুলিলে আমি এৰি, মুগা, নুনী ইত্যাদিকে বুজিব লাগিব আৰু এই থলুৱা বয়ন শিল্পকেই অসমৰ সকলোতকৈ পুৰণি শিল্প হিচাপে জনা যায়।

অতীজত এৰি পোহা আৰু প্ৰতিপালন কৰা সাধাৰণতে থলুৱা পাহাৰ আৰু ভৈয়াম দুয়ো অঞ্চলৰ জনজাতীয় মহিলাসকলেহে সাধাৰণতে কৰা দেখা গৈছিল। মুগা খেতিৰ প্ৰতিপালন স্বায়ত্তশাসিত অঞ্চলবোৰতহে দেখা পোৱা গৈছিল। বৰ্তমানে ব্যৱসায়িকভাৱে এই বয়ন শিল্পৰ কাছাৰ আৰু কামৰূপ জিলাৰ শুৱালকুছিতেই অধিক পৰিমাণে উৎপাদন হয় আৰু ইয়াৰ চাহিদা বিদেশলৈও ৰপ্তানি কৰা হৈছে। সাধাৰণতে মুগা পুহিবৰ বাবে চোম আৰু শুঙালু এৰি পলু পুহিবৰ বাবে এৰা আৰু কেচৌ গছ আৰু নুনী পলু পুহিবৰ বাবে নুনী গছৰ খেতি কৰা দেখা যায়। বৰ্তমান অসমত গৌৰী সাগৰত, তিতাবৰত, মঙলদৈত, হেনচোৰাত, ডিফুত, হাফলঙত, ধেনুভঙাত, মুছলপুৰত, জাপী হাজিয়াত, হাউলীত এৰি মুগা আৰু পাট শিল্পৰ চৰকাৰী কৃষি ক্ষেত্ৰ আছে। অসমত কমেও ৭০ টাৰো অধিক এৰি মুগা আৰু পাতৰ প্ৰশিক্ষণ কেন্দ্ৰ আছে। এই উদ্দেশ্যেই গুৱাহাটীৰ খানাপাৰাৰ বয়ন শিল্পৰ কেন্দ্ৰটিৰ ১৯২০ চনতেই স্থাপন কৰা হৈছিল।

অসমত এৰি আৰু মুগাৰ মেলাৰ সাঁচ বিশেষকৈ উত্তৰ লখিমপুৰৰ জিলাৰ আজাদ, ঘিলামৰা, ঢকুৱাখানা, মাথখোৱা, নাওবৈচা, বিহপুৰীয়া, লালুক, ৰঙতি, নাৰায়ণপুৰ, ঢলপুৰ, পদুমনিত পোৱা যায়। আকৌ শিৱসাগৰ জিলাত নামতি, জাজী, লাকুৱা, নিতাই পুখুৰীত আৰু অন্যান্য জিলাত, নগাঁৱৰ পদুমনিত, মৰিগাঁৱৰ ৰাইদিঙিয়াত, কামৰূপৰ খানাপাৰা, বকো আৰু ক্ষেত্ৰীত, গোৱালপাৰা জিলাৰ ধেনুভঙাত আৰু কাছাৰত কম-বেছি পৰিমাণে কাটিয়া আৰু জেঠুৱা দুয়ো বিধ সজ বা খোলা পোৱা যায়।

হস্ততাঁত আৰু পাট শিল্পৰ ব্যৱসায়িক হিচাপে শিৱসাগৰ, নগাঁও, মঙলদৈ, কামৰূপ, দৰং জিলাত পথ আৰু যোগী সম্প্ৰদায়ৰ লোকে অতীজৰে পৰা কৰাৰ প্ৰমাণ পোৱা যায়। কিন্তু বৰ্তমানে ৫০ শতাংশতকৈ অধিক এৰি মুগা আৰু পাট খেতি উদ্যোগত নিজে উৎপাদন কৰি বিক্ৰী কৰে আৰু বাকী ৬০ শতাংশ শুৱালকুছি আৰু পলাশবাৰী ব্যৱসায়ীৰ জৰিয়তে জাগীৰোডৰ সূতাকলত উৎপন্ন কৰা হয়। গতিকে দেখা যায় যে চৰকাৰীভাৱে এই এৰি মুগা আৰু পাট শিল্পত অতি কমেও ১২ লাখ কৰ্মীয়ে দৈনিক কাম কৰি অতি কমেও ৬৫ মিলিয়ন মিটাৰ কাপোৰ প্ৰতি বছৰত উৎপাদন কৰাৰ তথ্য পোৱা যায়।

এতিয়া লেখনিৰ আত ধৰি পুনৰ অসমীয়া সংস্কৃতিত হস্ততাঁত শিল্পত নাৰীৰ জীৱনো ভূমিকা আৰু প্ৰভাৱৰ সম্পৰ্কে কিছু আলোচনা দাঙি ধৰিলো।

সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ পৃথিৱীৰ সকলো ঠাইতে অসমীয়া মহিলা আৰু অসমীয়া জাতিৰ সাজ পাৰে এটি সুকীয়া স্থান অধিকাৰ কৰি আহিছে। উদাহৰণস্বৰূপে পুৰুষৰ ক্ষেত্ৰত ৰাজকীয় আৰু যুদ্ধৰ সাজপাৰৰ পৰা আৰম্ভ কৰি ধৰ্মীয় আৰু সামাজিক সাজপাৰলৈ সমাজত এক বিশেষ গুৰুত্ব আছে। বিবাহিত মহিলাসকলৰ ক্ষেত্ৰত মাতৃসুলভ সাজ পাৰেহে অবিবাহিত মহিলা বা গাভৰুসকলৰ পৰা সামাজিকভাৱে পাৰ্থক্য দেখা যায়। ঠিক তেনেকৈ জনজাতীয় সমাজতো সাদৃশ্যমূলক পাৰ্থক্য দেখা যায়। কিন্তু আজিকালি অৱশ্যে পশ্চিমীয়া সাজপাৰৰ পয়োভৰ অসমীয়া সমাজত অৱলম্বন কৰা দেখা গৈছে, য'ত ধৰ্মীয় আৰু সামাজিক বিশ্বাসৰ দৃষ্টিভংগী নাই। মাথোন সেয়াই নহয়, পশ্চিমীয়া সাজ পাৰে ডেকা-গাভৰু, পুৰুষ-মহিলা সকলোকে সামাজিকভাৱে অনুপযুক্ত কৰি তুলিছে। আৰু সমাজত শ্ৰেষ্ঠতা ভাৱৰ বীজ যুগুতোৱাত বাধা আৰোপ কৰিছে ফলত অসমীয়া সমাজৰ সৰলতা আৰু পবিত্ৰতাখিনিত মলিয়নৰ সাঁচ বহুৱাইছে, আৰু ইয়ে পিছলৈ সামাজিক, ৰাজনৈতিক, আৰু ধৰ্মীয় দিশত বিদ্ৰোহ উদ্ভাৱনৰ খোৰাক যোগাইছে।

আনহাতে ভৈয়ামৰ জনজাতীয় মহিলাসকলে মেখেলা, চাদৰ, দখনা জিম আৰু পুৰুষসকলে আৰ্চুৰ মূৰত পৰা নিজে বৈ কাচি লোৱা ধুতি গামোচা আৰু চেলেং কাপোৰেৰে বৰ্তমানেও সামাজিক পৰম্পৰা ৰক্ষা কৰি আহিছে। এইক্ষেত্ৰত অৱশ্যে অসমীয়া উচ্চ হিন্দু মহিলাসকলেও সভাহে-নিকাহে, বিয়া-বাৰুৰে, বিহুৰে-হৰকাচিয়ে, ধৰ্মীয় অনুষ্ঠানত আৰু অনুৰূপ অনুষ্ঠানবোৰত অসমীয়া সমাজৰ সামাজিক পৰম্পৰা ৰক্ষা কৰি আহিছে।

ৰুচিবোধৰ প্ৰভাৱ যিকোনো সমাজৰে ৰুচিবোধক সাজ পাৰৰ পৰিৱৰ্তনে এটি বিপদজনক অৱস্থাৰ অনুকৰণৰ আগজাননী দিয়ে। অসমীয়া মহিলাই বিশেষকৈ মংগোলীয় জাতি মহিলাসকলে আশাধাৰণভাৱে কাপোৰত ফুলৰ আৰু ৰঙৰ সুস্পষ্ট নক্সা বাচি নিজৰ মেখেলা, চাদৰ, গামোচা, অনাকটা, টঙালি, ৰিহা, দখনা, জিম ইত্যাদি তৈয়াৰ কৰি অসমীয়া সমাজৰ পৰম্পৰাক অৰুচিবোধৰ নিৰ্বাশনৰ পৰা আঁতৰাই ৰাখে, আৰু সিয়ে অসমীয়া হস্ততাঁত সাংস্কৃতিক বিশ্বৰ দৰবাৰত মহীয়ান কৰি তুলিছে।

কবিগুৰু ৰবীন্দ্ৰ নাথে কৈছিল যে যদি কোনো এজন ব্যক্তিয়ে বা নাৰীয়ে নিজৰ ব্যক্তিত্বৰ মৰ্যাদা সাজপাৰৰ প্ৰাধান্যতাৰে বজাই নাৰাখি আনৰ পৰা ধাৰ কৰি অনা সাজপাৰৰ সংস্কৃতিৰে নিজক সজাই ৰাখিব বিচাৰে তেনে হ'লে নিজে বৈ কাটি উলিওৱা থলুৱা মেখেলা, চাদৰ, ধুতি ইত্যাদিৰ কোনো মূল্যই নাথাকিব।

গতিকে এনেবোৰ ৰুচিবোধৰ পৰিৱৰ্তনৰ বৈশিষ্ট্যই মাথোন সামান্য সামাজিক বিবৰ্তনেই আনি নিদিয়ে, ইয়ে এজন ব্যক্তি বা এগৰাকী নাৰীৰ ব্যক্তিত্বৰ প্ৰশংসিত কলাত বহুখিনি ব্যাঘাত জন্মায়। যেনে — তেওঁলোকৰ পৰিকল্পনাত, ইচ্ছাত, গঠনমূলক কামত, উৎসৰ্গীক সামৰ্থ্যত, জ্ঞান-বুদ্ধিত আৰু তেওঁলোকৰ তত্বাৱধানত থকা অস্তিত্বকো হেৰুৱাই পেলাইছে।

অসমীয়া সমাজৰ এই হস্তত‍াঁত আৰু বয়ন শিল্পই হৈছে জাতিৰ এটি কলা, গৌৰৱ আৰু জাতিস্কৰ। ইয়াক দিগন্তত বিলীন হ'বলৈ দিয়াটো গোটেই অসমীয়া জাতিৰ বাবেই সমীচিন নহ'ব।

নীতিগত গুৰুত্বৰ প্ৰভাৱ ঃ

অসমীয়া মহিলা আৰু পুৰুষৰ সাজপাৰে বিভিন্নধৰণে সামাজিক আৰু বিভিন্ন পৰম্পৰাগত নৈতিক প্ৰভাৱ পেলোৱাৰ লগতে সমাজখনক পূৰ্ণতা প্ৰাপ্তিত অৰিহণা যোগায়। পশ্চিমীয়া সাজপাৰৰ সংস্কৃতিৰ অনুবাৰনে পুৰুষ, মহিলা, ডেকা-গাভৰু আৰু সুধী সমাজকো অৰ্ধ নগ্ন আৰু নগ্নতাৰ কাল ঘুমটিলৈ যোৱাৰ পথ প্ৰশস্ত কৰে। পশ্চিমীয়া সাজপাৰ সংস্কৃতিয়ে প্ৰথমে গঠনমূলক চিন্তাধাৰাত আউল লগাই আৰু পালীনতাত ব্যাঘাত জন্মায়। দ্বিতীয়তে হীনমান্যতা আৰু অপ্ৰীতিকৰ ঘটনাৰ উৎস বঢ়াই মানৱতাৰ ত্যাগ আৰু শ্ৰদ্ধাত পংকিলতা আনে। তৃতীয়তে অসমীয়া মহিলা আৰু পুৰুষৰ সংযতি আৰু মসৃণ সাজপাৰ পৰিমাণে নিজৰ লগতে অসমীয়া জাতিৰ বয়ন আৰু হস্তত‍াঁত শিল্পৰ সাংস্কৃতিক মহীয়ান কৰি তোলে আৰু কাম ভাবপন্ন অসূয়া শক্তিবোৰক দৃষ্টিকটু কৰাত সহায় কৰে।

অৰ্থনৈতিক প্ৰভাৱ ঃ থলুৱা সাজপাৰে বিশেষকৈ দুটা প্ৰধান দিশত অৰ্থনৈতিকভাৱে প্ৰভাৱ পেলায়। প্ৰথম কথাত পশ্চিমীয়া জাক জমকতাপূৰ্ণ সাজপাৰৰ লগত স্থানীয় গছৰ ছাল বাকলি, পাত আৰু ঘাঁহ আদিৰ পৰা তৈয়াৰ কৰা হস্তত‍াঁত শিল্পৰ উৎপাদনত বাধা আনে আৰু বহু বেছি মূল্যত কিনি হ'লেও পিন্ধাৰ স্পৃহা যোগায় আৰু থলুৱা সামগ্ৰীৰ প্ৰতি অনীহা অনাত সহায় কৰে। দ্বিতীয়তে থলুৱাভাবে উৎপাদিত হ'বলগীয়া ফল দেশৰ বাহিৰলৈ যোৱাত দেশীয় অৰ্থনীতিৰ উন্নতিত যথেষ্ট অপঘাত হানে।

স্বাস্থ্যজনিত প্ৰভাৱ ঃ বিদেশী সাজপাৰে হাওঁফাওঁ জনিত ৰোগৰ বিস্তাৰিত কৰে বুলি সাধাৰণতে সমাজত ধাৰণা আছে। দ্বিতীয়তে অসমীয়া সংস্কৃতিৰ পয়োভৰতাত হেঙাৰ আনে কিয়নো অতি কঠিন আৰু লিপিত খাই পৰাকৈ বিদেশী কাপোৰ পৰিধান কৰিলে শীত-তাপৰ লগতে ৰ'দ আৰু বৰষুণ কাৰণে অস্বাস্থ্যজনক হয়। ফলস্বৰূপে জন্মা জগ ৰঘুমলাৰ দৰে সকলোতে বিয়পায়। সেই কাৰণে স্বাস্থ্য অনুষ্ঠানবোৰৰ কৰ্মভাৰীসকলে সাধাৰণতে একে ৰঙৰ কপাহী সাজপাৰ পৰিধান কৰা দেখা যায়। মাথোন সেয়াই নহয় পশ্চিমীয়া সাজপাৰে শিশু আৰু মাক দুয়োৰ কাৰণে শীত আৰু গ্ৰীষ্ম উভয় কালত অসুবিধাৰ সন্মুখীন কৰোৱায়। গতিকে প্ৰাকৃতিক প্ৰতিক্ৰিয়াই মানৱতাৰ সঞ্জীৱনীক বশীভুক্ত কৰে, আৰু সমাজ সংস্কৃতিৰ উন্নতিত যদি পেলোৱাৰ লগতে সমাজখনক বহু বছৰলৈ প্ৰদূষিত কৰিবলৈ শক্তি যোগায়।

সেয়েহে বিশ্বাস যোগ্যতাৰ আৰু সামাজিক ৰীতি-নীতিৰ ওপৰত নিৰ্ভৰ কৰি বাতাবৰণ পৰিৱৰ্তনত ইন্ধন যোগোৱা সাজপাৰ অসমীয়া সমাজত সাধাৰণতে ব্যৱহাৰ কৰা দেখা নাযায়। কিন্তু বৰ্তমানে পশ্চিমীয়া সংস্কৃতি আৰু চিনেমা জগতক অনুকৰণ কৰি আমাৰ সমাজখনো কিছু ক্ষেত্ৰত প্ৰলোভিত হোৱা দেখা গৈছে। অৱশ্যে পূজা-পাৰ্বণ, সভাই-সকামে আৰু অন্যান্য ধৰ্মীয় আনুষ্ঠানিক কাৰ্যত এইবোৰ সাজপাৰ আমাৰ মহিলা, পুৰুষ, ডেকা, গাভৰু সকলোকে পৰিধান কৰা দেখা অৱশ্যে নাযায়।

এতিয়া আমি দেখা পাওঁ যে অসমীয়া মহিলাই বৈ কাটি উলিওৱা থলুৱা হস্তত‍াঁত শিল্পীৰ জৰিয়তে মেখেলা, চাদৰ, ৰিহা, গামোচা, জিম আৰু দমনা ইত্যাদিৰ সাংস্কৃতিক সন্মান, মৰ্যাদা তগমাৰ দেশত ৰাজনৈতিক উপহাৰ, নৈতিক সন্মান, সামাজিকভাৱে পৰম্পৰা বৰ্তাই ৰখাত বিয়া বাৰুত, স্বাস্থ্যৰ প্ৰতিকূলতাত আৰু ঐতিহাসিক ঐতিহ্য ৰক্ষাৰ বাহকৰ দিশৰ উপৰিও বিদেশতো অসমীয়া বোৱনী শিপিনীয়ে বৈ কাটি উলিওৱা কপাহী, মুগা, পাট কাপোৰৰ সমাদৰ পোৱাটো নিতান্তই উল্লেখনীয়।

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ অনুপম সৃষ্টি বৃন্দাবনী বস্ত্ৰ তেওঁলোকৰ কোমল হাতৰ পৰশত আৰু গোপাল আতাকে ধৰি বহুজন বাছকবনীয়া কৰ্মীৰ হস্তত‍াঁতৰ সহযোগত পৰম অমল্য তথা আপুৰুগীয়া বিচিত্ৰ বৃন্দাবনী বস্ত্ৰ (যি বস্ত্ৰ বৰ্তমানে ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে) বিশেষ তথ্যৰ পৰা জানিব পৰা মতে উক্ত বস্ত্ৰ ভাগীৰ দীঘ চকুৰি হাত, পুতল তিনিকুৰি হাত আছিল। এই বস্ত্ৰ ভাগী জপা, মেলা কৰিবলৈ কমেও ষাঠীজন ভকতৰ আৱশ্যক হৈছিল। এনে এখন সৰ্ববৃহৎ আৰু অনুপম

বস্ত্ৰ তৈয়াৰ কৰি ৰজাক প্ৰদৰ্শন কৰাই ৰোৰ ঐশ্বৰিক শক্তিৰ পৰিচয় দিয়াৰ উপৰিও অসম দেশৰ হস্ততাঁত শিল্পৰ গৌৰৱক তাহানিতে জানো ৰাজনৈতিকভাৱে পৃথিৱীত উজ্জ্বল কৰা নাছিলো। আপোনালোক বোধহয় জানে যে কইমানে হস্ততাঁত শিল্পৰ গুৰুত্ব বুজিয়েই ভাৰত চৰকাৰে ১৯৮৫ চনৰ হস্ততাঁত নীতিৰ ধাৰা নম্বৰ তিনি নম্বৰ ৰিৰ্জাভেচন অব আৰ্টিকুলচ ফৰ প্ৰডাকচন অধীনত বিভিন্ন ৰাজ্যৰ এঘাৰ বিধ হস্ততাঁত বস্ত্ৰৰ তাঁতশালত বাহিৰে বৈদ্যুতিক শক্তিচালিত তাঁতশালত উৎপাদন কৰাটো ইতিমধ্যে নিষিদ্ধ কৰিছে। উল্লেখযোগ্য যে অসমৰ অসমীয়া সংস্কৃতিৰ স্বকীয় বৈশিষ্ট্য বহন কৰা ৰিহা, মেখেলা, চেলেং, চাদৰ, গামোচা, বৰ কাপোৰখনীয়া, এনাকটা, তিয়নি আৰু পাৰি দিয়া ইত্যাদি সামগ্ৰীবোৰ এই আইনৰ অধীনত অন্তৰ্ভুক্ত কৰিছে। অৰ্থাৎ এই উল্লেখিত সামগ্ৰীবোৰ কেৱল হস্ততাঁতৰ যোগেদিহে উৎপাদন কৰিব পাৰিব। শক্তিচালিত তাঁতশালত নহয়। ৰাজ্যসমূহৰ থলুৱা শিপিনী আৰু উদ্যোগক উন্নতি কৰাৰ স্বাৰ্থতে কেন্দ্ৰীয় চৰকাৰে ১৯৯৬ চনৰ আহাৰ মাহৰ ২৫ তাৰিখে ৰাজ্য চৰকাৰসমূহলৈ উক্ত আইনখন কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ জাৰি কৰিছিল। কিন্তু কিবা অজানিত কাৰণত অসম চৰকাৰে এই নিৰ্দেশ ২০০০ চনতহে বলবৎ কৰিব পাৰিছিল।

বৰ্তমানে এই আইনৰ অধীনত অসম চৰকাৰে শক্তিচালিত তাঁতশালত তৈয়াৰী কৰা মাদুৰাই আৰু কলিকতাৰ পৰা অহা মেখেলা চাদৰ আৰু গামোচা ইত্যাদি বিক্ৰী অসমত নিদিসু কৰি দিছে। গতিকে নিঃসন্দেহে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত ই এক সুদূৰপ্ৰসাৰী আশাৰ ৰেঙনি কঢ়িয়াই আনিলে। কিয়নো শক্তিচালিত যন্ত্ৰৰ লগত ফেৰ মাৰিব নোৱাৰি ইতিমধ্যে বহুতো অসমীয়া খিলঞ্জীয়া শিপিনীয়ে তাঁত ববলৈ এৰি দিছিল। বহুতো তাঁতশালত ঘুনেও ধৰিছিল। কিন্তু এতিয়া গাঁৱৰ তাঁতশালবিলাকত ৰিনিকি ৰিণিকি বাজি থকা মাকোৰ মিত-মিতনি পুনৰ তাঁতৰ পাটত বহি আকৌ যৌৱনৰ বিহুগীত গাবলৈ আৰম্ভ কৰিছে। মনৰ উদ্বেগ আৰু কুল যতাযিনি নিকা কৰি অসমীয়া শিপিনীয়ে নতুন উদ্যমেৰে বৰ লুইতৰ দুয়োপাৰে হুচৰিত হৈ থকা বাৰে ৰহণীয়া জাতি-উপজাতিসমূহৰ থলুৱা সংস্কৃতিৰ বীজেৰে অসমীয়া মহাজাতিৰ হস্ততাঁত শিল্পৰ সৃষ্টিৰ পথাৰত সমন্বয় সংস্কৃতিৰ কঠিয়া সিঁচি এক নতুন যুগৰ সূচনা তগৰ হস্ততাঁত শিল্পৰ প্ৰগতিত জেউতি চৰাইছে।□



সৃষ্টিৰ অন্য নাম বসন্ত

✍ প্ৰদীপ কুমাৰ বৰ্মন

ধৰিত্ৰীৰ সৈতে মানুহৰ গভীৰ সম্পৰ্ক আদিম যুগৰ পৰাই চলি আহিছে। সৃষ্টিৰ পাতনিৰে পৰা প্ৰকৃতি আৰু জীৱন এক অদৃশ্য এনাজৰীৰে বান্ধ খাই থকা কথা সৰ্বজনবিদিত। প্ৰতিটো ঋতুৰ পৰিবৰ্তনত প্ৰকৃতিৰ বুকুৰ গছ-লতিকা, নদ-নদী, পাহাৰ-পৰ্বত, জান-জুৰি সকলোৰে নতুন উদ্দীপনাত সজীৱ হয়। মানৱ হৃদয়ত জাগৃত হয় অনুভূতিৰ ঝংকাৰ। গছ-লতিকাক সেউজীবুলীয়া কৰে বসন্তৰ পৰিৱেশ। বাৰিষাৰ মুযলধাৰ বৰষুণে ধৰিত্ৰীক ৰসাল কৰে। প্ৰকৃতিৰাণীয়ে উৰ্বৰা ধৰাৰ বুকুত আশাৰ সঞ্জীৱনী ছটিয়ায়; যাতে গছে পাতে লহপহীয়া হয়, মানুহৰ হৃদয় মনত নতুন বীজ অংকুৰিত হয়।

বহাগ মানেই বসন্ত। বসন্ত মানেই যৌৱনৰ উতলা বা। গছে গছে কুঁহিপাত। চৌদিশে নানাৰঙী ফুলৰ সমাহাৰ। এছাটি বতাহত ভাহি অহা শত পুষ্পৰ সুবাসত মতলীয়া হয় মন-প্ৰাণ। এয়া সৃষ্টিৰ সময় হেতু পুষ্পিতা ধৰণীয়ে উদৰত প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই লয়। উৎসাহত তৃপ্তি পোৱা ধৰিত্ৰীয়ে গৰ্ভত ধাৰণ কৰে জীৱজগতৰ প্ৰাণদায়িনী সম্পদ শস্য। আনন্দত উদ্বেলিত হোৱা জীৱ-জগতক ছয় ঋতুৱে আকৌ দিছে জীয়াই থকাৰ অফুৰন্ত প্ৰেৰণা। এই প্ৰেৰণাৰে সঞ্চিত কৰে অদম্য হেঁপাহ। হৃদয়ৰ সমগ্ৰ অনুভৱৰে প্ৰকৃতিৰ ৰূপসুধা উপভোগ কৰি লয় তৃপ্তি। জীৱশ্ৰেষ্ঠ মানুহৰ প্ৰাণত জাতিস্কাৰ হয় ভাব প্ৰকাশৰ মাধ্যম। কাব্যকাৰে আৱেগ-অনুভূতিৰে সৃষ্টিৰ তাগিদাত উদ্বাউল হৈ সমস্ত হিয়া উজাৰি বসন্তৰ জাউতিযুগীয়া চিত্ৰ অংকন কৰি ধন্য কৰে কাব্যৰসিকক। কাব্য ৰসৰ কোঁহে কোঁহে ভাস্বত হয় শব্দৰ লালিত্যময় ছন্দ। এই শব্দৰ লালিত্য পান কৰি যুগে যুগে উৎসাহিত হয় শব্দৰ অন্যৰসিকসকল। নিজেও কৃতিত্ব লয় আনকো সেই কৃতিত্বৰ দাবীদাৰ কৰে।

বসন্তৰ সৃষ্টিত সকলোৰে উদ্বাউল হয়। সাহিত্যৰ প্ৰতিটো বিভাগতে বসন্তৰ অপূৰ্ব দৃশ্যৰ চিত্ৰ প্ৰতিফলিত হৈছে। প্ৰতিটো ঋতুত বিমোহিত হোৱা মনোমহা ধৰণীৰ মধুৰ বৰ্ণনাৰে অসমীয়া কাব্য কাননৰ কাব্যসমূহ প্ৰাঞ্জল, যাক এবাৰ পান কৰিলে পাহৰিব নোৱাৰি। সংস্কৃত সাহিত্যতো প্ৰকৃতিৰ বৰ্ণনাই এক বিস্তৃত ঠাই অধিকাৰ কৰিছে। মূলতঃ বসন্ত-শৰৎ ঋতুৰ চিত্ৰই কবি নাট্যকাৰসকলৰ কাপত নতুন নতুন ৰূপত অংকিত হৈছে। অৱশ্যে বেদ-পুৰাণ আৰু মহাকাব্যৰ বৰ্ণিল পৃষ্ঠাত ঋতুৰ স্থান সুকীয়া। মহাকবি কালিদাসে তেওঁৰ অমৰ সৃষ্টি ৰঘুবংশ, কুমাৰ সম্ভৱতঃ বসন্তৰ এক নিটোল অথচ ব্যঞ্জনাময় ছবি অংকন কৰিছে। অসমীয়া কাব্য সাহিত্যতো

ভালেকেইজন স্বনামধন্য কবিয়ে প্ৰকৃতিৰ অপূৰ্ব সৃষ্টি জীৱ জগতৰ পৰা প্ৰাৰম্ভ কৰি প্ৰকৃতি জগতৰ সকলো বস্তুৰে চিত্ৰ শব্দৰে মালা গাঠিছে। কবিৰ দৃষ্টিত বাদ পৰা নাই কোনো বস্তু। কোনোবাটোৰ জয়গান গাইছে। কোনোবাটোৰ সৃষ্টি ৰহস্য অংকন কৰিছে আৰু কোনোবাটোৰ জৰিয়তে হেপাহৰ ঘৰ সজাইছে। বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে গোলাপ কবিতাত গোলাপৰ ছবি এনেদৰে চিত্ৰিত কৰিছে —

'কাৰ পৰশত ফুলিলি বাঞ্চৈ
অ' মোৰ সাদৰী ফুলাহ পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি।'

অসমীয়া জাতিৰ হিয়াৰ আমঠু বিহুৰ স'তেও বসন্ত ঋতু ওতঃপ্ৰোতভাৱে জড়িত হৈছে। সোণসেৰীয়া সম্পদ বিহুগীতে আকৌ বসন্তৰ কথাকে কয়। বেছিসংখ্যক বিহুগীত ইয়াৰ জ্বলন্ত প্ৰমাণ। বহাগ আৰু বসন্ত যিদৰে সংপৃক্ত তেনেদৰে বসন্ত আৰু বিহুগীতো একাকাৰ। বসন্তই বহাগৰ আগজাননী। বসন্তৰ শ্যামলী কোলাত বহাগে ভুমুকি মাৰি আশাৰ ৰং ছটিয়ায়। আনন্দ-উৎসাহত মতলীয়া হৈ হেপাহৰ কঠীয়া সিঁচি ধৰাৰ মানৱে। মনৰ উলাহতে ক'ব নোৱাৰাকৈ ওলাই আহে বিহুগীতৰ অমিয়া সুৰ। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গানৰ কথাত —

'বহাগ মাথোঁ এটি ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া কৃষ্টিৰ ই আয়ুসৰেখা
গণজীৱনৰ ই সাহ।'

অসমীয়া জাতিৰ জনক মহাপুৰুষ শংকৰদেৱৰ অমূল্য সৃষ্টি কীৰ্তনৰ হৰমোহন খণ্ডত বৰ্ণনা কৰা প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰ ৰূপে পাঠক সমাজক আপ্লুত কৰে। ইয়াৰ বুকুত প্ৰস্ফুটিত ফুলৰ মনোমহা ৰূপৰ চিত্ৰণে মন-প্ৰাণত আশাৰ সঞ্চাৰ কৰে। পাহৰি যায় দুখৰ সমস্ত বেদনা। পুলকিত হয় মনৰ নিভৃত কোণ। শংকৰদেৱৰ ভাষাত —

চাৰিও পাৰত দিব্য পুষ্প য'ত
গন্ধে দশোদিশ ভাসে
অনেক ভ্ৰমৰে বেৰিয়া গুঞ্জৰে
মধুপান অভিলাষে।

ঋতুৰাজ বসন্তক লৈ সৃষ্টি কৰা সৃষ্টিৰাজিৰ কথা লিখি শেষ কৰিব নোৱাৰি। তাহানিৰ পৰা এতিয়ালৈ বসন্তৰ সৃষ্টি অব্যাহত আছে আৰু থাকিব। সাম্প্ৰতিক সময়ৰ কবি, নাট্যকাৰ, গল্পকাৰ, গীতিকাৰ নিবন্ধকাৰসকলেও বসন্তক মূল উপজীব্য হিচাপে লৈ সৃষ্টিত মনোনিৱেশ কৰিছে। কিছুৱে আকৌ অলপ হ'লেও স্পৰ্শ কৰিছে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ সৈতে খোজ মিলাই কেৱল যে বসন্তই সৃষ্টিৰ প্ৰেৰণা যোগাই আহিছে এনে নহয় আন ঋতুবোৰেও দি আহিছে সৃষ্টিৰ তাড়না। শেষত সামৰিছো এনেদৰে —

নাম যাৰ ঋতুৰাজ বসন্ত
সৃষ্টিৰ নাই আদি অন্ত
বিহু নামেৰে কৰিছো পালন
আমি নোৱাৰো কৰিব বাৰণ।❐

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বৃন্দাবনী বস্ত্ৰ

✍ অঞ্জলি দত্ত

মহাপুৰুষ শংকৰদেৱে এবাৰ নহয় দুবাৰ তীৰ্থ ভ্ৰমণ কৰিছিল। এই তীৰ্থ ভ্ৰমণৰ কালছোৱাত কাশী, বৃন্দাবন, মথুৰা আৰু পুৰী আদি ঠাই ভ্ৰমণ কৰে, এই তীৰ্থ ভ্ৰমণত দেখি অহা ভগৱানৰ লীলা, ঐশ্বৰিক গুণ-গৰিমাৰ চিত্ৰবোৰ তেৰাৰ দুচকুত জল জল পট-পটকৈ ভাহি থাকে। কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজসভাত গুৰুজনে গকুল, দ্বাৰকা, বৃন্দাবন, গোবৰ্দ্ধন, বাৰেমন, কালিন্দ্ৰী, বৎস, ধেন্ধ গোপ-গোপী এইসবৰ লীলা চৰিত্ৰ সদায় কৈ থাকে। ৰজাই বোলে বাপ চুক ডেকুনিৰ পায়স, দৰিদ্ৰৰ অষ্টনিধি, খেৱাৰ পৰ্বত, কণাৰ ৰত্ন, ভিক্ষুকৰ অমৃত ইচ্ছা মন দৰে মোৰ অধম পাপীৰো চিত্ত গ'ল। তযু-মুখ পদ্মত ঘ্ৰাই পাই পিয়াব পাৰো নিঃকিন? গুৰু বোলে বস্ত্ৰকৈহে দেখাব পাৰো। কিন্তু এই কাম কৰিবলৈ অলপ সময় লাগিব। মোক অলপ সময় দিয়ক। মই আপোনাৰ ইচ্ছা পূৰণ কৰিম। ৰজাই গুৰুজনৰ কথাত অতি আনন্দিত হ'ল। ৰজাই ক'লে মই সকলোখিনি যোগাৰ কৰি দিওঁ, আপুনি কামটো কৰক।

কথামতেই কাম, ৰজাই সূতাৰ পৰা আৰম্ভ কৰি তাঁতীলৈকে সকলোবিলাক ব্যৱস্থা কৰি দিবলৈ দায়িত্ব ল'লে, শংকৰদেৱে নৰনাৰায়ণৰ ইচ্ছা কথা আৰু তেওঁৰ লগত হোৱা আলোচনাৰ কথা চিলাৰায়ক অৱগত কৰিলে। কথাটো শুনি চিলাৰায়েও বৰ আনন্দিত হ'ল। শংকৰদেৱক কোচ ৰাজ্যৰ পৰা পাটবাউসীলৈ যাবলৈ সকলো যোগাৰ কৰি দিলে।

নটা দিনৰ মূৰত শংকৰদেৱে পাটবাউসীত উপস্থিত হ'ল। তাঁতীসকলৰ লগত বস্ত্ৰখন কেনেকৈ ব'ব তাৰ আলোচনা কৰিলে। সূতাৰ ৰং, কাপোৰৰ দীঘ, কাপোৰত তুলিব পৰা কাহিনী এই সকলোবোৰ তাঁতীসকলক বুজাই ক'লে।

বৰপেটাৰ ওচৰৰ তাঁতীকুছিত এই বস্ত্ৰভাগ বোৱাৰ ব্যৱস্থা কৰিলে। ওচৰৰে বুঢ়া গোপাল নামৰ ভকত এজনক সহায়ক হিচাপে ল'লে। ৰঙা, বগা, ক'লা, হৰিদ্ৰা, খোঁজ, কাছ, নীল, গৌৰ, শ্যাম বোলাই ছকুৰি হাত দীঘল, তিনি কুৰিহাত বহলকৈ কাপোৰখন বাটি কাঢ়িলে। একেদিনাই বাটি কাঢ়ি ব তুলি শালত মেৰিয়াই চাৰি আঙুল বোৱালে।

শংকৰদেৱ বৰপেটাত থাকি সদায় তাঁতীকুছিলৈ গৈ কাপোৰখন বৈছিলগৈ আৰু তদাৰকো কৰিছিল।

এদিন শংকৰদেৱৰ গাটো বেয়া লগাত মাধৱদেৱক মাতি আনি ক'লে আজি 'তুমিয়ে যোৱা, মোৰ আজি গা বিষম।' মাধৱদেৱ চিন্তিত

হ'ল। শংকৰদেৱলৈ চাই ক'লে 'আপুনি বোৱায়, ঈশ্বৰ শক্তি, আমি বোৱাম কেনেকৈ?' তেতিয়া শংকৰদেৱে মাধৱক ক'লে 'মই দেখো বোৱাওঁ তুমিও পাৰিবা', গুৰুৰ আজ্ঞা মতে মাধৱদেৱে তাঁতীকুছি পালেগৈ। তেওঁ তাঁতশাল তদাৰক কৰাৰ লগতে নিজেও সহযোগ কৰিলে। তাঁতশালত কাপোৰখন অলপ বেঁকা হৈ গৈছিল। মাধৱে পোনাই ঠিক থাক কৰি তাঁতীৰ হতুৱাই বোৱালে। সেইদিনা আনদিনাতকৈ বেছিকৈ বোৱালে। এবেগেতে হ'ল।

গধূলি মাধৱদেৱে শংকৰদেৱৰ ওচৰলৈ আহি দিনটো কিমান কাপোৰ বোৱালে সকলো বিৱৰি ক'লেহি। আনদিনাতকৈ কাপোৰ অলপ বেছিকৈ বোৱা বুলি কোৱাত গুৰুজনে আনন্দিত হ'ল মাধৱদেৱলৈ চাই ক'লে তেওঁ বোলা ঈশ্বৰ শক্তি নাই, মই জানো মোতকৈ বঢ়া তোমাৰ।

দিন বাগৰি গৈ গৈ ছমাহত ভৰি দিলেহি। ছয়মাহৰ মূৰত কাপোৰখন বোৱা সমাপ্ত হ'ল। তাঁতশালৰ পৰা কাপোৰ কাটি দেখে যে তিনিকুৰি হাত কাপোৰ কমিল। কাপোৰখন সামৰি জপাত সুমুৱাই থলে।

শ্ৰীকৃষ্ণৰ লীলা সম্বলিত কাপোৰখন বৈ হোৱাৰ বাতৰি শুনি তান্তিকুছি, গণকুছি, বাউসীয়া, সুন্দৰী, বাৰাদি, বামুনা আদি ঠাইৰ মানুহে প্ৰাৰ্থনা কৈ চাবলৈ লেহি। শংকৰদেৱে বৰ্তমান বৰপেটাৰ কীৰ্তনঘৰটো যিখিনি ঠাইত আছে সেই ঠাইতে এচলীয়াকৈ বাঁহৰ চাং পাতি কাপোৰখন মেলাৰ ব্যৱস্থা কৰিলে। ৰং বিৰঙৰ আচুৰে বোৱাৰ কৃষ্ণলীলা সম্বলিত কাপোৰখন দেখি ৰাইজ বিচূৰ্তি হ'ল। শংকৰদেৱৰ কামৰ নমুনা দেখি সকলোৰে মূৰ আপোনা আপুনি দোঁ খালে, বস্ত্ৰখনত শংকৰদেৱৰ নিপুণতা, বিচক্ষণতা সুন্দৰভাৱে প্ৰকট হৈছে।

এবছৰৰ অন্তত শংকৰদেৱ নৰনাৰায়ণৰ ৰাজ্যত গৈ উপস্থিত হ'ল। ভগৱান শ্ৰীকৃষ্ণৰ লীলা বিজড়িত বস্ত্ৰখনি প্ৰথমে তেওঁ চিলাৰায়ক দেখুৱালে। তাৰ পাছত ৰজা নৰনাৰায়ণক দেখুৱালে। সকলোৰে চকু কপালত উঠিল। শংকৰদেৱৰ বয়ন শিল্পৰ নমুনা দেখি ৰজাৰ দুচকুৰ পৰা লোতক নিগৰি আহিল। এনে আচৰিত কাম কেৱল যে অসাধাৰণ লোকেহে কৰিব পাৰে তাক তেওঁ ৰন্ধ্ৰে ৰন্ধ্ৰে উপলব্ধি কৰিলে। আপোনা-আপুনি ৰজাৰ হৃদয়ত শংকৰদেৱৰ প্ৰতি ভক্তিভাৱ উদয় হ'ল।

ৰজাই এনে অদ্ভুত শিল্পকৰ্মত মুগ্ধ হৈ শংকৰদেৱক পুৰস্কাৰ স্বৰূপে দুশ বিঘা মাটি দান দিলে। তেওঁৰ ৰাজ্যত থাকিব পৰাকৈ ঘৰ-বাৰী সুন্দৰকৈ সজাই দিয়ালে।

ভগৱান কৃষ্ণৰ লীলা সম্বলিত বস্ত্ৰখন ৰজা প্ৰজা সাধাৰণ জনতাৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল। সকলোৰে মাজত সমাদৰ লাভ কৰে।

মহাপুৰুষজনাৰ তত্বাৱধানত বৈ উলিওৱা বৃন্দাবনী বস্ত্ৰই গুৰুজনাৰ অসাধাৰণ সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। বৃন্দাবনী বস্ত্ৰত বৃন্দাবন, গকুল, মথুৰা, গোবৰ্দ্ধন, গোপ-গোপী, ধেন্ধ-বৎস, শিশু আদিৰ বিভিন্ন চিত্ৰ অংকন কৰা হৈছিল। কিন্তু এই বস্ত্ৰখনি বৰ্তমান অসমত নাই। এতিয়া আছে ব্ৰিটিছ মিউজিয়ামত। কিন্তু এই বস্ত্ৰখনি উদ্ধাৰ কৰি অনাৰ প্ৰচেষ্টা হাতত লোৱা দেখা গৈছে। বৃন্দাবনী বস্ত্ৰখনিৰ সৃষ্টিৰ আঁৰত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ অৱদান জড়িত হৈ আছে। লগতে কোচ ৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ৰ অৱদানো নুই কৰিব নোৱাৰি। গুৰুজনাৰ তত্বাৱধানত বৈ উলিওৱা এই বস্ত্ৰখনেই সমাজত বৃন্দাবনী বস্ত্ৰ ৰূপে জনাজাত হয়। বৃন্দাবনী বস্ত্ৰক অসমৰ বস্ত্ৰ উদ্যোগৰ প্ৰাচীনতম নিদৰ্শন বুলিব পাৰি।❒

সংগ্ৰহ ঃ কথা গুৰু চৰিত

সামাজিক 'দায়বদ্ধতাৰ' স্বৰূপ

✍ অঞ্জলি দেৱী গোস্বামী

'দায়বদ্ধতা' শব্দটোৰ অৰ্থ বিচাৰ কৰিলে দেখা যায় যেই মানৱ জীৱনৰ সকলো স্তৰতে পথ প্ৰদৰ্শকৰ কাম কৰা এটি অতি এৰাব নোৱাৰা শব্দ। এই দায়বদ্ধতা শব্দৰ দোহাই দি এটা চামে কাণ্ডজ্ঞানহীন হৈ নিজৰ উন্নতি কৰি গৈছে আৰু আনটো চামে দায়িত্বশীল হৈ নিজক তিল তিলকৈ ধ্বংস কৰিছে। প্ৰত্যেকেই কিন্তু এই শব্দটোৰ লগত জড়িত।

মানুহ সামাজপ্ৰিয়। নিংসঙ্গ জীৱনৰ যেতিয়া মূল্যই নাই তেন্তে সমাজৰ লগত থাকি সামাজিক দায়বদ্ধতা সুচাৰুপে পালন কৰি সমাজক, জাতিক তথা দেশক সৰ্বাঙ্গ সুন্দৰ কৰাতনো আপত্তি কিহৰ?

প্ৰথম কথা হ'ল, সামাজিক ৰীতি নীতিৰে জীয়াই থাকিবলৈ হলে আদান-প্ৰদানৰ প্ৰয়োজন হয়। আৰু তেতিয়াই আত্মীয় স্বজনৰ প্ৰতি থকা কৰ্ত্তব্য জ্ঞানে নিজৰ মগজুৰ ক্ৰিয়া কৰে। সেয়াই দায়বদ্ধতা।

প্ৰত্যেকে প্ৰত্যেকৰ দায়বদ্ধতা সম্পৰ্কে বিচাৰ কৰিলে উন্মুকিয়াব পাৰি যে- গোৱালৰ গৃহস্থৰ প্ৰতি, বাছ-চালকৰ যাত্ৰীৰ প্ৰতি, দোকানৰ গ্ৰাহকৰ প্ৰতি, কৰ্মক্ষেত্ৰত কৰ্মচাৰীৰ ইজনৰ সিজনৰ প্ৰতি, শিক্ষকৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি, তদুপৰি বাটে-ঘাটে লগপোৱা বয়সীয়া লোক সকলৰ প্ৰতি ডেকাচামৰ আৰু ওচৰ-চুবুৰীয়াৰ ইজনে সিজনৰ প্ৰতি থকা মনোভাৱেই প্ৰধান।

উপৰোক্ত দায়িত্বখিনি পালন কৰিলে ভাল, কিন্তু নোৱাৰিলেও এজন বা দুজনৰ ক্ষতি হব কিন্তু প্ৰধান আৰু মূল দায়বদ্ধতাৰ লগত জড়িত থকা সকলে যদি পিছ হোহকা দিয়ে তেন্তে দেশৰ জনগনৰ বিস্তৰ ক্ষতি হ'ব- সেয়াই ৰাজনৈতিক নেতা সকলৰ দায়বদ্ধতা। ক্ৰমান্বয়ে ন-ন সমস্যাৰ ভাৰাক্ৰান্ত হোৱা দেশৰ জনগনক সকাহ দিব পাৰিব মাথোন জনগনৰ দ্বাৰা নিৰ্বাচিত ব্যক্তি সকলেহে। বস্তুত আশাৰে ৰ'দ-বৰষুন নেওচি নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হৈ নিৰ্বাচিত কৰা নেতা সকলে যদি মাথোন জয়ী হৈ দেশৰ সমস্যা সমূহৰ সমাধানৰ বাবে চিন্তা চৰ্চা নকৰে তেন্তে তেওঁলোকে কাললৈ ইতিহাসত নিজৰ নাম কলংকিত কৰিব। ৰাইজৰ প্ৰতিনিধিয়ে কৰ্তব্যত গাফিলতি কৰিলে গৰিহ্না দিয়া হয়। নতুবা জুমুঠি দাহ কৰা হয় আনকি ৰাইজে নিজৰ শুদ্ধতা প্ৰমাণ কৰিবলৈ বন্ধ আদিও পালন কৰি মনৰ ক্ষোভ উজাৰে- কিন্তু এইবোৰ কৰিলে জানো দেশৰ সমস্যা সমাধান হ'ব? নহয়। বৰঞ্চ আৰু কিছুমান নতুন সমস্যাৰ সৃষ্টি হ'ব। সেয়ে - মন্ত্ৰী বিধায়ক সকলে দেশৰ সমস্যা সমূহ গুৰুত্ব সহকাৰে লৈ সমাধান কৰিবলৈ যত্নপৰ হোৱাই আমি উচিত কাম বুলি ভাবো।

সাহেন

দেশ এখন চলাবৰ বাবে বিভিন্ন দিশত উপযুক্ত লোক নিয়োগৰ কৰা হয় - যি সকলৰ শিক্ষাগত অৰ্হতা প্ৰমাণ কৰিহে চৰকাৰে চাকৰিত মকৰল কৰে। বহিঃজগত আৰু আভ্যন্তৰিন দিশ সমূহত নিয়োজিত ব্যক্তি সকলে ইজনে সিজনৰ লগত আলোচনাত মিলিত হৈ, লগতে ৰাইজৰ সহযোগ সাপেক্ষে কৰ্তব্যত অগ্ৰসৰ হোৱা অতিকৈ প্ৰয়োজন। ইয়াৰ বাবে সদিচ্ছা লাগিব আমাৰ দেশৰ প্ৰতিনিধি সকলৰ। তেওঁলোকৰ হাততেই দেশৰ সুৰক্ষাৰ চাবি কাঠি বিৰাজমান।

দলং এখন নিৰ্মাণ কৰাৰ সময়ত, মাথাউৰি বান্ধি থাকোতে, সুউচ্চ অট্টালিকাবোৰৰ গাথঁনিৰ প্ৰমাণ পত্ৰ দিয়াৰ সময়ত, নিবনুৱাক চাকৰিত মকৰল কৰাৰ নিয়মবোৰত, চৰকাৰী চিকিৎসালয়ৰ ভিতৰ চ'ৰাৰ খেলিমেলি বোৰৰ নিয়ন্ত্ৰৰ সময়ত যদি নিজৰ নিজৰ কৰ্তব্যবোৰ সঠিক ভাবে কৰা নহয় তেন্তে দেশৰ ধ্বংস অনিবাৰ্য। বৰ্তমান দেখা গৈছে যে এইবোৰৰ কোনো সঠিক ৰূপায়ণ হোৱা নাই। সেয়ে সমস্যা বাঢ়ি গৈ গৈ পৰ্বতাকাৰ হৈছে। কাৰণ বিভাগীয় ব্যক্তি সকলে নিজৰ ধন-দৌলতৰ পাহাৰহে নিৰ্মাণ কৰিছে। ৰাইজৰ আনন্দৰ পাহাৰ তৈয়াৰ কৰিব পৰা নাই।

দেশ ৰক্ষা কৰিবলৈ নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান কৰা অমৰ ছহীদসকল আমাৰ নৱ-প্ৰজন্মৰ আদৰ্শ। দেশৰ দায়বদ্ধতাৰ জ্ঞান থকা বাবেই লাচিতে "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি কৈ মোমায়েকক কাটি অক্ষয় কীৰ্ত্তি ৰাখি থৈ গৈছে। লগতে অসমীয়া শিপিনীয়ে ৰাতিৰ ভিতৰতে সূতা কাটি কাপোৰ বৈ 'ৰক্ষা কবচ' তৈয়াৰ কৰি গিৰিয়েকক যুদ্ধ জয়ৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছিল।

মুঠতে সকলো সুকলমে সমাপন কৰিহে নিজৰ উন্নতিৰ কথা চিন্তা কৰা কৰিব লাগে। পুৰুষ -নাৰী সকলোৱে নিজৰ নিজৰ কৰ্তব্য সুস্থিৰ ভাবে সমাপন কৰিবলৈ বদ্ধ পৰিকৰ হ'লে দেশৰ পৰা অশুভ শক্তি দূৰ হৈ চাৰিওফালে সুখ-শান্তি বিৰাজ কৰিব আৰু লগে লগে 'দায়বদ্ধতা' শব্দটোৰ প্ৰকৃত মূল্যায়ন হব।□

With Best Compliments from............

N.R. MARKETING , SIX MILE , OPPOSITE CENTRAL DIARY , GUWAHATI : 781022

Deals with all types of office and household furniture

Contact no. +91-361-2364636 , Mobile no. +91-94351-10907 , +91-9706049092/95/96

E-mail : nrmarketingghy@rediffmail.com

সঞ্চয় বা বিনিয়োগ কৰিবলৈ যোৱাৰ পূৰ্বে

✍ ভাস্কৰ জ্যোতি বৰুৱা

মাহটো চলিবলৈ নুজোৰে বুলি আক্ষেপ কৰা মানুহজনেও অলপ নহয় অলপ টকা জমা কৰে ভৱিষ্যতৰ অনিশ্চয়তাৰ লগত মোকাবিলা কৰিবলৈ। কিন্তু বৰ্তমানক বঞ্চিত কৰি ভৱিষ্যতৰ সপোন পূৰণৰ বাবে জমা কৰা টকাকেইটা সঠিক ঠাইলৈ গতি কৰেনে? এইটোৱেইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন। সৰ্বাধিক লাভৰ আশাই বহু সময়ত মানুহক বিপথে পৰিচালিত কৰে। সেয়ে অলপ আমদানিদায়ক হ'লেও সঞ্চয় আৰু বিনিয়োগ সম্পৰ্কে কিছু কথা জোনিবলৈ আপুনি খৰচ কৰা সময়কণক অপব্যৱহাৰ বুলি গণ্য নকৰিব। ক'ৰবাত টকা জমা কৰাৰ পূৰ্বে কিছু প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ এলাহ নকৰিব।

প্ৰথমে নিশ্চিত কৰক যে আপোনাৰ উপাৰ্জনৰ এটা অংশ জমাৰ ফালে ধাৰাবাহিকভাৱে গৈ থাকে। কিমান পৰিমাণৰ টকা, সেয়া বেলেগে বেলেগ উপাৰ্জনৰ মানুহৰ বাবে ভিন্ন হ'ব পাৰে। কিন্তু পৰাপক্ষত এয়া উপাৰ্জনৰ ২০-৩০ শতাংশতকৈ কম হোৱা উচিত নহয়। কিন্তু এই সম্ভাৱনাৰ বিপক্ষে যে আপোনাৰ অজস্ৰ যুক্তি আছে সেয়া মই জানো। আপুনি শুনি ভাল পাব যে গৰিষ্ঠসংখ্যক মানুহৰ উত্তৰো আপোনাৰ দৰেই। কিন্তু মই যদি প্ৰশ্ন কৰো আপোনাৰ উপাৰ্জন যদি বৰ্তমানতকৈ ২০-৩০ শতাংশ কম হ'লহেঁতেন, তেতিয়া কি আপোনাৰ জীৱন নিৰ্বাহ অসম্ভৱ হৈ উঠিলহেঁতেন নেকি? বা কথাটো এনেকৈও ভাবিব পাৰে যে এতিয়া এই ২০-৩০ শতাংশ টকা কম হ'লেই যদি চলিব নোৱাৰো, উপাৰ্জন বন্ধ হৈ গ'লে কি হ'ব? ক্ষমা কৰিব, মই আপোনাক ভয় খুৱাব বিচৰা নাই। কিন্তু সহায় কৰিব বিচাৰিছো যাতে সঞ্চয়ৰ সপক্ষে এটা শক্তিশালী যুক্তি বিচাৰি পায়।

প্ৰকৃততে টকা জমা কৰি কোনো মানুহেই সুখী হ'ব নোৱাৰে। কাৰণ উপাৰ্জনৰ এটা অংশ জমা কৰা মানেই আপুনি বৰ্তমান হাতলৈ অহা এক শক্তিক সংকোচিত কৰিলে। হয়, সামগ্ৰী বা সেৱা কিনিব পৰা টকাৰ অন্তঃনিহিত শক্তিৰ কথা কৈছো। সেয়ে কোৱা হয় সঞ্চয় বা বিনিয়োগ হৈছে আনন্দক পিচলৈ ঠেলা কাৰ্য, হাতলৈ অহা শক্তিক ভৱিষ্যতৰ বাবে সংৰক্ষণ। এই ক্ষেত্ৰত আপোনাক উৎসাহিত কৰিব পৰাকৈ এক দৃষ্টিকোণ হৈছে-

আয় - ব্যয় = সঞ্চয়ৰ পৰিৱৰ্তে

আয় - সঞ্চয় = ব্যয়

হিচাপে ধাৰণাটো গ্ৰহণ কৰা। অৰ্থাৎ নিৰ্দিষ্ট পৰিমাণৰ টকা জমাৰ পাচতহে খৰচৰ পৰিকল্পনা কৰক।

সাহেন

অভিনন্দন! আপুনি সঞ্চয়ৰ গুৰুত্ব বুজি উপাৰ্জনৰ এক নিৰ্দিষ্ট অংশ একাষৰীয়া কৰিব পৰাকৈ বৰ্তমান সক্ষম। এতিয়া কথা হ'ল সেইখিনি ক'ত থ'ব? বেংকীয় ব্যৱস্থাটোৰ লগত আপোনাৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাদে বিকল্প নাই। আপুনি ডাকঘৰত উপলব্ধ আঁচনিসমূহৰ বিষয়ে জনাটো একান্ত প্ৰয়োজন। কাৰণ কোনোবাই দি বেংক আৰু ডাকঘৰৰ বিত্তীয় দ্ৰব্যৰ বিষয়ে আপোনাক আগ্ৰহী কৰি তুলিবলৈ যত্ন কৰে, তেনে অৱস্থাত বেংক আৰু ডাকঘৰৰ আঁচনিৰ লগত তুলনা কৰিবলৈ আপোনাৰ হাতত যাতে তথ্যৰ অভাৱ নঘটে।

এটা সৰু কাহিনী শুনক— মানুহজন বৃত্তিত এজন দৰ্জী। ডেকা ল'ৰা এজনে আহি গধূলি বিত্তীয় প্ৰতিষ্ঠান এটাৰ হৈ তেওঁৰ দোকানৰ পৰা অলপ টকা লৈ যায় আঁচনি এখনৰ নামত। প্ৰায় পাঁচ বছৰ ধৰি তেওঁ জমা কৰি আহিছে আৰু নিৰ্দিষ্ট দিনৰ অন্তৰালত আঁচনি একোখনৰ ম্যাদ সম্পূৰ্ণ হ'লে টকা ঘূৰাই পাইছে সুতে-মূলে। তেওঁ সুখী। কিন্তু এদিন তেওঁ আৱিষ্কাৰ কৰে যে টকা নিবলৈ অহা ডেকাজনে দোকানলৈ অহা বন্ধ কৰিছে। খবৰলৈ গ'ম পালে প্ৰতিষ্ঠানটো কেতিয়াবাই বন্ধ হৈ গৈছে। যিহেতু প্ৰতিষ্ঠানটোৰ যোগসূত্ৰ মাত্ৰ টকা উঠোৱা ডেকাজন, সেয়ে এই বিষয়ে একো গ'ম নাপালে। ডেকা পলাতক। প্ৰতিষ্ঠানটোৰ পূৰ্বৰ কৰ্ণধাৰসকলে আমাৰ দায়িত্ব নাই বুলি গা এৰা দিছে। মোৰ চিনাকি দৰ্জীজন, যাক মই দেবনাথ দা বুলি সম্বোধন কৰোঁ, এতিয়া অথাই সাগৰত। কেতিয়াবা ভাগ্যৰ দোষ বুলি নিজে সান্ত্বনা লৈ খথাবোৰ পাহৰিব খোজে। আন কেতিয়াবা ঘটনাটোক সোঁৱৰি ক্ষোভত ফাটি পৰে। শুনি আচৰিত হ'ব তেওঁৰ দোকানৰ পৰা ডাকঘৰলৈ মাত্ৰ এখ খোজ মানৰ বাট। এদিন প্ৰসংগটো মোৰ ওচৰত উলিওৱাত মই প্ৰশ্ন কৰিছিলো—

ঃ প'ষ্ট অফিচৰ ৰেকাৰিং ডিপ'জিট আঁচনিত টকা নথৈ এনে আঁচনিত কিয় টকা থৈছিল?

ঃ ল'ৰাটোৱে মোৰ দোকানলৈ আহিছিল। টাইম নাই না নিজেই এৰি যাবলৈ। দেবনাথ দাৰ উত্তৰ।

ঃ অকণমানহে সময় খৰচ হ'লহেঁতেন। দুপৰীয়া কাষ্টমাৰ নথকা সময়তো প'ষ্ট অফিচলৈ যাব পাৰিলে হয়। মই কলোঁ।

ঃ এহ! প'ষ্ট মাষ্টৰজনৰ কথাবোৰ ভাল নালাগে। পাত্তাই দিব নোখোজে। ভালদৰে কথাবোৰ নকয়। যুক্তিৰ খুঁটিটো সলাই অলপ বিৰক্তিৰে দেবনাথ দাই উত্তৰ দিলে।

ঃ কিন্তু এনেধৰণৰ পৰিস্থিতিত পৰিব বুলি আগতেই জনা হ'লে কি কৰিলেহেঁতেন? মই আকৌ প্ৰশ্ন কৰিলোঁ।

ঃ তেতিয়া নিশ্চয় গ'লো হয়। অকণমান কথা সহ্য কৰিলেই যদি কষ্টৰ টকাকেইটা বাচিলেহেঁতেন সেয়া হাজাৰ গুণে ভাল এতিয়া মই পাই থকা টেনচনতকৈ। শেতা হাঁহিৰে উত্তৰ দিলে দেবনাথ দায়ে।

কাহিনীটো শুনোৱাৰ মোৰ উদ্দেশ্য দুটা। প্ৰথম — আপোৰ অগ্ৰাধিকাৰ ক'ত সেইটো নিশ্চিত কৰিবলৈ আপোনাক আহ্বান জনোৱা। দ্বিতীয়, যদি বেংক বা ডাকঘৰৰ বাদে বেলেগত টকা থ'ব লগা হয় আপুনি কি কথালৈ লক্ষ্য কৰিব সেই প্ৰসংগ টানি অনা। প্ৰথমটোৰ বাবে আপুনি নিজে অলপ ভাবক। ধৰি লওঁক, মোৰ ফালৰ পৰা এয়া হোমৱৰ্ক। দ্বিতীয়টোৰ প্ৰসংগত অন্ততঃ তলৰ দুটা কথালৈ মন নকৰাকৈ নাথাকিব—

১। টকা থ'ব খোজা প্ৰতিষ্ঠানটো কোন বিত্তীয় নিয়ন্ত্ৰকৰ অধীনত সেই বিষয়ে নিশ্চিত হওঁক প্ৰথমে। উদাহৰণস্বৰূপে বেংকবোৰৰ নিয়ন্ত্ৰক হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংক। বীমা কোম্পানীবোৰৰ নিয়ন্ত্ৰকবোৰৰ নিয়ন্ত্ৰক হৈছে আই আৰ ডি এ। মিউচুৱেল ফাণ্ডৰ ক্ষেত্ৰত ছেবি। আপোনাৰ পৰা টকা খুজিবলৈ অহা প্ৰতিষ্ঠানটোৱে যদি প্ৰতিশ্ৰুতি অনুযায়ী কাম নকৰে আপুনি কাৰ ওচৰত অভিযোগ দাখিল কৰিলে সুফল পাব সেৱা প্ৰথমেই নিশ্চিত হ'বলৈ যত্ন কৰক।

২। আপোনাক যি পৰিমাণৰ সুদ বা ফল দিয়াৰ প্ৰতিশ্ৰুতি দিছে সেয়া যুক্তি সংগত নে? এবাৰ ভাবক। বেংক, ডাকঘৰৰ আঁচনিসমূহৰ লগত তুলনা কৰক। অতিৰিক্ত ফলৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে থকা বিপদাশংকাখিনিও বুজিবলৈ চেষ্টা কৰক।

শেষত মই অসম চৰকাৰকো এক আবেদন কৰিবলৈ ভাল পাম যে সাধাৰণ ৰাইজে বক্তিগত বিত্ত বিষয়ক তথ্যৰ বাবে যোগাযোগ কৰিব পৰাকৈ এটা ঠিকনা গঢ়ি তোলক। মোৰ বোধেৰে প্ৰতিটো খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত এজন বক্তিয়ে এই দায়িত্ব ল'লে ৰাইজৰ বহুতখিনি উপকাৰ হ'ব। চৰকাৰেও ৰাইজে পোৱা অসুবিধাবোৰৰ সম্পৰ্কে অৱগত হৈ থাকিব পাৰিব। একোটা নিৰ্দিষ্ট দিনৰ অন্তৰে কিছুমান সজাগতা সভা পতাৰো কাৰ্যসূচী চৰকাৰে ল'লে ৰাইজ নিশ্চয় উপকৃত হ'ব।

যন্ত্ৰ মানৱ (গল্প)

✍ জ্যোতিৰূপম দত্ত

—"মনে মনে থাক! মই তোৰ সকলো কথাই জানো!"

তৰ্জনী আঙুলিটো টোৱাই সোতৰ বছৰীয়া ল'ৰাটোৱে সদ্য অৱসৰপ্ৰাপ্ত বাপেকক ধমকি দি ৰাতিপুৱাই মটৰ চাইকেলখন লৈ ওলাই গৈছিল। কেইবছৰমান আগলৈকে এক ধূৰ্ত, দুৰ্নীতিপৰায়ণ চৰকাৰী চাকৰিয়াল ৰূপে পৰিগণিত হোৱা লোকজনে এতিয়া সদ্য যৌৱনপ্ৰাপ্ত পুতেকৰ দৃষ্টিকটু আস্ফালন তললৈ মুৰ কুৰ শুনি থাকিব লগা অৱস্থা হৈছে। সিদিনালৈকে সকলোৰে আগত দপদপাই থকা পৰম প্ৰতাপী মানুহজন যেন ক্ষন্তেকতে আবৰ্জনালৈ পৰিণত হ'ল। চাকৰিৰ কালছোৱাত সোঁৱে-বাৱে তেখেতে বহু টকাই আৰ্জিলে। তেখেতে এসময়ত ঘোকোট গাঁও এখনৰ অভাৱগ্ৰস্ত ঘৰ এখনৰ পৰা আহি অশেষ কষ্টৰে চহৰত খোপনি পুতিছিল। তীব্ৰ উচ্চাকাংখা থকা মানুহজনে সময় বাগৰাৰ লগে লগে এসময়ত কষ্টৰে অৰ্জা চাকৰিটোৰ দৰমহাখিনিৰ উপৰিও নানা অসাধু প্ৰক্ৰিয়াৰে পইছা ঘটাকে একমাত্ৰ লক্ষ্য কৰি লৈছিল।

সি সৰুৰে পৰাই পিতৃৰ অসৎ উপাৰ্জনৰ উৎস দেখি আহিছে। সি বুজিব পৰা হোৱাৰ পৰাই গম পাইছে যে তাৰ পিতৃ হ'ল সমাজৰ ঘৃণনীয় ব্যক্তিসকলৰ মাজৰে এজন। ঘোচৰ টকাকেইটাৰ বাবে বাঁৰী দুখুনীকো ৰেহাই নিদিয়া এজন দয়ামমতাহীন ব্যক্তি। চাৰিত্ৰিক স্খলনৰ কথা নকলোৱেই বা!

অভাৱ কি বস্তু সেইটো সি কাহানিও অনুভৱ নকৰিলে। সি সৰুৰে পৰা টকা পইছাৰে কিনিব পৰা সকলো বস্তুৱেই পাইছিল। হয়তো এইবোৰেই তাক লাহে লাহে এজন অনুশাসনহীনতাই কোঙা কৰা এজন ল'ৰাত পৰিণত কৰি পেলালে। এসাঁজ ভাত নাখাও বুলি দিয়া এটা ধমকত সি এখন তিনিলাখটকীয়া মটৰ-চাইকেল পাইছিল।

সৰু থাকোতে তাক আইতাকে ৰূপকথাৰ দৰে কাহিনী শুনাইছিল। তাৰ দেউতাকহঁতে দিনে দহ কিলোমিটাৰকৈ খোজ কাঢ়ি হাইস্কুললৈ অহা যোৱা কৰা কথা, পঢ়াৰ খৰচ যোগাবলৈ বাৰীৰ ঢাপত কৰা জলকীয়া, বেঙেনাৰ খেতিৰ কথা, এসময়ত অভাৱে জুৰুলা কৰা ঘৰখনৰ কথাবোৰ।

বাহিৰা কিতাপ পঢ়া, খেলা-ধুলা কৰা, গানৰ চৰ্চা আদিবোৰ তাৰ বাবে লাহে লাহে অপ্ৰাসংগিক যেন হৈ পৰিছিল। সি একে বয়সৰ, একে মানসিকতাৰ কেইটামান বন্ধু গোটাই লৈ নিচা কৰিবলৈ আৰম্ভ কৰিলে। প্ৰথমে ক্ষণিক আনন্দৰ বাবে, পাছলৈ সকলো পাহৰিবৰ বাবে মদ, ভাং,

ড্ৰাগছ, ডেনড্ৰাইট একো বাদ নিদিলে। সি লাহে লাহে যেন মানসিকভাৱে পংগু হৈ আহিবলৈ ধৰিলে।

অধ্যৱসায়ী তথা সফল ব্যক্তি সকলৰ কথা মনৰ পৰা সাৱধানে আতৰাই উচ্চশিক্ষিত নিবনুৱাৰ কথাবোৰে সৰ্বক্ষণ তাৰ মনোজগতখন আচ্ছন্ন কৰি ৰখা হ'ল। কিয়নো পঢ়িব লাগে বাৰু? টকা থাকিলেই দেখোন ডিগ্ৰী কিনিব পাৰি? ডিগ্ৰী বিক্ৰী কৰা বজাৰখনৰ দেখোন সদায় বিজ্ঞাপন দেখা যায়। দিনটোত দেখোন দহটা এছ এম এছ বা দহখন ই-মেইল আহে, শাক-পাচলিৰ বেপাৰীয়ে চিঞৰাৰ দৰে, ডিগ্ৰী লাগে ডিগ্ৰী? চাকৰিও কিনিব পাৰি সহজেই। কেৰাণী, মহৰীৰ পৰা প্ৰশাসনিক বিষয়া পদলৈকে দেখোন কিনিব পাৰি। সাধাৰণ কনিষ্টবলৰ পৰা বিষয়া পদলৈকে সকলো কিনিব পাৰি দেখোন। কেৱল পইছা থাকিলেই হ'ল।

তাৰ মনস্তত্বত অপৰাধ প্ৰৱনতাও প্ৰায়েই আহে। স্বাভাৱিকভাৱেই ডেকা তেজত 'এড্ৰিনেলিন ৰাশ্ব' আহে। পাহাৰ বগোৱা, সাঁতোৰা, ট্ৰেকিং ইত্যাদি দুঃসাহসিক ক্ৰীড়াত ভাগ লোৱাটো দুৰৰে কথা, এইবোৰ কথা সি মনলৈয়ে নানে। এইবোৰৰ সলনি সি জোৰেৰে মটৰ চাইকেল চলায়, মাৰ-পিট কৰে অথবা কেতিয়াবা একোৰেই কৰিবলৈ নোৱাৰিলে নিচাগ্ৰস্ত হৈয়েই এনেবোৰ ইচ্ছাক দমাই থয়।

অপৰাধ কৰাৰ বাবেও সি অকণো কুণ্ঠিত নহয়। অপৰাধ বুলি জানি শুনিও যিকোনো কামেই কৰিবলৈ সি যেন সদা প্ৰস্তুত হৈ থাকে। কিয়নো ভয় কৰিব লাগে বাৰু? পইচা থাকিলে যে প্ৰশাসনকো কিনিব পাৰি, বিষয়াক কিনিব পাৰি, সকলো মেনেজ হৈ যায়, সি জানে। যিদৰে এহেজাৰ টকা জামিন হিচাপে পৰিশোধ কৰিব নোৱাৰি বছৰৰ পিছত বছৰ জেলত পচি থকা বহু লোক আছে, তেনেদৰে গুলী, বোমাৰে শই শই নিৰীহ মানুহ হত্যা কৰি তথাকথিত 'বিপ্লৱী'য়ে আৰামত জেলৰ বাহিৰত গামোছা বুটলি থকাও সি দেখিছে। একোলৈকে ভয় নালাগে তাৰ। আইন-আদালতৰ ভয় কেৱল সাধাৰণ মানুহৰ বাবেহে।

নিজৰ শৰীৰৰ প্ৰতিও অকণো মোহ নাই তাৰ। সি দেহৰ বিভিন্ন জেগাত টাটু কৰি, পিয়েৰচিং কৰি লৈছে। তীব্ৰ গতিত মটৰ চাইকেল চলাবলৈ, সাধাৰণ কথাতে মাৰ-পিট, কাজিয়া কৰিবলৈও ভয় নকৰে সি। দুৰ্ঘটনা বা মাৰ-পিট কৰি ঘুণীয়া হ'লেও একো চিন্তা নাই। পইচা থাকিলে উচ্চ মানৰ চিকিৎসা সেৱা উপলব্ধ, সেয়া সি ভালকৈ জানে। পইছা থাকিলে কিডনীও কিনিবলৈ পাৰি। একো চিন্তা নাই।

তাৰ হাতত সৰুৰে পৰাই এসোপা যন্ত্ৰ তুলি দিয়া হৈছিল। পিয়নৰ ল'ৰা, চকীদাৰ ল'ৰা, মিস্ত্ৰি ল'ৰা, অন্য ধৰ্মৰ ল'ৰা, ট্ৰাইবেল'ৰ ল'ৰাৰ লগত খেলিব নালাগে, এইবোৰ কথা তাৰ কেঁচা মগজুত সৰুতেই সুমুৱাই দিয়া হৈছিল। এইবোৰ অনৰ্থক বাধ্যবাধকতাৰ বাবে এসময়ত সন্দিহান হৈ সময় কটাবলৈ যন্ত্ৰ লগতে খেলি সি ডাঙৰ হ'ল। পিতৃ-মাতৃয়ে নিজৰ সময় নথকাৰ দোহাই দি হাতত এসোপা যন্ত্ৰৰ তুলি দিছিল। তেনেদৰে ডাঙৰ হোৱা এটা 'যন্ত্ৰ-মানৱ'ৰ তেজ মঙহৰ সম্পৰ্ক বিচাৰিবলৈ গ'লে কোনোবাই পাব জানো? কোনো দিনে কষ্ট কৰি নোপোৱা, ভোক কি নজনা প্ৰজন্ম এটাৰ তাৰ নিচিনা প্ৰতিনিধি এটাৰ অনুভূতিহীন হোৱাটো একেবাৰে সাধাৰণ কথা।

এই যুগত এটা অন্ধকাৰ বন্ধ কোঠাত দিনটোৰ অধিকাংশ সময় কটাই ছ'চিয়েল নেটৱৰ্কিং ছাইটৰ এখন বিভ্ৰান্ত পৃথিৱীকেই সঁচা বুলি ধৰি লোৱাজনৰ মনত আত্মহত্যা কৰাৰ প্ৰৱনতা জগাই তোলাৰ বাবে এটা 'লাইক' কমকৈ পোৱা কিম্বা কাৰোবাৰ এটা অসাৱধান মন্তব্যই যথেষ্ট। আজিকালিৰ শিশুৰ বাবে ৰাতিৰ তৰাভৰা আকাশ দেখা, জোনাক দেখা, সতেজ ফুল এপাহ চুই পোৱা, গান এটা শুনা, সাধুকথাৰ মায়াজালত আচ্ছন্ন হৈ পৰা কথাবোৰ মাথো কল্পনাহে। মাক বাপেকবোৰ যেন টকা ঘটা এটা যন্ত্ৰহে। কাজেই সৰল নিস্পাপ শিশুবোৰো মাক বাপেকৰ বাবে সফলতাৰ শিখৰলৈ উঠাৰ বাবে এটা যন্ত্ৰহে হৈ পৰে।

"ফেমাচ হোৱা! আনে অমুক হৈছে, তুমিও হ'ব লাগিব। পইছাৰ চিন্তা নাই। অমুকৰ দৰে নহ'লে দিগদাৰ আছে কিন্তু!"

আজিকালিৰ অভিভাৱকে এনেধৰণৰ কথাৰেই ভাবুকি দিয়ে। কথাই প্ৰতি প্ৰতিযোগিতাৰ সুৰ। শিশু এটিৰ কোমল মনত উঠা ভাৱৰ বুৰবুৰণিবোৰলৈ দৃষ্টি দিয়াৰ কাৰো আগ্ৰহ নাই। তাৰ পিতৃ-মাতৃও এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিল।

আজিৰ শিশু মানে দেশৰ ভৱিষ্যতৰ বাবে এজন সুস্থ, সুঠাম সুনাগৰিক হোৱাৰ সলনি আজিৰ অভিভাৱকসকল যেন ব্যস্ত হৈ পৰে মেদবহুলতা অথবা পুষ্টিহীনতাই কোঙা কৰা এটি যন্ত্ৰ-মানৱ গঢ় দিয়াৰ বাবেহে। আজিৰ মধ্যবিত্ত, উচ্চবিত্ত শ্ৰেণীৰ অধিকাংশ শিশুৰেই হ'ল গাত ৰ'দ বতাহ লাগিব নিদিয়া, অকণো শাৰীৰিক কচৰৎ নকৰা, সতেজ খাদ্যৰ পৰা বঞ্চিত এজাক যেন পৰাধীন প্ৰজন্মৰ প্ৰতিনিধি। সি তেনেকুৱা পৰিস্থিতিতেই ডাঙৰ হৈছিল। এতিয়া সেই ল'ৰাটোলৈ অৱসৰপ্ৰাপ্ত

অভিভাৱকজনে ভয় কৰা হ'ল। সি লাহে লাহে কথা ক'মকৈ কোৱা হ'ল। বাপেকৰ দোষবোৰ আঙুলিয়াই দি গালি পাৰিবলৈ অকণো দ্বিধাবোধ নকৰা হ'ল। মাক বাপেকক 'বুঢ়ীজনী', 'বুঢ়াটো' বুলি কৈ বা কিবা উপলুঙাসূচক মন্তব্য দিয়াটো তেনেই সাধৰণ কথা।

কিন্তু ফিনিক্স পখীৰ দৰে পৰিৱৰ্তিত পৰিস্থিতিৰ ভগ্নাৱশেষৰ জুইৰ মাজৰ পৰাও জন্ম হৈছে অলেখ উজ্বল ভৱিষ্যতৰ নৱ-প্ৰজন্মৰ। নৈৰাজ্যৰ মাজতো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যায়তনিক দিশত নিয়মানুৱৰ্তিতাৰ পৰিচয় দি দোপতদোপে আগবঢ়িছে।

প্ৰতিবেশী, আত্মীয় সকলোৱে কোৱাকুই কৰে, সি বেয়া হ'ল, বেয়া সংগত পৰি ল'ৰাটো নষ্ট হ'ল ইত্যাদি কথা। নতুন প্ৰজন্ম বিপথে গ'ল বুলি বহুতো হামৰাও কাঢ়ে, পিছে উদণ্ড উতনুৱা ছাত্ৰ-ছাত্ৰীক নিয়ন্ত্ৰণ কৰি তথা নতুন প্ৰজন্মৰ ক্ৰমবৰ্ধমান অসহিষ্ণুতাৰ কাৰকবোৰ চিহ্নিত কৰি সেইবোৰ দূৰ কৰাৰ বাবে আগবাঢ়ি অহা লোক খুব কম।

পিছে সময় থাকোতেই কিজানি এইবোৰ কৰাটো উচিত হ'লহেতেন। তাৰ অযুক্তিকৰ আবদাৰবোৰ পিতৃ-মাতৃয়ে মানি নললেই হয়তো ভাল আছিল।

মৰমলগা মুখৰ উদণ্ড ল'ৰাটোক সঠিক সময়ত শাসন কৰিলে হয়তো আজি তাৰ ৰক্তাক্ত মৃতদেহটো এনেদৰে ফুলেৰে ঢাকি শুৱাই থ'ব নালাগিলহেতেন।❑



এমুঠি জোনাক

✍ কুংকুম সাধনিদাৰ বৰুৱা

সন্ধিয়া পৰত তিৰবিৰাই থকা জোনাকী পৰুৱাবিলাককৈহে ব' লাগি মনালিছাই চাই ৰ'ল। সেই সৰু পতংগবোৰৰ আলোকেৰে তাইৰ চকু চাৎ মাৰি ধৰিছিল। তাই মাথোঁ পলক নেপেলোৱাকৈ চাই থাকিল। সিহঁতৰ পোহৰে যেন বিজুলী বাতিৰ লগত সমানে ফেৰ মাৰিব পাৰে। "মনা, মনা ..... ভিতৰলৈ সোমাই নাহা কিয় ?" মনালিছাৰ মাকে মাত দিলে তাইক। শুনা পায়ো তাইৰ সেই মনোমোহা দৃশ্য এৰি ভিতৰ সোমাবলৈ অলপো ইচ্ছা যোৱা নাছিল। তাই সাউৎকৰে কোঠাৰ পৰা কেমেৰাটো আনি এটি এটিকৈ ক্লিক কৰি গ'ল। বাহিৰৰ পৰাই তাই মাকক ক'লে— তুমি আহাচোন অলপ। চোঁৱাহি কেনে ধুনীয়া হৈ পৰিছে আমাৰ ফুলনিখন। মাক নাহিল। মনতে তাই আওৰালে, " Beauty Lies in the eyes of the beholder."

মাকে আকৌ চিঞৰিবলে তাইক "ম'না সোমাই আহাচোন আৰু দুৱাৰ ভালদৰে লগাই দিয়া। দিন-কাল একেবাৰে ভাল নহয়। সেইদিনা গধূলি আমাৰ সন্মুখৰ শইকীয়াৰ ঘৰত ইমান ডাঙৰ ঘটনা হৈ গ'ল; আজিকালি ক'ত, কেতিয়া কি হয় কোনো ঠিক নাই।" এইবাৰ মনালিছাৰ ভিতৰলৈ সোমোৱাৰ বাদে গত্যন্তৰ নাই। "গৈছো, মা, তুমি চিন্তা নকৰিবা।" তাই অলপ ডাঙৰকৈ ক'লে। ঘৰখনত তাই আৰু মাক। মনালিছাই দেউতাকক দহ বছৰ বয়সতে হেৰুৱাইছিল। মাকে তাইক সাৰটি পাহাৰৰ দৰে জীৱনটোত বহুখিনি সংঘাতৰ সন্মুখীন হৈছিল। তথাপি সিহঁতৰ জীৱন থমকি ৰোৱা নাছিল।

বৰ্তমান সময়ত মনালিছাই এগৰাকী সফল গ্ৰাফিক ডিজাইনাৰ হিচাপে মুম্বাইত কাম কৰি আছে। তাই ভাল পায় এক স্বাধীন-চিতীয়া জীৱনশৈলী। তাই মাকৰ একমাত্ৰ সাৰথি।

ইতিমধ্যে তাই কেমেৰাত বন্দী কৰা ছবিকেইখন এখন এখনকৈ তাইৰ লেপটপত লৈ চাব ধৰিলে। তাৰ মাজতে তাই আৰু মাকে ৰাতিৰ আহাৰ গ্ৰহণ কৰিলে। নিশা লাহে লাহে গভীৰ হৈ আহিল। জোনাকী পৰুৱাবিলাক তেতিয়াও আছিল। মনালিছাই খিৰিকীৰ পৰ্দা আঁতৰাই দিলে আৰু লাইটটো নুমুৱালে। এটা দুটাকৈ বাহিৰৰ পৰা জোনাকী পৰুৱা তাইৰ কোঠাৰ ভিতৰত সোমালহি। এক সোণালী আভাই তাইক আবৰি ধৰিলে।

মাক শুবলৈ গ'ল। মনালিছাই এটা বিশেষ প্ৰজেক্টত কাম কৰিবলগীয়া হোৱাৰ বাবে বহু ৰাতিলৈকে থাকিবলগা হয়। তাই আজি দিনত কাকোৱে ফোন কৰা নাছিল। আনকি নেহাকো লগ কৰিবলৈ নগ'ল।

নেহা তাইৰ বাল্যকালৰ বান্ধৱী। যেতিয়াই মনালিছা মুম্বাইৰ পৰা আহে নেহা এপাক আহিবই তাইক দেখা কৰিবলৈ। পিছে এইবাৰ অহা নাই। নেহাৰ মাক-দেউতাক দিল্লীলৈ গৈছে সেয়ে তাই ঘৰত থাকিবলগীয়া হৈছে।

নিজৰ জৰুৰী কামবিলাক সামৰি মনালিছাই অৱশেষত শুবলৈ বিচনাখন ঠিক কৰি ল'লে। ফোনটো তাইৰ গাৰুৰ তলত থ'লে। টোপনি আহিব খুজিছিলেই, হঠাৎ তাইৰ ফোনটো কঁপি কঁপি বাজি উঠিল। কোননো হ'ব পাৰে বুলি ফোনটো হাতত লৈ দেখে নেহা দেখোন। ঘড়ীলৈ চালে— দুই বাজিছে। মনতে ভাবিলে "কিবা হ'ল তাইৰ?" ফোনটো ৰিচিভ কৰি সিফালৰ পৰা নেহাৰ চেপা কণ্ঠ শুনা পালে। "মই বিপদত পৰিছো মনা........" শিয়ৰি উঠিল মনালিছা। "কি হৈছে নেহা? কি হৈছে?" চিঞৰি সুধিলে। কিন্তু কোনো উত্তৰ নাপালে তাই। লৰালৰিকৈ বিচনাৰ পৰা নামি চেণ্ডেলযোৰ চোঁচৰাই তাই মাকক মাতি ক'লে— মা, নেহাৰ কিবা এটা হৈছে, মই যাব লাগিব। মাকে ক'লে— কি হ'ল তাইৰ,ময়ো যাম ৰ'বা তোমাৰ লগত। অলপ পিছতে দুয়ো গাড়ীত বহিল। নেহাহঁতৰ ঘৰ সিহঁতৰ ঘৰৰ পৰা বেছি দূৰত নহয়। মাকে গাড়ীত বহিয়েই পুলিচ ষ্টেচনত ফোন কৰিলে।

গাড়ীখন চলাই গৈ থাকোতে মনালিছাই লক্ষ্য কৰিলে যে এজাক জোনাকী পৰুৱা তাইৰ লগে লগে আহি আছে যেন সিহঁতেও কিবা বিপদৰ উমান পাইছে। সিহঁতৰ আলোকেৰে যেন তাইক পহৰা দি আহিছে।

মনালিছাহঁত নেহাৰ ঘৰ গৈ পোৱাৰ আগেয়ে পুলিচ আহি পাইছে। মনালিছা উধাতু খাই পুলিচ অফিচাৰজনক সুধিলে— নেহা ক'ত আছে? তেওঁ ভিতৰৰ ফালে আঙুলিয়াই দিলে। মাকে অফিচাৰজনৰপৰা ঘটনাৰ বুজ ল'লে। ভিতৰ সোমায়েই মনালিছাৰ বুজিবলৈ বাকী নাথাকিল। গোটেই ঘৰটো লণ্ড-ভণ্ড হৈ আছিল। মহিলা পুলিচ এগৰাকীয়ে নেহা কোঠাতে থকা বুলি ক'লে। ছোৱালীজনীয়ে খুউব ভয় খাইছে; তেখেতে ক'লে। মনালিছাই নেহাৰ কাষ পাই এখন্তেকো নোৰোৱাকৈ তাইক জোৰেৰে সাৱটি ধৰিলে। নেহা উচুপি উঠিল। তাইৰ হাতত আঘাতৰ চিন আছিল আৰু গালতো এক স্পষ্ট দাগ দেখা পালে মনালিছাই। তাই সুধিলে, সিহঁতে তোক একো বেলেগ কৰা নাইতো? নেহা নিমাত হৈ থাকিল আৰু বিচনাতে আউজি ল'লে। মনালিছাও বহিল তাইৰ কাষত আৰু ক'লে— তই চিন্তা নকৰিবি, ডকাইতকেইটাক ধৰিলে পুলিচে। সিহঁতে উচিত শাস্তি পাব। তাই আশ্বাসৰ সুৰত ক'লে কথাখিনি। মনতে ভাবিলে "উস" ইমানতে যে ৰক্ষা পৰিল নেহা। নেহাৰ মাক-দেউতাকে খবৰটো পায়েই ফ্লাইট লৈছে। "সকলো ঠিক হৈ যাব নেহা," তাইৰ আউল-বাউল হৈ থকা চুলিখিনি মনালিছাই ঠিক কৰি দিলে। নেহা নিশ্চুপ হৈ বহি ৰ'ল।

পানী এগিলাচ দিলেহি তাইক মনালিছাৰ মাকে আৰু কাষতে বহি ৰ'ল।

গধূলি সময়ত মাকে কৈ থকা কথাবোৰ তেতিয়া উপলব্ধি কৰিব পাৰিছিল মনালিছাই। তাই মাকক ক'লে— মা, এইবাৰ তুমি মোৰ লগত যাব লাগিব, মই তোমাক অকলে এৰি থৈ নাযাও। এইবুলি কৈ তাই কোঠাটোৰ বাহিৰলৈ বাৰান্দাৰ ফালে গ'ল। অলপ সময়ত তাতে থকা আৰামী চকীখনত বহি চকুদুটা মুদি দিলে তাই। চকু মেলি দেখে, মাক ৰৈ আছে একাপ কফি হাতত লৈ। তাই কফিৰ কাপটো হাতত লৈ বাহিৰৰ ফালে চালে। লাহে লাহে পুৱাৰ বেলিটোৱে ভুমুকি মাৰিছেহি।

জোনাকী পৰুৱাবিলাক পোহৰৰ লগত বিলীন হৈ গ'ল। মনালিছাই উঠি বেলকনিৰ ৰেলিঙত ভেজা দি বেলিটোলৈ চাই ৰ'ল। তাইৰ আকৌ জোনাকী পৰুৱাজাকলৈ মনত পৰিল। এতিয়াও পাহৰিব পৰা নাই তাই সেই মুহূৰ্তবোৰক, সেই অনুভূতিক। তাই যেন কাব্যিক হৈ পৰিল। তাইৰ ক'বৰ মন গ'ল, "হে নিমাখিত, আলোক সমৃদ্ধ জোনাকী পৰুৱা, ঘূৰি আহা। আহা পোহৰাই দিয়া, শান্ত কৰি দিয়াহি এই অশান্ত পৃথিৱীক...."। ☐

আশ্ৰয়

✍ চন্দ্ৰধৰ কলিতা

কিবাকৈ গাটো তিয়াই পথাৰলৈ বুলি জলপানখিনি সাজু কৰি লওঁতেই তাইৰ মনত পৰল উমনিত থকা গড়ালৰ হাঁহজনীলৈ। আই ঐ দেহি! আৰু চাগে দুদিনমান পিচতে পোৱালি ওলাব। গোহালি ঘৰৰ চুকতে উলিয়াই থোৱা পইতা ভাতৰ বাটিটো হাঁহজনীলৈ আগবঢ়াই দিলে। গড়াললৈ আহিলেই হাঁহৰ উৎকট বিষ্টাৰ গোন্ধটোৱে তাইৰ পেটটো কিবা উকত-পাকত লগাব; পিছে আজিকালি কিছু অভ্যস্ত হ'ল। তথাপি কেতিয়াবা বেয়া লাগে। এই হাঁহকেইজনী আৰু খীৰতি গাইজনী নথকা হ'লে কি যে অৱস্থা হ'লহেঁতেন ভাবিলে তাইৰ ভয়ে লাগে। হাত খৰচ বুলিবলৈ সেয়াইহে আৰু নো কিটো আছে? অৱশ্যে ভেটি মাটিৰ বাৰীখন আছে ঠিকেই, পিছে তাতো কিবা ফাপৰে ধৰিলে। গোহালিৰ অত সোপা গোৱৰ দি কিবা এটা ৰুলেও একো ফল নধৰে ৰঙা পৰি মৰহি যায়। তামোল গছ কেইজোপাই কিছু সকাহ নিদিয়া নহয়।

হাঁহজনীলৈ বাটিটো আগবঢ়াই দিয়েই বতাহীয়ে আকৌ খৰখেদা লগালে, তলাটো বিচাৰি নাপাই দুৱাৰখন এনেয়ে জপাই থলে। এই নবীনটো যি হে! সময়মতে জলপান কণ নাপালে গোটেইটো গেৰ্‌গেৰাই উঠে গুৰু গোঁসাই একো নুবুজি যিহকে পায় তিহকে বলকে— "হেৰ কাউৰী কুকুৰ মাটিত নৌপৰতেই আহি এবিঘা মাটি হালবাই অতালো তোৰ হবলা জলপানখিনি আনোতেই বেলি দুপৰ হ'লনে? হয়নে ঘৰত থাকি কাৰ মুৰটো কৰ? কিবা খং উঠিব গোটেইজনীকে বখলিয়াই পেলাম বাপেকে চিনি পোৱা নাই।" পিছে এই খংটো তাৰ আজিৰ নহয় বিয়াৰ আগৰে পৰাই আছে। কিয়বা আজি তাইৰ মনত কিছুমান পুৰণি কথাই উক্ দিছে......

মাক সিপুৰীলৈ যোৱাৰ কথা তাইৰ মনত নাই। দেউতাকে স্কুলত নাম লগাই দিছিল যদিও ককায়েক দুজনৰ কথা ভাবিয়েই বতাহীয়ে একো লিখা পঢ়া নকৰিলে। সময়ৰ লগে লগে সৰু ককায়েকে লিখা পঢ়া সামৰি চাকৰি এটা পালে, বিয়া পাতি নগৰতে থাকিবলৈ ললে। ডাঙৰ ককায়েক! গাওঁৰে এজনীক ভাল পাই আধাতে কলেজ এৰি সিও বিয়া পাতি ঘৰতে থাকে। পিছে ঘৰৰ কাম-কাজত তাৰ অলপো মতি নাই পুৱা দহ বজাত শুই উঠি কিবা খালেনে নাই চাইকেলখন লৈ ওলাই যায়। আকৌ ৰাতি দুপৰত আহি ঘৰ সোমায়। কলৈ যায় কি কৰে কোনেও নাজানে। বুঢ়া বাপেকে ডেকাটো হৈ পুৱাই হাল লৈ পথাৰলৈ যায়, সেইবোৰলৈও তাৰ কাণ-সাৰ নাই। এফালে বয়স বাঢ়ি আহিছে। তাৰ লগে লগে বাঢ়ি আহিছে বেমাৰ-আজাৰ। আজি ইটো কালি সিটো কিবা এটা লাগিয়েই থাকে

দেউতাকৰ। এনেবোৰ কাৰণতে নকছাৰী গাঁওৰ পৰা নবীনক লৈ আহিছিল। অতি লেতেৰা, ক্ষীণ দীঘলে যেন এডাল পান পৰা জখলা। কথা বেছি নকয়। সময়ত খোৱা-বোৱা নাপালে মুখৰ ভিতৰতে কিবা ভোৰভোৰায়। অৱশ্যে কামে-কাজে ভাল, সকলো কামেই মন লগাই কৰে।

এফালে বৌয়েকজনীয়ে আজি সাত মাহে গা ধোৱা নাই, গাত লেঠা। ককায়েকৰ গতি মতিবোৰ দেখি কিবা এটা কলেও চিধাই গোৰটো -ভুকুটো মাৰিয়েই থাকে। নিধকটো ক'ৰবাৰ। কিছুদিনৰ পৰা এসোপা গেলাও গিলি অহা কৰিছে। কথাবোৰ ভাৱিলে বৌয়েকজনীলৈ তাইৰ কিবা বেয়াই লাগে। কিয় যে ভাল পালে তাক, মজাতো এতিয়াহে পাইছে। এনেবোৰ দেখিয়ে খুৰী, জেঠাইহঁতে ককায়েকক প্ৰায়ে কৈছিল— "হেৰ তহঁতে নিজে নিজে বিয়া বাৰু কৰালি এতিয়া এই ছোৱালীজনীৰ কথা ভাবিবি। তহঁতৰ কথা ভাবিয়েই তাই লিখা পঢ়া একো নকৰি ঘৰখনে চম্ভালিলে অতদিনে। যৌৱন বুলিও কথা এটা আছে।" কথাবোৰ শুনি সিদিনা বতাহীৰ কিবা দুখ লাগিছিল। সঁচাই তাইৰ যৌৱন উকলি গ'ল নেকি? দাপোনত নিজকে এবাৰ চাইছিল। হঠাৎ তাইৰ ভাব হ'ল খুৰীহঁতে বাৰু প্ৰাকে প্ৰকাৰে তাইৰ বিয়াৰ কথাকে কৈছে নেকি? নাই নাই তাই নিজৰ বিয়াৰ কথা কেতিয়াও ভাবিব নোৱাৰে। তাই অবিহনে দেউতাকৰ অৱস্থা কি হ'ব? ..... আকৌ বতাহীৰ বুকুখনৰ কোনোবা খিনিত বিযোৱা যেন অনুভৱ হ'ল।

পোনাকনৰ জন্মৰ দুমাহ পিচতে এদিন সৰু ককায়েক সপৰিবাৰে গাওঁলৈ আহিল। ভতিজাকো চোৱা, দেউতাকৰ দেহৰ খবৰো লোৱা। সৰু বৌয়েক চহৰৰ ছোৱালী। সাজনে-কাচনে সাইলাখ লখিমীজনী। দুপৰীয়া ভাত সাজ খালেনে নাই, পিছদিনা হেনো অফিচত জৰুৰী কাম এটা আছে সেয়ে খৰখেদাকৈ উভতি গ'লগৈ। সৰু বৌয়েকক দেখি ডাঙৰ জনীৰ সিদিনা কিয়বা কিবা ঈৰ্ষা হৈছিল। কথা নাই বতৰা নাই মুখখন বেলুনটো যেন কৰি ফুলাই আছিল। আবেলিৰ কাম-কাজ একো নকৰি পোনাকনক লৈ বিচনাত পৰিল। তেনেতে ডাঙৰ ককায়েকে আহি কিবা সুধিলে নে নাই, একেবাৰে ৰণচণ্ডী ৰূপ ধৰি কৈ গ'ল "হেৰ এই গেলা সোপা গিলিবলৈ যে পইছা পাৱ, ল'ৰা তিৰোতাও যে ঘৰত আছে, সেইটো হিচাপ আছে নে নাই? খুৱাব পিন্ধাব নোৱাৰ যদি আনিছিলি কেলেই, হু? ডাঙৰ ককায়েকৰ এনেই খংটো বেছি, তাতে আকৌ সেই গেলা সোপা গিলিও আহিছিল। কোনে পায়, বৌয়েকৰ দেহৰ প্ৰতিতো অঙ্গতে উত্তম মাধ্যম দিও ক্ষান্ত নহৈ এই বাৰ ডিঙিতে চেপা মাৰি ধৰিলে। কথা বিষম দেখি বতাহী দৌৰি গৈ কোনো মতে এৰুৱাই আনি তায়ো ককায়েক গালি দিছিল "দেউতাৰ নাম তয়ে ডুবালি। ঘৰখনত একো এটা নকৰ, পুৱা ওলাবি ৰাতি সোমাবি। তোক যিয়ে এই গেলাসোপা খুৱায় তাতেই থাকিবি"। বতাহীয়ে কথাখিনি কবহে পালে, এইবাৰ সি তাইলৈ চোঁচা ললে—"আবে্ এইখন তোৰ ঘৰ নে মোৰ ঘৰ? মোক মোৰ ঘৰলৈ আহিব মানা কৰা তই কোন? মোক গেলা খোৱা বুলি কোৱাৰ আগতে তোৰ চৰিত্ৰ পাঠ কৰ, বুঢ়ীজনী কৰবাৰ........" বতাহীৰ মুৰত সিদিনা বজ্ৰপাত পৰিছিল বিনা মেঘে। চিন্তা ভাৱনাই ওৰেটো নিশা উজাগৰে থাকিল।

দেউতাকৰো নিশাটো টোপনি ক্ষতি বতাহীৰ চিন্তাত। এফালে পুৰণি হাঁপানী বেমাৰটোও উক্ দিছে। আজি কালি কিবা অলপ গভীৰ চিন্তা কৰিলেই এই বেমাৰটোৱে উক্ দিয়ে। শুই উঠিয়েই কলে "আইজনী যা বগী মাহীৰ ঘৰৰ পৰাই ঘুৰি আহগৈ। মনটো অলপ ফৰকাল হ'ব। সিহঁতৰ যদি ঘৰ বাৰী বুলি চিন্তা নাই, তই এটা জীৱৰ বাবে ইমান বোৰ কেলৈ? দেউতাকৰ কথা খিনিয়ে বতাহীক আকৌ এবাৰ ভৱাই তুলিলে। বগী মাহীলৈ মনত পৰিল, তেওঁৰো মাক দেউতাক সৰুতে মৰিলত এমা-ডিমা ভায়েক কেইটাক লিখা পঢ়া কৰাই ডাঙৰ দীঘল কৰোতেই নিজৰ কথা ভাবিবলৈ সময়ে ন'হল। শেষত সেই কেইজন ভায়েকে বগী মাহীক ঘৰৰ পৰা উলিয়াই দিলে। আজি বগী মাহী একেবাৰে অকলশৰীয়া। ভায়েকহঁতে এবাৰো নাভাবিলে বগীমাহীৰ ত্যাগৰ কথা। দেউতাকৰ কথাত বগী মাহীক এবাৰ লগ পাবলৈ খবৰ ল'বলৈ মন গ'ল বতাহীৰ ....

দুৰৰ পৰাই বতাহীয়ে বগী মাহীক দেখিলে উৰালত তামোল খুন্দি আছে। দাঁত কেইটা গৈছে ঠিকেই কিন্তু গাৰ ৰং আজিও পকা থেকেৰাটো যেন হৈ আছে। ইমানবোৰ ৰূপ গুনৰ পিছতো মাহী আজি নিঃসঙ্গ। দুখত মাত এষাৰ দিবলৈও কোনো নাই; কি যে বিচিত্ৰ! তাইক দেখিয়ে মাহীয়েকে ওচৰত থকা পীৰাখনত বহুৱাই লৈ কলে- "শুনি আছো তহঁতৰ ঘৰখনৰ কথা। ইয়ো বোলে দিনে ৰাতিয়ে মদ খাই থাকে? যিটো দেখিছো তোৰো মোৰ দৰেই গতি হ'ব নেকি? এতিয়াও সময় আছে কিবাকৈ কোনোবা এটাৰ লগত গুছি যা। বুঢ়া কালত ভাই-ককাই কোনেও নাচায় নুখুৱায়। এইবোৰ সকলো মিছা। দেউতাৰৰ কথা ভাবিছ? সি দুদিন পিচত মৰি থাকিব; তেতিয়া তোৰ অৱস্থা কি হ'ব? ....

বতাহী বগীমাহীৰ ঘৰৰ পৰা ওলায় মানে বেলি পাতত বহিছিল। ঘৰ পাওঁতে ভালেখিনি এন্ধাৰো হৈছিল। নঙলা মুখ পায়ে বতাহীয়ে শুনিলে ঘৰৰ ভিতৰত ককায়েকৰ অবাইছ মাত। প্ৰথমতে তাই একো বুজিব পৰা নাছিল। পুনৰ কাণ থিয় কৰি শুনিলে— "গোটেই গাওঁ খনে জানে নবীনৰ

লগত তাইৰ হুলি গলি। মোক হাঁহে গেলা খাও বুলি, পিছে তাই বুঢ়ীয়ে কি কৰিছে? .... পৰিচয় নোহোৱা চাকৰ এটাৰ লগত .... ছিঃ কিবা লাজেই .... আহক আজি, হয় তাই থাকিব নহলে মই....” বতাহীয়ে বুজিলে এই সকলোবোৰ তাইৰ কথাকে কৈছে। তেন্তে বগীমাহীয়ে ঠিকেই কৈছে... তাই আৰু ভাবিব নোৱাৰিলে। কিবা এটা দুখে তাইৰ সমস্ত শৰীৰ কঁপাই দিলে।

চোতাল আহি দেখিলে নবীন গোহালিত, গৰুক দানা খুৱাই আছে। তাই পোনেই তাৰ ওচৰলৈ গ'ল। নবীনে তাইলৈ মুৰ তুলি কলে “ মই আজি এতিয়াই যাম গৈ। মোৰ যি বদনাম কৰিছে কৰক, কিন্তু এজনী জীয়ৰী ছোৱালীৰ, সেয়াও নিজৰ একে উদৰৰ ভনীয়েক জনীৰ বদনামো এনেকৈ কৰিব লাগেনে? ছিঃ পৃথিৱীখন সঁচাই ৰসাতলে গ'ল। ককাই ভনীৰ চিন নোহোৱা হ'ল। নালাগে এনে ককাই ভায়ো নালাগে” কথাষাৰ কৈয়ে সাউতকৈ নবীন নিজৰ কোঠাত সোমাল। বতাহীয়ে দেখিলে নবীন সচাকৈয়ে যাব গৈ এতিয়া। কাপোৰ যি দুখন আছিল টোপোলা বান্ধি ললেই দেখোন! তাই লাহেকৈ তাৰ কোঠাত সোমাই গ'ল। নবীনে দেখি আচৰিত হৈয়ে সুধিলে- “বতাহী তই ইয়াত? কোনোবাই দেখিলে আকৌ সৰ্ব্বনাশ হ'ব এতিয়া!

ঃ দেখক! আজি মই কালৈকো ভয় নকৰো। পিছে তই সঁচাই যাব নেকি?

ঃ অ' মই যামেই। দিনে ৰাতিয়ে গেবাৰি খাটো তাৰোপৰি ইমানবোৰ মিছা বদনাম কোনে কঢ়িয়াই ফুৰিব?

ঃ ঠিকেই কৈছ। তইতো দেখিছই মই সকলো কামেই কৰিব পাৰো। মোক লগত নিলে তোৰো সহায় হ'ব গতিকে......

ঃ ছিঃ ছিঃ বতাহী এইবোৰ কি কৈছ তই? মই তোক এই দৃষ্টিৰে কেতিয়াও চোৱা নাই। তই মোৰ লগত গলে মানুহে ককায়েৰাই কোৱা কথাবোৰ সঁচা বুলিয়েই ভাবিব। তাতোকৈ ডাঙৰ কথাটো হ'ল, তই হ'বলা গম নেপাৱ মই ইতিমধ্যে দুজনীক বিয়া কৰাইছিলো। পিছে মোৰ লগত কোনো এজনীও সুখী নহল। ফলত এজনী এজনীকৈ দুয়ো জনীয়ে পলাই গ'ল। যোৱাৰ পিচত চুবুৰীৰে মানুহে কোৱা শুনিছিলো মই হেনো সিহঁতৰ পেটৰ ভোকহে গুছাব পাৰিছিলো, যৌৱনৰ ভোক গুছাব নোৱাৰিলো সেয়ে তয়ো যদি .....

ঃ নাই নাই মোক সেইবোৰ একো নালাগে, মাথো এটা আশ্ৰয় লাগে .... বুলি কৈয়ে বতাহীয়ে ওচৰতে জ্বলি থকা চাকিটো ফুমাৰি নুমাই দি নবীনক তাইৰ গাৰ সমস্ত জোৰেৰে সাবটি ধৰিলে...... ।□

সাপ্তাহিক (?) পতি

✍ হেমন্ত কাকতি

পুৰা ছয়দিন-পৰিয়ালৰ পৰা দূৰৈত থাকি শনিবাৰৰ গধুলিটো অহালৈকে অধীৰ আগ্ৰহেৰে বাট চাই থাকো। শনিবাৰে গধুলি মোৰ গাড়ীখন আহি পদুলিত ব্ৰেক মৰাৰ লগে লগে আমাৰ কুকৰটোৰ ৰজনজনাই যোৰা ভুকভুকনিয়ে সমগ্ৰ ওচৰ চুবুৰীয়াক জনাই দিয়ে মই আহিলো বুলি। ল'ৰা-ছোৱালী হাল মই অহাৰ উলাহতে দৌৰি ওলাই আহে। লগতে লেপটেপটো দাঙিবলৈ আহে আমাৰ মৰমৰ গোলাপী নামৰ বনকৰা ছোৱালীজনী। তাৰ পিছতে মুখত এটা 'মনালিছা' হাঁহি লৈ মোৰ সহধৰ্মিনীৰ আৱিৰ্ভাব হয়। তাৰ পিচত মোৰ মস্তিষ্কৰ পাল, মানে সেই দুঃসাধ্য মুখমণ্ডল পঢ়ি গোটেই সপ্তাহটোৰ অন্তনিহিত 'মুড'টো আৱিস্কাৰ কৰাৰ। সেইখিনি সময়ত ঘ্ৰাণেন্দ্ৰিয়ৰ ওপৰত নিৰ্ভৰ কৰি কেতিয়াবা মুডৰ ক্লু পাও। মানে পাকঘৰৰ পৰা ভাহি অহা কেক জাতীয় কিবা ব্যঞ্জণৰ গোন্ধ আহিছে যদি তেখেতৰ মুড ভাল। সন্ধিয়া ডিনাৰ টেবুলত বহি ভয় ভয়কে মিচিকিয়া হাহি মই তেওঁ মোক চাৰপ্ৰাইজ দিবলৈ বনোৱা 'অদ্ভুত ব্যঞ্জণ' খনৰ 'ৰিচিপি' টোৰ বিষয়ে এনেকে সোধো যেন অহা সপ্তাহত মই সেইটো ট্ৰাই কৰিম। ল'ৰা-ছোৱালী হালক অলপ মৰমেৰে সপ্তাহটোত কি কি পঢ়াশুনা কৰিলি বুলি সুধিব খুজিলেই ডাঙৰজনীয়ে টপিক বদলাই ক'ব- "দেউতা, আমাৰ গোলাপীয়ে মবাইল ল'লে নহয়। দিনটো ম'বাইলতে থাকে আজিকালি। নহ'লে ভায়েকৰ ওপৰত কমপ্লেইন।

তাৰ পিছত ড্ৰিংচ এটা গলাধৰণ কৰি নিজকে ঘৰখনৰ মহাৰাজাৎ কৈ কোনোগুণে কম নহয় টাইপৰ ভাব এটা লৈ পায়চাৰি কৰি কৰি বাৰান্দা চকীখনত বহি লও আৰু এইহেন সুখৰ জীৱনটো পোৱা বাবে ওপৰৱালা শলাগ লও।

কিন্তু যোৱাতো শনিবাৰ আছিল অলপ বেলেগ। মই অহা সময়ত কাৰো মাতবোল নাই। ল'ৰা-ছোৱালীহাল ঘৰৰ ভিতৰৰ পৰাই ওলোৰ নাই, আমাৰ মৰমৰ 'ডগি' জনীও চোফাৰ পিচফালে মূৰ পিলিকা মাি সোমাই আছে। আমাৰ সৰ্বত্ৰ বিৰাজমান কামকৰা ছোৱালী গোলাপীৰে সুংসূত্ৰ নাই। পৰিবেশটো এনে হৈছিল ঘৰখনৰ 'হেপিনেচ' নামৰ বস্তুটে ক'ৰবাত ফুৰিবলৈ গৈছে।

এটাও শব্দ নকৰাকৈ বেড্ৰোমৰ ফালে আগুৱাই গলো।

"বেড্ৰোমৰ বাল্বটো ফিউজ হৈছে। টৰ্চটো লৈ যোৱা।" পাকঘৰ কোনোবা চুকৰ পৰা শ্ৰীমতীৰ মাতষাৰ ভাহি আহিল। "গোলাপী! ক' গ'লি? টৰ্চটো লৈ আহ চোন!" অলপ খংকে গোলাপীক চিঞৰিলো।

ঘৰখনৰ অসুখী 'মুড' টোৱে মোৰ মূৰত ধৰাৰ আগতেই দেখিলো মোৰ ল'ৰাটোৰ হাতত এটা টৰ্চ আৰু ছোৱালীজনীৰ হাতত এখন টাৱেল মোৰ ওচৰত। অচিনাকি 'সহায়ৰ হাত' দুখন দেখি আচৰতি হৈ সুধিলো "গোলাপী ক'ত?"

"তাই আজি গ'ল। গাঁৱৰ পৰা খুৰাক এজন আহি লৈ গ'ল, মাকৰ গা বেয়া বুলি ক'লে।"

বাক্যটোৱে কিছু সময় কাণ দুখনত প্ৰতিধ্বনিত হৈ হৈ মাৰ গ'ল। তেওঁৰ পৰহিৰ পৰা হ'বলগীয়া নেচনেল চেমিনাৰ, ল'ৰা-ছোৱালীৰ স্কুল, মোক বছে দিয়া টাৰগেট এইবোৰে মূৰত এফালৰ পৰা খুন্দিয়াই গ'ল। পাকঘৰৰ এটা চুকৰ পৰা দিনটো নেপেলোৱা জাবৰৰ উৎকট গোন্ধটো চিৰিংকে নাকত লাগিল।

শ্ৰীমতীক বুজাবলৈ একো কথা নাপাই লাহেকৈ ক'লো "আহিব দিয়া, কেইদিনমান পিছত ঘূৰি।"

"আজিলৈকে যোৱা কামকৰা মানুহবোৰ কোনোবা ঘূৰি আহিছে জানো?"

মই চুপ হৈ থকাই সমীচিন বুলি ভাবিলো।

ৰাতি শোৱাৰ পৰত এবাৰ লাহেকৈ ক'লো

"পাৰ্ট টাইম কাম কৰা এজনী বিচাৰিব লাগিব।"

তেওঁ মনে মনে থাকি হঠাৎ কৈ উঠিল

"কাইলৈৰ পৰা গাড়ী চলাবলৈ শিকাবা। ড্ৰাইভাৰজনো আজি গুছি গ'ল।"

কথাষাৰ শুনি আকৌ এবাৰ ভগৱানৰ নাম স্মৰণ কৰিলো। বিপদ আহিলে যে একেলগে আহে সেয়া লোকক বহুত লেক্‌চাৰ দিছিলো, কিন্তু আজিহে কথাষাৰ মৰ্মে মৰ্মে উপলব্ধি কৰিলো। ভাবিলো বৰ্দ্ধিত দৰমহা, দিনে-ৰাতিয়ে টিভি, আনকি 'হেণ্ডচাম' ড্ৰাইভাৰৰ সংগয়ো তাইক ৰখাব নোৱাৰিলে। দুয়ো একে দিনাই যে? কথাটো কি? দুয়োৰে মাজত কিবা গোপন বুজাবুজি বা প্ৰেমজনিত ঘটনা হ'ল নেকি বাৰু? গাভৰু ছোৱালী ঘৰত ৰাখিলে এইবোৰেই বিপদ। কিন্তু নতুন কামকৰা মানুহ এজনী লাগে বুলিলে পাম ক'ত? তেওঁ কলেজলৈ গ'লে ল'ৰা-ছোৱালী দুটা কাৰ লগত এৰি থৈ যাব?

কথাবোৰ ভাবি ভাবি ৰাতিটো শোৱাই নহ'ল।

পুৱতি নিশা প্ৰায় চাৰে চাৰিটা মান বাজিছে। বাহিৰত চৰাই চিৰিকটিৰ মাত ওলাইছে। এপাক বিছনাৰ পৰা উঠিলো। ল'ৰা-ছোৱালী হাল নিশ্চিন্ত মনে শুই আছে। কিন্তু মাক ওচৰত নাই। বুকুখন চিৰিং কে মাৰিলে। ক'ত গল তাই? মোৰ শংকা দূৰ কৰি অলপ পিছতে বাথৰুমৰ দৰ্জাখন খুলি অলপ চিঞৰাৰ দৰেই কৈ উঠিল-

"টয়লেটটো কিবা এটা হৈছে, একো ওলাই যোৱা নাই, বাথৰুমটোত বানপানী হৈ গৈছে, কোনোফালে একো ওলাই যোৱা নাই। বাথৰুমৰ গোন্ধত মৰি যাম এতিয়া। কিবা এটা কৰা।"

"চেপটিক টেঙ্কে ফেইল মাৰিলে চাগে।" সবাতকৈ বেছি বেয়া হ'ব পৰা ঘটনাটোৱে ভাবিবলৈ ল'লো।

"চাহ একাপ দিয়া মই ওলাই যাও। মীৰ প্লাম্বাৰৰ ঘৰলৈকে যাও। এনেও ফোন কৰি মাতিলে আহিম বুলি নাহে। আগতে মোক কেবাবাৰো ঘূৰাইছে সি। আজি ঘৰতে বিছনাতে ধৰিম গৈ।"

প্ৰায় দহমান বজাতহে প্লাম্বাৰ আহিল আৰু কামত লাগিল। এটাৰ পিছত এটাকৈ লাইন খুলি খুলি অৱশেষত সমস্যাটো ধৰা পেলালে। এটা "টি" খুলি এসোপামান ডিটাৰজেন্ট আৰু চাবোনৰ পেকেট উলিয়াই সমস্যাটো সমাধান হৈ গ'ল বুলি দেখুৱাবলৈ মাতিলে। মই একো নকৈ এওঁলৈ আঙুলিয়ালো। এওঁ গোলাপীৰ নাম লৈ এজাউৰি গালি উলিয়ালে। আত্মপক্ষ সমৰ্থন কৰি কিবা ক'বলৈ গোলাপীও নাই। কামৰ শেষত প্লাম্বাৰক কিমান লাগে সোধাত সি ক'লে- "চাওক দাদা, এইবোৰ কাম সাধাৰণতে কোনেও নকৰে, মই বুলিহে কৰিছো। টকা এহেজাৰ দিয়ক।"

তাৰ লগত অলপ দৰদাম কৰিব খোজোতেই প্লাম্বাৰজনক চাহ একাপ দি এওঁ প্ৰায় মোক ধমক দিয়েই ক'লে "দি দিয়া যি বিচাৰিছে, কামটো কেনেকুৱা দেখা নাই?" মোৰ হতবম্ব হোৱাৰ পাল। অইনকালে ফাঁচীবজাৰত হাজাৰটকীয়া কাপোৰ কিন্তু পিছমূহূৰ্ততে এওঁ মোলায়েম সুৰত তাৰ ফালে চাই আৰম্ভ কৰিলে "কাম কৰা মানুহ এজনী চাবাচোন, তোমালোকৰ অঞ্চলত পায় বুলি শুনিছো। দৰমহাৰ চিন্তা নকৰিবা। বাকী আনি দিলে তোমাকো কিবা এটা দিম।"

"চাও দিয়ক বাইদেউ" বুলি টকা হেজাৰ লৈ মোৰ ফালে যেন বিজেতাৰ হাঁহি মাৰি সি গুছি গ'ল।

এওঁক বলে নোৱাৰি এইবোৰ কামত মিছামিছিকৈ টকা-পইচা সোপা কেনেকৈ ড্ৰেইনেৰে আছলতে বৈ যায় তাকে ল'ৰা-ছোৱালীহালকে অলপ বুজালো। যোৱাকালি ৰাতিৰে বাকী থকা ভাত আঞ্জাখিনি ৰাখি এইবাৰ ব্ৰেকফাষ্টৰ টেবুলত আৰম্ভ হ'ল আলোচনা।

পালো দাদা। ধন্যবাদ। কিন্তু আধাহে আহিল।

দুই এদিনৰ ভিতৰতে কাম কৰা মানুহ নাপালে যে পৰিস্থিতি আৰু ভয়াবহ হ'ব বুজিবলৈ কাৰো বাকী নাথাকিল। এই মিটিঙতে সিদ্ধান্ত হ'ল যে অহাকালিৰ পৰা অনিৰ্দ্দিষ্ট কাললৈ (মানে মানুহ বিচাৰি নোপোৱালৈকে) দুজনৰ ভিতৰত এজনে অফিচৰ পৰা ছুটি ল'ব লাগিব। প্ৰতিবাৰে কৰাৰ দৰে ছুটিলোৱা কামটো মোৰ দ্বাৰাই কৰিব লাগিব বুলিও সিদ্ধান্ত ঘোষণা হৈ গ'ল। এতিয়া কাৰণ এটা আৱিস্কাৰ কৰি বছৰলৈ ফোন কৰি ছুটিটো মঞ্জুৰ কৰাব লাগে। মোৰ আইতা ঢুকোৱা প্ৰায় বিছ বছৰ হ'ল যদিও মোৰ আগৰ 'বছ'ৰ পাহৰণি বেমাৰটোৰ সুযোগ লৈ এইবোৰ কামত আগতে প্ৰায়ে যেতিয়াই তেতিয়াই তেওঁক শ্মশানৰ পৰা টানি আনিছিলো। এইবাৰৰ বছ অলপ একাচেকা। তাতে আকৌ যোৱা মাহতে আইতাৰ মৃত্যুত শেষ শ্ৰদ্ধাঞ্জলী দিছিলো। বছৰ পাহৰাৰ প্ৰশ্নই নুঠে। গতিকে নতুন কিবা এটা ভাবিবলৈ ল'লো। ফোনটো হাতত লৈ ৰিং কৰি হেলো কোৱাৰ লগে লগেই বছৰ কামৰ হিচাপ আৰম্ভ কৰি দিলে। পাঁচমিনিটমান শুনাৰ পিছত লাহেকৈ ক'লো "ছাৰ, কালি ৰাতিৰ পৰা গাটো ভাল নহয়, কেইদিনমান ছুটি লাগিছিল....' বুলি কাঁহ দুটামান জোৰকৈ মাৰি ফোনটো কাটি দিলো। অহা সপ্তাহত বছৰ লগত হ'ব পৰা সাম্ভাব্য বিপদৰ কথা ভবি গাটো শিয়ৰি উঠিছিল। এসপ্তাহ অফিচলৈ নগৈ অলপ আৰাম কৰিম বুলি ভাবি মনটো ভাল লাগিল যদি গোটেই সপ্তাহটো বাচন-বৰ্ত্তন ধুই, কাপোৰ ইস্ত্ৰী কৰি ল'ৰা-ছোৱালীক খুৱাই-বোৱাই যে স্কুল পঠাব লাগিব, গাড়ী চলাই অনা-নিয়াও কৰিব লাগিব সেইবোৰ চিন্তা মনলৈ অহাৰ লগে লগে মনটো সেমেকি গ'ল। কাৰণ গোটেই সপ্তাহটো এওঁ কলেজৰ চেমিনাৰৰ কামত ব্যস্ত থাকিব বুলি কৈয়েই থৈছিল। যি হ'ব দেখা যাব বুলি বজাৰ কৰা বেগখন লৈ ওলাই গ'লো। নতুন মডেলৰ গাড়ী এখন কিনিলে যেনেকৈ ৰাস্তাত অকল সেই কেইখন গাড়ীহে চকুত পৰে তেনেকৈ গোটেই ৰাস্তাত আৰু বজাৰত মোৰ চকু অকল কাম কৰা যেন লগা মানুহবোৰৰ ওপৰতহে পৰিল। বহু কেইজনক আন্দাজতে কামকৰা মানুহ বুলি সুধি বেয়াকৈ উত্তৰ পালো। পিছে কালৈকো ভ্ৰূক্ষেপ নকৰি মোৰ মিছন 'কামকৰা মানুহ আৰু ড্ৰাইভাৰ'ৰ সন্ধানত প্ৰায় দুই বজলৈ ইফালে সিফালে ফুৰিলো। ক'তো একো সন্ধান উলিয়াব নোৱাৰি 'মই আজি সংগীবিহিন, ক্লান্ত পথিক, এই বিশাল পৃথিৱীত' পুলক বেনাৰ্জীৰ গানটো ক'ব নোৱাৰাকৈয়ে গুণগুনাই লাহে লাহে ঘৰ মুৱা হ'লো।

গাড়ীখন গেটত ৰাখি গেটখন খুলিবলৈ লওতেই এওঁ আহি ওলাল। বজাৰৰ মোনাখন আগবঢ়াই দিওতেই কৈ উঠিছিল- 'ক'ৰবাত কিবা পালেনে?'

"নাই অ'!" এটা দীঘল হুমনিয়াহ কাটি ক'লো।

"হ'ব দিয়া নালাগে। গোলাপী আৰু ড্ৰাইভাৰ দুয়ো আহি ওলাইছেহি!"

এওঁৰ মুখখনলৈ চালো। ৰাতিপুৱা দেখা মুখখন যেন নহয়। খং ৰাগৰ কোনো চিন মোকামেই নাই। মুখত এক প্ৰশান্তিৰ হাঁহি। পুনৰ মোৰ মৰমীয়াল মানুহজনীক আকৌ যেন এবাৰ আৱিস্কাৰ কৰিলো। সকলো দুখ-দুৰ্গতি নিমিষতে কৰ'বালৈ উৰি গুছি গ'ল।

"তুমি কাইলৈ যাবাগৈ অফিচলৈ। এনেই এনেই ছুটিবোৰ নষ্ট কৰিব নেলাগে। অহা মাহত পৰীক্ষা শেষ হ'লে গোৱা যোৱাৰ প্লেন বনাই থৈছো। বছক কৈ এতিয়া গৈয়েই ছুটিটো চেংচন কৰাই থ'বা।"

অলপ পিছত ম'বাইলটো বাজিব ধৰিলে, দেখিলো বছৰহে ফোন-

"কৈছে হেই আপকা তবীয়ত? দেখো কল মিনিষ্টাৰ কা ভিজিট হেই, ইউ হেভ টু ভি প্ৰেজেন্ট হিয়েৰ! কল মৰ্নিং কো কিচি ভী হালত মে আ জানা।"

"ঠিক হেই চাৰ, আই ৱিল বি ৰিপোৰ্টিং টুমৰ' মৰ্নিং, বাট আই নিউ ফিউ জেইজ লিভ ইন ডা নেক্সড মান্থ!"

"হো জায়েগা!"□

ফেচবুক আৰু জীৱনৰ কিছু সমীকৰণ

✍ মেঘালী দিহিঙীয়া

ঃ প্ৰবাল, কি খবৰ?

ঃ ভালে আছো মিতালীবা। আপোনাৰ কেনে?

ঃ ভাল ভাল।

ঃ ৱাহ! নতুন ডিপি দেখোন, কেতিয়া সলালে? বঢ়িয়া লাগিছে।

ঃ হেই, পুৱাই সলালোঁ। তোমালোকৰতো লাইক এটা দিবলৈয়ো সময় নাই। আমিনো কোন!

ঃ নহয় হে, ৰ'বচোন! মই আজি চোৱাই নাই ফেচবুক। এইমাত্ৰ খুলিছোহে।

ততাতৈয়াকৈ গৈ মিতালীবাৰ নতুন প্ৰফাইল ফটোখনত লাইক এটা দিলোঁ। কমেন্ট কৰিলোঁ, "লুকিং বিউটিফুল"। ২ ছেকেণ্ডৰ ব্যৱধানত নটিফিকেচন আহিল। কমেন্টৰ ৰিপ্লাই, থেংক ইউ (লগতে সৰু স্মাইল এটা)।

আকৌ ইনবক্সত-

ঃ শুনাচোন, কথা এটা সোধোঁ বুলিছিলোঁ।

ঃ অঁ কওকচোন, কি কথা।

ঃ এই গীতিৰ লগত তোমাৰ কেনে?

ঃ গীতি মানে? আমাৰ গীতিমা?

ঃ অ' তাইৰ কথাই কৈছোঁ। কলেজত একেলগে পঢ়া নাছিলা জানো তোমালোকে?

ঃ নাই, তাই মোতকৈ জুনিয়ৰ আছিল। কেনেকুৱা মানে, তাইৰ লগত মোৰ ভালেই বুলিব পাৰি। পিছে বহুতদিন হ'ল লগভাগ পোৱা নাই। কলেজ এৰাৰ পাছত এবাৰেই লগ পাইছিলো জিতুৰ বায়েকৰ বিয়াত। সিদিনাহে হঠাৎ কাৰোবাৰ পোষ্ট এটাত কিবা কমেন্ট এটা দেখি চকুত পৰিল, লগে লগে ৰিকুৱেষ্ট পঠাইছো। কথা পিছে হোৱাই নাই এতিয়ালৈকে? পিছে, আপুনি কিয় সুধিলে বাৰু?

ঃ এনেয়ে। মই ভাবিছিলোঁ, তোমাৰ লগত ভাল বুলি। তাইৰ বিয়া হৈছিল নহয় ন, তুমি গম পোৱানে?

ঃ বিয়াৰ কথা গম নাপাম মিতালীবা। কলেজ এৰাৰ পাছৰ পৰা লগৰ দুই এটাৰ বাদে বাকীবোৰৰ লগত সম্পৰ্ক নথকাৰ দৰেই। তাতে গীতিহঁত আমাতকৈ জুনিয়ৰো আছিল, আগৰেপৰাই ইমান হলিগলি নাছিলেই।

ঃ হয় নেকি? তুমি নাজানিবা তেন্তে। মই মানে, মন কৰি আছো অলপদিনৰ পৰা। গোটেই প্ৰফাইলটো খুঁচৰি চায়ো গীৰিয়েকৰ ফটো এখনো নেদেখিলো। বিয়াৰ ফটোও নাই। নিজৰ ফটোবোৰতো সেন্দুৰ চেন্দুৰ লোৱা এদিনো নেদেখো, মই বোলো কি বা হ'ল? মই ভাবিলো, তুমি জানাই কিজানি।

ঃ এহ মিতালীবা, কি যে কয়! মই মই বিয়াৰ কথাই গম নাপাওঁ, সেই বোৰ কথাৰনো খবৰ ৰাখিমনে? সৌ সিদিনা ফ্ৰেইগুলিষ্টত সোমোইছোঁহে। পিছে সেইবোৰ কথাতনো ইমান মূৰ ঘমাবলৈ কিটো আছে? আজিকালি দেখোন বহুতেই সেন্দুৰ নলয় মডাৰ্ণ ড্ৰেছ কৰিলে।

ঃ ৰ'বা হে, সিদিনা ঘুনুক-ঘানাককৈ শুনিলো গিৰিয়েকৰ ঘৰৰপৰা গুচি আহিল হেনো। কিমানদুৰ সঁচা নাজানো, আনৰ মুখত শুনা কথাহে। আজিকালিৰ এই ছোৱালীমখাৰ একো গাত কথা নলগা হ'ল বুজিছা, বিয়া-চিয়া এইবোৰ চব বজাৰৰ বস্তুৰ দৰে ভাবে। পচন্দ হ'লে ৰৈ থাকিব, মন নবহিলেই ঘূৰি গুচি আহিব। গিৰিয়েক এৰি থৈ আহি ৰাস্তাই-ঘাটে ধুন-পেঁচ মাৰি ঘূৰি ফুৰিব, পাৰিলে আৰু দুটামানলৈ যাবহে।

থতমত খালোঁ। একোকে নক'লো, কিনো কম? হ'ল বুলিয়েইনো আগ গুৰি একো নোপোৱাকৈ এনেকৈ কয়নে কথা? কাৰ জীৱনত বা কি ঘটিছে নজনা নুশুনাকৈ যা তা মন্তব্য কৰি দিয়া মানুহবোৰলৈ টিঙিচকৈ খঙটো উঠি আহে মোৰ। কোনোমতে খঙটো সামৰি ক'লোঁ,

ঃ আপুনি দেখোন নিজেই সুধি ল'ব পাৰে গীতিক। আপোনাৰ লগততো ভালেই চাগে, তাইৰ ডাঙৰ বায়েকৰ লগৰ নাছিলজানো আপুনি?

ঃ ঔ আই, মই যে সেইবোৰ সুধিবলৈ যাবলৈ নাই দেই। আজিকালিৰ ছোৱালীৰ যিহে মুখ, খেদি আহিব। য'ত যি হয় হৈ থাকক ভাই, দৰকাৰ নাই মোৰ।

ক'বলৈ মন আছিল, 'ইমান দৰকাৰেই নাই যদিনো আনৰ কথা আনৰ মুখেদি ইমান ভু কিয় লৈ ফুৰিছে?' নক'লো। কৈ যে একো লাভ নাই, জানো।

মিতালীবাৰ ওপৰত উঠা খঙটো সামৰি থৈ গীতিৰ কথাকে ভাবিলো। ভাল ছোৱালী গীতিমা। আমি কলেজত পাইছো, বৰ নম্ৰ। বৰ ভাল গান গাইছিল। ডিপাৰ্টমেন্টৰ ছাৰ বাইদেউহঁতৰ বৰ প্ৰিয় আছিল তাই। সুৰ-কথা এটাতটো গীতিমাৰ নাম থাকেই। দেখাতো ধুনীয়া। আমাৰ লগৰে কিমানে যে প্ৰেমৰ প্ৰস্তাৱ দিয়াৰ কথা লৈ পিছে পিছে ঘূৰি ফুৰিছিল, গীতিমা পিছে একেবাৰেই উদাসীন আছিল এইবোৰ কথালৈ। মিতালীবাই কোৱা কথাটো যদি সঁচা হয়, তেন্তে বৰ দুখৰ কথা। ইমান ধুনীয়া গুণী ছোৱালীজনীৰ কিয় বা এনে হ'ল! সুধিয়েই চাওঁ নেকি? নাই, নোসোধো। হঠাৎ এনেকৈ সুধি দিলে ভাল নহ'ব কথাটো। তাতে কথাটো কিমান দূৰ সঁচা তাৰ ওপৰতো সন্দেহ আছে, মইতো তাইৰ বিয়াৰ কথাই গম নাপাওঁ।

ফটো দুখনমানকে চাও বুলি গীতিৰ প্ৰফাইলটোত চকু ফুৰালো। সম্ভৱতঃ ফেচবুকৰ একাউন্ট খোলা বৰবেছি দিন পোৱা নাই। নহ'লে ইমানদিনে মোৰ চকুত নপৰাকৈ নাথাকে। ফটোও বেছি নাই। প্ৰফাইল ফটো চাৰিখন, আপলোডচত দহখনমান। ফেমিলী এলবামত পোন্ধৰ/বিশখন মান আছে, পৰিয়ালৰ সৈতে ক'ৰবাত ফুৰিবলৈ যোৱাৰ পটো। পাবলিচ্‌ড আৰ্টিকোলচ্‌ বুলি এলবাম এটাও পালো, পেপাৰ কাট কেইটামান। গীতিয়ে কলেজত থাকোঁতে ভাল লিখিছিল বুলি গম পাওঁ। মই আলোচনীৰ সম্পাদক হৈ থাকোতে গল্প এটা আৰু যুৱ উচ্ছৃংখলতাৰ ওপৰত কিবা প্ৰৱন্ধ এটা প্ৰকাশ কৰিবলৈ দিছিল কলেজৰ আলোচনীত, এতিয়াও মনত আছে, কি যে দুৰ্দান্ত লিখিছিলে। আজিকালি মানে কাকতে-পত্ৰয়ো লিখে, ভাল কথা। লিখা মানুহবোৰে কলমটো এৰিব নালাগে, এৰা অনুচিত। ফটোবোৰ চাই উঠি গীতিক বিবাহিতা যেন নালাগিল। ৰিলেশ্বনশ্বিপ ষ্টেটাছ চালো, নাই একো দি থোৱা নাই। বিয়া হোৱা নাই চাগে, বয়সেইনো কিমান হৈছে। মোৰেই এইবেলি ২৭ সোমাইছেহে। তাইৰ চাগে ২৪/২৫ মান হ'ব।

আজিকালি দেখোন ২৯/৩০ৰ আগত বিয়াই নহয়। মিতালী বাই বা ক'ত কি শুনি পালে! এই যে মাইকী মানুহবোৰৰ নহয়, ক'ৰবাত কিবা এটা শুনি পালেই হ'ল, যা তা কথা এসোপা গাই ফুৰিব ঢৌটোতে ৰৌটো কৰি আৰু তেনেকুৱা কিবা এটা হ'লেই যেনিবা, মোৰ আগত হঠাতে এনেকৈ মন্তব্য এটা কৰি দিয়াৰ আগেয়ে গীতিৰ লগত পাতিব লাগিছিল ভালকৈ। আন নহ'লেও খবৰ এটাটো ল'ব পাৰে, সৰু ভনিয়েকৰ দৰে তেওঁ। ধেই কিবা, নাৰীয়েই নাৰীৰ শত্ৰু বুলি এনেয়ে নকয়তো।

আজিকালি ফেচবুকতো হোৱাৰ পৰা এইবিলাক কথা গাই ফুৰিবলৈ আৰু সহজ হ'ল। ক'ৰবাত কিবা এটা দেখি পালেই যা তা কথা এসোপাৰ বকলা মেলি দিয়ে অনুমানতে। এসোপা মানুহ আছে, দিনটো মাথো বিতৰ্কৰ পাছতে। ক'ত কি হ'ল, নতুন খবৰ কি ওলাল, তাক লৈ এনেকৈ কাক খোঁচ মাৰি কি আপডেট মাৰিব লাগে, লবী বনাব লাগে, অকল এইবোৰ ধান্দা। কাম নাই আৰু মানুহবোৰৰ। অৱশ্যে ফেচবুকে বহুখিনি সুবিধাও কৰি দিছে। বহুত কথাৰ আলোচনা হয় ইয়াত, কম বেছি পৰিমাণে সাহিত্য

চৰ্চাও হয়। মনে মিলা মানুহবোৰৰ সৈতে অলপ সময়ো কটাব পাৰি, মনো ভাল থাকে। নতুন নতুন বন্ধুও গোটাব পাৰি, হেৰাই যোৱা পুৰণি বন্ধুবোৰকো ঘূৰাই পোৱা যায়। এতিয়া এই গীতিমাকে ফেচবুকতো নথকা হ'লে চাগে কোনোদিন মনতেই পেলোৱা নহ'লহেঁতেন। অসমলৈ কম যোৱা হয় আজিকালি, এসপ্তাহ দহদিনৰ বাবে গ'লেও সেইকেইদিন গুৱাহাটীতে পাৰ হয়। দেউতাৰ ট্ৰেন্সফাৰ আৰু মোৰ কলেজ শেষ হোৱাৰে পৰা দেৰগাঁৱলৈয়ো যোৱাই হোৱা নাই আজি পাঁচ/ছয় বছৰে। যোৱাৰ প্ৰয়োজনো হোৱা নাই, আমাৰ পৰিয়ালৰ সম্পৰ্কীয় সকলো গুৱাহাটীতে থাকে।

মোবাইলৰ ডাটা অফ কৰি কামত লাগিলো। অফিচত আজি ধেৰ কাম। ফেচবুকত লাগি থাকিলে নহয়। সন্ধিয়া ৰুমলৈ গৈ গীতিলৈ মেছেজ এটা কৰিব লাগিব, খবৰ এটা লোৱাটো ভাল।

সন্ধ্যা ৰুম পাইহি মানে ৮ বাজি গ'ল। গা পা ধুই চাহ একাপ ল'লো। কাপোৰকেইটা চাৰ্ফত ডুবাই থৈ আহিছো, পুৱা কাম কৰা মানুহজনী আহিলে ধুই দিব। ব্ৰেকফাষ্ট কৰি ওলাই যোৱাৰ পিছত দিনৰ সাজটো অফিচৰ কেন্টিনতে খোৱা হয়, ৰাতিৰ সাজটোহে নিজে বনাওঁ। আজি বনাবৰ মন নগ'ল, বৰ ভাগৰ লাগিছে। ফোনটো উঠাই কাষৰ ৰেষ্টুৰেন্টখনতে কিবা এটা অৰ্ডাৰ দিলো, আজি চলি যাওক এনেকৈয়ে।

চোফাখনত দীঘল দি পৰি লেপটপ অন কৰিলো। ফেচবুক। অকণমান আজৰি হ'লেই আজিকালি চিধাই ফেচবুক মেলি লোৱাটো অভ্যাসৰ দৰেই হৈ পৰিছে। ভালো লাগে, বৰ সুন্দৰ আপডেট দি থাকে মানুহ কিছুমানে। আজিকালি সৰু সৰু ল'ৰা-ছোৱালী কিছুমানেও ভাল লিখিবলৈ লৈছে ফেচবুকত।

ঠিকেই আছে, আন নহ'লেও আখৰাকে হৈছে। মুকলি মঞ্চ এইখন, কাৰোবাক চিধাকৈ আক্ৰমণ নকৰিলে হকাবধা দিওঁতা কোনো নাই। অনলাইন লিষ্টখন এনেয়ে এবাৰ চালো। গীতিমা সন্দিকৈ। কাষত সৰুকৈ সেউজীয়া বিন্দুটো। খবৰ এটা লোৱা যাওক।

ঃ ছোৱালী, কি খবৰ?

ব্যস্ত আছিল চাগে। ১০ মিনিট মানৰ পাছত ৰিপ্লাই আহিল-

ঃ অঁ প্ৰৱালদা অ' মোৰ ভাল। আপোনাৰ কেনে?

ঃ আছোঁ অ' ভাল বেয়াৰ মাজতে। তুমি ক'ত? ঘৰতে নে? পঢ়াশুনা শেষ হ'লগৈ চাগে? খুড়াহঁতৰ কেনে? বহুদিন হ'ল, একো খবৰেই নাপাওঁ। আৰু ই গৌতমে কি কৰি আছে আজিকালি?

ঃ মই এতিয়া ঘৰতে। এম.এচ.চি. কমপ্লিট হ'ল, এইচডিএফচিত কৰো আজিকালি। ইয়াতে, দেৰগাঁও ব্ৰান্স। ঘৰত সকলোৰে ভালেই, দেউতা ৰিটায়াৰ্ড হ'ল যোৱাবছৰ। দাদাই বিজনেছ ষ্টাৰ্ট কৰিছে, বোকাখাতত দোকানো খুলিছে কাপোৰৰ। যোৱা ব'হাগত বিয়া হৈ গ'ল তাৰ, বৌক চিনি পাবই, ৰূপালীবা যে আপোনালোকৰ লগতে পঢ়িছিল। তেতিয়াৰে প্ৰেম, জানেই চাগে।

ঃ অঁতো, চব মনত আছে। ভাল লাগিল দেই শুনি। তোমাকো কংগ্ৰেটছ। গৌতমৰ নাম্বাৰটো দি ক'বাচোন মোক, ফোন এটা কৰিব লাগিব। সি কুকুৰে বিয়া পাতিবৰ সময়তো এবাৰ মনত পেলাব পাৰে, ক্লাছমেট আছিলো তাৰ।

ঃ অঁ, দাদাৰ বিয়াৰ সময়ত এবাৰ ওলাইছিল আপোনাৰ কথা। কিন্তু যোগাযোগ কৰিব পৰাকৈ একো সুবিধা নোলাল। ফেচবুকতো আপোনাক সিদিনাহে দেখা পাইছো। মই দাদা-বৌক কম আজি আপোনাৰ কথা।

ঃ বাৰু দিয়া। বাকী, নিজৰ কথা কোৱাচোন। খবৰ বাতৰি।

ঃ খবৰনো আৰু কি? খাইছো, শুইছো, চাকৰি গৈছো, ফেচবুক কৰিছো.... বচ্‌ চলি আছে জীৱন।

ঃ হয়নে? ভাল কথা দিয়া। পিছে বিয়া-বাৰুৰ কথা কি ভাবিছা? ছোৱালী কলিতে বুঢ়ী কিন্তু দেই। সোনকালে বিয়াখন পাতা। বুঢ়ী হৈ ছাল সোতোৰা পৰিলে চাকৰি দেখিবলৈ বিয়া পাতিবলৈ ভাল দৰা এটা নোলাব। দাদাৰ বিয়াতো নুখুৱালাই, তোমাৰখনতে মাতিবা। দিল্লীৰ পৰা চিধাই দেৰগাঁওলৈ ওলামগৈ।

নোসোধো বুলিও মনলৈ আহি থকা কথাটো অলপ কায়দা কৰি সুধি পেলালো ধেমালীৰ চলেৰে। দেখা যাওক, কি উত্তৰ আহে!

এক মিনিট

দুই মিনিট

পাঁচ মিনিট

পোন্ধৰ মিনিট

আধা ঘন্টা

নাই, উত্তৰ নাহিল। বুকুখন ধপধপাবলৈ ধৰিলে। ধেৎ তেৰি, কিহে যে পাইছিল মোক এইবোৰ কথা সুধিবলৈ! মিতালীবাই কোৱা কথাটো সঁচা হ'বওটো পাৰে। গীতিয়ে চাগে কি ভাবিছে মোৰ কথা! মই জানি শুনি তাইক দুখ দিছো বুলি ভাবিছে নেকি বাৰু! অপৰাধবোধ এটাই ভিতৰি হেঁচি ধৰিলে মোক....

মেচেঞ্জাৰটো খুলি আকৌ এবাৰ চেক কৰিলো। এক্টিভ এবাউট ২০ মিনিটচ্ এগ'। মেছেজটো চিন কৰি থোৱা আছে। কি কৰা যায়! চ'ৰী বুলিয়েই কওঁ নেকি! নাই তেনেকৈ ক'লে কনফাৰ্ম হৈ যাব মই জানি বুজি এইবিলাক কথা উলিয়াইছো বুলি। ছেহ, বৰ আঘাত দিলোনেকি বাৰু ছোৱালীজনীক!!

অৰ্ডাৰটো আহিল। প্লেন ৰাইচ উইথ চিকেন কাৰী, দাল মকখনী এণ্ড মিক্সদ চালাড খাবলৈ বৰকৈ মন নগ'ল, গীতিৰ কথাই মনলৈ আহি থাকিল। বৰ বেয়া কাম এটা কৰিলো হঠাৎ। তাইৰো বাবু মনটো বেয়া লাগি আছে নেকি..

বিচনাত পৰি চিনেমা এখন লগালো। নতুন ম'ভি এখন ৰিলিজ হৈছে। এঘাৰ বাজি গৈছে মাঁথো। মোৰ দেৰিকৈ শোৱাৰ অভ্যাস। আন কাম নাথাকিলে চোৱা হয় শোৱাৰ আগত।

কিটলিং কৈ মাত এটা দিলে মোবাইলটোৱে। ফে'চবুকত মেছেঞ্জাৰত মেছেজ অহাৰ সংকেত। প্ৰায় জঁাপ মাৰি গৈ মোবাইলটো হাতত ল'লো।

প্ৰৱালদা...

হয়, গীতিৰ মেছেজ। বুকুখন ধহমহাই উঠিল। উহ, ইমান আকুলভাবে মতা যেন লাগিছে কিয় এই ছোৱালীজনীয়ে! কোনোমতে টাইপ কৰিলো

কোৱা

বিয়াৰ কথা সুধিছিল নহয়
কওঁনে?

..

মোৰ বিয়া হৈ যোৱা বহুদিনেই হ'ল। আপুনি গম নাপায় চাগে। কেনেকৈনো গম পাবা।

নিমাত হৈ ৰ'লো কিনো কম! বুকুখন বেছিকৈ ধমধমাবলৈ ধৰিলে, ইয়াৰ পিছত বা কি বুলি কয়

আপোনালোকৰ ফালেই হৈছিল। গুৱাহাটীত বেছিদিন থাকিব নোৱাৰিলো। ছটা মাহতে মাথো গুচি আহিলো। চাগে মোৰেই ক'ৰবাত কিবা এটা খুঁত ৰৈ গ'ল। মই তেওঁৰ পছন্দৰ হৈ উঠিব নোৱাৰিলো।

মই মই হৈয়েই গ'লো, মই তেওঁৰ হ'ব নোৱাৰিলো। চাগে, নোখোজিলোও। মই মই হৈ থকাটোৱেই পচন্দ কৰিলো।

কি কওঁ কি নকওঁকৈ কঁপা কঁপা আঙুলিৰে লিখিলো

ঃ একো নাই গীতি, হৈ যায় কেতিয়াবা। সকলোৰে জীৱনবোৰ একে নহয়, সকলোৰে উদ্দেশ্যবোৰৰ মিল নাথাকে, সকলোৰে পছন্দবোৰ এক হৈ নুঠে। জীৱন এনেকুৱাই। তোমাক জানো, বুজা ছোৱালী তুমি ইমান নাভাবিবা কথাবোৰ, কষ্ট পাবা।

ঃ নাই, প্ৰৱালদা। কথাবোৰ মই গ্ৰহণ কৰি লৈছো লাহে লাহে। সহজ হৈ পৰিছে সময়ৰ লগে লগে। এনেয়ো

এইটো সিদ্ধান্ত মোৰেই আছিল আৰু মই সুখী, যে মা-দেউতা-দাদাইঁতে মোৰ এই সিদ্ধান্ত, মোৰ চিন্তাক, মোৰ যুক্তিখিনিক সন্মান কৰিছে। মানুহে ধেৰ কিবাকিবি কয়, প্ৰথমে বেয়া লাগিছিল,

আজিকালি হাঁহিহে উঠে। পৰিয়ালৰ হাতকেইখন মূৰৰ ওপৰত থকালৈকে মই নিজকে বৰ ভাগ্যৱতী বুলি ভাবিম।

ঃ কোৱা কৈয়ে থাকিব গীতি, মানুহৰ কামেই সেইটো। বিশেষকৈ আমাৰ অসমীয়া মানুহবোৰ এতিয়াও কিছুমান অৰ্থক চিন্তাৰপৰা মুক্ত হ'ব পৰা নাই। নিজৰ কথাত গুৰুত্ব দিয়া। যি কি সুখী কৰি ৰখাটো তোমাৰ দায়িত্ব। তুমি ভাল লিখিছিলা আগতেও, চৰ্চাটো নেৰিবা। কলমে বহুত শক্তি দিয়ে মানুহক।

ঃ কলমটো আছে বাবেই ইমান সবল হৈ আছো প্ৰবালদা। বাকী, মই নিজক বুজো।

ঃ উম, জানিছো আৰু মনত যদি কিবা খেদভাৱ আছেও সেয়া জোকৰি পেলাবা। সম্পূৰ্ণ মুক্ত নোহোৱালৈকে কষ্ট পাই থাকিবা কোনোবাখিনিত।

ঃ নাই নাই প্ৰবালদা। কাৰো ওপৰত একো আখেজ নাই, এতিয়া মোৰ। সকলোৱে নিজৰমতে সুখী হৈ থাককচোন, তাকেই বিচাৰো। তেওঁ আকৌ বিয়া কৰাইছে, বিচৰাখিনি পাইছে, চাগে সুখীও হৈছে। মই তেওঁৰ বাবে সুখী। ভালে থাককচোন সকলো।

আপুনি আনৰ দৰে নহয় বুলি জানো। পাইছো আপোনাক আগতেও। কিয় জানো ইমান মুকলিকৈ কথাবোৰ ক'বৰ মন গ'ল আপোনাক আজি।

ঃ ভালেই কৰিলা মনৰ কথাবোৰ মাজে মাজে মনে মিলা কাৰোবাৰ সৈতে শ্বেয়াৰ কৰিব লাগে, মনটো মুকলি হৈ থাকে। যেতিয়াই মন যায়, মাত দিবা। সদায় আছো তোমাৰ লগত।

ঃ বাৰু।

ঃ আৰু এটা কথা কওঁ, ভুল নুবুজিবা। কোৱাটো মোৰ দায়িত্ব, আৰু প্ৰয়োজনো। জীৱনটো ইমান সহজ নহয়, নিজৰ কথাও ভাবিবা। সততাৰে কৰা ত্যাগ প্ৰায়েই সুখানুভূতি দিয়ে, কিন্তু বহুক্ষেত্ৰত ৰিক্ততাও দি থৈ যায়। বৰ দীঘল জীৱন এটা পৰি আছে, আগবাঢ়িবলৈ হাত এখন লাগে, বিশেষ সংগ একোটা লাগে। বহু জটিল কথাই সহজ হৈ পৰে তেনে হ'লে। বুজিছাই চাগে কি ক'ব খুজিছো।

ঃ বুজিছো প্ৰৱালদা আৰু দুই একে কৈছে মোক এই কথা। নিজেও কেতিয়াবা অনুভৱ কৰো। তথাপি বিশ্বাস নহয় দেখোন সময়ৰ ওপৰত। কেতিয়াব বিশ্বাস নহয় নিজৰ ওপৰতো । নিজৰ স্থিৰতাৰ ওপৰত। পাৰ হৈ যোৱা সময় আৰু পৰিস্থিতি কিছুমানে মোৰ স্থিৰতা কাঢ়ি নিছে, চিন্তা আৰু ধাৰণাবোৰ পৃথক কৰি পেলাইছে। তথাপি চাওঁচোন,সময়ে কি কয়..

ঃ উম , বুজিছোঁ। সময় আছে। লাহে ধীৰে আগবাঢ়া। ভাল ছোৱালী তুমি , ভাল হ'ব। আছোঁ থাকিমো..

ঃ জানো প্ৰৱলদা

বাৰু এতিয়া ৰাখো দেই। শুবৰ সময় হৈছে। পুৱা বৰ লৰালৰি হয়। গুডনাইট।

ঃ বাৰু শোৱা গুডনাইট।

মনটো ভালেখিনি পাতল যেন লাগিল। অ'কে তেওঁ, তাইৰো মনটো অলপ মুকলি হ'ল। ভাল মানুহবোৰ সদায়ে ভালে থকাটো বিচাৰো। ভাল হওক তাইক...

বৰ আচৰিত এই জীৱনৰ কথাবোৰ। সম্পৰ্ক একোটা চলাই নিয়াটো বৰ সহজ কথা নহয়। বিয়া বুলি ক'লে মোৰো সেয়ে ভয়েই লাগি থাকে। ভাগ্য ভাল, যেনিবা বিয়াৰ কথা লৈ আজিলৈকে একো জোৰ দিয়া নাই। তাইৰো আৰু তিনিবছৰমান থকাৰ মন। বুটিকখন ষ্টাৰ্ট কৰিছেহে। পাৰ্লাৰৰ বিজনেছটোও আগবঢ়াবলৈ আছে। ৰিম্‌লীৰ লগত বহু কথাই নিমিলে মোৰ। টু মাচ প্ৰেক্টিকেল তাই। মই হ'লোঁ ফুল, চৰাই, আকাশ, বৰষুণ ভালপোৱা মানুহ। নৈৰ মাতত পমি যোৱা, মাটিৰ গোন্ধত ভিজি উঠা তেনেই ঠুনুকা মানুহ মই। ইমানদিনে অসমৰপৰা বাহিৰত থাকিও দিল্লী চহৰৰ আধুনিকতাই মোক মুহিব পৰা নাই। বাৰে বাৰে লুইতৰ পাৰলৈ উৰি যায় মন। ককাহঁতৰ গাঁৱৰ পথাৰখন, বাৰীৰ পিছফালে থকা হোলাটো, পুৰণি হিজলজোপাৰ সিপাৰৰ আধাডুবা নৈকাষৰীয়া বেলিটো, পাহাৰৰ তলিৰ হাবিখনৰ গুলঞ্চ আৰু ফুটুকলাবোৰ.. এইবোৰে নিশা দুপৰতো আহি মোৰ কাণত সুহুৰয়াই থাকেহি। ৰিমলীয়ে এইবোৰ লুবুজে, নাজানে, ঠাট্টা কৰে তাই, হাণহে। মই নকওঁ একোকে আজিকালি, সহিব নোৱাৰো তাইৰ ভেঙুচালিবোৰ। নিমিলে, বহু কথাই নিমিলে আমাৰ। তথাপি আছো,

ইমান বছৰৰ পুৰণি সম্পৰ্ক আমাৰ, দায়িত্ব আছে মোৰ।

ন'টিফিকেচন এটা আছিল। মিতালী হাজৰিকা টেগচ্ ইউ এণ্ড ছেভেন আদাৰচ্ ইন এ পোষ্ট। ধেই এইগৰাকী! কিহত টেগালে আকৌ। ঘৰৰ কাম-বন বুলিবলৈ নাথাকে নেকৈ একো, এনিটাইম অনলাইন্ দেখো যে গিৰিয়েক হাই ৰেঙকৰ চাকৰিয়াল, ভাগে ভাগে কামক বা মানুহ ৰাখিছে, কিহৰ চিন্তা। কিনো টেগ মাৰিলে এই ৰাতিখন বুলি চালো কিবা অসমীয়াত লিখা বাক্য দুশাৰীমান। ইউনিকোডত নতুনকৈ লিখিবলৈ শিকিছে হ'বলা, বানানৰ বাৰপাচি ভুল। নিশা দেৰিলৈকে অনলাইন থাকিলে বুলিয়েই মহিলাক হাই হেলো মেছেজ কৰা, নাৰীক অবলা বুলি ভবা, নাৰীমনৰ সংস্কাৰ সাধন ইত্যাদি বাৰেকিংকৰা কথা এসোপা লৈ কিবা আপডেট। ধুৰ, কাম নাই আৰু নিজতকৈ সৰু ছোৱালী এজনীৰ বিষয়ে আনৰ আগত যা তা সমালোচনা কৰি ফুৰা মাহৰ মুখত আকৌ নাৰীমুক্তি, নাৰী সৱলীকৰণৰ বৰ বৰ লেকচাৰ। ফকতিয়া কাৰবাৰ এইবোৰ চব।

লাইক এটা মাৰি শুই থাকিলো। পুৱাই অফিচ আছে।

দিনটো বৰ ব্যস্ততাৰে গ'ল। অফিচৰ পৰা বাহিৰে বাহিৰে হস্পিটেল পালেগৈ। বন্ধু এজনৰ ভায়েকৰ এক্সিডেণ্ট হৈছে, খবৰ এটা লৈ আহিলো। ভাগৰে-জোগৰে কোনোমতে ভাতকেইটা বনাই খাই আজৰি হৈ ফে'চবুক খুৱি ল'লো। নৈমিত্তিক অভ্যাস। এফালৰ পৰা পোষ্টবোৰ চাই গ'লো। লাইক, কমেণ্ট, কমেণ্টৰ ৰিপ্লাই। অনিমেষদাই মোডীয়ে নোট বেন কৰাৰ বৰ ভাল পোষ্ট এটা দিছে। যোগাত্মক কথা। নতুন প্ৰজন্মই পঢ়া উচিত। শ্বেয়াৰ কৰি থ'লো। ভাল পোষ্টবোৰ চকুত পৰিলে সদায়েই শ্বেয়াৰ কৰো। অংকিতাহঁত চেৰাপুঞ্জীলৈ গৈছিল, ফটোবোৰ বৰ ভাল হৈছে। কেমেৰাত হাত আহিছে আৰু সমীৰণৰ। বৰ্ণালীবাই আকৌ কিবা এৱাৰ্ড এটা পাইছে, ভাল খবৰ । পল্লৱে নতুন ফটো লগাইছে প্ৰফাইলত। ৱাহ, নতুন চাকৰি পাই ফুলি গৈছে দেখোন ল'ৰা। পেট বাঢ়িছে তোৰ , বুঢ়া যেন দেখাইছে বুলি কামোৰ এটা দিলো । গীতিৰ পোষ্ট এটা চকুত পৰিল, দিনত বেংকত হোৱা কিবা অভিজ্ঞতাৰ কথা লিখিছে, গল্পৰ দৰেই। এইজনীৰ হাতখন দিনকদিনে আৰু পূৰঠ হৈ আহিছে, কিতাপ এখনৰ কথা লাহেকৈ কাণ চোৱাৰ হ'ল। পোষ্টটো বৰ ভাল লাগিল, কমেণ্ট এটা মাৰি শ্বেয়াৰ কৰি থ'লো। মেছেজ এটা কৰো বুলিও বৈ দিলো, নাই নালাগে। সদায় কথা

পাতিলে কি বা ভাবিব, আমনিও পাব পাৰে। কালি পাতিছোহে, আজি পাতিবলগীয়া বিশেষ কথাও নাই। জয়দাৰ লগতে অলপ লেকচাৰ দিওঁ বুলি মেচেঞ্জাৰ খুলি ল'লো।

ঃ হেৰা ডেকাল'ৰা , খবৰ কি?

হাৰে, মিতালীবা দেখোন। এইগৰাকীয়ে আজি বা কি ক্লাছ লয় মোৰ।

ঃ অঁ বা,আছো কওকচোন।

ঃ নাই, এনেই। বোলো, খবৰ এটাকে লওঁ। আমাৰফালেতো চাবলৈকে সময় নাই।

ঃ কি যে কয় বা! দিনত ফেচবুক নালাগে এনেয়ে মোবাইলটো চুই চাবলৈকে সময় নাই। জাষ্ট খুলিছো। আচ্চা, ৰ'বচোন। আজি আকৌ নতুন ডিপি দেখোন।

ঃ এহ ফটোবোৰ দি থাকিবলৈকে মন যায় দেখোন অনবৰতে। চোৱাচোন চোৱা, কেনে হৈছে।

ঃ ৰ'ব, একমিনিট।

ঃ ফটোখন চালো। মেক আপ এডিটৰত এডিট কৰি মানুহেই নে জাপানীজ পুতলা চিনিব নোৱাৰা কৰি থৈছে। কমেণ্টসোপা চাই বাগৰি বাগৰি হাঁহিলো। বাপ্পা ঐ, ক'ৰ এসোপা ল'ৰাৰ কমেণ্ট..ধুনীয়া লাগিছে চুইটি, তুমি ইমান ধুনীয়া, পৰীৰ দৰে দেখাইছে তোমাক শ্ব' লুকিং হট.. ইত্যাদি ইত্যাদি। প্ৰতিটো কমেণ্টৰে ৰিপ্লাই, থেংক ইউ ডিয়েৰ। কিবা এটা ভাবি ফটোখন আকৌ এবাৰ ভালকৈ চালো।

শ্লিভলেছ টপ এটাৰ সৈতে টিকটিকীয়া ৰঙা লিপষ্টিক লোৱা, মেকআপ এডিটৰৰ ফাউণ্ডেচন পাৰি লৈ ভাওনাসদৃশ চেহেৰাৰ চেলফি। এভিট নকৰাহেঁতেন চাগে দেখাত বৰ ভাল লাগিলহেঁতেন ফটোবৰ,

মানুহজনী এনেয়ে বৰ মৰমলগা। আকৌ এটা মনত পৰিল, কপাললৈ চালো, নাই সেন্দুৰৰ দিন মোকাম নাই একো। হাঁহি উঠি গ'ল।

লাইক এটা কৰিলো। নাই লাইকেৰে কাম নচলিব। ৱাও ৰিয়েকতনকে মাৰি দিলো। কমেণ্ট বক্সত গ'লো এইবাৰ।

'লুকিং গৰ্জিয়াচ'

দুই ছেকেণ্ডো পাৰ নহ'ল চাগে। নটিফিকেচন। মিতালী হাজৰিকা ৰিপ্লাইদ টু য়'ৰ কমেণ্ট অন হাৰ

ফটো

'থেংক ইউচ' মাচ্চ্ ডিয়েৰ

লগতে এটা মুখমেলা ইম'জী। চকুত দুটা ডিল। গুলপীয়া।□

ৰবীন আইলেণ্ডৰ পৰা লং ৱাক টু ফ্ৰিডম

✍ অগ্নিভ দত্ত

ইতিমধ্যে দক্ষিণ আফ্ৰিকাত থকা কেইবাবছৰো হৈ গৈছে। দেশখনৰ য'তে যেনেকৈ সুবিধা পাইছো ঘূৰিছো ফুৰিছো। যিমানেই ঘূৰিছো সিমানেই দেশখনক দেশখনৰ মানুহবোৰৰ প্ৰতি মনবোৰ শ্ৰদ্ধাৰে ভৰি পৰিব ধৰিছে। দেশখন যিদৰে প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা সেইদৰেই দেশখন বিভিন্ন ঐতিহ্যৰেও ভৰা এইখন দেশতে নিযুক্ত বছৰৰ আগৰ জীৱাষ্ম আৱিস্কাৰ হৈছে ঠিক এইখন দেশতেই দশক যোৰা বৰ্ণ বৈষম্যৰ বিৰুদ্ধে যুঁজি ন্যায় প্ৰতিষ্ঠা কৰি ইতিহাস গঢ়ি তোলা হৈছে।

দেশখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য আকৰ্ষণীয় মানুহ সমৃদ্ধিশালী বুৰঞ্জী আৰু সংস্কৃতি আদিয়ে দক্ষিণ আফ্ৰিকালৈ অহাৰ দিনাৰ পৰাই টানি নিছিল ইখনৰ পৰা সিখন ঠাইলৈ। প্ৰত্যেকখন ঠায়েই শিকাছে দেশখনৰ নতুন নতুন কথা। জোহান্সবাৰ্গত ঘূৰি ফুৰোতে যদি সোণৰ খনিৰে গঢ়ি তোলা চহৰখনৰ অতীত বিচাৰি পাইছো ঠিক সেইদৰেই ডাৰবান নামৰ চহৰখনত বিচাৰি পাইছো বছৰীয়া ভাৰতীয় সংস্কৃতিৰ পোহৰ। এনেদৰে ইফালে সিফালে ঘূৰি ফুৰোতে কিন্তু কেপ টাউনখন থাকিয়েই গৈছিল।

কেপটাউন! বহুতৰ মতে কেপটাউনখন কেৱল দক্ষিণ আফ্ৰিকাৰে অন্যতম ধুনীয়া চহৰ নহয় ই বিশ্বৰ অন্যতম ধুনীয়া চহৰ। এফালে হিমচেঁচা আটলাণ্টিক মহাসাগৰ আনফালে টেবুল মাউণ্টটেন তাৰমাজত গঢ়ি সপ্নৰ চহৰ যেন কেপটাউন— চনতে প্ৰথমবাৰৰ বাবে ইউৰোপীয়ানসকলৰ চকুত পৰিছিল এই খন ঠাই খৈ খৈ বুলি আফ্ৰিকান জাতিটোৰ বাসস্থান আছিল এইখন ঠাই। লাহে লাহে আহি তাত বাহৰ পতা ইউৰোপীয়ানসকলে এদিন গোটেই কেপটাউনখনেই দখল কৰি পেলালে। সেইবোৰ এক অন্য ইতিসাহ। সেইখন কেপটাউন চাবলৈ বুলি —চনৰ ফেব্ৰুৱাৰী মাহত দক্ষিণ আফ্ৰিকাত গৰমেই থাকে সাধাৰণতে। মে' মাহত শীতকাল আৰম্ভ হয়। ইয়াত মানে কেপটাউনৰ কথা বেলেগ। ইয়াত দিনটোতেই বোলে চাৰিটা ঋতু দেখা পোৱা যায়। এয়াৰপৰ্টৰ পৰা ওলায়েই গাত জেকেটকেইটা সুমুৱাই লৈ ৱাটাৰফ্ৰণ্টত বুক কৰি থোৱা প্ৰতিয়া কেপ কেছেল বুলি হাটেলখনলৈ বুলি হোটেলৰ পৰা পঠাই দিয়া গাড়ীখনত উঠিলোগৈ। এয়াৰপৰ্টৰপৰা গাড়ী ওলোৱাৰ লগে লগেই অনুভৱ কৰিলো কেপটাউনৰ সৌন্দৰ্য্য চিক-চিকিয়া ৰাস্তাইদি হোটেল অভিমুখে গাড়ী আগবঢ়াৰ লগে লগে গাড়ীৰ চালক এন্দেৰই আমাক কেপটাউনখনৰ

বিষয়ে থুলমুলকৈ বুজাই আহিব ধৰিলে। এন্দ্ৰেই আমাক ক'লে যেতিয়াই বতৰ ভাল পালে তেতিয়াই টেবুল মাউনটেইনলৈ এপাক মাৰি লোৱাতো ভাল। নহ'লে বতৰ বেয়া হ'ব লাগিলে কেপটাউনৰ পৰা — মিটাৰ ওপৰত থকা টেবুল মাউনটেনলৈ যোৱা কেৱল কাৰখন চলাটো বন্ধ কৰি দিয়ে যাতে কোনো বিপদজ্জনক পৰিস্থিতিৰ সৃষ্টি নহয়। কেতিয়াবা কেইবাদিনলৈও বতৰ বেয়া হ'লে ঘন কুৱলীৰে পৰ্বতটো আগুৰি থাকে।

আমি গৈ পোৱা দিনা বতৰ ঠাণ্ডা যদিও ফৰকাল আকাশ। গতিকে এণ্ডেৰ পৰামৰ্শকে মানি হোটেলত সোমায়েই বস্তু বাহিনী ৰূমত যেনেকে-তেনেকে দলিয়াই থৈয়েই একেকোবে টেক্সিত উঠিলোগৈ টেবুল মাউনটেইনলৈ বুলি। টেবুল মাউনটেইন পাও মানে আবেলিৰ বেলিটোৱে পাগ মাৰি উঠি গোটেইখন সোণোৱালী ৰঙেৰে উপচাই পেলাইছে। তলৰ পৰাই মন্ত্ৰমুগ্ধৰ দৰে চাই পঠালো ওপৰলৈ। পাহাৰখনৰ ওপৰখন সমান কাৰণেই তাক টেবুল মাউনটেইন নাম দিছিল। ইতিমধ্যে পাহাৰৰৰ ওপৰখন ঘন কুৱলীৰে এখন টেবুল ক্লথৰ দৰে ঢাকি ধৰিছেহি। কি এক অপৰূপ দৃশ্য সেয়া। তলতে টিকেট কাটি কেৱল কাৰত উঠি— মিটাৰ ওপৰলৈ যাবলৈ ধৰিলো। কাৰখনে ঘূৰি ঘূৰি ওপৰলৈ চলি যাব ধৰিলে। যিমানেই ওপৰলৈ যাবলৈ ধৰিলো। যিমানেই ওপৰলৈ গৈছো এক উত্তেজনাই চেঁপা মাৰি ধৰিছে। ছয়-সাত মিনিটত আমি গন্তব্য স্থান পালোগৈ। কাৰখনত যোৱা —এটা মানুহে চিঞৰি উঠিছে ওপৰৰ নৈসৰ্গিক সৌন্দৰ্য্য দেখি। ফটো তোলাই তোলাত লাগিছে কোনোবাই ইফালে-সিফালে ঘূৰি ঘূৰি হেপাঁহ নপলোৱাকৈ চাব ধৰিছো। আমিও এফালৰ পৰা সৌন্দৰ্য্যৰ সুধা পান কৰাত লাগিছো। ওপৰৰ পৰা কেপটাউন চহৰখন কিবা সপোনপুৰী যেন লগা হৈ পৰিছে, দূৰৰ পৰা আটলাণ্টিকৰ নীলাবোৰ দূৰ দূৰলৈ বিয়পি পৰিছে। দূৰৈত আটলাণ্টিকৰ মাজত থকা বিশ্ব বিখ্যাত ৰবীন আইলেণ্ডটোও জিলিকি আছে। লাহে লাহে পাহাৰলৈ সন্ধিয়া নামি আহিব ধৰিল। হঠাতে যেন ফেৰিয়া বতাহ আৰু কুৱলীয়ে গাবোৰ দুৱাই যাব ধৰিলে। আটলাণ্টিকৰ নীলাবিলাক ডুবিব ধৰা বেলিটোৰ ৰঙাবোৰে বাংময় কৰি তুলিলে। ইফালে এটা দুটাকৈ কেপটাউন চহৰখনৰ জ্বলি উঠা লাইটোবোৰে মুকুটাৰ দৰে উজ্জ্বলি উঠিব ধৰিলে। গোটেই পৰিবেশটোৱেই সলনি হৈ উঠিব ধৰিলে।

মাউনটেইন কেফেৰ পৰা হাতে হাতে কফিবিয়েৰ আদিলৈ আটলাণ্টিকত অস্তগামী বেলিটো চাই চাই সকলো আপোন পাহৰা হৈ উঠিছে। এটা সময়ত চাওতে চাওতেই চকুৰ আগতেই বেলিটো আটলাণ্টিকৰ বুকুত হেৰাই যোৱাৰ দৃশ্য জীৱন পাহৰিব নোৱাৰো। লাহে লাহে পাহাৰৰ ওপৰৰ পৰা তললৈ নামি আহিবলৈ আকৌ কেৱল কাৰলৈ খোজ ল'লো। কেৱল কাৰেদি তললৈ নামি আহোতে দেখা কেপটাউনখনৰ দৃশ্যবোৰ যেন চকুত জীৱনৰ কাৰণে আৱদ্ধ হৈ গ'ল। এক পাহৰিব নোৱাৰা অভিজ্ঞতা। তাৰ পৰা নামিয়েই মাতি থোৱা টেক্সিত উঠি ৱাটাৰ ফ'ল্ট পালোগৈ।

সেইদিনা আৰু বিশেষ কৰি নথকাত সোনকালে খাইবৈ হোটেলত জিৰণি লোৱাতোৱেই ঠিক কৰিলো। ৱাটাৰফল্টক ভিক্টৰিয়া ৱাটাৰফল্ট বুলিও জানে। ৰাণী ভিক্টৰীয়াৰ নামত পুতেক এলফ্ৰেদে বনোৱা বন্দৰ আছিল এইটো। এতিয়া প্ৰায় এশ বিছ বছৰৰ পাছত সেই ৱাটাৰফ'ল্ট কেপটাউনৰ যেন হৃতপিণ্ডহে। তাক কেন্দ্ৰ কৰি বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠান হোটেল ৰেষ্টুৰেণ্ট মনোৰঞ্জনৰ ভিন্নতাৰে ৱাটাৰফ'ল্টৰ গধূলীবোৰ মাথো মায়াময়হে পৰে। গান গোৱাই গান গাইছে নচাই নাচিছে প্ৰেম কৰাই প্ৰেম কৰিছে ব্যস্ত নিজৰ দুনীয়াক লৈ। আমিও তাতে অকণমান ইফালে সিফালে ঘূৰি পৰ্তুগীজ ৰেষ্টুৰেণ্ট এখনত সোমালো ৰাতিৰ আহাৰৰ কাৰণে। সাগৰীয়ৰ মাজেৰে সুন্দৰকৈ পৰিবেশন কৰা আহাৰেৰে পেট ভৰাই খাই হোটেলত সোমালোগৈ।

পাছদিনা বচৰটো ইমান ভাল নোহোৱাতা কেপটাউনৰ ভিতৰতে ইটোসিটো কৰি দিনটো কটালো। ইতিমধ্যে বতৰৰ আগজাননি অনুসৰি তাৰ পাচদিনা বতৰ ভাল হ'ব বুলি জানি সেইদিনাই আমাৰ কাৰণে ৰবীন আইলেণ্ডলৈ যোৱা জাহাজত টিকেট কাটি আনি থ'লো। পাছদিনা ৰাতিপুৱাই ব্ৰেকফাষ্ট কৰিয়েই ওলালো আকৌ ৱাটাৰফ'ল্টলৈ আৰু তাৰ পৰাই যাব লগা জাহাজৰ কাৰণে লাইনত ঠিয় হ'লোগৈ। ৰবীন আইলেণ্ড সৰুৰে পৰাই শুনি অহা এটা নাম। শত-সহস্ৰজনৰ মুক্তিৰ প্ৰতিক নেলচন মেণ্ডেলাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ সময় কটোৱা দীপটোৰ নামেই আছিল ৰবীন আইলেণ্ড।

মনত এক তীব্ৰ উত্তেজনা মেণ্ডলাৰ কাৰাগাৰৰ কুঠৰীটো নিজ চকুৰে দেখাৰ উত্তেজনা সেয়া। এই ৰবীন আইলেণ্ডৰ এক দীঘলীয়া ইতিহাস আছে। শ শ শতিকাৰ পৰাই আটলাণ্টিকৰ মাজত কেপটাউন চহৰৰ পৰা প্ৰায় সাত কিলোমিটাৰ দূৰত অৱস্থিত এই ৰবীন আইলেণ্ডক সেইসময়ত দক্ষিণ আফ্ৰিকাত খোপনি পোতা ডাচ্ছসকলে তেওঁলোকৰ বিভিন্ন ঔপনিৱেশৰ ৰাজনৈতিক বন্দীসকলৰ পৃথককৈ ৰাখিবলৈ ইয়াক ব্যৱহাৰ কৰিছিল সেয়াই আৰম্ভ।

ইতিমধ্যে দেশ-বিদেশৰ বিভিন্নজন গোট খাইছেহি জাহাজত উঠি ৰবীন আইলেণ্ডলৈ যাবলৈ। লাইন পাতি এজন এজনলৈ জাহাজত উঠিলোঁগৈ। ঠিক এঘাৰ বজাৰ লগে লগেই জাহাজে কেপটাউন এৰি আটলাণ্টিকৰ নীলা পানীৰ মাজেদি তীব্ৰ গতিত ৰবীন আইলেণ্ডলৈ গতি কৰিলে। কি এক অনন্য যাত্ৰা। সাগৰৰ ঢৌ একো একোটাইযে প্ৰকাণ্ড জাহাজখন একো একোবাৰত জোৰকৈ লৰাই দিয়ে আকৌ কিছুসময় একেবাৰে যেন ঠাণ্ডা প্ৰায় ছল্লিছ মিনিটৰ মূৰত গৈ ৰবীন আইলেণ্ডৰ বন্দৰত জাহাজে লঙ্কৰ পেলালেগৈ।

জাহাজৰ পৰা নামিয়েই তাত ৰখাই থোৱা সুন্দৰ বাছবোৰত মানুহবোৰে নিজৰ সুবিধা মতে উঠাত লাগিল। বাছবোৰত একো একোজন গাইড আছিল। বাছ চলাৰ লগে লগে গাইডজনে আইলেণ্ডটোৰ ইতিহাস তাৰ বৈশিষ্ট আদি বুজোৱাৰ লগে লগে আমাক কিলোমিটাৰ দীঘল আৰু কিলোমিটাৰ বহল ৰবীন আইলেণ্ডৰ কি কি দেখুৱাব তাকো বিস্তৃত ৰূপত ক'লে। বাছখন এটা ঠাইৰ পৰা আন ঠাইত ৰখাই আৰু সেইখিনিৰ বিষয়ে সুন্দৰকৈ বুজাই দিয়ে।

আফ্ৰিকাৰ মুক্তি সংগ্ৰামৰ অন্যতম কাণ্ডাৰী ৰবাৰ্ট চুকুবেক গ্ৰেপ্তাৰ কৰি ৰখা ঘৰটো ৰাজনৈতিক বন্দীসকলে কাম কৰা চূৰ্ণশিলৰ খনিটো আৰু সেই খনিটোৰ সন্মুখতে চনত মেণ্ডেলাকে ধৰি বিভিন্ন জন প্ৰাক্তন কাৰাবন্দীয়ে মিলি বনোৱা শিলৰ সৰু পাহাৰ এটা যাক ইচিভিভেন বুলি জনা যায়।

এইবোৰ এটা এটাকৈ বাছেৰে ঘূৰাই আনি আমাৰ সকলোৰে আকাংক্ষিত স্থান টুকুৰাত আনি বাছ ৰখালেহি। তাতেই আমাৰ গাইডজনে আন এজন গাইডৰ হাতত আমাক গতাই দিলে। নতুন গাইডজনে যেতিয়া নিজৰ পৰিচয় দিলে, গা-মূৰ শিয়ৰি গ'ল। গাইডজন এজন প্ৰাক্তন ৰাজনৈতিক বন্দী সেই ৰবীন আইলেণ্ডৰ। দেশৰ ৰাজনৈতিক স্বাধীনতাৰ পাছত বহুজন ৰাজনৈতিক বন্দিয়েই ৰবীন আইলেণ্ডতে থাকি গ'ল আৰু সেইসকলে এতিয়া এই আইলেণ্ডটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এম এচ পি মানে মেক্সিমাম চিকিউৰিটি প্ৰিজনটোৰ গাইড।

এই এম এচ পিতে নেলচন মেণ্ডেলাকে ধৰি অতি গুৰুত্বপূৰ্ণ ৰাজনৈতিক বন্দীয়ে বন্দীত্ব কটাইছিল। ১৯৬৪ চনৰ পৰা ১৯৮২ চনলৈ ১৮ বছৰ কাল মেণ্ডেলাই ইয়াৰ কাল কুঠৰীত বন্দীত্ব দিন কটাইছিল ২৭ বছৰীয়া কাৰাগাৰৰ জীৱনৰ বাকী সময়খিনি দক্ষিণ আফ্ৰিকাৰ বিভিন্ন কাৰাগাৰত কটাইছিল।

ৰবীন আইলেণ্ডৰ এম এচ পি কাৰাগাৰৰ আঠ ফুট বহল সাত ফুট দীঘল অতিপাত আনহাইজেনিক কুঠৰীত থাকিব দিয়া হৈছিল মেণ্ডেলাক লগত এটা সৰু বাল্টি দিয়া হৈছিল য'ত ৰাতি বিয়লি শৌচ প্ৰসাৱ কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল কাৰণ ৰাতি এবাৰ কুঠৰীত সোমোৱাৰ পাছত বাহিৰলৈ ওলোৱা নিষেধ সেইটোৰ উপৰি শুবলৈ এখন পাতল কম্বল দিয়া হৈছিল। কাৰাগাৰৰ কুঠৰীটোত আজিও সেইকেইপদ বস্তু তেনেকৈয়ে সজাই থোৱা আছে।

তাৰ পাছতেই লৈ যোৱা হ'ল কুঠৰীৰ মুকলিখিনিলৈ। ইয়াতে দিনটো শিল ভঙা কামত লগোৱা হৈছিল বন্দীসকলক। তাতেই দেখুউৱা হ'ল মেণ্ডেলাই গছৰ জুপুহাৰ তলত লুকাই চুৰকৈ লিখা মেলা কৰা ঠাইডোখৰ। তাৰ পৰাই লিখি উলিয়াইছিল বিশ্ব বিখ্যাত লং ৱাক টু ফ্ৰিদম। সেইখন লিখাৰ পাছত তাৰপৰা ইমান কঠোৰ নিৰাপত্তাৰ মাজৰ পৰা উলিয়াই অনা সহজ কথা নাছিল।

মেক মহাৰাজ বোলা এজন ভাৰতীয় মূলৰ স্বাধীনতা যোদ্ধাই সেইখনৰ মূল পাতবিলাক উলিয়াই আনিবলৈ সক্ষম হৈছিল। আমোদজনক এটা কোৱা কথামেণ্ডেলা ইমানেই আনন্দিত হৈছিল যে মেক মহাৰাজৰ সেই পৰিবহণৰ কৌশলত তাৰ প্ৰতিদানস্বৰূপে মেণ্ডেলাই তেখেতৰ প্ৰথম মন্ত্ৰীসভাত মেক মহাৰাজক পৰিবহণ মন্ত্ৰিত্ব প্ৰদান কৰিছিল।

যি কি নহওক সেই এম এচ পি কাৰাগাৰৰ ভিতৰত সোমাই থকা প্ৰতি মুহূৰ্ততে আমাক সোঁৱৰাই দিয়ে কিমান নৃশংসে আছিল বৰ্ণ বৈষম্য। তীব্ৰ ক্ষোভ ঘৃণাৰ লগতে বন্দীসকলৰ অৱস্থাৰ কথাৰে চকু সেমেকি উঠে সকলোৰে। তাতে আমাৰ গাইডজনৰো নিজা অভিজ্ঞতাৰ কথাৰে সকলোৰে অন্তৰ চুই যাবলৈ সক্ষম হ'ল। গোটেই কাৰাগাৰৰ প্ৰত্যেকটো চুক-কোন চাই আমাক নিৰ্দিষ্ট এডোখৰত আলি গোটেইখিনিকে হাজিৰ কৰা হ'লয তাতেই গাইডজনে আমাক বিদায় দি জাহাজঘাটটোলৈ দেখুৱাই কৰে........ মনটো এক অবুজ আনন্দ বেদনাই জুমুৰ মাৰি ধৰিলেহি। পাছ ফাললৈ এবাৰ চাই গাইডজনক বিদায় জনাই ভাৱাক্ৰান্ত মন এটাৰে এখোজ দুখোজকৈ জাহাজৰ ফালে খোজ পেলালে। মনৰ ভিতৰতে বাজি উঠিল লং ৱাক টু ফ্ৰিডম।□

সোঁতৰ বিপৰীতে

✍ কণিকা দেৱী ভাগৱতী

যোৱা ৰাতি উৰ্মিৰ বহু ৰাতিলৈ টোপনি অহা নাই। বাৰে বাৰে মনলৈ আহি আছে ভদ্ৰ মহিলাগৰাকীয়ে কোৱা কথাযাৰ। মনলৈ অহা চিন্তা-ভাবনাবোৰ আঁতৰাই মাজ ৰাতি কেতিয়ানো টোপনি আহিল গমেই নাপালে। টোপনিতে চিলমিলকৈ দেখিলে এজনী সৰু ছোৱালী সন্মুখৰ ফালে আগবাঢ়ি গৈ আছে। আগে আগে গৈ আছে এটি ছায়ামূৰ্তি। কিছুদূৰ গৈ নদীটিৰ পাৰত সেই ছাঁয়া মূৰ্তি অদৃশ্য হৈ গ'ল। অকশমানি ছোৱালীজনী অসহায়ভাৱে ইফালে-সিফালে চাই ৰ'ল।

বাহিৰত চৰাইৰ কিচিৰমিচিৰ শব্দত উৰ্মি বাস্তৱলৈ উভতি আহিল। ঘড়ীটোলৈ চাই দেখে ছয় বাজিবলৈ মাত্ৰ পাঁচিশ মিনিট বাকী। ইফালে, যোৱাকালি স্কুলৰ পৰা আহোতে আৰতি বাইদেৱে সকলোকে সকীয়াই দিছিল ছয় বাজিবলৈ দহ মিনিট থাকোতেই সকলোৱে যেন স্কুলত হাজিৰ হয়। গাড়ী ঠিক ছয় বজাৰ লগে লগে যাত্ৰা আৰম্ভ কৰিব। উৰ্মি তৎক্ষণাত বিছনাৰ পৰা নামি আধা ঘণ্টাৰ ভিতৰতে সাজু হৈ স্কুটাৰত ষ্টাৰ্ট দিলে।

বাহিৰত গোটেইখন কুঁৱলীয়ে ঢাকি ৰাখিছে। সন্মুখত কি আছে অলপ আঁতৰৰ পৰা ভালদৰে ধৰিব নোৱাৰি। তাই লাহে লাহে আগবাঢ়িল বেছি লৰাঢপৰা কৰা মানে নিজে নিজৰ বিপদ চপাই লোৱা। শীত কালৰ এনেকুৱা এটা বন্ধৰ দিনৰ ৰাতিপুৱাৰ মিঠা আমেজ কাটি কৰি বনভোজলৈ যোৱাৰ তাইৰ মুঠেও ইচ্ছা নাছিল। কিন্তু উপায় নাই। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী এনেদৰে একেলগে বনভোজলৈ যোৱাটো এইখন স্কুলত কেবা বছৰ আগৰে পৰাই চলি আছে। নগ'লেও কথাটো বেয়া হ'ব।

তাই স্কুল গৈ পোৱা মানে গাড়ীত ভাগ ভাগ বস্তু উঠোৱা শেষ হৈছে। যাবলৈ ওলোৱা ছাত্ৰ-ছাত্ৰীসকলো অভিভাৱকৰ লগত আহি গাড়ীৰ ওচৰতে ৰৈ আছে। উৰ্মিয়ে লৰালৰিকৈ স্কুটাৰখন স্কুলৰ চৌহদৰ ভিতৰত তলা লগাই থৈ গাড়ীৰ ওচৰলৈ আহিল। ইতিমধ্যে প্ৰায়ভাগ শিক্ষক-শিক্ষয়িত্ৰী আহি পাইছে অকল তৰুলতা বাইদেউৰ বাহিৰে। এনেই বাইদেউ বৰ পানচুৱেল। আজি কিয় বা ইমান দেৰি কৰিলে সকলোৱে কথাটো আলোচনা কৰিলে। উৰ্মিয়েও ফোন কৰি চালে সিফালৰ পৰা বাৰে বাৰে ছুইচ অফ বুলি কৈ আছে। আধা ঘণ্টা মান পাছত ৰিক্সা এখন লৈ বাইদেউ আহি পালে। বাইদেউৰ মুখখন দেখিয়ে অনুমান কৰিব পাৰি ঘৰখনত কিবা এটা অঘটন ঘটিছে। কিন্তু এইটো পৰিৱেশত কোনেও কথাটো নুলিয়ালে।

উৰ্মিয়ে বাছৰ ভিতৰলৈ গৈ তালিকাখন উলিয়াই লৈ এজন এজনকৈ ছাত্ৰ-ছাত্ৰীখিনিক বাছৰ ভিতৰলৈ মাতিলে। ছাত্ৰ-ছাত্ৰীখিনি উঠাৰ পিছত শিক্ষক-শিক্ষয়িত্ৰীকেইগৰাকী উঠি গৈ বহিল। ড্ৰাইভাৰে গাড়ী ষ্টাৰ্ট দিলে। আনন্দতে ল'ৰা-ছোৱালীখিনি কিৰিলি পাৰি উঠিল। তলৰ পৰা অভিভাৱকসকলে পানীৰ ওচৰলৈ নেযাবা, বেছি দৌৰা দৌৰি নকৰিবা, ইত্যাদি ইত্যাদি উপদেশ দি গাড়ীখন নেদেখা হোৱালৈ হাত জোকাৰি ৰৈ থাকিল। গাড়ী লাহে লাহে আগবাঢ়িল। ৰাস্তা-ঘাট কুঁৱলীয়ে ঢাকি ৰাখিছে। বাহিৰত ফেৰ ফেৰীয়া বতাহ। মহন্ত উঠি গৈ খিৰিকীখন বন্ধ কৰি দিবলৈ চেষ্টা কৰি আছে কিন্তু পৰা নাই। ঘট ঘট কৰি আকৌ ফাক হৈ যায়।

'কি হে মহন্তদা, কি গাড়ী ঠিক কৰিলে'। বৰুৱাৰ কথাত মহন্তই অলপ লাজ পালে। 'কি ক'বহে বৰুৱা, মই সোধোতে গাড়ীৰ মালিকে দেখোন একেবাৰে টিপ টপ গাড়ী বুলিয়ে কৈছিল।'

গাড়ীৰ গতিৰ লগে লগে ল'ৰা-ছোৱালীখিনিৰ স্ফূৰ্তি-তামাছা বাঢ়ি আহিল। তিনিজনীয়া, চাৰিজনীয়া দল হৈ সিহঁতৰ মাজতে আন্তাক্ষৰি আৰম্ভ কৰি দিছে। যোৱাবাটৰ কেঁকুৰিটো পাৰ হৈ ড্ৰাইভাৰে গণেশ মন্দিৰৰ সন্মুখত গাড়ীৰ গতি কমাই দিয়াত সকলোৱে মন্দিৰৰ ফালে চাই সেৱা জনালে। লাহে লাহে ঠেৰেঙা লগা জাৰ কমি আহিছে। হঠাৎ ড্ৰাইভাৰে ব্ৰেক মৰাত কেৰেকৈকৈ শব্দ কৰি গাড়ীখন ৰৈ গ'ল। ঢলং ঢপংকৈ মানুহ এজন গাড়ীৰ আগেৰে পাৰ হৈ গৈছে। খিৰিকীমুখত বহি যোৱা ছাত্ৰ এজনে উচ্চ স্বৰত কৈ উঠিল 'ভালকৈ চা সেয়া ৰোহিতৰ বাপেকো হ'ব পাৰে।'— পিছফালে বহি যোৱা ৰোহিতে কথাষাৰ শুনি কান্দো কান্দো যেন হ'ল। সঁচা কথা তাৰ বাপেকে ৰাতি হ'লে এনেদৰে ঢলং পলং কৰি আহে আৰু তাৰ পিছত মাকৰ লগত কাজিয়া কৰে। ওচৰৰ মানুহ আহি কেতিয়াবা কাজিয়া ভাঙিব লগা অৱস্থাও হৈছে। লগৰ ল'ৰা-ছোৱালী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ আগতে কথাষাৰ এনেদৰে কোৱাত সি বৰ লাজ পালে। মনতে ভাবিছে ঘৰলৈ উভতি আহি বাপেক সুস্থিৰ অৱস্থাত থাকোতে আজিৰ এই অৱস্থাটোৰ কথা যেনেতেনে ক'ব। এনেই বাপেক বৰ মৰমীয়াল। কিন্তু ৰাতি হ'লে কিয় যে এনেকুৱাখন কৰে। তেতিয়া দেউতাকলৈ তাৰ খং উঠে। নাই নাই আজি যেনে তেনে দেউতাকক ক'ব। তেওঁৰ সেই মদ খোৱা বদ স্বভাৱটোৰ কাৰণে সকলোৱে আগতে আজি সি লাজ পাবলগা হ'ল। বয়সীয়াল শিক্ষক-শিক্ষয়িত্ৰীকেইগৰাকীক আগত বহিবলৈ দি উৰ্মি, দিগন্ত, তৰা, প্ৰকাশ, চম্পাহঁত গাড়ীৰ পিছৰ ছিটত বহি গল্প কৰি গৈ আছে।

ডেকা শিক্ষক প্ৰকাশ অলপ ধেমেলীয়া। গাড়ীৰ জোকাৰণিৰ লগে লগে বিহুগীত আৰম্ভ কৰি দিছে। 'ইমান ধুনীয়াকৈ কোনে সৰজিলে কোনে সৰজিলে। কোনে নাম দিলে চম্পা।'

বাঃ বাঃ প্ৰকাশ দা, বঢ়িয়া গাইছে দেই পিছে নবৌ লগত নাই বুলিহে নহ'লেতো — তৰাই ক'লে।

— 'এ নহয়, আমাৰ এওঁ বৰ ভাল। মই বজাৰৰ পৰা আহোতে অলপ দেৰি হ'লে পদুলিমুখতে ৰৈ থাকে।'

'পিছে বেলনা মাৰিডাল হাতত লৈ নে!' চম্পাৰ কথাত সকলোৱে গিৰ্জনি মাৰি হাঁহিলে।

এনেদৰে হাঁহি-ধেমালি কৰি বনভোজথলী গৈ পোৱা মানে কেইবাটাও দল আহি পাইছে। ঠাইখন বৰ ধুনীয়া। সন্মুখেৰে বৈ গৈছে নৈখন। দূৰত দেখা যায় ৰিণিকি ৰিণিকি পাহাৰ। নৈখনৰ সিটো পাৰে আছে হাবিখন। কিছু বছৰ আগলৈ সেই হাবিখন গছ-গছনিৰে গিজগিজিয়া হৈ আছিল। কিন্তু এতিয়া গছ-গছনি কাটি গোটেইখন তহিলং কৰিলে। ৰাতিৰ এন্ধাৰৰ সুযোগ লৈ এতিয়াও চিকাৰীয়ে গছ কাটি আছে। দুবছৰ আগতে এনেদৰে গছ কাটিবলৈ যাওঁতে সংগী বিচাৰি ফুৰা এটা দঁতাল হাতীৰ গছকত এজন চোৰাং চিকাৰীৰ মৃত্যুও হৈছিল। তথাপিও মানুহৰ অত্যাচাৰ কমা নাই।

গাড়ীৰ পৰা বস্তু-বাহানি নমাই সকলোৱে ভাগে ভাগে কামত লাগিল। ব্ৰেড, বাটাৰ, কণীৰে ৰাতিপুৱাৰ জলপান খাই ল'ৰা-ছোৱালীখিনিক লগত লৈ শিক্ষককেইজন আগবাঢ়িল ওচৰৰ ঠাইখন চাবলৈ। উৰ্মিহঁতে ঘূৰণীয়াকৈ বহি লৈ তৰকাৰী কাটি দিয়াৰ লগতে কথাৰ মহলাও মাৰি আছে।

— 'আচলতে তৰুলতা বাইদেউৰ ঘৰুৱা বহুত অশান্তি। গিৰিয়েকজন মদাহী, একমাত্ৰ সন্তানটোও অসুখীয়া। কি চাই যে বাইদেৱে সেইজনক পছন্দ কৰিছিল।'

'বাইদেউতো নিজৰ পছন্দমতে বিয়া হৈছিল। কিন্তু কেনেকৈ জানিব বাহিৰত ইমান ভব্য গব্য দেখুওৱা মানুহজন যে ইমান চৰিত্ৰহীন হ'ব পাৰে।'

— 'আচলতে জানা, বিয়া বাৰুৰ ক্ষেত্ৰত অলপ চিন্তা কৰি চাই সিদ্ধান্ত ল'ব লাগে। নহ'লে পিছৰ জীৱনত ভালদৰে পস্তাব লাগে।'

তৰুলতা বাইদেউ অহা দেখি সেই কথা তাতে সামৰণি মাৰি চম্পাই উৰ্মিক সুধিছে।

'উৰ্মি, যোৱা শনিবাৰে যে তই কৈছিলি, তেজপুৰৰ ল'ৰা এজনে যে তোক পছন্দ কৰি তোৰ মতামত জানিবলৈ বিচাৰিছিল, তই কি মতামত জনালি?'

— 'নাই নাই মই এতিয়ালৈ একো মতামত জনোৱা নাই। কালি ভানু পেহীৰ লগত এগৰাকী ভদ্ৰ মহিলা আমাৰ ঘৰলৈ আহিছিল। মই বেলেগ কথা এটাহে চিন্তা কৰিছো।' উৰ্মিয়ে ক'লে।

চম্পাই সুধিলে — কি কথা?

ক্লিং ক্লিং ক্লিং

হঠাৎ উৰ্মিৰ ম'বাইল ফোনতো বাজি উঠিল। 'হেল্লো লনী মাহী কোৱা....'

ফোনটো বন্ধ কৰি উৰ্মি আগৰ কথালৈ আহিল।

'যোৱাকালি আবেলি ভানু পেহীৰ লগত এগৰাকী ভদ্ৰ মহিলা আমাৰ ঘৰলৈ আহিছিল। মোক চোৱাৰ কাৰণে। অৱশ্যে কথাটো আগতীয়াকৈ আমাৰ ঘৰত জনাইছিল। মোৰ মতামত লৈহে মা-দেউতাই তেখেতসকলক আহিবলৈ কৈছিল।'

— 'ল'ৰাজনৰ ঘৰ ক'ত? কি চাকৰি কৰে? তই দেখিছ নে নাই?'

হঠাৎ কেবাটাও প্ৰশ্ন একেলগে আহিল। উৰ্মিয়ে ক'লে — নাম কমল দত্ত। ৰহা কলেজৰ লেকচাৰাৰ।

— 'বুৰঞ্জীৰ নেকি? মঙলদৈৰ কমল দত্ত নামৰ ল'ৰা এজন আমাৰ লগত একেলগে ইউনিভাৰচিটীত পঢ়িছিল।' — বৰুৱা বাইদেউ ক'লে।

— 'হয়। আচল ঘৰ মঙলদৈত' — উৰ্মিয়ে ক'লে।

'বৰ ভাল, ভদ্ৰ, অমায়িক ল'ৰা। পিছে সিটো বিয়া কৰোৱাৰ আজি চাৰি-পাঁচ বছৰমান হ'ল।'

হয় তেখেত বিবাহিত। পিছে তেখেতৰ পত্নী ঢুকোৱাৰ আজি তিনি বছৰ মান হ'ল। ছোৱালীজনী জন্মাৰ চাৰি মাহ পিছতে ঢুকাল। ইমানদিনে পেহীয়েকজনীয়ে ছোৱালীজনীক চোৱাচিতা কৰিছিল। যোৱা মাহত পেহীয়েকজনীৰো বিয়া হৈ গ'ল। মাক হাৰ্টৰ বেমাৰী। সেয়ে পুতেকৰ দ্বিতীয় বিয়াৰ কথা চিন্তা কৰি আমাৰ ঘৰলৈ আহিছিল আৰু আমাৰ আগত সকলো কথা ভাঙি পাতি কৈছে। উৰ্মিৰ কথাত সকলোৰে মনত খোকোজা লাগিল।

চম্পাৰ প্ৰশ্ন — এবাৰ বিয়া হোৱা মানুহ এজনৰ লগত তই কিয় বিয়াত বহিব লাগে? তোৰ কি নাই? দেখিবলৈ ইমান ধুনীয়া, ইংৰাজীত এম এ। তেনেস্থলত এজন বিবাহিত পুৰুষৰ লগত, কাৰণে ল'ৰাৰ অভাৱ হ'বনে?

উৰ্মি — তই হয়তো ঠিক কথা কৈছ মোৰ কাৰণে হয়তো বহুত ল'ৰা ওলাব। ডাঙৰ ডাঙৰ ব্যৱসায় কৰা, ডাঙৰ চাকৰি কৰা, আভিজাত্য ঘৰৰ — সেইটো বেলেগ কথা। কিন্তু প্ৰথম কথা হ'ল মই মোৰ মাৰ আদৰ্শক অৱমাননা কৰিব নোৱাৰো।

তই কি কৈছা উৰ্মি, আমি বুজি পোৱা নাই।

শুন তেন্তে, অলপ আগতে যে মোক ফোন কৰিছিল লনী মাহী সেয়া মোৰ মাৰ ভনী নহয়। মোৰ দেউতাৰ প্ৰথমা পত্নীৰ ভনীয়েকহে। প্ৰথমা পত্নী ঢুকোৱাৰ পিছত জুৰি বা আৰু দীপদাৰ কথা চিন্তা কৰি দেউতাই মোৰ মাক বিয়া কৰায়।

তেন্তে জুৰি আৰু দীপ তোৰ মাৰ সন্তান নহয়।

নহয়, জুৰি বা আৰু দীপ দা দেউতাৰ প্ৰথমা পত্নীৰ সন্তানহে।

'কিন্তু আমিতো বিশ্বাসে কৰিব নোৱাৰো। জুৰিৰ বিয়াত হেনো তোৰ মাই তেখেতৰ বিয়াৰ গহণাখিনি ভাঙি অলঙ্কাৰ গঢ়াই দিছিল। তোৰ মাই যে সিহঁতক ইমান মৰম কৰে।'

'সঁচা কথা মাই সিহঁতক খুউব মৰম কৰে। জুৰি বা দীপ দা আমি কোনেও সৌ সিদিনালৈ এই কথা জনা নাছিলো। লনী মাহীহঁতে আমাক খুউব মৰম কৰে। আচল কথা হ'ল, আপোন-পৰ এইবিলাক মানুহৰ নিজৰ মনৰ কথা। জুৰি বা আৰু দীপ দাক মাই নিজৰ সন্তান বুলি ধৰি লৈছে। সেই কাৰণে আমাৰ মা-দেউতাৰ সংসাৰত আমি কোনোদিন আশান্তি দেখা নাই।'

'তুমি ঠিক কথা কৈছা উৰ্মি। তোমাৰ মাৰ আদৰ্শ সঁচাই প্ৰশংসনীয়। বৰুৱা বাইদেউৰ কথাত সকলোৰে হয়ভৰ দিলে।'□

অসমাপ্ত চিঠিখন (Unfinished Letter)

✍ সবিতা দেৱী

অপ্ৰত্যাশিতভাৱে চিঠিখন পালো। বিশ্বাস কৰিব নোৱাৰাকৈ ব্যথাদায়কভাৱে মৰমৰ সাৰদাই তাইৰ অন্তৰৰ অভিযোগেৰে দুখ প্ৰকাশ কৰি চিঠিখন লিখিছে। মই অনুভৱ কৰিলো মই যেন শব্দেৰে পৰিপূৰ্ণ হৈ পৰিলো যিবোৰ শব্দ তাইৰ মুখৰ পৰা কাহানিও নিঃসৃত হৈ পৰা নাছিল। যিটো বস্তু তাই কোনোদিন পোৱা নাই তাক পোৱাৰ বাবে তাইৰ এই চেষ্টা। চেষ্টা কৰি বিচাৰি পোৱা বস্তুটো পালে তাই যি আঘাত পাব সেয়া ভাবি ময়ে একমাত্ৰ মৰ্মদাহত ভুগিছো। কিয় তাইৰ হিয়াখন নুপুৰিব? তায়ে এজনী যিয়ে কিবা বিচাৰিবলৈ চেষ্টা কৰিছে, যিটো তাই কেতিয়াও বিচাৰি পোৱা নাই। তায়ো এজনী তেজ-মঙহৰ মানুহ, যিয়ে নিজৰ ইচ্ছাক পৰিপূৰ্ণ কৰিব খোজে। কিন্তু মই তাইৰ এই আন্তৰিক অভিযোগৰ সহজে একো উত্তৰ দিব পৰা নাই। মই মিছা কথা ক'ব নোৱাৰো। সাৰদা, মোৰ মাজনী! মই কেতিয়াও তাইক মিছা কথা কোৱাটো ভাবিব নোৱাৰো। কিন্তু এইটোৱেই মোৰ জীৱনত ডাঙৰ যন্ত্ৰণা হৈ ৰৈছে। মই বুজি পাওঁ পিতৃ মাতৃৰ মৰম-চেনেহক আন কাৰো মৰমেৰে জুখিব নোৱাৰি। দেউতাকৰ মমতাপূৰ্ণ চাৱনি গুৰুত্বহীনভাৱে ল'ব নোৱাৰি। মাক-দেউতাকৰ পৰা নোপোৱা মৰম বিচাৰি সাৰদাই যে যন্ত্ৰণা সহ্য কৰিব পৰা নাই, তাইৰ চিঠিখনে তাকেই প্ৰকাশ কৰিছে।

মাহীটি,

মোৰ সোনকালে বন্ধ আৰম্ভ হ'ব। মই বন্ধত ঘৰলৈ যাবলৈ সিদ্ধান্ত লৈছো। বহুদিন হ'ল তোমাক নেদেখা। মাহীটি, এইবাৰ মই ঘৰলৈ গ'লে মোৰ এটা ইচ্ছা পূৰণ কৰিবা, যিটো মই বহুত দিনজুৰি কঢ়িয়াই লৈ ফুৰিছো। এয়া অভিযোগ নহয়, মোৰ অন্তৰৰ অভিমতহে, কাৰো সন্মুখত প্ৰকাশ নকৰাকৈ বহুদিনজুৰি সুপ্ত হৈ আছিল। যদিও মই নিশ্চিত নহয়, মই এটা অসম্ভৱ বস্তুক বিচাৰিবলৈ চেষ্টা কৰিছো মাত্ৰ। কিন্তু ইয়াক প্ৰকাশ নকৰিলে মোৰ অন্তৰৰ আক্ষেপ ৰৈ যাব। মাহীটি, তুমি ইয়াক বিচাৰিবলৈ মোক সহায় কৰিবানে?

এনেকুৱা কোনো সন্তান আছেনে যিয়ে কেতিয়াও দেউতাকৰ পৰা মৰম-ভালপোৱা পোৱা নাই আৰু কোনো দেউতাক আৰু সন্তান পৰস্পৰৰ প্ৰতি মৰম আকলুৱা চাৱনি আৰু একেলগে খেলা-ধূলা কৰা দেখিও যাৰ অন্তৰ কেতিয়াও ঈৰ্ষাত জ্বলা নাই? কিন্তু মই জীৱনত এই সকলোবোৰ দেখিও ধৈৰ্য্যৰে সহিছো। বোধকৰো মোৰ বন্ধুবিলাকে সিহঁতৰ মাক-দেউতাকৰ পৰা শুভেচ্ছা আৰু আশীৰ্বাদেৰে ভৰা চিঠি সোনকালে আৰু নিশ্চিতভাৱে পায়। কিন্তু মই কেতিয়াও মোৰ পিতৃৰ পৰা পোৱা চিঠি

পঢ়াৰ সৌভাগ্য নঘটিল। মই সপোনতো মোৰ দেউতাৰ পৰা কোনো আশীৰ্বাদ নাপালো, মাহীটি।

— 'আশীৰ্বাদ' এটা সন্তানে দেউতাকৰ পৰা শেষ আশীৰ্বাদেই লাভ কৰে। কিয় নহয়? ভীৰুৱেহে কেতিয়াও নিজৰ সন্তানক মৰমেৰে হাত বুলাই দিব নোৱাৰে। কিন্তু শ্ৰদ্ধাৰ দেউতাকৰ সবল আশ্ৰয় সাৰদাৰ বাবে সুদূৰ পৰাহত। চহৰৰ আধুনিক সা-সুবিধাৰ মাজত ডাঙৰ-দীঘল হোৱাজনে কেনেকৈ গাঁৱৰ বোকাৰ পদুমৰ মোল বুজিব! তাইৰ কথা কেনেকৈ ইমান নিষ্ঠুৰভাৱে তেওঁ ভাবিছিল! কিছুমানে নকয় জানো প্ৰত্যেকে নিজৰ ভাগ্য নিজে কঢ়িয়ায়, হয় জানো? মই গোটেই জীৱনটো ভাবিলো যে এয়া তাইৰে ভাগ্য। মানীলেইমাই তেওঁক লগ নোপোৱাকৈ থকাহেঁতেন! কিন্তু এয়া মাত্ৰ কোৱাৰ বাবেহে।

মই তোমাৰ বাইদেউ, তুমি যি কৰিলা সেয়া মই বিচৰা নাই, মানী। তেওঁ তোমাৰ উপযুক্ত নহয়। জোনটো বিচাৰি কান্দি থকাজনৰ দৰে তুমি হোৱাটো উচিত নহয়। ভাবা আৰু মই কোৱাটো মানি লোৱা। আইবোচৌবাৰ কাষ চাপি নাযাবা। তেওঁক ইয়ালৈ আহিবলৈ নিদিবা। আমাৰ মাও নাই, দেউতাও নাই। গতিকে আমি মানুহৰ হাঁহিয়াতৰ পাত্ৰ হ'ম। মানুহে আমাক আঙুলি টোঁৱাই কথা কওঁক সেইটো মই ভাল নাপাওঁ।

— মই তেওঁক প্ৰায়ে কৈছিলো, বাইদেউ। মই ইয়াতকৈ আৰু কি বেছিকৈ ক'ম সেয়া বুজি নাপাওঁ। মই কি কৰিব পাৰো? নাই নাই মই নাজানো মই কি কৰিম?

— তুমি একো নাজানো বুলি কোৱাটো বেছি কোৱা হ'ব। যদি কুকুৰ এটা বলীয়া হয়, তেন্তে গৃহস্থই ইয়াক গুলী কৰি মাৰি পেলায়। আমাৰ স্বৰ্গীয় উপৰি-পুৰুষক অসন্মান কৰা কোনো কাম কৰিবলৈ ইচ্ছা নকৰিবা। পাহৰি নাযাবা, আমি পিতৃ-মাতৃহীন।

তাৰ পিছত এটা শব্দও আৰু মানীৰ পৰা শুনা নাছিলো। তাই নীৰৱে আছিল। বুজাবুজি নাথাকিলে ভালপোৱা স্থায়ী নহয় আৰু প্ৰেমিক-প্ৰেমিকা বিচ্ছিন্ন হয় বুলি মই নাজানোনে? মাত্ৰ মই ভয় কৰিছিলো পৰিণতিক।

ইম্ফলৰ পৰা অহা আইবোচৌবা এখন অভিজাত পৰিয়ালত জন্মিছিল আৰু ডাঙৰ-দীঘল হৈছিল। তেওঁ এজন শিক্ষক হৈ আহিছিল। তেওঁ মানীলেইমাৰ প্ৰেমৰ বাবে উদ্বাউল হৈছিল। তেওঁ তাইক খুব ভাল পাইছিল। সততা আৰু বিশ্বাসেৰে তেওঁ তাইক ভাল পাইছিল। তেওঁ দেখুৱাইছিল যে সঁচা ভালপোৱাৰ ক্ষেত্ৰত উচ্চ-নীচ, ধনী-দুখীয়াৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁ আহিবলৈ এৰা নাছিল। লাহে লাহে দুয়ো দুয়োৰে ওচৰ চাপি গৈছিল। তেওঁ অন্তৰেৰে সৈতে তাইক ভাল পাইছিল আৰু আকুলতাৰে আকংক্ষা কৰিছিল। আইবোচৌবাই নিজৰ খুঁটি এৰা নাছিল। কি কৰিম ভাবিবলৈ এৰি দি সকলো মানীৰ ভাগ্যৰ ওপৰতে এৰি দিছিলো।

মোৰ পিতৃয়ে মোৰ প্ৰতি ভালপোৱা অনুভৱ নকৰেনে, তেওঁৰ আচল সন্তানৰ প্ৰতি? তেওঁৰ অন্তৰে তেওঁৰ নিজৰ তেজৰ সম্পৰ্কক ভাল পাব নাজানেনে? মোৰ কি অপৰাধ যে মই ইয়াৰ বাবে অনাদৰ পাব লাগে? কিয় তেওঁ মোৰ বিষয়ে ইমান বেয়াকৈ ভাবে? মই মোৰ পিতাক এতিয়া জানিবলৈ বিচাৰো। ইস, কিমান আনন্দজনক হ'লহেঁতেন যদি মই তেওঁক জানিলোহেঁতেন! মই তেওঁক বুকুৰ মাজত সাবটি ল'ব ক'লোহেঁতেন, যিটো ইমানদিনে তেওঁ কৰা নাই। কিয় তেওঁ এখনো চিঠি নিলিখে, কিয় তেওঁ এবাৰলৈও নাহে! সন্তানৰ বুকুত কিমান ভালপোৱা থাকিব পাৰে! মই তেওঁক দেখুৱালেহেঁতেন যে দেউতাকৰ প্ৰতি সন্তানৰ ভালপোৱা একোৱে সৈতে সলনি কৰিব নোৱাৰি। মোৰ চিন্তা অশুদ্ধনে? এনেকুৱা এজন পিতৃ আছেনে যিয়ে নিজৰ সন্তানক ভাল নাপায়? যদি তেনেকুৱা পিতৃ ক'ৰবাত আছেও তেন্তে মই তেওঁক দেখুৱাই দিব খোজো যে সন্তানৰ অন্তৰ কিদৰে পিতৃৰ মৰম আকলুৱা হয়।

কিয় এজন পিতৃয়ে নিজৰ সন্তানক ভাল নাপায়? কিয় তেওঁৰ মৰমৰ মানীয়ে জন্ম দিয়া তোমাক ভাল নাপাব? তুমি দেখাত একেবাৰে তোমাৰ মাৰ নিচিনা একমাত্ৰ নামটোৰ বাহিৰে। তোমাক যেতিয়া তেওঁ দেখিব কিয় তেওঁ তোমাক চাবলৈ ভাল নাপাব? ভেমপুৰীয়া ধনীবিলাকে ভাবে যে মাক-বাপেকহীন গাঁৱলীয়া গাভৰুবিলাক মূল্যহীন। আইবৌচৌবাই তাইক লগ ধৰাৰ সকলো ৰাস্তাই তেওঁলোকে বন্ধ কৰিলে। ধনীলোকে কৰিব নোৱাৰা একো কামেই নাই। কোনে তেওঁলোকক কি ক'ব? পিতৃ-মাতৃৰ আদৰ যত্ন নোপোৱাকৈ আমি এনে এখন ঠাইত ডাঙৰ-দীঘল হৈছো য'ত আধুনিক বেশ-ভূষাই ঢুকি নাপায়, ভদ্ৰলোকৰ আচাৰ-ব্যৱহাৰ, আদব-কায়দা আমি নাজানো। সেইবাবেই প্ৰত্যাহ্বান জনাবলৈ আমাৰ সাহস আৰু বলৰ অভাৱ। তেওঁলোকে তেওঁলোকৰ পৰিকল্পিত কাৰ্য কৰিলে আৰু শিৰ উচ্চ ৰাখি আঁতৰি গ'ল। তেওঁলোকে জোৰ কৰি তেওঁলোকৰ পুত্ৰক ইয়াৰ পৰা লৈ গ'ল আৰু তেওঁৰ কামৰ ঠাই ইয়াৰ পৰা বহুদূৰলৈ বদলি কৰি দিলে।

মই তোমাক কৈ দিছো আইবোচৌবা, তুমি কেতিয়াও এই ঠাইত ভৰি নিদিবা। এই সাধাৰণ গাঁৱলীয়া ছোৱালী মোৰ পৰিয়ালৰ বোৱাৰী হোৱাৰ যোগ্য নহয়। কিমানবাৰ মই ক'ম এই পৰিয়ালৰ এজন সদস্যৰ সৈতেও কোনোধৰণৰ সম্পৰ্ক মই ৰাখিব নোখোজো।

কি অভাৱ আৰু অশুচি আছে তাইৰ মাজত যে তাইৰ সৈতে সম্পৰ্ক ৰাখিব নোৱাৰি, আই। যদি কোনো তেনেকুৱা সম্পৰ্ক আছে মোক কোৱা।

কোনো কথা নহয়, তাই আশুচি হয়নে নহয়। তাইৰ দৰে ঘাতমাউৰা ছোৱালী এজনীয়ে উচ্চ আকাশত থকা জোনটোক বিচাৰি কন্দা উচিত নহয়।

তেন্তে তুমি কি ভাবা আই? দুজন মানুহৰ মাজত কি পাৰ্থক্য থাকিব পাৰে যাৰ বাবে তুমি মানীলৈ ইমান হীন চকুৰে চাইছা।

মনে মনে থাকা। তেনেকুৱা এজনী সামান্য ছোৱালীয়ে জোনটোৰ বাবে কান্দে? তাই নাজানে তাই তোমাৰ যোগ্য হয়নে নহয়? এইটো বোধহয় তাই নাজানে যে তোমাৰ বাবে ধনী আৰু অভিজাত পৰিয়ালৰ কিমান ছোৱালী যাচিছেহি? সাধাৰণ পিতৃ-মাতৃহীন ছোৱালী এজনীয়ে ইমান অস্পৰ্দ্ধা দেখুৱায়?

কিমান কঠিন শেষৰ শব্দবোৰ? মানীলৈইমাৰ অন্তৰত এই শব্দবোৰে কিদৰে আঘাত কৰিছিল? কিমান দুখজনকভাৱে সিহঁতে তাইক কন্দুৱাইছিল? কিমান বেয়াকৈ মই, তাইৰ দুৰ্ভগীয়া বায়েকে তাইক বকিছিলো।

এইটো যে ঘটিবই মই কোৱা নাছিলোনে? একমাত্ৰ তোমাৰ বাবে আমি আনৰ সন্মুখত হেয় প্ৰতিপন্ন হ'লো, আমাৰ স্বৰ্গগত পিতৃ-মাতৃয়ে গঞ্জনা শুনিবলগা হ'ল। তেওঁলোকে আমাক সেইবাবে জন্ম দিছিল নেকি? জাহান্নামে যোৱা, মই তোমাক চাব নোখোজো। আমাৰ স্বৰ্গগত পিতৃ-মাতৃৰ গঞ্জনা শুনিও তুমি মনে মনে থাকিবানে?

তাইৰ কথা এবাৰো নাভাবি তাইক মাথোঁ মই দুৰ্ভগীয়া বায়েকজনীয়ে পাৰোমানে ভৰ্ৎসনা কৰিলো আৰু বিবশ হৈ উচুপি উচুপি কান্দিলো। মই আজিও তাক মনত ৰাখিছো। আজিও সেই ঘটনাটোৰ স্মৃতিয়ে মোক বিন্ধে যদিও তাক পাহৰণিৰ গৰ্ভত কবৰ দিবলৈ চেষ্টা কৰিছো।

মই নিশ্চয় সোনকালে উভতি আহিম মানী। তোমাক এৰি মই থাকিব নোৱাৰো। নিশ্চয় মই তোমাক এদিন লৈ যাম। মই উভতি আহিমেই।

পাহৰি যোৱা, পাহৰি যোৱা তেওঁক। যিয়ে তোমাক দৈনন্দিন কাৰ্যৰ দৰে কেৱল যন্ত্ৰণা আৰু কান্দোনকে দিলে, তেওঁক পাহৰি যোৱা। তেওঁ তাক অন্ত কৰিবলৈ নাহে। তেওঁ সদায় দুই-তিনিদিনৰ মূৰে মূৰে আহিছিল। মানীৰ কপালত দুৰ্ভাগ্যহে জমা আছিল আৰু অপমানৰ বাহিৰে একো নাছিল। মানীৰ গৰ্ভত ভালপোৱাৰ বীজ ৰোপণ হৈছিল। তেওঁলোকে ঠাইখন পৰিত্যাগ কৰাৰ আগতে কোৱা কথাবোৰে তাইৰ যন্ত্ৰণাত আৰু কষ্টহে যোগ কৰিছিল। তাই অপেক্ষা কৰা এইটোৱে একমাত্ৰ দিন আছিল আৰু তাৰ পিছত বহুদিন জুৰি বিচাৰিলে যদিও তাই বিচাৰি নাপালে। তই বৰ দুৰ্কপলীয়া আছিল যেন তাই এপাহ বনৰীয়া ফুল যি চহৰৰ জকমকীয়া পোহৰত উজলি নুঠিল, গোসাঁইৰ পূজাত নলগোৱাকৈ বা কাণত গুঁজি নোলোৱাকৈ যাক ঠাৰিৰ পৰা ছিঙি ধূলিত পেলাই দিলে। তাই আহত হৈছিল। কিয় তাই তেওঁক লগ ধৰিবলৈ যাব? এইটোৱে ভাল, তেওঁক লগ ধৰাতকৈ তাই যন্ত্ৰণাই ভোগ কৰি থাকক। মানী কিমান শোকাৰ্ত! তেওঁলৈ অপেক্ষা কৰি কৰি তাই কিমান দুখ পাইছে। কেনেকৈ তাই ধৈৰ্যৰে নিজকে ক্ষান্ত কৰি ৰাখিছে। কেনেকৈ খোৱা-বোৱা এৰি তেওঁলৈ অপেক্ষা কৰিছিল! এটা এটাকৈ কেইবাটাও মাহ পাৰ হৈ গ'ল কিন্তু আইবোচৌক নাহিল। ভালপোৱাৰ বীজ লাহে লাহে গধুৰ হৈ আহিবলৈ ধৰিলে আৰু মানীয়ে অনবৰতে কান্দি কান্দি কটাবলৈ ধৰিলে।

অনবৰতে কান্দি থাকিলে তোমাৰ স্বাস্থ্যৰ অৱনতি ঘটিব মানী। খোৱা-লোৱা কৰা। তোমাৰ স্বাস্থ্য ভাল দেখা নাই।

মই কিমান দুৰ্কপলীয়া বাইদেউ। এটা অলীক স্বপ্নক বিশ্বাস কৰি মই নিজকে ধ্বংস কৰিলো। মই তোমাক কষ্ট দিলো আৰু পৰিয়ালক বদনামৰ ভাগী কৰিলো। মই সঁচাকৈ মোৰ বংশৰ নাম ডুবালো। মই আমাৰ পৰিয়ালৰ কলংক।

এনেকুৱা অৱস্থাত তুমি বেছিকৈ চিন্তা নকৰাই ভাল। তুমি সবল হ'বলৈ চেষ্টা কৰা। ধৈৰ্য ধৰিবলৈ শিকা। ধৈৰ্যৰ বাহিৰে তুমি কেনেকৈ জীৱনৰ সন্মুখীন হ'বা? তুমি ইয়াক স্বীকাৰ কৰি লোৱা যে আ মি এই দুৰ্ভাগ্যৰে জীয়াই থাকিব লাগিব।

কিমান দিনলৈ মই এই যন্ত্ৰণা কঢ়িয়াব লাগিব? মই এই যন্ত্ৰণাক বেছি দিনলৈ কঢ়িয়াবৰ সাহস নাই। তাতকৈ মৰি যোৱাই ভাল। মই জীয়াই থাকিবলৈ নিবিচাৰো।

নহয়, তেনেকৈ নাভাবিবা মানী। আইবোচৌবাৰ ওচৰলৈ যোৱা। নিশ্চয় তেওঁ আমাক আদৰি ল'ব।

তেওঁ মোক সঁচাই আদৰি ল'বনে? যদি তেওঁ মোক আদৰি নলয়?

নাৰীৰ অন্তৰৰ আবেগ সামৰি, লজ্জাক কাষৰীয়া কৰি তাই সাহস গোটালে। মানী আইবোচৌবাৰ ঠাইলৈ গ'ল। গভীৰ বিশ্বাসেৰে যে তেওঁ তাইক ঘূৰাই ল'বই। এই ভাবি তাই শান্তি পালে, যেতিয়া তাইৰ ভালপোৱাৰ বীজে অংকুৰ মেলিব তেতিয়া তাইৰ মৰমৰজনক কাষতে পাব। কিন্তু

সকলো বিপৰীত হ'ল। আইবোচৌবাই মানীক চিনিয়ে নাপালে। তেওঁৰ বেশ-ভূষা বদলিছিল, তেওঁৰ মুখৰ ৰং সলনি হৈছিল। তেওঁক চাবলৈ বৰ কষ্টদায়ক হৈছিল। তেওঁ দাঢ়িয়ে-গোফে ভোবোকাৰ হৈছিল। কন্দাৰ বাহিৰে মানীয়ে এতিয়া কি কৰিব পাৰে? তাই কোনো ৰাস্তা বিচাৰি নাপালে। তাইৰ শুভাকাংক্ষী এজনে তাইক কৈছিল — আইবোচৌবাৰ মাকে তেওঁক মানীৰ ওচৰলৈ যোৱাত বাধা দিবলৈ কৰা তন্ত্ৰ-মন্ত্ৰৰ বাবে তেওঁৰ তেনেকুৱা পৰিৱৰ্তন কৰিলে। মানী গাঁৱলৈ ঘূৰি আহিল। এটাৰ পিছত এটাকৈ অহা বৰ নোৱাৰা দুখৰ ভাৰ লৈ। মানীয়ে ৰাতিৰ পিছত ৰাতি টোপনি নহাকৈ উচুপি উচুপি কান্দি কটালে। ভয়ানক মানসিক অসুখত নকৈ ওপজা সাৰদাক থৈ তাই পৃথিৱী এৰি গুচি গ'ল।

নহয়, মই তেওঁক ক্ষমা কৰিব নোৱাৰো, মাহীটি। এক মুহূৰ্তৰ বাবেও মই তেওঁক চাবলৈ সক্ষম নহওঁ। তেওঁৰ ভীৰুতাপূৰ্ণ মুখখন, যিয়ে গৌৰৱেৰে ক'ব নোৱাৰে এইজনীয়ে মোৰ আপোন জীয়ৰী। যদিও তেওঁৰ এখন অন্তৰ আছে, সেয়া বোবা পশুৰ। এসময়ত মই তেওঁৰ হাতত হাত ধৰি ধৰি ফুৰিবলৈ বিচাৰিছিলো। তেওঁৰ সৈতে অন্তৰ কুলি হাঁহিবলৈ বিচাৰিছিলো, কিন্তু এতিয়া তাৰ বাবে বহুত পলম হৈ গ'ল। মই বিশ্বাস কৰিব নোৱাৰাকৈ মোৰ অন্তৰ শিলতকৈও কঠিন হৈ পৰিছে, তাত তেওঁৰ প্ৰতি কোনো মৰম-ভালপোৱা নাই। এয়া এটি নিৰাশাত ভোগা সন্তানৰ কথা নহয়নে? যদিও মই জানো মই কোন আৰু মোৰ পিতৃনো কোন, মই কেতিয়াও পৰিচয় দিয়াৰ অধিকাৰ নিবিচাৰো। জীৱনজুৰি মই চাবলৈ খোজা পিতৃয়ে এবাৰলৈও তেওঁৰ যে এটা সন্তান আছে সেয়া মনত পেলালেনে? এইবিলাক প্ৰশ্নৰ উত্তৰ বিচাৰি মোৰ অন্তৰ ভাঙি গৈছে। মই যেনেকৈ মোৰ পিতৃক বিচাৰি উদ্বাউল হৈছো সেইদৰে এবাৰলৈও মোৰ পৰা পিতা মাতষাৰ শুনাৰ বাবে তেওঁ উদ্বাউল হৈ উঠা নাইনে? মই মাত্ৰ এবাৰ জানিবলৈ বিচাৰো। এবাৰ সুধিব বিচাৰো। তুমি মোৰ এই ইচ্ছা পূৰ্ণ কৰিবানে মাহীটি?

শ্ৰদ্ধাৰে —

তোমাৰ সাৰদা

চিঠিখন সন্মুখত লৈ মই উচুপি উঠিলো। চিঠিৰ আখৰবোৰ চকুপানীয়ে ধুই নিলে। কলমটো লৈ মই লিখিবলৈ ল'লো —

মৰমৰ সাৰদা, মোৰে চকুৰ মণি,

পিতৃয়ে যিটো কৰিছে সেয়া সন্তানে কৰাটো উচিত নহয়। তুমি নিজে এটা ক্ষমাহীন দোষ কৰিবলৈ গৈছা। তুমি বোধহয় পাহৰি গৈছা যে নিজ পিতৃক চৰ্তহীনভাৱে সন্মান আৰু মৰম দিয়া উচিত। লিখিবলৈ লোৱা মোৰ হাতখন নিজে নিজে নচলা হ'ল। মই আৰু ইয়াতকৈ আগুৱাব নোৱাৰিলো। বাধাহীন চকুপানীয়ে চিঠিৰ আখৰবোৰ উটাই নিব ধৰিলে। মই ভাবি নাপালো চিঠিখন কেনেকৈ শেষ কৰিম, কান্দি কান্দি টুকুৰা টুকুৰকৈ চিঠিখন ফালি পেলালো। হঠাৎ বলিয়া ৰতাহ এজাক আহি চিঠিৰ টুকুৰাবোৰ উৰুৱাই লৈ গ'ল।□

ৰজা আৰু জ্ঞানী বুঢ়া

✍ সংগ্ৰহিত সাধু

বহু বছৰৰ আগতে আফ্ৰিকাৰ এখন ৰাজ্যত এজন অতি খঙাল ৰজা আছিল। ৰজাই নিজৰ প্ৰজাবোৰক যিদৰে সহায় কৰিছিল, শাসনো কৰিছিল অতি কঠোৰভাৱে। সকলো প্ৰজাই ৰজাক শ্ৰদ্ধা কৰিছিল যদিও ভয়ো কৰিছিল, যমৰ দৰে। ৰজাৰ সন্মুখত আটাইয়ে ভয়তে কঁপি থাকে।

প্ৰতি দেওবাৰে ৰাজসভা বহে।

সিদিনাও আছিল দেওবাৰ। ৰজাৰ মন্ত্ৰী-সভাসদ সকলো নিজৰ নিজৰ আসনত বহি আছে। ৰাজ্যৰ সকলো প্ৰজা আহি ৰজাৰ কথা শুনিবলৈ জুম বান্ধি বহি আছে। অলপ পিছত ৰজা আহি সিংহাসনত বহিল। আটাইয়ে হৰিধ্বনি দিলে, জয় মহাৰাজৰ জয়।

সভাৰ কাম আৰম্ভ হ'ল। প্ৰজাসকলে নিজৰ অভাৱ-অভিযোগবোৰ ৰজাক ক'লে। ৰজাই শুনি গ'ল।

এইবাৰ ৰজাই আৰম্ভ কৰিলে, আপোনালোকে জানে, পৃথিৱীত এজনেই মালিক আছে। এই মহাৰজা। মোৰ কোনো মালিক নাই। মই সকলোৰে মালিক।

এনেতে প্ৰজাবোৰৰ মাজৰ পৰা কোনোবা এজনে মাত লগালে, মানুহ প্ৰত্যেকেই ইজন-সিজনৰ মালিক।

শুনি মহাৰাজৰ খঙে চুলিৰ আগ পালেগৈ। ৰুদ্ৰমূৰ্তি ধৰি ৰজাই চিঞৰি উঠিল, কোনে কথাটো ক'লে? কাৰ ইমান সাহস, মোক জ্ঞান দিবলৈ আহে! তাক এতিয়াই ধৰি অনা হওক।

ৰজাৰ মূৰ্তি দেখি সকলো নিতাল মাৰি ৰ'ল। ৰাজসভাত কিছু পৰ কাঁহ পৰি জীন যোৱা মৌনতা।

হঠাতে প্ৰজাবোৰৰ মাজৰ পৰা ক্ষীণ-মীন বুঢ়া মানুহ এজন লাখুটিত ভৰি দি থিয় হ'ল। সকলোৰে কৌতুহলেৰে বুঢ়ালৈ চালে। দুজন টেকেলাই আহি টানি নিয়াৰ দৰে বুঢ়াক ৰজাৰ সন্মুখলৈ লৈ গ'ল। মহাৰাজৰ সন্মুখত লাখুটিডালত ভৰ দি থিয় হৈ বুঢ়াই মূৰ দোৱালে।

বুঢ়ালৈ চাই মহাৰাজ গৰজি উঠিল, তয়েই মোৰ কথাৰ ওপৰত মাত মাতিছিলি নে?

হয় মহাৰাজ, ময়েই কথাটো কৈছিলো।

সামান্য ভিকহু এটাই অলপো সংকোচ নকৰাকৈ কথাটো স্বীকাৰ কৰি লোৱা দেখি ৰজাৰ খং দুগুণে চৰিল। ক'লে, এটা সামান্য ভিকহু হৈ তোৰ ইমান সাহস, মোক জ্ঞান দিবলৈ আহ। তই তোৰ কথা প্ৰমাণ কৰি দেখুৱাব পাৰিবি নে?

সময় দিলে নিশ্চয় পাৰিম মহাৰাজ।

কিন্তু যদিহে প্ৰমাণ কৰি দিব নোৱাৰ, তাৰ পৰিণাম কি হ'ব জাননে?

বুঢ়া তলমূৰ কৰি মনে মনে থিয় দি থাকিল।

তোক দুদিনৰ সময় দিয়া হ'ল। দুদিনৰ ভিতৰত যদিহে কোৱা কথা প্ৰমাণ কৰি দেখুৱাব নোৱাৰ, তোৰ শিৰচ্ছেদ কৰা হ'ব।

মূৰ দোৱাই বুঢ়াই ক'লে— 'অনুমতি পালে মহাৰাজক কথা এটা নিবেদন কৰিব খোজো।'

'কি ক'বলগীয়া আছে কৈ যা।'

'আমাৰ সম্প্ৰদায়ত কাৰোবাৰ প্ৰত্যাহ্বান কৰিলে চৰণ চুই সেৱা কৰা হয়। ময়ো মহাৰাজৰ চৰণ চুই এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব খোজো।'

অনুমতি দিয়া হ'ল।

লাখুটিডালত ভৰ দি বুঢ়া গৈ ৰজাৰ কাষ পালে। লাখুটিডাল ৰজালৈ আগবঢ়াই দি সি ক'লে, এইডাল অলপ ধৰক, প্ৰভু মহাৰাজ!

ৰজাই লাখুটিডাল হাত পাতি ল'লে।

ৰজাৰ ভৰি চুই সেৱা এটা কৰি সি ক'লে— 'লাখুটিডাল এতিয়া দিয়ক।'

ৰজাই বুঢ়াক লাখুটিডাল ওভতাই দিলে।

ৰজালৈ চাই বুঢ়াই ক'লে— 'এতিয়া বুজিলেনে মহাৰাজ?'

আচৰিত হোৱাৰ দৰে ৰজাই ক'লে, তই মোক মূৰ্খ সজাব আহিছ? মৰণৰ ভয়ত এতিয়া চৰণত ধৰি সেৱা কৰি সাৰি যাম বুলি ভাবিছ? দুদিনৰ ভিতৰত নিজৰ কথা প্ৰমাণ কৰি দেখুৱাব নোৱাৰিলে তোৰ শিৰচ্ছেদ অনিবাৰ্য্য।

সভাসদসকললৈ চাই বুঢ়াই ক'লে, আৰু কিবা প্ৰমাণ লাগিছেনে? মোৰ দৰে এজন বুঢ়া ভিকহুৱে সাধাৰণ লাঠি এডাল ধৰিবলৈ কওঁতেই মহাৰাজে হাত পাতি ল'লে আৰু দিবলৈ কওঁতেই ওভতাই দিলে। মোৰ কথাৰ ইয়াতকৈও আৰু কিবা ভাল প্ৰমাণৰ প্ৰয়োজন আছেনে?

বুঢ়াৰ কথা শুনি ৰজাই নিজৰ অজ্ঞতাৰ কথা বুজি পালে। আনন্দতে মহাৰাজে বুঢ়াক দুটি স্বৰ্ণ মুদ্ৰাৰ টোপোলা উপহাৰ দিয়াৰ লগতে নিজৰ ডিঙিৰ হাৰডাল বুঢ়াক পিন্ধাই দিলে। আৰু সিদিনাৰ পৰা বুঢ়াক ৰাজপৰামৰ্শদাতা পাতিলে। আমিও ৰাজসভা এৰি ঘৰমুৱা হ'লো।❒

SUN VALLEY HOSPITAL চানভেলি হস্পিটেল

ৰঙালী বিহুৰ শুভেচ্ছাৰে—
ৰাইজৰ সেৱাত উৎসৰ্গীকৃত
—চানভেলি হস্পিটেল—

(চানভেলি ডায়েবেটিক কেয়াৰ আৰু ৰিচাৰ্ছ চেন্টাৰৰ সংযোজন)
(উত্তৰ-পূৰ্ব ভাৰতৰ ডায়েবেটিছ ভিত্তিৰ একমাত্ৰ বহুমুখী হস্পিটেল)

বিভাগসমূহ—

ডায়েবেটিছ, হৃদৰোগ, মুত্ৰৰোগ, স্নায়ুৰোগ, মেডিচিন, চৰ্মৰোগ, চকুৰোগ, নাক-কাণ আৰু ডিঙি ৰোগ, এক্সৰে, আল্ট্ৰাচাউণ্ড, অস্থিৰোগ ইত্যাদি।

অত্যাধুনিক অস্ত্ৰোপচাৰ কক্ষত, সকলোধৰণৰ লেপাৰোস্ক'পিক আৰু অন্যান্য অস্ত্ৰোপচাৰ কৰা হয়।

আধুনিক প্ৰযুক্তিৰে নিৰ্মিত আই.চি.ইউ. ২৪ ঘণ্টাই খোলা থাকে।

ডায়েবেটিছ ৰোগীৰ ভৰিত হোৱা ঘাঁ বা আঘাতৰ তাৎক্ষণিক চিকিৎসাৰ বাবে
চানভেলি ডায়েবেটিছ ফুট কেয়াৰ ক্লিনিক

পাইলচ বা ফিস্টুলা চিকিৎসাৰ বাবে
চানভেলি এনো ৰেক্টেল ক্লিনিক

আকস্মিক দুৰ্ঘটনা বিভাগ, ফাৰ্মাচী লেবৰেটৰী আদি দিনৰ ২৪ ঘণ্টাই খোলা থাকে।

চানভেলি হস্পিটেল
চানভেলি ডায়েবেটিক কেয়াৰ আৰু ৰিচাৰ্ছ চেন্টাৰ
জি.এচ.ৰোড, মথুৰানগৰ গুৱাহাটী-৭৮১০০৬
ফোন নং: ০৩৬১-২৩৩৬৬০০, ২৩৩৪৭৬২, ২৩৩৪৭৫৯, ৯৮৬৪৩-৬৯৯৯১



আততায়ী

✍ কবিতা দত্ত গোস্বামী

চিঠিখন পঢ়ি মনটো বিৰক্তিৰে ভৰি পৰিল। শতদল নামৰ নতুন মাহেকীয়া সাহিত্য আলোচনী এখন প্ৰকাশ পাব, তাৰ বাবে এটা গল্পৰ আৱশ্যক। সম্পাদকজনে অনুৰোধ কৰি এয়া মোলৈ এইখন চিঠি পঠিয়াইছে।

কাঠফুলাৰ দৰে এতিয়া কিমান যে মাহেকীয়া, পষেকীয়া, তিনিমহীয়া আলোচনীসোপা প্ৰকাশ পাব ধৰিছে নহয়, সেই অনুপাতে আলোচনীবোৰৰ বাবে ইমানবোৰ কবি-সাহিত্যিকৰনো ক'ত জন্ম হৈছে? চাৰিজন মানুহ গোট খায় আড্ডা জমালে কি নাই, হ'ল সৃষ্টি এখন প্ৰচাৰ পত্ৰিকা, স্মৰণিকা, আলোচনীৰ। সেই গোটেইবোৰলৈ ইমানবোৰ লেখা যোগান ধৰাটো জানো সম্ভৱ? অথচ সেইবোৰ আলোচনীৰ সম্পাদকসকলৰ পৰা যিমান অনুৰোধপূৰ্ণ পত্ৰবোৰ আহে, সেইবোৰৰ উত্তৰ দিয়াটোও সম্ভৱ নহয়। কেতিয়াবা ভাবো গল্পবোৰ যদি মেছিনেৰে তৈয়াৰ কৰিব পৰা গ'ল হয়? তেতিয়া হ'লেতো প্ৰতিখন আলোচনীৰ প্ৰতিজন সম্পাদককেই সন্তুষ্ট কৰিব পৰা গ'লহেঁতেন! নিজৰ সমস্যা, অসুবিধাবোৰ জনালে জানো তেওঁবিলাকে কিবা বুজিব। সেয়ে নীৰৱতাই শ্ৰেয় বুলি ভাবি বহি থাকিলো।

তেওঁলোকে নিশ্চয় মোলৈ চিঠি লিখি লিখি নিৰুপায় হৈ অৱশেষত চিঠি দিয়াই বন্ধ কৰিব। মনে মনে ভীষণ বিৰক্তও হ'ব, অথবা মোক গালিও পাৰিব। কিন্তু উপায়েইনো কি? গল্প এটা লিখা জানো ইমান সহজ কথা। পিছে তেনে গল্পকাৰ নথকাও নহয়। ৰাতিপুৱা কলম-কাগজ লৈ বহিলে সন্ধিয়ালৈ এটা গল্প তৈয়াৰ হ'লেই।

তেনে গল্প লিখা মোৰ বাবে সম্ভৱ নহয়। লেখাবোৰ মনঃপুত নহ'লে মই প্ৰকাশৰ বাবে কেতিয়াও দিব নোৱাৰো। মই খুউব কম গল্প লিখো, য'ত মোৰ সন্তোষৰ স্বাক্ষৰ থাকে। নিজক যদি মই সন্তুষ্ট কৰিব পাৰিলো, তেন্তে আনেও সন্তুষ্টি লভিব নিশ্চয়। মই নিজেই ৰান্ধি নিজেই চাকি চোৱা মানুহ। নিজে খাই সন্তুষ্ট হ'লেহে আনৰ পাত্ৰত পৰিৱেশন কৰো। সেয়ে শতদল আলোচনীৰ সম্পাদকৰ পদৰ পৰা পত্ৰ পোৱাৰ পাছতো মই নিৰুত্তৰ হৈ ৰ'লো।

এসপ্তাহমান যোৱাৰ পাছত পুনৰ সেই সম্পাদকৰ পৰা পুনৰ পত্ৰ এখন পালো। পুনৰ মৌনতা অৱলম্বন। এইবাৰ মই দৃঢ় নিশ্চিত হ'লো যে মোৰ এই মৌনতা শতদলৰ সম্পাদকে নিশ্চয় বুজি পাব আৰু মোৰ পৰা কিবা লেখা পোৱাৰ আশাক পৰিত্যাগ কৰিব।

কিন্তু হায়! মোৰ অনুমানক মিছা প্ৰমাণিত কৰি এদিন শতদলৰ সম্পাদক সুধীৰ দাস আহি মোৰ ঘৰত হাজিৰ হ'লহি। বয়সেদি বাইছ কি

তেইশ মান হ'ব লাগে। ল'ৰাজনৰ চকুৰ উজ্জ্বলতা মন কৰিবলগীয়া। আপোনাৰ পৰা চিঠিৰ উত্তৰ নাপাই নিজেই আহিলো। সৰু বক্তব্যৰে সছন্দ প্ৰকাশ। ইফালে, মোৰ বিৰক্তি প্ৰকাশ হওঁ হওঁ, কোনোমতেহে সম্বৰণ কৰি লৈ গম্ভীৰ মাতেৰে ক'লো—

'মই তোমাৰ আলোচনীত গল্প দিবলৈ অপাৰগ।'

'কিয় বাৰু? ব্যথিত কণ্ঠেৰে বিস্ময় ভৰা প্ৰশ্ন।'

'মই বহুত কম গল্প লিখো। সেয়ে তোমাৰ অনুৰোধ ৰক্ষা কৰা মোৰ বাবে সম্ভৱ নহ'ব।'

বেয়া নাপায় যদি সেই কম গল্পবোৰৰ পৰাই এটা দিয়ক। আমাৰ আলোচনীখন প্ৰথমবাৰ প্ৰকাশ পাবলৈ গৈ আছে। সেয়ে তাত আপোনাৰ গল্প এটা উঠাবলৈ পালে আমিও বৰ ভাগ্যৱান বুলি ভাবিম। সুধীৰৰ কণ্ঠত বিনীত অনুৰোধ।

'এহ্। প্ৰতিখন আলোচনীৰ সম্পাদকে যদি এইদৰেই বলাৎকাৰ কৰি যায়, তেন্তে লেখসকল দেখোন তেনেই লাচাৰ হৈ যাব হে?' মোৰ কথাত প্ৰচণ্ড বিৰক্তিৰ অভিব্যক্তি।

'আপুনি আমাৰ অনুৰোধপূৰ্ণ দাবীক বলাৎকাৰ বুলি ক'ব খোজে তাৰমানে?' সুধীৰে বৰ আক্ষেপেৰে মোক প্ৰশ্ন কৰিলে। তেন্তে মই আপোনাৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো। সুধীৰৰ চকু চলচলীয়া হ'ল। পিছ মুহূৰ্তত তেওঁ মোৰ পৰা বিদায় ল'বলৈ থিয় দিলে। 'তুমি অলপ বহা, তোমাক মোৰ ক'বলগীয়া দুটামান কথা আছে।' মই সুধীৰক অনুৰোধ কৰিলো। কাৰণ তেওঁৰ অভিমান ভৰা কথাকেইটাই মোৰ অন্ত কোমল কৰি পেলাইছিল ইতিমধ্যে। সুধীৰ বহিল।

'তোমালোকে যে এই আলোচনীখন প্ৰকাশ কৰিব খুজিছা, তাক বচাই ৰাখিব পাৰিবানে? অন্যান্য আলোচনীবোৰৰ দুৰ্দশা দেখিছা নহয়?' মোৰ সহানুভূতি ভৰা প্ৰশ্ন।

'দৃঢ় মনোবল লৈ আলোচনীখন প্ৰকাশ কৰিবলৈ উদ্যম লৈছো। তাৰ পৰমায়ু লৈ কোনো চিন্তাই মই নকৰো। আলোচনীখন কিমান দিন বাচি থাকিব নাজানো, কিন্তু বাচি থাকক। এয়াই মোৰ কামনা।' সুধীৰৰ কণ্ঠত আত্ম-প্ৰত্যয়ৰ অভিব্যক্তি।

'তুমি মোৰ বক্তব্যৰ অৰ্থ ঠিক বুজি নোৱাৰিলা চাগে?' সংশয় ভৰা কণ্ঠেৰে মই তেওঁক সুধিলো।

'তৰুণ লেখকৰে হওক অথবা প্ৰতিষ্ঠিত লেখকৰেই হওক লেখাৰ মানদণ্ড উচ্চমানৰ নহ'লে শতদলত সেইবোৰ কেতিয়াও প্ৰকাশ নাপায়।'

'যিবিলাক লেখকৰ পৰা লেখাসমূহ লৈছা, সেই লেখাসমূহ তোমাৰ মনঃপুত নহ'লে প্ৰকাশ নকৰিবা নেকি?'

'নাঃ', দৃঢ় কণ্ঠেৰে সুধীৰে উত্তৰ দিলে। 'আমি লেখা খুজিছো বুলি আমি ভিক্ষাৰী নহয়। এই কথা প্ৰত্যেক লেখকে জানি থোৱা আৱশ্যক। যি সন্মান আমি লেখকসকলক দিওঁ, প্ৰতিদানত সেই লেখকসকলেও আমাক যথাযথ সন্মান দিবলৈ বাধ্য। লেখকে তেওঁৰ জাবৰ-জোথৰৰ পৰা কিবা এটা বুটলি আনি আমাক দিয়েই দায় সৰাটো জানো বেছি অসন্মানজনক কথা নহয়?'

সুধীৰৰ স্পষ্ট বক্তব্যত মই মুগ্ধ হ'লো। সি বেচ নিৰ্ভীক। কোনো ভ্ৰূকুটিৰ প্ৰতি ভ্ৰূক্ষেপ নাই তাৰ।

সছন্দতাৰে তাৰ সত্যক প্ৰকাশ কৰিলে। তাৰ অপ্ৰিয়তাৰ ওপৰত সি নিজে ইতঃস্বত নহয় মুঠেও।

'মই তোমাক গল্পটো দিম।' সুধীৰৰ ব্যক্তিত্বৰ ওচৰত মই মনে মনে পৰাজয় স্বীকাৰ কৰিলো। সুধীৰৰ চকুহাল আৰু অধিক উজ্জ্বল হৈ উঠিল।

'আপোনাৰ প্ৰতিশ্ৰুতিৰ নিমিত্তে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। সঁচাকৈয়ে কৈছো এজন প্ৰকৃত গল্পকাৰ বুলিয়েই মই আপোনাক যথেষ্ট সন্মান দিওঁ। মই বহুকেইজন তথাকথিত লেখক-লেখিকালৈ লেখা বিচাৰি চিঠি দিছিলো। অধিকাংশৰ পৰাই কোনো উত্তৰ অহা নাই। সেইসকলক পুনৰ অনুৰোধ কৰি চিঠি নিলিখো। তেওঁলোকে মৌনতাৰেই ইয়াৰ অসন্মতি প্ৰকাশ কৰিছে। কিন্তু আপোনাৰ নীৰৱতা সত্বেও মই আহি আপোনাৰ দ্বাৰস্থ হ'লো। কাৰণ আপোনাৰ লেখাবোৰৰ ওপৰত মোৰ দৃঢ় আস্থা আছে। আজিলৈকে আপোনাৰ যিমান গল্প পঢ়িছো, তাৰ ভিতৰত এটাও ফোপোলা গল্প পোৱা নাই। প্ৰতিটো লেখাই বিশেষত্বপূৰ্ণ। আপুনি এজন নীৰৱ সাধক। যশ, মান আৰু প্ৰতিষ্ঠাৰ প্ৰতি আপোনাৰ কোনো স্পৃহা নাই। সেইবাবেইতো আপোনাৰ সৃষ্টি ইমান সুন্দৰ।'

'মোৰ সম্পৰ্কে তোমাৰ উচ্চ ধাৰণাই যদি তোমাক সুখী কৰে, তেন্তে তাত মোৰ প্ৰতিবাদ কৰিবলগীয়া কি আছে? কিন্তু মই সঁচাকে কৈছো, মই মোৰ ভিতৰ আৰু বাহিৰক একাত্ম কৰিব নোৱাৰিলো আজিলৈকে।'

'আপোনাৰ এই স্বীকাৰোক্তিক মই প্ৰণাম জনাইছো' বুলি সুধীৰে হাতযোৰ কৰি প্ৰণাম জনালে আৰু অৱশেষত এসপ্তাহ পাছত মোৰ গল্পটো পোৱাৰ নিশ্চিত প্ৰতিশ্ৰুতি লৈ সুধীৰ প্ৰফুল্ল চিত্তে ওলাই গ'ল।

মই মোৰ গল্পৰ নতুন বিষয়বস্তুক লৈ চিন্তা-চৰ্চা আৰম্ভ কৰিলো। লগত থকা টোকা বহীখনত যেতিয়াই যি গল্পৰ প্লট বিচাৰি পাওঁ লিখি থোৱা হ'লো। সেই টোকা বহীখন প্ৰায় কুৰিটামান গল্প হ'ব পৰা বিষয়বস্তুৰে ভৰি পৰিল। মাত্ৰ গল্পটো সৰ্বাংগীণ সুন্দৰ হোৱাকৈ ৰূপ দিবলৈহে তাৰ মাজৰ পৰা কোনটো নিৰ্বাচন কৰা যায় তাৰেহে চিন্তাত থাকিলো। সুধীৰ যেন ল'ৰাটোক যেনেতেনে এটা গল্প সৃষ্টি কৰি দি দায়িত্ব সামৰা উচিত নহ'ব। যিমানেই ভাল ৰান্ধনি নহওক কিয় ৰন্ধনৰ পূৰ্বতে তেওঁ যেনেকৈ নিজৰ পটুতাৰ ওপৰত গৰ্ব কৰি একো ক'ব নোৱাৰে, ঠিক তেনেকৈয়ে এজন গল্পকাৰেও নিজৰ লেখাৰ সফলতাৰ ওপৰত কোনো মতামত ব্যক্ত কৰাটো সম্ভৱ নহয়। ঈশ্বৰৰ আশীৰ্বাদ কিমান পৰিমাণৰ লাভ কৰে সেয়ানো কোনে জানে? কিন্তু মই মোৰ অনুভৱৰ পৰা এয়াই জানিছো যে অহংকাৰৰ পৰিধিৰ পৰা যিয়ে যিমান আঁতৰি থাকিব পাৰে, ভগৱানৰ কৰুণা সিমানেই অধিক লাভ কৰিব পাৰে। সুধীৰে এনেকুৱাকৈ মোক সতৰ্ক কৰি দি গ'ল যে মই মোৰ দৈনন্দিন প্ৰতিটো কাৰ্যৰ মাজতো কেৱল গল্পটোৱেই ভাবি থাকিবলৈ বাধ্য হৈ পৰিলো।

তিনিদিন সেইদৰেই গ'ল। বাস্তৱ কাহিনীৰ আধাৰত গল্পটো হ'লে মোৰো ভাল লাগিব আৰু সুধীৰৰো। এদিন ঈশ্বৰক স্মৰণ কৰি মোৰ লেখা কাম আৰম্ভ কৰি দিলো। দুদিন সম্পূৰ্ণ হওঁতেই যেতিয়া গল্প এটাৰ সৃষ্টি হৈ গ'ল, মই নিজেই অবাক হৈ গ'লো। অনবদ্য এই গল্পৰ স্ৰষ্টা বাৰু সঁচাকৈয়ে ময়েই নে? লেখনিৰ আৰম্ভণিতে বাৰু মই এনে এটি অনুপম গল্প দুদিনতে লিখি পেলাম বুলি কলম্পনা কৰিছিলোনে? এই অমৃতোপম গল্পটো নিজে পঢ়ি এনেকুৱা অনুভৱ হ'ল যেন আৰম্ভণিৰ পৰা শেষলৈ কোনোবাই মোৰ বাবে সজাইহে থৈছিল! অপূৰ্ব এই গল্পটোৰ ময়েই স্ৰষ্টা। তেন্তে চেষ্টা কৰিলে বাৰু ঠিক এনে এটি গল্প আকৌ লিখি উলিয়াব পাৰিম নে? মই নিজৰ ওপৰতেই নতশিৰ হ'লো। গল্পটো পাই যে সুধীৰ কিমান আনন্দিত হ'ব। মই আত্মহাৰা হৈ পৰিলো। আগেয়ে ইমান সুন্দৰ গল্প মোৰ কাপেৰে কাহানিও ওলোৱা নাই বুলি মই ন দি ক'ব পাৰো। নিজৰ চেষ্টাৰে একো বস্তু সুন্দৰ নহয়। সুন্দৰ হয় বস্তুৰ সুন্দৰতাৰ দ্বাৰাইহে। ভগৱানৰ কৃপা আৰু ইচ্ছা নাথাকিলে কোনো বস্তুতেই সুন্দৰতাই প্ৰকাশ নাপায়। তেওঁ নিৰহংকাৰ, নিত্যানন্দময় আৰু সৌন্দৰ্যস্ৰষ্টা। গতিকে তেওঁৰ সৃষ্টিও তেনেকুৱাই। অহংকাৰৰ অন্ধতাৰ দ্বাৰা সৰস সৃষ্টি নো হ'বই বা কেনেকৈ? মোৰ অন্ধকাৰৰ ওপৰত তেওঁ নিজৰ আলোক প্ৰতিষ্ঠা কৰি স্ৰষ্টাক সন্মান দিয়ালে।

ইমান উজ্জ্বল চিন্তাবোৰ কিন্তু মোৰ অকস্মাৎ অন্ধকাৰ হৈ গ'ল। পূৰ্ণিমাৰ চন্দ্ৰৰ ওপৰত হঠাৎ এই ৰাহুৰ ছায়া কিয়? মই এইবোৰ কি ভাবিছো? মোৰ শুদ্ধ স্নিগ্ধ আৰু সুস্থ চিন্তা সহজে ব্যাধিগ্ৰস্ত হ'ল কেনেকৈ? এই বিচিত্ৰ মনোগ্লানিৰ কাৰণ কি? নিৰ্ণয় কি দৰে কৰা যায় তাক? আইনাৰ দৰে স্ফটিক পানীৰ পুখুৰীটো হঠাতে কেনেকৈ পংকময় পানীলৈ ৰূপান্তৰিত হৈ গ'ল পলকতে? এনেকুৱা এটা সুন্দৰ গল্পক শতদলৰ দৰে এখন নতুন আলোচনীত প্ৰকাশ কৰিবলৈ দিয়াটো মোৰ দৰে সুপ্ৰতিষ্ঠিত লেখক এজনৰ বাবে বাৰু সমীচিন হ'ব নে? নতুনকৈ মাত্ৰ প্ৰকাশ পাবলগীয়া আলোচনীখনৰ গ্ৰাহক বা পঢ়ুৱৈয়েই নো কিমান ওলাব? নিজৰ প্ৰতিভাক সংকুচিত কৰিবলৈনো কোনে চিন্তা কৰে? সীমাবদ্ধতাক কোনোবাই জানো স্বীকাৰ কৰে? নিজৰ ভিতৰত নিজে সীমিত হৈ থকাৰ দিন আৰু নাই দেই। নিজৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ মাজতহে প্ৰকৃত জীৱনৰ সোৱাদ নিহিত হৈ থাকে? লেখাটো কোনো প্ৰতিষ্ঠিত আলোচনী অথবা পত্ৰিকাত প্ৰকাশ পালেহে মোৰ কৃতিত্বৰ সম্যক প্ৰচাৰ হ'ব? অধিকক আনন্দ দিয়াৰ খোজাটো মোৰ কি অন্যায় হ'ব? ইয়াত অপৰাধৰ স্থান ক'ত? গতিকে সুধীৰক নিৰাশ কৰাটো অন্যায় হ'ব কেনেকৈ? পিছে সমস্যা হ'ল এই সুধীৰ নামৰ স্পষ্টবাদী ল'ৰাটোক আভুৱা ভাৰিবলৈহে। চিন্তাও কৰিবলগীয়া হ'ল। এতিয়া কৰা যায় কি? মিছাও কম কিন্তু ধৰাও নপৰিম? মোৰ প্ৰতি তাৰ ভালপোৱা যাতে অক্ষুণ্ণ থাকে তেনে অভিনয় পিছে মই কৰিব পাৰিম নে? সুধীৰৰ তীক্ষ্ণ দৃষ্টিৰ সন্মুখত ধৰা পৰি নগ'লেই হ'ল আৰু। কিন্তু মোৰ এই ধৰণৰ অভিনয় প্ৰৱঞ্চনাই নহ'ব জানো?

প্লটটো স্থিৰ হ'ল, মাত্ৰ তাক এটা ৰূপ দিবলৈহে কঠিন কাম যেন হৈ পৰিছে। মই মোৰ অভিজ্ঞতাৰ পৰাই শিকিছো যে যেতিয়ালৈকে মই কাগজ-কলম লৈ নবহিছো, গল্পটো সৰ্বাংগীন সুন্দৰ কৰি শেষ কৰিব পাৰিম নে নাই সেই ভাবিয়েই মনত সদায় সংশয় থাকে? কলমটো হাতত লোৱাৰ লগে লগে অনেক চিন্তা, নতুন নতুন অনুভৱ, আবেগ আৰু সূক্ষ্ম মনস্তাত্বিক বিশ্লেষণবোৰো সহজ সৰল ৰূপেই ধৰা দি নিজে নিজেই গল্পৰ ভিতৰত সোমাই পৰেহি। শব্দ বিন্যাস বা বাক্য গাঁথনিলৈকো চিন্তা কৰিব নালাগে। এনে লাগে যেন স্ৰষ্টা মই নহয়, আন কোনোবাহে। মোক মন্ত্ৰ চালিকভাৱে কামবোৰ কৰোৱাই নি আছে।

ৰামকৃষ্ণ পৰমহংসই কোৱাৰ দৰে দূৰৈৰ পৰা শুনা যায় হাটৰ কোলাহল। সেই কোঢ়াল শুনিলে হাটলৈ সোমোৱাও যেন দুঃসাধ্য যেন লাগে। কিন্তু এবাৰ ওচৰ চাপিলে সেই কোলাহলো সহজ হৈ পৰে। সেইদৰেই লেখকসকলে নিজৰ লেখা আৰম্ভ কৰাৰ আগতে নিজৰ প্ৰতিভা আৰু ক্ষমতাৰ বিষয়ে দ্বিধাগ্ৰস্ত হৈ থাকে। কিন্তু এবাৰ আৰম্ভ হ'লে সৰল গতিত সাৱলীলভাৱে ওলাই গৈ থাকে। সেয়ে মই লিখাৰ আৰম্ভণিতে ভগৱানক স্মৰণ কৰি প্ৰাৰ্থনা জনাইছিলো। কাৰণ কৃপাৰ ব্যতিৰেকে ভাবৰ উদয় অসম্ভৱ। বোবাকো তেওঁ যে মহা কথকী কৰি দিব পাৰে এয়া সত্য আৰু স্বীকাৰ্য। এই পৰম সত্যক যিসকলে উপলব্ধি কৰাত সক্ষম হ'ব নোৱাৰে, তেওঁলোকৰ লিখনিও ক্ৰমান্বয়ে স্থবিৰ হৈ পৰে। কৃপাৰে শক্তি পোৱা যায়। সেই শক্তিয়েই অহংকাৰত পুনৰ হেৰাই যায়। মিছা অহংকাৰৰ বশৱৰ্তী হৈ বহু প্ৰতিষ্ঠিত কবি সাহিত্যিক আজি নীৰৱ। শক্তিৰ উৎসক উপেক্ষা কৰিলে শক্তিশূন্য হোৱাটো স্বাভাৱিক।

প্ৰৱঞ্চনা মানে! মইতো কাৰো ক'তো, কেতিয়াও একো ক্ষতি কৰা নাই? আনৰ ক্ষতি নকৰি নিজৰ স্বাৰ্থ সাধন কৰিবলৈহে বিচাৰিছো! সুধীৰে যদি দুখ পায় মই তাত অৱশ্যে উপায়হীন।

সুধীৰ উভতি যাব ওলাইছে। মোৰ বক্তব্যক সি বিশ্বাস কৰিছেনে নাই বাৰু? গল্পটো লিখি উলিয়াবলৈ মই অসমৰ্থ বুলি মই তাক জনাইছিলো। তাৰ ৰুচি জ্ঞানক মই অসন্মান কৰিব নোৱাৰো বুলিলো, লগতে এইদৰেই ক'লো 'গল্প এটা মনঃপুত নহ'লে সেয়া জানো গল্প হিচাপে গণ্য হ'ব পাৰে?'

সুধীৰে সকলো শুনি নিৰ্বাক হৈ মোলৈ চাই ৰ'ল। সি কিন্তু গল্প এটা পাব বুলি দৃঢ় হৈয়েই মোৰ কাষলৈ আহিছিল। কিন্তু এয়া আকৌ কেনে কথা? সুধীৰে কেনেবাকৈ আঘাত পাব পাৰে বুলি চিন্তা কৰিলেইতো নহ'ব? এজন প্ৰতিষ্ঠিত লেখক হিচাপে নিজৰ ক্ষতি হোৱাৰ সম্ভাৱনাকহে মই বেছি প্ৰাধান্য দিব লাগিব?

পৰৱৰ্তী সংখ্যাত নিশ্চয় কিবা এটা গল্প লিখি দিম বোলা কথাষাৰতো তাৰ নিষ্প্ৰভ দৃষ্টি উজ্জ্বল নহ'ল। উভতি যোৱাৰ সময়তো 'অহা সংখ্যাৰ বাবে তেন্তে লেখা এটা তৈয়াৰ কৰি থব, মই আহি লৈ যাম' বুলিওতো নক'লে? কিয় নক'লে? ইয়াৰ অৰ্থ কি? মোৰ ওপৰত কি মনোভাব লৈ গ'ল সি? তাৰ প্ৰতি থকা মোৰ ভালপোৱাখিনিত কলংক নপৰিলতো? তাক আপ্যায়ন কৰিবলৈ মই যথেষ্ট জলযোগৰো আয়োজন কৰিছিলো। তাকো সি মাত্ৰ চুলেহে। এয়া কিহৰ ইংগিত আছিল বাৰু?

মোৰ স'তে কথাও খুউব কম পাতিলে সুধীৰে। মোৰ সাজি কোৱা অক্ষমতাৰ ওপৰত কোনো ধৰণৰ মন্তব্যও নিদিলে।

এইটোও ঠিক, সুধীৰৰ প্ৰেৰণা নোপোৱা হ'লে আজিৰ এই গল্পটিৰ আত্মপ্ৰকাশতো নহ'লেই হেঁতেন! অথচ সিয়েই আজি শূন্য হাতে উভতি গ'লগৈ।

সুধীৰে সম্ভৱতঃ আৰু মোৰ ইয়ালৈ নাহিব।

নাহিলেও নাহক......।□

ৰিমা

✍ নিলীমা শইকীয়া দাস

ৰিমা এজনী গাঁৱৰ ছোৱালী। সৰুতে মাক ঢুকাল। দেউতাকে ছোৱালীজনীক লৈ আছিল কিছুদিন। দেউতাকে গোটেই জীৱনটো এনেকৈ অকলেই কটাবনে? সকলোৰে একেটাই কথা নতুনকৈ ঘৰ-সংসাৰ কৰ। ছোৱালী মানুহ কেইবছৰৰ পাছত ডাঙৰ হ'লে, এঘৰলৈ উলিয়ায় দিব লাগিব। তেতিয়া তোৰ কি হ'ব! দেউতাকে উপায় নাপাই বহু ভাবি-চিন্তি দ্বিতীয় বিবাহ কৰোৱাৰ সিদ্ধান্ত লৈ পেলালে। দেউতাকৰ পুনৰ বিয়া হৈ গ'ল। এইখিনিলৈকে ৰিমাৰ সুখৰ দিন আছিল। মাহী মাকক অনাৰ পিছৰ পৰা লাহে লাহে ৰিমা দেউতাকৰ মৰমৰ পৰা বঞ্চিত হ'ল। মাহী মাকৰ ল'ৰা-ছোৱালী জন্ম হ'বলৈ ধৰিলে। ইফালে ফাগুণৰ পছোৱা বতাহজাকে ৰিমাক চুই গ'ল। গাঁৱৰে এটা ল'ৰাই ৰিমাক আপোন কৰি ল'ব খুজিলে। কিন্তু মাউৰী ছোৱালী হোৱাৰ কাৰণে ল'ৰাৰ মাক-দেউতাকে তাইক বোৱাৰী কৰি ল'বলৈ অমান্তি হ'ল। শৈশৱ আৰু যৌৱন সকলোখিনিতে তাই হতাশাৰ বাদে অন্য একো নাপালে। বহু কষ্ট কৰি পঢ়া-শুনা কৰাৰ লগতে ঘৰুৱা কামবোৰ কৰিব লাগে। খেতিৰ দিনত ৰোৱা-তোলা কৰা, আঘোণ মাহত ধান কাটি চপোৱা, লগতে তাঁত বোৱা আদি সকলো কামত হাত দিব লাগে। মাহী মাকৰ পঢ়াত গুৰুত্ব নাই, কেৱল কাম কৰ। "পঢ়ি-শুনি হাকিমনী হৈ আমাক খুৱাব নালাগে। ভাল মানুহ এঘৰ পালে তোক সোনকালে বিয়া দিম।" তাইৰ বিয়া হ'বৰ মন নাই। "নিজৰ ঘৰতে সুখ নাপালে আনৰ ঘৰত বা কি পাম?" কথাবিলাক ভাবি চিন্তি থাকোতে, হঠাৎ ফাগুণৰ পছোৱা বতাহৰ লগতে বা-মাৰলি অহাদি আহি গোটেইখন তছ-নছ কৰি পেলালে।

তাই সেই বহাগতে বিয়া হৈ গ'ল। মোমায়েকে চাকৰি কৰা ল'ৰা এটা পাই ৰিমাক বিয়া দিবলৈ ভিনিয়েকক খাটনি ধৰিলে। উপায়-নাপাই ৰিমাৰ দেউতাকে তাইক বিয়া দিবলৈ সন্মতি প্ৰকাশ কৰিলে খুলশালীৰ আগত। শহুৰৰ ঘৰতো তাই মাহী-শাহুহে পালে। কথাই প্ৰতি লাগে লেথা। সেয়েহে শেষত গিৰিয়েকে উপায়ন্ত হৈ ৰিমাক লগত লৈ যোৱাটোকে ঠিক কৰিলে।

অসমীয়া ছোৱালী বিয়াৰ পিছত শ্বিলং পালেগৈ। চাকৰি সূত্ৰে গিৰিয়েক শ্বিলঙত থাকে। সেয়ে তাইকো লগত লৈ গ'ল। কিছুদিনলৈ সুখৰ সংসাৰ। স্বামী যায় অফিচলৈ আৰু ৰিমা যায় কলেজত পঢ়িবলৈ। তেনেকৈ তাইনাচ-গান, খেল-ধেমালি, বৰগীত-বিহু আদি কৰি সুখ্যাতি অৰ্জন কৰিছিল। বি. এ. পাছ কৰি এম. এ.ত নামভৰ্তি কৰি শেষ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ নাপাওঁতেই তেওঁলোকৰ মাজলৈ এটি সন্তান আহিল। দুয়ো আনন্দত উটি-ভাহি গ'ল। ইমান সুখ ৰিমাৰ কঁপালত ভগৱানে লিখা নাছিল।

এদিন কেঁচুৱাটোৰ ভীষণ জ্বৰ উঠিল। তাৰ বয়স তেতিয়া মাত্ৰ সাত মাহ। একো কৰিব নোৱাৰি লৰালৰিকৈ হস্পিতাল পোৱালেগৈ। ডাক্তৰে চিকিৎসা কৰিলে বহুত, কিন্তু ফল একো নাপালে। অৱশেষত মৃত কেঁচুৱাটো লৈ আহিল আৰু তাৰ সৎকাৰ কৰিলে।

দুখৰ দিন নাযায় নুপুৱায়। কান্দোতে কান্দোতে বছৰ পাৰ হ'ল। দ্বিতীয় সন্তানৰ কথা ভাবিলে, কিন্তু সকলো অসাৰ। উপায়ন্ত হৈ তেওঁলোক

ডাক্তৰৰ ওচৰ চাপিলে। বহু ঔষধ খালে। নাই গৰ্ভধাৰণ নহয়। ডাক্তৰে বহু পৰীক্ষা-নিৰীক্ষা কৰি চাই শেষত শেষ সিদ্ধান্তত উপনীত হ'ল যে তেওঁ কোনোদিন এই জীৱনত পুণৰ মাতৃ হ'ব নোৱাৰে। এই কথাষাৰ শুনাৰ লগে লগে ৰিমাৰ গাত যেন বিনা মেঘে বজ্ৰপাত পৰিল। প্ৰথম কেঁচুৱাটোৰ জন্মৰ সময়ত ডাক্তৰৰ ভুলৰ কাৰণে এনে হ'ল বুলি ডাক্তৰে ক'লে। তাই নিজে নিজে অনুতপ্ত হ'ল। ভগৱানে তাইৰ কঁপালত সুখ নিলিখিলে। এইদৰে ভাবি ভাবি উপায় এটা বিচাৰি পালে। আনৰ কেঁচুৱা এটাকে নিজৰ কৰি তুলি ল'ব। কথামতে কাম কৰিলে। জন্মৰ আঠ দিনৰ পাছত মাতৃহাৰা হোৱা কেঁচুৱা এটিৰ কথা এজন মানুহে সন্ধান দিলে। ৰিমাই খবৰ পাই তালৈ লগে লগে ঢাপলি মেলিলে। এইটো সন্তান লৈ তেওঁৰ মুঠ পাঁচটা সন্তান। সেয়ে মানুহজনে কোনো কুণ্ঠাবোধ নকৰাকৈ বাকী চাৰিটাক লৈ থাকিবলৈ ৰাজি হ'ল। কেঁচুৱাটো লৈ লালন-পালন কৰাৰ লগতে সমস্ত দায়িত্ব লৈ পেলালে। আগলৈ সেই কেঁচুৱাটো ৰিমাহঁতৰ উত্তৰাধিকাৰী হ'ব বুলি দলিলত স্ব-জ্ঞানে চহী কৰি দিলে।

চাওঁতে চাওতে সি শৈশৱ-কৈশোৰ শেষ কৰি যৌৱনত ভৰি থলে। সুখ্যাতিৰে মেট্ৰিকৰ দেওনা পাৰ হ'ল। একাদশ শ্ৰেণীত নামভৰ্তি কৰিলে বিজ্ঞান শাখাত। মাক-দেউতাকৰ অপাৰ আনন্দ, তাক লৈ সকলো কল্পনা-জল্পনা। দেউতাকৰ চাকৰিৰ পৰা অৱসৰ লোৱা কেইবা বছৰ হৈ গৈছে। বয়সৰ তাগিদাত সকলো কাম কৰিম বুলি ভাবিলেও কৰিব নোৱাৰে। ইটো-সিটো কাম আজিকালি তাক দিয়ে। দেউতাকে মনে মনে ভাবে "মোৰ অবিহনে সকলো কাম তয়ে মূৰ পাতি ল'ব লাগিব। এতিয়াৰ পৰা অলপ অলপকৈ অভ্যাস কৰ। অকল পঢ়াখিনি কৰি থাকিলে ল'ৰা-ছোৱালী একটিভ নহয়। সেয়ে মই থাকোতেই অলপ শিকক।" কিন্তু বিধিৰ কি বিধান। নিয়তিৰ কি পৰিহাস।

এদিন স্কুলৰ পৰা ঘূৰি আহোতে, স্কুলৰ বাছে তাক নামিবলৈ দিয়ে। সি সম্পূৰ্ণ নামি নৌহওঁতেই বাছখন চলাই দিয়ে। আগত যিকেইটা নামিল সিহঁত বাছি গ'ল। সি আছিল একেবাৰে শেষত। বাছখন চলায় দিয়াত তাৰ বাওঁভৰিখন বাছৰ পাছ চকাটোৰ তলত পৰি গ'ল। বেচেৰাটোৱে আই ঐ মৰিলো বুলি প্ৰাণ টাকি চিঞৰিলে। বাছখন আগবঢ়াই নি ৰখায় দিলে। সি মাটিত বাগৰি পৰি চিৎকাৰ কৰিবলৈ ধৰিলে। লগে লগে হুৱাদুৱা লাগিল। ৰাজপথ তেজেৰে ৰাঙলী হ'ল। সেই বাছখনে নি তাক হস্পিতাল পোৱালেগৈ। মাকে ঘৰত চটফটাই আছে। বাবা কিয় স্কুলৰ পৰা পোৱাহি নাই। দেউতাকক মাকে ক'লে— আফুনি অকণমান আগবাঢ়ি যাওকচোন। তেনেতে ফোনটো বাজিল, "আপোনাৰ ল'ৰাটো দুৰ্ঘটনাত পতিত হৈছে। বৰ্তমান হস্পিতালত ভৰ্তি কৰোৱা হৈছে। সোনকালে আপোনালোক আহক।" গৈ পায় দেখে ল'ৰা অচেতন অৱস্থাত আই. চি. ইউত আছে। মাক-দেউতাকৰ অন্তৰখন চিৰাচিৰে ফাটি গ'ল। ভগৱানক কৰযোৰে কাতৰ প্ৰাৰ্থনা কৰিলে। হে প্ৰভু, আমাৰ সোণক বচাওক।

ডাক্তৰৰ চিকিৎসাৰ জোৰত তাৰ জ্ঞান ঘূৰি আহিল। এনেদৰে চিকিৎসা চলি আছিল। ডাক্তৰৰ উপদেশ মতে ভৰিটো কাটি অস্ত্ৰোপচাৰ কৰিব আৰু প্লাষ্টিকৰ ভৰি লগাই দিব। আশা লৈ জীয়াই থকাৰ বাবে যি কৰিলে ভাল হয় তাকে কৰিবলৈ চহী কৰি দিলে। সেই অস্ত্ৰোপচাৰ কাল হ'ল। সি আৰু ঘূৰি নাহিল। খবৰ পাই, বাহিৰত ৰৈ থকা মাক-দেউতাকহালৰ সংজ্ঞা হেৰাল। আত্মীয়সকলে চিঞৰ-বাঘৰ লগালে। সোণ কিন্তু যোৱা বাটে গুছি গ'ল চিৰদিনৰ বাবে। মাক-দেউতাকলৈ ঘূৰি নাচালে। বৃদ্ধ অৱস্থাত হিয়াত একুৰা জীয়া জুই আৰু নিথৰ দেহাটো লৈ ঘৰলৈ উভতি আহিল। সোণৰ কথা ভাবি ভাবি দেউতাকে ভাৰাক্ৰান্ত, মস্তিস্কত বহুত জোৰত খুণ্ডা খোৱাৰ দৰে হৈ গ'ল। অনবৰতে সোণক ঘৰৰ ভিতৰত দেখা পাই থাকে। সকলো সময়তে কয় পৰিবাৰ ৰিমাক, "কোনে ক'লে তোমাক আমাৰ সোণ নাই। সি অলপ আগত পঢ়া তেবুল বহি পঢ়ি আছিল। এতিয়া গা-ধুবলৈ বাথৰুমত সোমাইছে। ভাত বাঢ়া তাৰ কাৰণেও, তাৰ গা-ধোওঁতে দেৰি হয়।" কেতিয়াবা সোধে "সোণৰ আজি স্কুলৰ পৰা আহোতে ইমান দেৰি হৈছে। সি কিয় এতিয়াও আহি পোৱা নাই, মই আগবাঢ়ি যাওঁ নেকি?" তেওঁৰ কাণ্ড দেখি দেখি ৰিমাৰ চিঞৰি চিঞৰি কান্দিবৰ মন যায় কিন্তু নোৱাৰে। হায়ঃ ভগৱান তুমি মোৰ কঁপালত ইয়াকে লিখিলা। মই আৰু কিমান সহ্য কৰিম। গা-ধুই নামঘৰত সোমাই একে কথাকে কয়— সোণ অ' সোণ আহ বোপাই ঘৰৰ ল'ৰা ঘৰলে গুছি আহ। আমাক এৰি তই ক'তো নাযাবি। হে ভগৱান তাক আমাৰ ওচৰলৈ পঠাই দিয়া। তাক তুমি ৰাখি নথ'বা। তাক এৰি আমি বৰ অকলশৰীয়া। মোৰ প্ৰাৰ্থনা তুমি নিশ্চয় শুনিছা। তাক সোনকালে পঠিয়াই দিয়া। আমি তাৰ কাৰণে ৰৈ আছো। এনেদৰে সোণ সোণ বুলি মাতি মাতি গোঁসাই ঘৰৰ পৰা ওলায় আহে। পিছলৈ তেওঁ ভ্ৰম বকিবলৈ ল'লে। চুগাৰ আৰু প্ৰেছাৰ অত্যাধিক বাঢ়ি গ'ল।

তেওঁ গম নোপোৱাকৈ মানসিক ডাক্তৰৰ চিকিৎসা কৰা হ'ল। তেওঁ আৰু ভাল হৈ নুঠিল। কোনেও গম নোপোৱাকৈ হঠাৎ চিৰ দিনৰ বাবে গুচি গ'ল, ৰিমাক অকলশৰীয়া কৰি। ৰিমাৰ হিয়া ধাকুৰী কন্দাৰ বাহিৰে আৰু একো উপায় নাছিল। গোটেই জীৱনটো দুখকে সুখ বুলি লৈ এতিয়াও অকলে থাকে তাই।

ঘৰৰ চোতালত স্কুলৰ পোছাক পিন্ধি কান্ধত স্কুল বেগ লৈ, সি যেন ঘৰলৈ সোমাবলৈ খোজ দিছে। ঠিক এনেদৰে এটি মূৰ্তি সাজি থৈছেৰে আৱৰি থৈছে, ৰ'দ-বৰষুণ নপৰাকৈ। এই স্তম্ভটি প্ৰতিষ্ঠা কৰি তাক চাই চাই তেওঁ এতিয়াও জীৱন অতিবাহিত কৰিছে। সঁচাকৈ কল্পনাৰো অতীত সঁচা নিভাজ ঘটনা এইটো। ঘৰখন এতিয়া নিমাওমাও কাঁহ পৰি জীন যোৱা অৱস্থা।□

মোহছন্ন

✍ মঞ্জুলা কাকতি

কাউন্সিলাৰ হিচাপে শপত লোৱা কেইদিনমানৰ পিছতে আমি কেইজনমান গৈছিলো এটা ওৱাৰ্ডৰ এখন বৃদ্ধ আশ্ৰমলৈ। ঠিক তাৰিখটো মনত নাই। আশ্ৰমখন বৰ সুন্দৰ ঠাইত আৰু পৰিপাটিকৈ সজোৱা, প্ৰায় ২৫ গৰাকী বৃদ্ধৰ ১৫ গৰাকীয়েই আছিল মহিলা। পুৰুষ আৰু মহিলাৰ কোঠাৰ মাজত এখন চোতাল। চোতালখনৰ কেউদাতিয়ে বহুতো ফুলৰ টাব বিভিন্ন ফুলৰ। আশ্ৰমৰ এগৰাকী বৃদ্ধ্যাৰ নিৰ্দেশনাতে বোলে ফুলৰ তাববোৰ সুন্দৰকৈ সজোৱা হৈছে। তেখেত বৰ চৌখিন, মানুহগৰাকীয়ে বোলে সকলো মহিলাকে স্বচ্ছতাৰ বিষয়ে বুজাই কয়।

আমি প্ৰথমে ১নং মহিলাৰ কোঠাতে সোমাই বৃদ্ধাসকলক লগ ধৰিলো। ক্ৰমান্বয়ে দুটা কোঠা পাৰ হলো। এগৰাকী মহিলাই ২নং কোঠাৰ পৰা ওলাই আমাক ভুমুকিয়াই চালে। এবাৰ চাওঁতে মোৰ চকুৰে চকুৰে পৰাত ভিতৰ সোমাই গ'ল। মোৰো মানুহগৰাকী কিবা চিনাকী যেন ভাব হ'ল। দেখাত আশ্ৰমখনৰ প্ৰত্যেকগৰাকী ব্যক্তিয়ে ভালকৈ আনন্দৰে থকা যেনহে অনুমান হ'ল। শেষৰ মহিলাৰ কোঠাটোত সোমাওঁতে মোক পিছফালৰ পৰা হাত এখনত ধৰাত ঘূৰি চাই দেখিলো মোৰ চিনাকী যেন লগা মানুহগৰাকীয়ে মাত লগালে "চিনি পাইছানে?"

মই তেখেতৰ মুখলৈ চাই থকাত তেখেতেই পুনৰ ক'বলৈ আৰম্ভ কৰিলে। কেনেকৈনো চিনি পাবা "মই চিনু"। তুমিনো কেনেকৈ ভাবিবা, চিনুক ইয়াত লগ পাবা। অকনমান সময় মোৰ মনটো খেলি মেলি হৈ গৈছিল যদিও চিনুক মই গবা মাৰি ধৰিলো। "মই সঁচাকৈয়ে তোমাৰ এই পৰিৱৰ্তনত চিনি পোৱা নাছিলো চিনু। ইমান ধুনীয়া গুলপীয়া মুখৰ চিনুজনীক যে আজি এসোপা পকা চুলিয়ে বিধবা সাজত লগ পাম, মই কল্পনাই কৰিব পৰা নাছিলো। তুমি ইয়ালৈ কিয় আহিলা?"

চিনুৱে মোক গাত ধৰিয়ে ক'লে "বলা। সৌখন মোৰ বিছনা। তাতে বহো। তোমাৰ মাতটো শুনিয়েই মই কিন্তু তোমাক ধৰিব পাৰিছো। মোৰ কথানো কি শুনিবা। তোমাৰ সময় হ'ব জানো?" মই চিনুৰ উত্তৰত ক'লো— কিয় নহ'ব। মই অলপ সময়ত ইয়াত থাকিম। আমাৰ কিবা এটা আলোচনা আছে ইয়াতে। আগতে আশ্ৰমখনৰ বাকী কেইজনক লগ ধৰি তোমাৰ ওচৰত আহি আছো। চিনুৰ কথাবিলাকে মোক বৰ ব্যাকুল কৰিছিলে। ইমান ধুনীয়া শিক্ষিত, এটা ভাল পৰিয়ালৰ ছোৱালী এজনী আজি কিয় বৃদ্ধ আশ্ৰমত? খৰধৰকৈ বাকী কেইটা কোঠালৈ গৈ লগৰ কেইজনৰ লগত সকলো বৃদ্ধ ব্যক্তিকে লগ ধৰিলো। দুজনমানে ঘৰুৱা দুই এটা দুখৰ কথা ক'লে যদিও তেখেতসকল বৃদ্ধ আশ্ৰমত আনন্দত থকা যেনহে ভাৱ হ'ল। কাৰণ সকলোৱে হাঁহি-মাতিয়েই কথাবিলাক কৈছিল। লগৰ কেইজনক মোৰ বন্ধু এগৰাকী এই আশ্ৰমত থকা কথা জনালো আৰু মই তেওঁক অলপ লগ ধৰি আহোগৈ বুলি জনাই পোনচাটেই চিনুৰ ৰুমলৈ আহিলো। চিনুৱে দুৱাৰমুখৰ পৰাই মোক চাই আছিল। ধক ধক বগা সাজটোৱে যেন এজনী পৰীয়েহে মোলৈ বাট চাই আছে। দুৱাৰমুখৰ পৰাই চিনুৱে মোৰ হাতত ধৰি তাইৰ বিছনাৰ ওচৰলৈ নি ক'লে "বহা"। ওচৰ বিছনাখনৰ পৰা এগৰাকীয়ে টপৰাই মাত লগালো "বাইদেউৰ বিছনাত বহিব"? চিনুৱে সেই চিনাকি হাঁহিটোৰে ক'লে "সকলোকে নিদিও নহয়।" মই তেওঁলোকৰ কথোপকথনৰ মাজতে সুধিলো "কি হলনো? বাইদেউৱে কাকো বহিবলৈ নিদিয়ে নেকি?" বৃদ্ধাই ক'লে "নাই বহাটো দূৰৰ কথা চুবলৈকে নিদিয়ে" বুলি কৈ হাঁহি দিলে আৰু ক'লে চিনু বাইদেউৱে আমাকো চাফ-চিকুনৰ কথা শিকায়। মই হাঁহি-হাঁহিয়ে চিনুৰ বিছনাত বহিলো। বগাত নীলা ফুলৰ বেডচিৎখন জিলিকি আছিল। চিনুৱে বিছনা ছাদৰখন অকনমান টানি টুনি ফিট কৰি দিলে।

চিনু মোৰ ওচৰতে বিছনাখনৰ এচুকত বহি পৰিল। প্ৰথমে মই চিনুক শুধিলো তুমি ইয়ালৈ কেতিয়া আহিলা আৰু কিয় ইমান ধুনীয়া ঘৰ-বাৰী এৰি বৃদ্ধ আশ্ৰমক সাৰটি ল'লা।

মোৰ কথাত তাই এটা হুমুনিয়াহ কাঢ়ি ক'লে এৰা মোৰ ইমান ধুনীয়া সংসাৰ, শাহু, শহুৰ, তিনিটা ল'ৰা-ছোৱালীৰ সৈতে এখন সোনৰ সংসাৰ। মোৰ স্বামীও গহীন শান্ত এজন ঘোচ-ঘাচ নোলোৱা অভিযন্তা। সেই সংসাৰখন গঢ় দিবলৈ মই বহুত কষ্ট কৰিছিলো। শাহু, শাহুৰক পিতৃ-মাতৃৰ বৈষম্য ৰখা নাছিলো। তেখেতসকলৰ আশীৰ্বাদ তথা মোৰ কষ্টৰ ফলত পৰিয়ালটো ভাল হোৱাত সুফলও পাইছিলো।

ল'ৰা-ছোৱালী উপযুক্ত হোৱাৰ পিছত কৰ্ম সংস্থাপনো ঠিকেই হ'ল। বিয়া-বাৰুও সিহঁতক কৰাই দিলো। কিন্তু ল'ৰাহঁত উপযুক্ত হোৱাৰ পিছত সিহঁতক যেন আৰু কিবা কিবি বহুত লগাহে হ'ল। দেউতাকে ইমান কষ্ট কৰিলে কিন্তু দেউতাকক সহায় কৰিবলৈ সিহঁতৰ সময় ও অৰ্থৰ নাটনি। বোৱাৰীহঁতৰ জঞ্জাল মাৰোতেই যেন সিহঁতৰ সময় নাই। বিজুলী বিলৰ পৰা পানী বিল, ঘৰৰ কৰ, মাটিৰ খাজনা, সকলো যেন দেউতাকৰহে দায়িত্ব। সিহঁত যেন ঘৰখনৰ আলহী। ঘৰৰ কামৰ বাবে যদিও সময় নাই বোৱাৰীফালৰ মিটিৰ কুটুম খোৱা, চিনেমা চোৱা, ধাবাত খাবলৈ সিহঁতৰ কিন্তু বহুত সময়। এইবিলাক বিষাদে মোৰ অন্তৰত বহুত দুখ দিছিল। তথাপিও দেউতাকে দুখ পাব বুলি সকলো সহি গলো।

ময়ো সিহঁতৰ কাৰণে কষ্ট কৰোতে ভাবিছিলো যে সিহঁত মানুহ হৈ ওলালে সুখ ল'ম। সেইটো ভৰাটো মোৰ বোধকৰো ভুলেই আছিল। আজি শিক্ষিত সমাজত প্ৰায়বিলাক পৰিয়ালৰ একেটাই সমস্যা। মই হয়তো আমাৰ দিনৰ দৃষ্টিৰেই ভাবিছিলো নেকি। আজিকালিৰ ল'ৰা-ছোৱালীয়ে বাৰু ভাবেনে তেওঁলোকে যি সন্তান জন্ম দিছে বা যাৰ কাৰণে তেওঁলোকে দৌৰিছে সিহঁতে বাৰু কি শিক্ষা পাব। তেওঁলোকে বাৰু ভাবিব পাৰেনে তেওঁলোকৰ সন্তানেও যদি তেওঁলোকৰ লগত তেনে ব্যৱহাৰ কৰেগৈ।

মাক-দেউতাকে নিজে নাখাই সন্তানক খুৱাই সন্তানক অশেষ যত্নৰে ডাঙৰ কৰে। বিয়া কৰোৱাৰ পিছত সেই মাক-দেউতাককে "বুঢ়া-বুঢ়ীৰ লগত থাকিব নোৱাৰি দেই" বুলি সংলাপ দিয়ে। বুঢ়া ককাক আইতাকৰ লগত থাকিলে তেওঁলোকৰ সন্তান নষ্ট হ'ব বুলি ভাবে।

অসমীয়াৰ জাতিৰ গুৰু শ্ৰীমন্ত শঙ্কৰগুৰু জনাক দেখোন আইতাক খেৰসূতীয়ে ডাঙৰ-দীঘল কৰিছিল। যিজনা গুৰু ধৰ্ম গুৰুৱেই নাছিল ইয়াৰ উপৰিও তেখেতে অসমীয়াক সাহিত্য, সংস্কৃতি, নাট্য আদিৰ জনক। নানান সম্ভাৰে জগত আগুৱাই নিলে অসমীয়া জাতিক, আজিৰ প্ৰজন্মই কি গুৰুজনাৰ উৰ্দ্ধত নিজৰ সন্তানক ডাঙৰ কৰিম বুলি ভাৱিছে নেকি? ভাৱক সকলোৱে নিজৰ সন্তানক গুণী-জ্ঞানী কৰি মানুহ কৰাটোকে ভাৱে। সেইবুলি কি সকলো বাদ দিব? ককা আৰু নাতি ল'ৰা সাধুৰ নিচিনাকৈ দেউতাক-মাকৰপৰাই যদি শিক্ষা পায় বুঢ়াকালত মাক-দেউতাকক ল'ৰা-ছোৱালীৰ প্ৰয়োজন নাই। দেউতাকে ককাক কাঠৰ থালত ভাত খাবলৈ দিয়াৰ দৰে সন্তানেও দেউতাকলৈ কাঠৰ থাল বনাব। কন্যা সন্তানে বোলে মাক-দেউতাকক বেছি চায় বুলি কথা আছে। কিন্তু এজনী কন্যা সন্তান এঘৰৰ কন্যা তেওঁৱেই এঘৰৰ বোৱাৰী। এই সমতাখিনি কিয় বজাই ৰাখিব নোৱাৰে। ছোৱালীজনীয়ে যদি সমতা আগৰ প্ৰজন্মই ৰক্ষা কৰিব পাৰিছিল, এতিয়া কিয় নোৱাৰে? এইয়া কি কুৰিশতিকাৰ শিক্ষাৰ দোষ নে আমাৰ শিক্ষাৰ অভাৱ।

বোধকৰো আজিকালিৰ আহাৰ— ম'মো, দোচা, বাৰগাৰ আদি আনিলে মাক দেউতাক থাকিলে লুকাই চুৰকৈ খাব লাগিব বুলি ভয় খায় বা তেওঁলোকৰ লগত মাক-দেউতাকক ফুৰাব লাগিব বুলি ভয় খায়।

আগতে ছোৱালীক মাক-দেউতাকে শিক্ষা দিছিল যে বিয়া দিয়া ঘৰখনহে ছোৱালীৰ আচল ঘৰ। সেইখন ঘৰ আপোন কৰি ল'লে কেতিয়াও দুখ নহয়। আমি পিতৃ-মাতৃৰ এই উপদেশ সাৱোগত কৰি বৰ সুখ পাইছিলো। কিন্তু নতুন প্ৰজন্মৰ দেখোন এখন বেলেগ ছবি।

এতিয়া মোৰ কাৰো প্ৰতি মোহ নাই। যিখন ঘৰত কথা পাতিবলৈ বৃদ্ধ লোকৰ কোনো লগ নাই, যিখন ঘৰত কোনো আনন্দ নাই তাত থাকি কিবা শান্তি আছে জানো? স্বামীৰ মৃত্যুৰ পিছত মই বৰ অকলশৰীয়া অনুভৱ কৰি ইয়ালৈ অহাৰ সিদ্ধান্তকে ল'লো। অন্ততঃ স্বামীৰ পেঞ্চনকেইটা এটা ভাল কামতে লগাও। তেখেতৰ পেঞ্চনৰ পইছাখিনি মোৰ হাতত দুইহেজাৰ টকা হাত খৰচ ৰাখি গোটেইখিনি এই আশ্ৰমতে দান কৰো।

কথাবোৰ বৰ আৱেগেৰে কৈ গ'ল চিনুৱে। কথাবোৰ কৈ থাকোতে বৰ ভাগৰুৱা যেন লাগিল চিনুক। ল'ৰাহঁত আশ্ৰমলৈ লগ কৰিবলৈ আহেনে বুলি সুধিবলৈ মোৰ মন নগ'ল। অলপ নিস্তব্ধতাৰ পিছত চিনুৱে এটা ম্লান হাঁহি মাৰি মোলৈ চাই ক'লে, "এতিয়া কিন্তু মই সুখী।" মই চিনুৰ হাতখনত ধৰি ক'লো— "সময়ত ময়ো আহি আছো।" দুয়োজনী হাতত ধৰাধৰিকৈ আশ্ৰমৰ কোঠাৰ পৰা ওলাই আহিলো। ইতিমধ্যে মোৰ লগৰ কেইজনে আলোচনাৰ আঁত ধৰিলেই।□

সাৰথি (*The woman from Palakad*)

✍ মূল মালায়লম ঃ জে, কাভাল / অনুবাদ ঃ গিৰীশ দত্ত

তেওঁ পোনে পোনে শ্মশানলৈকে গ'ল। শ্মশানত কেইজনমান মাত্ৰ মানুহ। মৃতক আছিল এইখন গাঁৱৰেই বাসিন্দা, আটাইৰে চিনাকী, অথচ অন্তিম সংস্কাৰ কৰিবলৈ মাথো এইকেইজন মানুহ। তেওঁ মানুহকেইজনলৈ এনেয়ে এবাৰ চালে। গাঁওখনৰ কাকো তেওঁ চিনি নাপায়। তথাপি তেওঁ প্ৰতিখন মুখলৈ অতি আগ্ৰহেৰে এবাৰ চাই পঠিয়ালে, ক্ষীণ আশাৰে, পৰিচিত মুখ এখন কিজানিবা কেনেবাকে ওলায়েই। এখনো নাই।

দাহন কাৰ্যৰ ধৰ্মীয় আনুষ্ঠানিক কৰ্মখিনি শেষ হোৱাৰ পিছত তেওঁ যাবলৈ ওলাল। তেওঁ যাবলৈ ওলোৱা দেখি আগবাঢ়ি আহি মুৰালীয়ে ক'লে— খুড়া যায়েই নেকি? অলপ সময় থাকিব নোৱাৰিব নে? ইমান দূৰ চহৰৰ পৰা আহিছে, তাকো ইমান বছৰৰ পিছত এই প্ৰথম, আমাৰ ঘৰখন এবাৰ চাই নাযায় জানো? ব'লক খুড়া মোৰ সৈতে একেলগে এসাজ ভাত খাই যাব। ব'লক খুড়া, অন্ততঃ মাৰ আত্মাৰ সন্তুষ্টিৰ বাবেই এবাৰ ব'লক।

একো নকৈ তেওঁ সন্মতি সূচক মূৰ দুপিয়ালে।

বেলি পৰি আহিছিল। ডুবিবলৈ ওলোৱা বেলিটোৱে যাবৰ পৰত অৱশিষ্ট সমস্ত শক্তিৰে সোণালী কিৰণ পৃথিৱীৰ বুকুত ঢালি দিছে। পদূলি মুখত আহি বৈ আছে ৰাতি। শ্মশানৰ চিতাৰ জুইকুৰা ইতিমধ্যে নিশ্চয় নুমাই গৈছে।

ঘৰটোত মৰুভূমিৰ শূণ্যতা। নাই আত্মীয়জনক হেৰুওৱাৰ কোনো শোঁকৰ বিয়াকুল পৰিৱেশ, নাই কোনো আত্মীয়-কুটুমৰ উপস্থিতি।

দুজন চেমনীয়া ল'ৰাই আহি (তাৰ অন্তৰংগ বন্ধু কিজানি), মুৰালীক মাত লগাই গুচি গ'ল।

খাবলৈ বহি অতি নম্ৰতাৰে তেওঁ সুধিলে— তোমাৰ ককা-আইতা ক'ত?

তেওঁলোক অহা নাই। ককা আৰু আইতাই তেওঁলোকৰ মৃত জীয়েকৰ মুখ চাব নোখোজে। মৃত জীয়েকৰ মুখখন চাবলৈও তেওঁলোক নাৰাজ।

"তোমাৰ দেউতাৰা? তেৰোঁ অহা নাই নেকি?"

"নাই। মই তেওঁক খবৰ দিয়া নাই। মায়েই বিচৰা নাছিল। কিন্তু মাই মোক কৈছিল, খবৰটো পাই তেওঁ যদি স্ব-ইচ্ছাই শ্মশানত মাৰ শৱ দেহটোৰ কাষত থিয় দিয়েহি, মই যেন তেওঁক আতৰাই নপঠাও।"

"ইমান বছৰে কোনো যোগাযোগ নথকা স্বত্বেও তুমি মোক কিয় ফোন কৰি খবৰটো দিলা?"

সেইয়া মাৰ অন্তিম ইচ্ছা আছিল। মাই কৈছিল— "মোৰ কিবা এটা হ'লে খুড়াৰক খবৰ এটা দিবি, তেওঁ নিশ্চয় আহিব। মই নিজ হাতে খুৱাব নোৱাৰিলেও সিদিনা খুড়াৰক মোৰ নামত ভাত এসাজ খুৱাবি। আমি তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থকা উচিত। মাই মোক দঢ়াই দঢ়াই কৈছিল।"

মুৰালীৰ প্ৰতিটো শব্দই তেওঁৰ অন্তৰ ভেদী গ'ল।

মাংসৰ জোলেৰে সানি মুখত ভৰোৱা ভাত গৰাহে তেওঁৰ ডিঙিটো সোপা মাৰি ধৰিলে। কাষতে থকা, তেওঁৰ বাবেই বিশেষভাৱে যোগাৰ কৰা সুৰাৰ গিলাচটো তুলি লৈ তেওঁ দুটা ঢোক গিলিলে। নাই, বুকুখন

হেঁচা মাৰি ধৰা যন্ত্ৰনাটো অলপো উপশম হোৱা নাই। ডিঙিৰ সুৰসুৰণিটোৰ উপশম বিচাৰি তেওঁ জোৰ কৰি দুবাৰমান কাঁহিলে। এক অসহ্য অনুভূতিয়ে তেওঁক অস্থিৰ কৰি তুলিলে। এটি যন্ত্ৰনাই যেন তেওঁৰ বুকুখন হেঁচা মাৰি ধৰি আছে, যাৰ পৰা পৰিত্ৰাণৰ সমস্ত প্ৰয়াস এই মুহূৰ্তত ব্যৰ্থ। গধূৰ বুকুখনৰ মাজত এটি মৃদু বিষ অনুভৱ কৰিলে তেওঁ। তেওঁ ইমানদিনে বিশ্বাস কৰি আহিছিল, ভালপোৱাৰ একান্ততা আৰু নিস্বাৰ্থ পৰিচৰ্যা কোনো প্ৰতিদানেৰেই পৰিশোধ কৰা নাযায়। অৱশ্যে ভালপোৱা অথবা পৰিচৰ্যাৰ সৈতে যদিহে স্বাৰ্থ যিকোনো ভাৱে বান্ধ খাই থাকে, প্ৰতিদানৰ প্ৰত্যাশাই যদি তাৰ উদ্দেশ্য হয়, আশ্চৰ্যৰ কোনো কথা নাথাকে। বৰং সিয়েই স্বাভাৱিক। তেওঁ বুকুৰ মাজৰ অনুতাপৰ গধূৰ বোজাটি কোনোপধ্যেই ঠেলি আঁতৰাই পঠিয়াব পৰা নাই। এই একেটি বোজা অত বছৰে তেওঁ বুকুৰ মাজত কঢ়িয়াই লৈ ফুৰিছে।

তেওঁৰ একমাত্ৰ ল'ৰাটোৱে বিদেশীনী এজনীক বিয়া কৰাই এদিন বিদেশৰ ক'ৰবালৈ গুচি গৈ তাতেই ঘৰ বান্ধিলে। তেওঁৰ পত্নী বিয়োগৰ কেইমাহমান পিছতেই ছোৱালীজনীয়েও কম্পিউটাৰৰ মাধ্যমেৰে চিনাকী হোৱা প্ৰেমিকৰ সৈতে দিল্লীলৈ গৈ সংসাৰ ৰচিলে। ল'ৰা-ছোৱালী দুটাই নিজৰ জীৱনৰ বাট নিজেই বাচি লৈ আঁতৰি গৈ উন্মুক্ত কৰি থৈ গ'ল তেওঁৰ জীৱনৰ সকলো পথ। এতিয়া শূণ্য ঘৰটোত অতিবাহিত হয় তেওঁৰ নিঃসংগ একাকী প্ৰতিটো পল।

এদিন তেওঁ চিঠি এখন লিখি ৰঙা ডাক বাকচটোত সোমোৱাই থৈ আহিল, "ৰমনী, মই আজি নিঃসংগ, একাকী। এই নিঃসংগতা পূৰাবলৈ তোমাৰ সোঁৱৰণিয়েই এতিয়া মোৰ একমাত্ৰ সাৰথি। ৰমনী, তুমি উভতি আহিব নোৱাৰানে? তুমি উভতি আহা, ৰমনী। অনুৰোধ, তুমি উভতি আহা।"

কিহে চিঠিখন লিখিবলৈ তেওঁক উচতালে? এইয়া কি এই নিঃসংগ আত্মাৰ একান্ত তাড়না? নে অতীত হৈ যোৱা দিনবোৰৰ সোণালী সোঁৱৰণিৰ পাৰ ভঙা উচ্ছাস? তেওঁ নাজানে। নাজানে, হৃদয়ৰ এই একান্ত অনুভূতিৰ প্ৰকৃত উৎস ক'ত। হ'ব পাৰে ই জীৱনৰ সমস্তখিনিৰ সমাহাৰ। হ'ব পাৰে জীৱনৰ সমস্ত অনুভূতিৰ সমন্বয়। নতুবা জীৱনৰ বুনিয়াদী তাড়না।

ৰমনী উভতি অহা নাছিল। আনকি তেওঁৰ SOS চিঠিখনৰ উত্তৰো তাই দিয়া নাছিল। চিঠিৰ উত্তৰ নাপাই তেওঁৰ ৰমনীৰ প্ৰতি কিঞ্চিৎ বিৰূপ ভাৱো অনুভৱ কৰা নাছিল। একেই উজ্জলতাৰে ৰমনী তেওঁৰ হৃদয়ৰ মাজত উজলি আছিল।

পোন্ধৰ বছৰ আগতে হঠাতে সজাল ধৰি উঠা এটি সম্পৰ্ক। মাত্ৰ তিনিটা বছৰৰ আয়ুসৰ এটি সম্পৰ্ক অথচ একান্ত নিবিড়তাৰে আমৃত্যু সজীৱ হৈ থাকি গ'ল তেওঁৰ চেতনাত।

তেওঁৰ সাংসাৰিক জীৱন তেতিয়া সংঘাতৰ চূড়ান্ত শিখৰত। যুগ্ম জীৱনৰ আৰম্ভণিৰ সেই প্ৰেমোচ্ছাস, উদ্দীপনা, ৰোমান্স এতিয়া ব্যক্তিগত আশা-আকাংক্ষাৰ মতান্তৰ, আত্মঅহংকাৰ, পোৱা-নোপোৱাৰ হিচাপ-নিকাচে আনি দিয়া হতাশাৰে থান-বান। সাধাৰণ ঘটনা এটাই এতিয়া বা-মাৰলিৰ ৰূপ ধাৰণ কৰি উৰুৱাই নিয়ে সংসাৰৰ আনন্দ, শান্তি। এয়াই এতিয়া তেওঁৰ সংসাৰখনৰ দৈনন্দিনতা। এই ধুমুহাত উপঙি থাকে অসহায় সন্তান দুটিৰ জীৱন। তথাপি সমাজৰ গঞ্জনাৰ ভয়ত এজনেও বিবাহ-বিচ্ছেদৰ কথা নুলিয়ায়। সামময়িক বিচ্ছেদেই এতিয়া আপোচৰ একমাত্ৰ উপায়। এদিন হঠাতে সেই সুবিধা আহিল। চৰকাৰৰ পৰা তেওঁৰ ঘৈনীয়েকে চৌদী আৰবৰ এখন হাস্পাতাললৈ চীফ মেট্ৰন হিচাপে ডেপুটেচনত যোৱাৰ প্ৰস্তাৱ পালে। তেনে পৰিস্থিতিত এনে এটি চৰকাৰী প্ৰস্তাৱ প্ৰত্যাখ্যা কৰাৰ কোনো প্ৰশ্নই নাই। ল'ৰা-ছোৱালী দুটাক তেওঁৰ লগত এৰি ঘৈনীয়েক চৌদী আৰবলৈ গুচি গ'ল।

মুম্বাইৰ দৰে এখন মহানগৰীৰ ব্যস্ত যান্ত্ৰিক জীৱন যাত্ৰাত পত্নী বিচ্ছেদিত এগৰাকী ব্যস্ত সাংবাদিকৰ জীৱনলৈ হঠাতে আহি পৰা চাৰি বছৰীয়া কন্যা সন্তান আৰু ছবছৰীয়া পুত্ৰৰ সম্পূৰ্ণ দায়িত্ব পালন কৰাটো তেওঁৰ বাবে অসাধ্যকৰ হৈ উঠিল। ল'ৰা-ছোৱালী দুটাক লৈ সংসাৰখনৰ সকলোখিনি চম্ভালাটো তেওঁৰ বাবে সম্ভৱ নহয়। ল'ৰা-ছোৱালী দুটাৰ চোৰাচিতা কৰিবলৈকে কাৰোবাৰ প্ৰয়োজন সংসাৰখনত এতিয়া অপৰিহাৰ্য। ব্যক্তিগত কোনো পাৰিবাৰিক টান নথকা পৰিচাৰিকা এগৰাকী পোৱা গ'লহেঁতেন যদি! তেনে এগৰাকী মহিলা পোৱা যায় নেকি বিচাৰ-খোচাৰ কৰিবলৈ তেওঁ বন্ধুবোৰক খাটনি ধৰিলে। বিচাৰ-খোচাৰ কৰা হ'ল, কিন্তু তেনে মহিলা এগৰাকী পোৱা নগ'ল। অৱশেষত তেওঁ সেই আশা ত্যাগ কৰি জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সিদ্ধান্ত ল'লে।

এনেতে দৈৱ আশীৰ্বাদৰ দৰে ঘটি গ'ল তেওঁৰ জীৱনৰ এক নতুন অধ্যায়ৰ সূত্ৰপাত। এদিন আকস্মিকভাৱে এগৰাকী বিবাহিতা গাঁৱলীয়া মহিলা আহি স্ব-ইচ্ছাই সেই দায়িত্ব লোৱাৰ ইচ্ছা ব্যক্ত কৰিলে। নায়াৰ সম্প্ৰদায়ৰ এগৰাকী মহিলা, লগত এটি পুত্ৰ সন্তান। তেওঁ মহিলাগৰাকীক নিজ সংসাৰখনৰ সকলো কথা খুলি ক'লে। কথাবোৰ নীৰৱে শুনি থাকি মহিলাগৰাকীয়ে দায়িত্বটো গ্ৰহণ কৰাৰ ৰিস্ক ল'লে। মানুহজনীৰ সেই গ্ৰহণত আছিল সম্পূৰ্ণতা, নিবেদন আছিল নিঃচৰ্ত।

দুসপ্তাহতে পালাকাৰৰ গাঁৱলীয়া নিৰক্ষৰ মানুহজনীয়ে তেওঁৰ সংসাৰখনৰ প্ৰতিটো দিশ চম্ভালি ল'লে। যদিও চাকৰণী, দায়িত্ব তদাৰকি সহযোগিতা সকলো ক্ষেত্ৰতে তাই যেন সংসাৰখনৰ প্ৰকৃত গৃহিনীজনীহে! মানুহজনী অতি নিৰ্জু আৰু সৰল অন্তৰৰ। কেতিয়াও কোনো কথাতে তাই তৰ্কৰ অৱকাশ নাৰাখে। মৃদুভাষী। মাত-কথা, আচাৰ-ব্যৱহাৰৰ বাবেই এই কেইদিনতেই তাই ঘৰৰ বাহিৰতো চুবুৰীটোৰ আটাইৰে প্ৰিয়পাত্ৰ হৈ পৰিছে। তাইৰ আচৰণত কোনো ব্যস্ত লৰা-ঢপৰা নাই। চুবুৰীয়াৰ সৈতে অনাহক মেল মাৰি সমালোচনাৰ সুৰুঙা উলিয়াই দিয়াটো তাইৰ স্বভাৱ বিৰুদ্ধ।

কেতিয়াবা খং উঠি ওফোন্দ পাতিলেও ল'ৰা-ছোৱালী দুটাই মানুহজনীক ভীষণ ভাল পায়, মানে। তেওঁ অনুভৱ কৰে, নিজৰ জীৱনটোলৈয়ো যেন মানসিক আৰু শাৰীৰিক স্বচ্ছন্দ উভতি আহিছে।

ৰমনীৰ মুখমণ্ডলতো তাইৰ ভিতৰৰ পৰিতৃপ্তি আৰু আনন্দখিনি ক্ৰমে প্ৰস্ফুটিত হৈ উঠিছিল। তাইৰ ল'ৰাটো আছিল ঘৰখনৰ আটাইৰে নয়ণৰ মনি।

দায়িত্বৰ বোজা আৰু মৰুভূমিৰ বালিৰ ধুমুহাত অতীষ্ঠ হৈ তিনি বছৰৰ পিছত তেওঁৰ ঘৈনীয়েক এদিন চৌদী আৰবৰ পৰা ঘৰলৈ উভতি আহিল। মানুহজনীৰ আগৰ সেই সহনশীলতা শূণ্য অস্থিৰ উগ্ৰ ভাৱটো এতিয়া ভালেখিনি শান্ত।

ঘৰলৈ প্ৰত্যাৱৰ্তন সকলোৰে বাবেই এক স্বাভাৱিক আনন্দৰ ঘটনা। ঘৈনীয়েকৰ প্ৰত্যাৱৰ্তনেও সংসাৰখনলৈ নতুন এক উচ্ছলতা আনি দিলে।

মাহটো শেষ হ'বৰ দিনা খুউব সহজ আৰু শান্তভাৱে ৰমনীয়ে ক'লে— চাৰ এতিয়া আৰু আপোনাৰ মোৰ সহায়ৰ প্ৰয়োজন নাই। মই আৰু মিছাতে আপোনাৰ শ্ৰীমতী আৰু আপোনাৰো অনাকাংক্ষিত উদ্বীগ্নতাৰ কাৰণ হ'ব নোখোজো। আজি নহ'লেও কাইলৈ আমি দুটা আপোনাৰ পৰিয়ালৰ অনাহুত বোজা হৈ পৰিম। ইমান দিনে বাইদেউৱেও আমাক সুন্দৰ বুজাবুজিৰে যথেষ্ট আদৰ-সাদৰেৰে ৰাখিলে। কিন্তু এতিয়া মই যাব খোজো।

হঠাতে ৰমনীৰ এনে সিদ্ধান্তত শুনি ঘৰখনৰ আটাইয়ে আচৰিত হ'ল। ৰমনী নিজৰ সিদ্ধান্তত অটল, তাই আৰু তেওঁৰ ঘৰত কাম নকৰে, নিজৰ পথেৰে তাই পুনৰ উভতি যাব, এৰি অহা জীৱনটোলৈ। তেওঁ সুধিলে— ৰমনী তুমি কিয় এৰি অহা নৰকখনলৈ পুনৰ উভতি যাব ওলাইছা? যিবোৰ মানুহে শিলগুটি দলিয়াই এদিন তোমাক গাঁওখনৰ পৰা খেদি বাহিৰ কৰি দিছিল সেই মানুহবোৰৰ মাজলৈ সি সাহসত তুমি উভতি যাবা? নালাগে যাব। তোমালোক দুয়োটাৰে ভৱিষ্যতৰ কথা ভাবি কৈছো, ইয়াতে থাকি যোৱা। মোৰ এই ঘৰখনত যদি থাকিব বিচৰা নাই, নালাগে থাকিব। কিন্তু সেই গাঁওখনলৈ উভতি নগৈ তোমালোকে ইয়াতেই কৰবাত থাকি যোৱা। তুমি সেই গাঁওখনলৈ উভতি যোৱাটো উচিত নহ'ব ৰমনী।"

ঘৈনীয়েকেও ক'লে— ৰমনী, তুমি হঠাতে কিয় যাবলৈ ওলাইছা? আমাৰ লগত ইয়াতেই থাকি যোৱা। ল'ৰা-ছোৱালী দুয়োটাইও তাইক নেৰানেপেৰাকৈ খাটনি ধৰি আছে গুচি নাযাবলৈ।

ৰমনী একোতেই মান্তি নহ'ল। তাইৰ স্থিৰ সিদ্ধান্ত, তাই আৰু নাথাকে। কিন্তু কিয়? তেওঁ নাজানে। হয়তো কোনোদিনেই নাজানিব।

বিচৰা সকলোখিনিয়েই তেওঁ তাইক দিছিল। প্ৰাপ্যতকৈ তাইৰ দাবী আছিল তেনেই নগণ্য।

বিদায়ৰ কোনো আয়োজন নোহোৱাকৈ ৰমনী আৰু তাইৰ ল'ৰাটো গুচি গ'ল।

কিয় তেওঁ তাইক সিদিনা নাযাবলৈ বাধ্য নকৰালে? পালাকাৰৰ সেই পংকিল পৰিৱেশলৈ উভতি যোৱাৰ বাটত তেওঁতো সিদিনা ভেটা দি থিয় দিব পাৰিলেহেঁতেন! কিয় থিয় নিদিলে? কিয়?

"কি হ'ল খুড়া? ভাতৰ পাতত হাতেই লগোৱা নাই চোন? ইমান গভীৰভাৱে কি ভাবিছে খুড়া? যি ঘটিবলগীয়া আছিল, ঘটিয়েইতো গ'ল। সকলো ঠিকেই চলি যাব নিশ্চয়। ভাতখিনি খাওক খুড়া।"

কোনো যুক্তিৰ গাত ভেজা নিদিয়াকৈ হঠাতে এটি প্ৰশ্ন তেওঁৰ মনৰ মাজত উকমুকাই উঠিল।

"মুৰালী, তোমাৰ মাৰাই তেওঁৰ মনৰ গভীৰত কিবা আশা পুহি ৰাখিছিল নেকি? তুমি কিবা জানানে?"

"জানো। মোৰ মাই তেওঁৰ জীৱনৰ কোনো কথাই মোৰ পৰা গোপন কৰা নাছিল। সকলো কথাই মাই মোৰ লগত মুকলিকৈ আলোচনা কৰিছিল। মনৰ কথাবোৰ খুলি পাতিবলৈ মোৰ বাহিৰে মাৰ আন কোনো নাছিলো।" ক্ষন্তেক ৰৈ সি ক'লে, মাৰ একান্ত হেঁপাহ আছিল আপোনাৰ সন্তানৰ মাতৃ হোৱাৰ। মোক এটি ভাই অথবা ভনী দিব। সেইয়া অৱশ্যে আছিল মাৰ এটি সপোন মাত্ৰ।

"তোমাৰ মাৰাই মোৰ পৰা পোৱা স্বাধীনতাখিনি কোনো দিনেই অপব্যৱহাৰ কৰা নাছিল। তেওঁৰ প্ৰতি থকা মোৰ বিশ্বাসক কোনোদিনেই তেওঁ প্ৰতাৰণা কৰা নাছিল। আকৌ এবাৰ সন্তানৰ মাক নহ'বলৈ তেওঁৱেই আছিল সদায় অতি সতৰ্ক। যি অৱস্থাতেই নহওক টেবলেটটো ঠিক সময়মতে খোৱাৰ প্ৰতি তেওঁ সদায় অতি সচেতন আছিল।"

কিন্তু সিদিনা আপুনি অতি সৰলতাৰে আৰু উদাৰতাৰে আমাক নিৰাপত্তা দিছিল। আমি আপোনাৰ ল'ৰা-ছোৱালী দুটা আৰু আপোনাৰ পৰা যি অফুৰন্ত ভালপোৱা আৰু আন্তৰিকতা পাইছিলো, তেতিয়া আমাৰ বাবে ইয়াতকৈ বেছি আৰু কি প্ৰয়োজনৰ পূৰ্ণতাৰ আশাই থাকিব পাৰে? মাই তেনেকৈয়ে গ্ৰহণ কৰিছিল জীৱনটোক।"

ল'ৰাটোৰ কথাখিনিয়ে তেওঁৰ চকু দুটা সেমেকাই তুলিলে। বুকুৰ মাজৰ বিষটো উক দি উঠিল। তেওঁৰ ভিতৰখনে নীৰৱে হুকহুকাই কান্দি উঠিল।

চিলিংখনলৈ বহু পৰ তেওঁ ঘোলা দৃষ্টিৰে একেথৰে চাই ৰ'ল।

তেওঁ যেন অনুভৱ কৰিছে কোনো মহিলাৰ গোন্ধ, স্পৰ্শ আৰু উপস্থিতি। তেওঁৰ সমস্ত অনুভূতিত এগৰাকী মহিলা-ৰমনী।

গোৰোহা গোৰোহে তেওঁ সন্মুখৰ কাঁহীখনৰ ভাতখিনি খাই শেষ কৰিলে। গিলাচটোৰ পানীখিনি একেঢোকে খাই তেওঁ বহাৰ পৰা উঠিল।

মুখখন মচি চিগাৰেট এটা জ্বলাই লৈ তেওঁ সুধিলে, "মুৰালী, পাঁচ মাহমান আগতে মাৰালৈ মই এখন চিঠি পঠিয়াইছিলো, তুমি জানানে?"

"জানো, মাই কৈছিল।"

"আপোনাৰ চিঠিখন পোৱাৰ সময়খিনি মাৰ বাবে আছিল সম্পূৰ্ণ অপ্ৰত্যাশিত। অকল্পনীয় আছিল সেই পৰিস্থিতি। আপোনাৰ চিঠিখন খুলি সিদিনা মাই পঢ়িব পৰা নাছিল। চিঠিখন পাই কি কৰা উচিত, অনুচিত সেই অৱস্থাত মাই একো এটা সিদ্ধান্ত ল'ব পৰা নাছিল। মাই আপোনাৰ চিঠিখন দুমাহমান নিজৰ গাৰুটোৰ গিলিপৰ ভিতৰত আলফুলে সুমুৱাই ৰাখিছিল আৰু হঠাতে এদিন পূৰ্ণিমাৰ ৰাতি মাই চিঠিখন টুকুৰা টুকুৰকৈ চিঙি জুইত জাপি দিছিল। কাষতে থিয় দি মই সিদিনা মাৰ উচুপনিখিনি চাই আছিলো।

"কিয় তেওঁ এনেদৰে মৌন হৈ গৈছিল? মোৰ প্ৰতি তেওঁৰ কিবা বিৰূপ ভাব আছিল নেকি? তেওঁ বাৰু মোক ঘিণ কৰিছিল নেকি?

প্ৰশ্নবোৰৰ টপৰাই দিব পৰা কোনো উত্তৰ মুৰালীৰ ওচৰত নাছিল। কিছু পৰ সি নিতাল মাৰি ৰ'ল, যেন মৌনতাৰে এন্ধাৰৰ গভীৰতাত ডুব মাৰি সি শব্দৰ সন্ধান কৰিব লাগিছে।

এইবাৰ সি লাহে লাহে কৈ গ'ল, "খুড়া, মাই কোনোদিনেই আপোনাৰ পৰা বিচ্ছেদ আশা কৰা নাছিল। কিন্তু মাৰ সন্মুখত আন কোনো ৰাস্তা নাছিল। মা সদায় নিজৰ পৰিয়ালৰ পৰা বিতাড়িত, সমাজ পৰিত্যক্ত এগৰাকী অনাকাংক্ষিত হিচাবেই থাকি গ'ল। কাৰণ মাৰ ভুলটো আছিল নায়াৰ পৰিয়ালৰ ছোৱালী হৈ মাই এজন মুছলমানক ভাল পাইছিল আৰু তেওঁৰ অবৈধ সন্তানৰ মাতৃত্ব দ্বিধাহীনভাৱে স্বীকাৰ কৰি লৈছিল। ওচৰ চুবুৰীয়াই মাৰ বদনাম ৰটি ফুৰিছিল। কিন্তু কোনেও মাৰ মুখৰ সন্মুখত মূৰ তুলি একো এটা কোৱাৰ সাহস কৰিব পৰা নাছিল। মা আছিল ভীষণ স্বাভিমানী কিন্তু অতি সৰল অন্তৰৰ। অতীত জীৱনৰ ভালপোৱা অথবা আপোনাৰ সৈতে কটোৱা জীৱনটোক লৈ মাৰ কোনো অনুশোচনা নাছিল। নিয়তিক মাই সহজেই মানি লৈছিল। আপোনালোকৰ ঘৰৰ পৰা গুচি অহাৰ পিছত বাচি থকাটো আমাৰ বাবে বৰ কষ্টসাধ্য হৈ পৰিছিল। মাই কিন্তু কোনো দিনেই কাৰো ওচৰত হাত পতা নাছিল, মূৰো দোৱোৱা নাছিল। দিনে ৰাতিয়ে মাই মন্দিৰটোৰ, ৰান্ধনি ঘৰ আৰু ডাইনিং হলত কাম কৰাৰ লগতে "কল্যাণ কেন্দ্ৰ"টোত কাম কৰিছিল। ভগৱান সদৃশ মানুহবোৰে মাৰ অৱস্থাটোৰ সুযোগ লৈছিল। প্ৰতিৰোধ কিম্বা প্ৰতিবাদৰ কোনো উপায় সিদিনা মাৰ নাছিল। মা এদিন বেমাৰত পৰিছিল। দুৰাৰোগ্য বেমাৰটোৱে খুলি খুলি খাই মাক এদিন শয্যাশায়ী কৰি পেলাইছিল। তেনে সময়তে এদিন আপোনাৰ চিঠিখন আহি মাৰ হাতত পৰিছিল। মা তেতিয়া মৃত্যু শয্যাত। অৱশেষত মাৰ ভাগ্যৰ সকলো খেল শেষ হ'ল, চিৰদিনৰ বাবে।" কথাখিনি কৈ মুৰালীয়ে হুকহুকাই কান্দি উঠিল।

কথাবোৰ শুনি তেওঁ স্তব্ধ হৈ গ'ল। নিজৰ ভিতৰত এক বিস্ফোৰণ অনুভৱ কৰিলে তেওঁ। বুকুৰ মাজত হঠাতে যেন এটি আগ্নেয়গিৰিৰ প্ৰচণ্ড উদগীৰণ ঘটিল। জোৰ কৰি তেওঁ নিজকে চম্ভালি ল'লে। তেওঁৰ সৌম্য মুখখনলৈ চালে বুজা নাযায় অনুশোচনাৰ দাউ-দাউ একুৰা জুঁইয়ে কিদৰে তেওঁৰ ভিতৰখন দহিব লাগিছে।

বহুসময় দুয়ো মনে মনে ৰ'ল।

মৌনতাৰ গভীৰতাত সময়বোৰ ক্ৰমে ডুবি যাব লাগিছে।

দীঘলীয়া মৌনতাখিনি ভংগ কৰি মুৰালীয়ে ক'লে, "খুড়া, এটা কথা নিশ্চয়কৈ জানিব, এটাই সুখ, এটাই পৰিতৃপ্তি লৈ মাই আনন্দেৰে মৃত্যুক আকোৱালি লৈছিল।"

প্ৰশ্নসূচক দৃষ্টিৰে তেওঁ মুৰালীৰ চকুলৈ চালে।

মুৰালীয়ে কৈ গ'ল, "মৃত্যুতো মা সুখী আছিল, কাৰণ আপোনাৰ সহায়ৰ বাবেই সম্ভৱ হোৱা নিজৰ এই মাটি টুকুৰাত তেওঁ শেষ নিশ্বাস পেলাব পাৰিছিল।"

"ইমান ধুমুহা পাৰ হৈ গ'ল তথাপি ৰমনী আৰু তুমি কোনেও মোক একেৱেই জানিবলৈ নিদিলা। মোৰ পৰা একেৱেই নিবিচাৰিলা। কিয়? নাজানো। তোমালোকে জানিছিলা, মোৰ ঘৰৰ জপনা তোমালোকৰ বাবে সদায়েই খোলা আছিল, মোৰ হৃদয়ো আৰু সদায়েই থাকিব। এন্ধাৰ হ'লেই, মই যাওঁ দিয়া।"

তেওঁ পদুলি মুখে আগবাঢ়ি গ'ল। জপনাখন খুলি নিজান ৰাস্তাটোৰে তেওঁ গৈ থাকিল

ৰাতিটো গৰম আৰু আদ্ৰ। শেঁতা আকাশখন ভাৱলেশহীন।

আকাশখনলৈ চাই তেওঁ দেখিলে, জঠৰ জোনটোৰ কাষত এটি তৰা তিৰবিৰাই আছে।□

চ'তৰ বিহু— ব'হাগৰ বিহু

✍ পাৰুল বৰুৱা

"বিহু বিহু বিহুটি
আমাৰ বিহু তিনিটি
মাঘৰ বিহু ভোগালী
কাতি বিহু কঙালী
ব'হাগতে ধেমালি কৰো।"

অসমীয়া জাতীয় জীৱনৰ পৰিচায়ক বিহু তিনিটা— মাঘৰ বিহু ভোগালী, কাতি বিহু কঙালী আৰু ব'হাগৰ ৰঙালী বিহু। আজিৰ নৱ প্ৰজন্মই নাজানিলেও তাহানি ৰঙালী বিহুটিক চ'তৰ বিহুও বুলিছিল। অসমীয়া সংস্কৃতিৰ সাধক, সাহিত্যিক ডাঃ লীলা গগৈদেৱৰ মতে— "তাহানি চ'তৰ বিহু আৰু ব'হাগৰ বিহু বুলিলে দুটা সুকীয়া বিহুক বুজাইছিল। গোটেই চ'ত মাহটো ডেকা-গাভৰুৱে বিহু পাতিছিল। এই বিহুত যৌনা সক্তিপূৰ্ণ গীত গাই ডেকা-গাভৰুৱে মনৰ ভাৱ বিনিময় কৰাটো একো আচৰিত নাছিল। সাধাৰণতে ডেকাই ডেকাৰ ভাগে, গাভৰুৱে গাভৰুৰ ভাগে সুকীয়াকৈ বিহু পাতিছিল। ডেকাৰ বিহুৰ সমল আছিল ঢোল, পেঁপা, গগণা আৰু তাল। গাভৰুৰ বাদ্য আছিল টকা আৰু গগণা। এই বিহু এমাহ জুৰি চলিছিল।" তাহানি চ'ত মাহৰ আৰম্ভণীৰ পৰাই বিহু-নাম শুবিলৈ পোৱা গৈছিল। ফাগুনৰ উৰুঙা বতৰে ডেকা-গাভৰুৰ মনবোৰো ৰিঙা ৰিঙা কৰে। ফাগুনৰ বুকু গৰকি চ'ত মাহ সোমায়। বসন্তৰ পৰশ লাগি মোহনীয়া হোৱা প্ৰাকৃতিক পৰিৱেশে ডেকা-গাভৰুৰ মন ৰাঁই-জাঁই কৰি তোলে। আদিম কৃষিজীৱী মানুহে যৌনসক্তিমূলক গীত আৰু নাচোনৰ প্ৰভাৱত পথাৰত উৎপাদন বৃদ্ধি হয় বুলি বিশ্বাস কৰিছিল। সেয়ে বসন্তৰ কমনীয় পৰিৱেশত উতলা ডেকা-গাভৰুৱে গোটেই চ'ত মাহটো শস্যৰ মুকলি পথাৰত উদ্দাম বিহু নৃত্য কৰিছিল। এয়ে আছিল তাহানিৰ ৰাতি বিহু বা চ'তৰ বিহু। সেয়ে অন্য সময়তো বৰকৈ আনন্দ উল্লাস কৰিলে— "চ'তৰ বিহু লাগিছে নেকি" বুলি কোৱা হয়।

বিহুত প্ৰিয়জনক দিবলৈ অসমীয়া জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱানখন ব'হাগৰ আগতেই বৈ কাটি উলিয়াইছিল। কেনেবাকৈ উলিয়াব নোৱাৰিলে 'বিহুচেৰা' হ'ল বুলি কোৱা হৈছিল। সাধাৰণতে যঁতৰত সুতা কটা, মহুৱা ফুৰোৱা কামবোৰ ৰাতিতে কৰি দিনৰ ভাগত তাঁতৰ পাটত বহিছিল। বিহুনামত গোৱা হয়—

"ৰাতি দুপৰলৈ কাটি সুতা লাহি
ধনলৈ বিহুৱান বলো

ৰঙালে আঁচুৰে বাচি পানেকটা
টিপতে লুকুৱাই থলো।”

সেইদৰে— আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ,
ফুলপানী ছিগাতে ঢোলৰ মাত শুনিছো
গছকি ভাঙি যাওঁ যঁতৰ।

অৰ্থাৎ ৰাতি বিহু বা চ'তৰ বিহুত ঢোলৰ মাত শুনি উত্ৰাৱল গাভৰুৱে যঁতৰ ঠেকেচা মাৰি ৰাতি বিহুঁলৈ ঢাপলি মেলিছিল। ডেকা-গাভৰুৱে মুকলি পথাৰত গছৰ তলত ৰাতি বিহু মাৰিছিল। কোনো বাধা নথকা এই বিহুত আছিল স্বাভাৱিক মৰ-চেনেহ, প্ৰেম-পীৰিতিৰ বতৰা আৰু যৌৱনৰ বিচৰণ। বিহুতলীতে ডেকাই জীৱন সঙ্গিনীও বিচাৰি ল'ব পাৰিছিল। ডেকাই গাভৰুক পলুৱাইও নিছিল। সেয়ে চ'তৰ বিহুক 'নিলাজী বিহু'ও বোৱা হৈছিল। বিহুনামত আছে—

"নিলাজী চ'ত, আছিলি য'ত
যা গৈ নিলাজী থাকগৈ চ'ত।"

ওৰে নিশা ডেকা-গাভৰুৱে বিহু মাৰিছিল। বিহুনামত এনেদৰে কোৱা হয়—

"এপৰ দুপৰ কৰি ৰাতি পাৰে হ'ব
আমাৰ বিহুত আমনি নাই,
ৰাতিৰ পৰে পৰে ফেঁচাই কুৰুলিয়ায়
আমাৰ বিহু ভাঙোতা নাই।"

এতেকে বিহুৰ মূল উপাদান বিহু নৃত্য চ'ততে আৰম্ভ হৈছিল। বুৰঞ্জীবিদ হৰকান্ত সদৰামিনৰ "অসম বুৰঞ্জী"তো "চৈত্ৰৰ বিহু"ৰ উল্লেখ আছে। কবিয়েও কবিতাৰে বৰ্ণনা কৰিছে—

"চ'তৰ বিহুত বৰদৈচিলা
মাকৰ ঘৰলৈ যায়
গছ-গছনি ঘৰ দুৱাৰ
নিয়ে উৰুৱাই।"

সঙ্গীতানুৰাগী স্বৰ্গদেউ ৰুদ্ৰসিংহই এই বিহুক ৰংঘৰৰ বাকৰিলৈ আনি ৰজাঘৰীয়া স্বীকৃতি প্ৰদান কৰে আৰু তেতিয়াই বিহুনামবোৰলৈও সুকীয়া মৰ্যদা আহে। সাধাৰণতে ৰাতি বিহুৰ প্ৰেম পীৰিতিৰ নাম আৰু যৌনাদ্দীপক বনঘোষাবোৰ মুকলিকৈ গোৱা নহৈছিল।

এনেদৰেই পথাৰৰ গছৰ তলৰ বিহু ৰজাঘৰীয়া মৰ্যদাৰে ৰাইজৰ চোতাল গৰকি হুঁচৰিৰ ৰূপ পালে বুলি ধাৰণা কৰা যায়। বহু পণ্ডিতৰ মতে বিহু 'প্ৰাক আৰ্য্য' কালৰ বুলি ক'লেও সময়ৰ সোঁতত বিহুত ধৰ্মীয় চেতনায়ো গা কৰি উঠে। চ'তৰ বিহু পালন কৰিলেও বিহুৰ আনুসঙ্গিক লোকাচাৰ আৰু ধৰ্মীয় পৰম্পৰাখিনি অতীজৰে পৰা ব'হাগৰ বিহুতেই পালন কৰি অহা হৈছে। সময়ৰ বিৱৰ্তনত বিহুৰ ধ্যান-ধাৰণালৈও বহু পৰিৱৰ্তন আহিল। কালক্ৰমত এসময়ৰ গছ তলৰ বিহু আহি মঞ্চ গৰকিলেহি। পূৰ্বতে হুঁচৰিত মহিলাই অংশগ্ৰহণ নকৰিলেও বৰ্তমান বিহু হুঁচৰিত গাভৰুৱে অংশগ্ৰহণ কৰাটোত সকলোৱে গ্ৰহণযোগ্য বুলি আদৰি লৈছে। পৰিৱৰ্তিত সমাজ ব্যৱস্থাত বিহুৱেও ৰূপ সলাইছে। জীৱন আৰু জীৱিকাৰ তাড়নাত জীৱন ধাৰণলৈও পৰিৱৰ্তন আহিছে আৰু ৰূপান্তৰৰ গতিত লাহে লাহে বিহুৰ বহু লোকাচাৰ আৰু পৰম্পৰা হেৰাই গৈছে।

হয়তো এনেদৰেই চ'তৰ বিহু হেৰাই গ'লেও বৰ্তমান মঞ্চ বিহুৰ বাবে চ'ত মাহত কৰা আখৰাই চ'তৰ বিহুক উজ্জীৱিত কৰি ৰাখিব।□

কুলি চৰাইৰ জন্ম কাহিনী (সাধু)

✍ কবিতা দত্ত গোস্বামী

শীতে লঠঙা কৰা প্ৰকৃতিক পুনৰুজ্জিৱীত কৰা ঋতু মানেই বসন্ত ঋতু। মাহ মানে ব'হাগ মাহ আৰু ব'হাগ মানেই ৰঙালী বিহুৰ আগমন। এই ব'হাগ বা ৰঙালী বিহুৰ আগমনৰ বতৰা আমাক প্ৰথম কেনে দিয়ে বাৰু? কুলি চৰাইৰ মাতে নহয় জানো? পিছে এই কুলি চৰাইজনীৰ জন্ম কাহিনীটো বাৰু জানানে?

পৃথিৱীৰ সৃষ্টিকৰ্তা হ'ল দেৱদিদেৱ ব্ৰহ্মা। তেওঁ প্ৰথমে পৃথিৱীত গছ-গছনি, নৈ, জান, জুৰি, পৰ্বত পাহাৰবোৰৰ সৃষ্টি কৰিলে। তেওঁৰেই স্বনিৰ্মিত উদ্যানখনত তেওঁ এদিন ঘূৰি-পকি দেখিলে যে গছ-গছনি আৰু ফুলে-পাতে জাতিস্কাৰ হৈ থকা পৃথিৱীখনত যেন তেতিয়াও আৰু কিবা অভাৱ থাকি গ'ল। সেই অভাৱ পূৰ কৰিবলৈ তেওঁ পৃথিৱীত জীৱ-জন্তুবোৰৰ সৃষ্টি কৰিলে। সেইবোৰো হ'ল, তথাপিও ব্ৰহ্মাৰ মনলৈ যেন সন্তুষ্টিৰ ভাব নাহিল। পুনৰ ভাবিলে, মাটিত চৰি ফুৰিব পৰা জীৱ-জন্তুবোৰ বাৰু হ'ল, কিন্তু এসময়ত সিহঁতৰোতো সংখ্যা বাঢ়ি যাব। সেয়ে পৃথিৱীৰ ভাৰসম্যতা ৰক্ষা কৰিবলৈ মৃত্যুও অনিবাৰ্য। কিন্তু মৃত শৰীৰবোৰ বিনষ্ট নকৰিলে পৃথিৱী প্ৰদূষিত হ'ব। সেয়ে সেই মৃত শৰীৰবোৰ আৰু এবিধ প্ৰাণীৰ দ্বাৰাই ভক্ষণ কৰাই পৃথিৱীক প্ৰদূষণমুক্ত কৰিব লাগিব। তাকে ভাবি তেওঁ সৃষ্টি কৰিলে মাংসভোজী পক্ষীকুলৰ। মাংসভোজী পক্ষীকুলে ধৰাক প্ৰদূষণ মুক্ত কৰিব আৰু লগতে পৰিস্কাৰো কৰি ৰাখিব। কিন্তু প্ৰকৃতিক সুন্দৰ কৰিবও লাগিব। সেয়ে ব্ৰহ্মাই এইবাৰ শষ্যভোজী চৰাই কিছুমান নিৰ্মাণ কৰাৰ কথা ভাবিলে।

বহুদিন ভাবি-গুণী থাকি এদিন ব্ৰহ্মাই সুন্দৰ পৰিকল্পনাৰে দুটি অতীব ধুনীয়া পক্ষীৰ সৃষ্টি কৰিলে। সেয়া হ'ল ম'ৰা চৰাই আৰু ৰাজহংস। ব্ৰহ্মাই নিজৰ সৃজনতে নিজে উৎফুল্লিত হৈ পৰিল। পিছে কেনা লাগিল তেতিয়াহে যেতিয়া তেওঁ দেখিলে এই দুই পক্ষীয়ে নিজৰে ৰূপত নিজে মুগ্ধ হৈ আত্মপ্ৰশংসাৰে সময় পাৰ কৰি থাকে। লগতে সেই ৰূপত দুয়ো ইমান অহংকাৰী হৈ আহিছে যে সিহঁত পৃথিৱীলৈ অহাৰ উদ্দেশ্যৰ কথাও পাহৰি পেলালে। প্ৰকৃতিৰ বাবে সিহঁতৰ কোনো কাম কৰাৰ ইচ্ছাই নাই। কিন্তু ব্ৰহ্মাৰ সৃষ্টিৰ উদ্দেশ্যই হ'ল পৃথিৱীখনক সুন্দৰ কৰাৰ উপৰিও পৰিৱেশ সংৰক্ষণৰ দায়িত্বও প্ৰত্যেক জীৱৰে থাকিবই লাগিব। জীৱ জগতৰ প্ৰতিটো প্ৰাণীৰে দায়িত্ব থাকিব। নিজ নিজ কামবোৰৰ মাজেৰেহে তেওঁলোকে

এই পৃথিৱীত বসবাস কৰিব। নিজৰ নিজৰ কামৰ মাজেৰেহে তেওঁলোকে তেওঁলোকৰ খাদ্য অন্বেষণ কৰাৰ উপৰিও আন প্ৰাণীকো সহায় কৰিব লাগিব। নহ'লে পৃথিৱীখন কেৱল ভোগৰ স্থলহে হৈ থাকিব, কৰ্মস্থল নহ'ব। এইদৰে থাকিলে এসময়ত ভোগৰ সামগ্ৰীবোৰো শেষ হৈ যাব।

কিন্তু ৰাজহাঁহ আৰু ম'ৰা চৰায়ে ব্ৰহ্মাই ধাৰ্য কৰা নীতি-নিয়মক উলংঘা কৰিলে। সিহঁতৰ আচৰণ দেখি ব্ৰহ্মাৰ বৰ খং উঠিল। দেৱতাসকলৰ ভিতৰত আটাইতকৈ সুন্দৰ দেৱতাজনেই হ'ল কাৰ্তিক। সুন্দৰ বস্তুৰ প্ৰতিও তেওঁৰ বৰ আকৰ্ষণ। ম'ৰা চৰাইৰ ৰূপ-ৰং দেখি কাৰ্তিকৰ বৰ মোহ আহিল। কিন্তু ব্ৰহ্মাৰ খং দেখি কাৰ্তিকে একো মাতিবও নোৱাৰা হ'ল। ব্ৰহ্মাই ইহঁত দুয়োটাকে কিবা এক শাস্তি দিয়াৰ কথা ভাবি-গুণি থাকোতেই দেৱ সুন্দৰ কাৰ্তিক আহি সেইখিনিত উপস্থিত হ'ল আৰু ব্ৰহ্মাৰ খং নিৰ্বাপিত কৰিবলৈকে ম'ৰা চৰাইটোক তেওঁ কামত লগাব বুলি অনুমতি বিচাৰিলে। ব্ৰহ্মায়ো তেওঁৰ অনুৰোধ ৰক্ষা কৰিলে। সৌন্দয্য পিয়াসী কাৰ্তিকে ধুনীয়া পক্ষীটোক তেওঁৰ বাহন কৰি লৈ ফুৰা হ'ল।

থাকিল ইফালে ৰাজহাঁহটো। তাৰ অহংকাৰ আৰু কামৰ প্ৰতি অনিহা দেখি ব্ৰহ্মাই ভাবিলে কিবা এটা অৱগুণ নিদিলে ৰাজহংসটোৰ অহং ভাব আতৰি নাযাব। সেয়ে তাৰ লাৱণি ৰূপটোত এটা কৰ্কশ কণ্ঠ দি দিলে। কৰ্কশ কণ্ঠ পোৱাৰ পাছতহে ৰাজহংসই তাৰ দোষক বুজিব পাৰিলে আৰু দোষ মাৰ্জনাৰ বাবে সি দিনে-ৰাতিয়ে ব্ৰহ্মাক কাকুতি-মিনতি কৰিব ধৰিলে। এতিয়াৰ পৰা আৰু কোনো কথাতে সি গুৰুৰ অবাধ্য নহ'ব বুলি প্ৰতিশ্ৰুতিও দিলে। ৰাজহংসৰ কান্দোন দেখি মৰমীয়াল ব্ৰহ্মাৰ হৃদয় গলি গ'ল। নিজৰে ই সৃষ্টিৰ এই কাতৰ অনুৰোধক ৰক্ষা নকৰি পাৰেনে? সেয়ে ৰাজহংসক তাৰ কণ্ঠ চৰ্চা কৰি পুনৰ সুন্দৰ কণ্ঠটো পাব পৰাকৈ তাক বা দেৱীৰ সৰস্বতীৰ ৰূপ গুণত মোহিত হৈ সি অনবৰতে সৰস্বতী দেৱীৰ ওচৰে-পাজৰে গা-ঘেলাইহে ফুৰিবলৈ মন কৰা হ'ল। ৰাজহাঁহ যিহেতু স্বভাৱজাত এলেহুৱাই সি নিজৰ কণ্ঠ চৰ্চাৰ কথা সমূলি পাহৰি সৰস্বতী দেৱীৰ বীণাৰ সুমধুৰ সুৰতে তন্ময় হৈ থকা হ'ল।

ব্ৰহ্মাই ভাবিলে সুন্দৰ পক্ষীৰ সৃষ্টি কৰি তেওঁ বিপদতহে পৰিল। গতিকে এইবাৰ কিছুমান কৰ্মী পক্ষীৰ সৃষ্টিৰ কথা ভাবিলে। লগতে ভাবিলে সিহঁতক প্ৰত্যেককে নিজৰ গুণগত মানত কিছুমান কামো দিব লাগিব। সিহঁতক এইবাৰ অতি ৰূপবান কৰি সৃষ্টি নকৰি গুণৱানহে কৰি সৃষ্টি কৰিব। এইবাৰ তেওঁ আৰু বিভিন্ন পক্ষীৰ সৃষ্টি কৰিলে। সেইবোৰ হ'ল ধনেশ, কাউৰী, শালিকা, পাৰ, ভাটৌ, ময়না, বুলবুলি, কুলি, কপৌ, হেতুলুকা ইত্যাদি। সিহঁতক সৃষ্টি কৰাৰ লগে লগে একো একোটা সুকীয়া পৰিচয়ৰ মাতো দিবলগীয়া হ'ল। প্ৰতিটো জাতৰ পক্ষীৰ নিজৰ নিজৰ প্ৰকৃতিৰ আৰু অভ্যাস তথা আগ্ৰহ অনুযায়ী চৰাইবোৰৰ মাত আৰু কামবোৰো নিৰ্ধাৰণ কৰি ল'লে।

কাউৰীৰ সৃষ্টিৰ লগে লগে সিহঁতে কেৱল হুলস্থুল কৰিহে ভাল পোৱা হ'ল। নিজৰ প্ৰাপ্য খাদ্যৰ উপৰিও সিহঁতে আনৰ খাদ্যৰ ওপৰতো চকু দিয়া হ'ল। তাকে দেখি সিহঁতৰ মাতবোৰ ব্ৰহ্মাই ইমান ডাঙৰ কৰি দিলে যে কাউৰীৰ মাত শুনিলেই আন আন পক্ষীবোৰ যাতে সজাগ হৈ থাকিব পাৰে। এইদৰেই স্বভাৱ অনুসৰি আন আন প্ৰতিটো পক্ষীৰো মাতবোৰ সংযোজন কৰি গ'ল।

সেই সময়ত আদি কবি বাল্মিকীৰ আশ্ৰমৰ লেখীয়াকৈ আন আন ঋষি মুনিসকলেও একোখন ধুনীয়া ধুনীয়া আশ্ৰম পাতি ঈশ্বৰক আৰাধনা কৰিছিল। সেই আশ্ৰমবোৰৰও বেদৰ চৰ্চাও হৈছিল। মুনিসকলে পুৱাতেই উঠি ওচৰত থকা নদীত স্নান কৰি আহি সূৰ্য্য দেৱতাক স্তুতি কৰিছিল। বেদৰ মন্ত্ৰ আৰু সূৰ্য্য স্তুতিয়ে বাতাবৰণ পৱিত্ৰ কৰি তুলিছিল। ভাটৌ আৰু শালিকাই সেই বেদৰ মন্ত্ৰবোৰ শুনি শুনি ইমান ভাল পোৱা হ'ল যে ঋষি মুণিসকলৰ উপাসনা স্থললৈ সোমাই গৈ তেওঁলোকৰ লগে লগে মন্ত্ৰবোৰ আওৰাবলৈকো আৰম্ভ কৰিলে।

সেইদৰেই গোটেইবোৰ চৰাইৰ ৰেহ-ৰূপ আৰু আচৰণবোৰ চাই থাকোতে ব্ৰহ্মাই মন কৰিলে ইয়াৰ মাজত দেখোন কুলি চৰাইটো নাই? ব্ৰহ্মাই বিচাৰি বিচাৰি গছৰ ডালত পাতৰ মাজত মন মাৰি থকা অৱস্থাত কুলিক ব্ৰহ্মাই আৱিস্কাৰ কৰিলেগৈ। ব্ৰহ্মাই কুলিক মাতি আনি তেনেকৈ জুপুকা লাগি বহি থকাৰ কাৰণ সুধিলে। কুলিয়ে বেজাৰত ব্ৰহ্মাৰ সন্মুখত কথাই ক'ব নোৱাৰিলে। ব্ৰহ্মা সৃষ্টিকাৰী আৰু মৰমিয়ালো। তেওঁৰ সৃষ্টিয়ে জীৱন-ধাৰণৰ লগতে আনন্দ উপভোগো কৰক বুলিয়েইতো ইমানবোৰ স্ৰজন কৰিছে। তেনেস্থলত সৃষ্টিৰ নিৰানন্দতাই তেওঁক দুখ নিদিবনে? ব্ৰহ্মাই কুলিৰ চকুপানী মচি অতি চেনেহৰে ওচৰ চপাই লৈ সমস্যাৰ কথা সুধিলে। কুলি চৰায়ে ব্ৰহ্মাৰ চৰণ চুই কান্দি কান্দি ক'লে— "হে বিশ্বস্ৰষ্টা! তুমিতো সকলো প্ৰাণীৰেই স্ৰষ্টা। তুমি সকলোকে গুণগত আচৰণ আৰু অভ্যাস চাই প্ৰত্যেককে প্ৰতিষ্ঠা কৰোঁৱালা। কিন্তু আমাৰ কথা তুমি অকনো চিন্তা নকৰিলা। সকলো পক্ষীকেই বেলেগ বেলেগ ৰূপ-ৰং, কণ্ঠ আৰু কাম

দিলা। কিন্তু আমাৰ বাবে যদি একো কামেই নাছিল তেন্তে সৃষ্টি কৰিলা কিয়। দেখিবলৈ কৰিলা কাউৰীৰ দৰে। সেয়ে ভাবিছিলো কাউৰীৰ সৈতেই মিলিজুলি থাকিম। কিন্তু হ'ল ওলোটাটোহে। আমাৰ তাতো শান্তি নাই। কাউৰীয়ে আমাক ওচৰেই চাপিবলৈ নিদিয়ে, ঠোঁচামাৰি খেদি যায় আৰু বিনাদোষত হকে-বিহকে হুলস্থুলৰ সৃষ্টি কৰি পেলায়। হে মহান স্ৰষ্টা! আমাৰ যিহেতু কোনো বিশেষত্বই নাই সেয়ে এই ধৰাত থকাৰো প্ৰয়োজন নাই। সেয়ে আত্মঘাটি হ'বলৈহে থিৰাং কৰিছো।

ব্ৰহ্মাই তেতিয়াহে লক্ষ্য কৰিলে যে সঁচাকৈয়ে তেওঁ সকলো পক্ষীকে বেলেগ বেলেগ ৰূপ দিলে, কিন্তু কুলিকহে পিছে কাউৰীৰ সৈতে একে কৈ স্ৰজিলে। তাতে জীৱ-জগতে যদি আত্মঘাটিৰ কথা চিন্তা কৰিবলগীয়া হয় তেন্তে তেওঁনো বাৰু স্ৰষ্টা হ'ল কেনেকৈ? দিব্যদৃষ্টি থকা ব্ৰহ্মাৰ চকুৰ সমুখত কুলিৰ অভিযোগখিনি মিছা নহয় বুলি প্ৰমাণিত হ'ল। তেতিয়া ব্ৰহ্মাই কুলিক তেনে নকৰিবলৈ অনুৰোধ কৰি ক'লে যে, যদিও কুলি সৃষ্টি হ'ল কাউৰীৰ ৰূপত কিন্তু কুলি চৰাইক দিয়া কামবোৰ সকলো চৰাইতকৈ বেলেগ হ'ব। ক'লে— ছোৱা বৎস! মই এবাৰ যি সৃষ্টি কৰিলো তাক শুধৰাব নোৱাৰো। তেনে কৰিলে গোটেই সৃষ্টিকেই ওলট-পালট কৰিব লাগিব। সেয়ে তোমাক মই আজিৰ পৰা যি কাম দিম তাক কৰি তুমিও আনন্দ পাবা আৰু এই জগতকো আনন্দ দিব পাৰিবা। তুমি এই মুহূৰ্তৰ পৰা এটা বেলেগ জীৱন পাবা। তোমাক মই সৰস্বতীৰ ওচৰলৈ পঠিয়াব পাৰিলোহেঁতেন, কিন্তু তাত ৰাজহংসই গৈ এনেদৰে খোপনি পুতি ল'লে যে সি আৰু তাৰপৰা আহিবই পাহৰা হ'ল। সেয়ে মোৰ অনুৰোধমতে তোমাৰ কণ্ঠত বাগদেৱীয়ে বিৰাজ কৰিব। তুমি সুললিত কণ্ঠেৰে প্ৰকৃতিক নিতৌ জগাই তুলিবা।

কুলি তথাপিও সন্তুষ্ট নহ'ল। ক'লে— হে পৰম ব্ৰহ্মা। মোক বাৰু সুললিত কণ্ঠ প্ৰদান কৰিলাই, কিন্তু মইনো থাকিম ক'ত? কাউৰীৰ দৰে বাঁহ সাজিবলৈ চেষ্টা কৰিছিলো, কিন্তু সিহঁতে মোক এনেদৰে খেদা দিলে যে বাঁহ সজাৰ কিটিপটোকে শিকিব নোৱাৰিলো। ব্ৰহ্মাই ক'লে— ঠিক আছে, তুমি প্ৰকৃতিৰ কোলাত থাকিবা। প্ৰকৃতিৰ কোলা মানে? গছৰ ফেৰেঙণিবোৰ ইতিমধ্যে ধনেশে অধিকাৰ কৰি তাৰ খোৰেঙত সিহঁতে সংসাৰ পাতিলেই। তাততো থাকিব নোৱাৰিম? গছৰ ডালতেই বাৰু থাকিলো, কিন্তু আমাৰ বংশ বৃদ্ধিৰ বাবে কণী পাৰিম ক'ত? গছৰ ডালত জানো কণী তুলিব পাৰি? ব্ৰহ্মাই কাণে কাণে বুদ্ধি দিলে যে যেতিয়া কাউৰীয়ে আহাৰৰ সন্ধানত ওলাই যাব, তেতিয়া সেই বাঁহতে কণী পাৰি আহিবা। মই বাৰু কণীবোৰৰ বৰণ আৰু আকাৰো একে কৰি দিম। কণীবোৰত কোনো ধৰণৰ তাৰতম্যই নাথাকিব।"কিন্তু হে মহান পালক! আমাক যে কাউৰীয়ে ইমান অত্যাচাৰ কৰে, আমি এতিয়া পাতৰ আঁৰতহে লুকাই থাকিবলগীয়া হৈছে।"

ব্ৰহ্মাইও বুজিলে সঁচাকৈয়ে কাউৰীৰ উপদ্ৰৱবোৰ বাৰুকৈয়ে বাঢ়িছে। ইহঁতকো এসেকা দিব লাগিব। সেই বুলিয়েই কাউৰীক ব্ৰহ্মাই মতাই পঠালে। কাউৰীয়ে ব্ৰহ্মাৰ কথা শুনাৰ বিপৰীতে অযথা তৰ্ক-বিতৰ্কহে কৰিব ধৰিলে। ব্ৰহ্মাৰ খং উঠি শাও দি ক'লে— হেৰৌ কাউৰী! পক্ষীকুলত তোৰ দৰে উপদ্ৰৱী পক্ষী নাই, সেয়ে তোক ভাল গুণেৰে ভৰাই দিম বুলিহে মতাই আনিছিলো, কিন্তু তোৰ আচৰণ দেখি তোলৈ মোৰ শাওহে ওলাইছে। তই গছৰ ডালতেই বাঁহ সাজ বা বাঁহৰ জাৰণিতেই, কিন্তু তোৰ খাদ্য হ'ব আনৰ উৎকৃষ্টহে। শগুনক মই গোটেই জগতৰ গেলা-পঁচা মৰা আৱৰ্জনাবোৰ আতৰাই পৰিৱেশ নিৰ্মল কৰি ৰাখিবলৈ আদেশ দিছিলো, সিহঁতে সিহঁতৰ কাম সঠিকভাৱে কৰি গৈছে। সিহঁতে খোৱা আহাৰো তই পাবলৈ যোগ্য নহ'বি। তোৰ মই মতালিৰ বাবে জীৱ-জন্তুৰ মৰাশৰ ভাগ শগুণৰ চকুত নপৰাকৈহে খাব পাৰিবি, নহ'লে শগুণে তোকেই খাই পেলাব। কাউৰীয়ে তেতিয়াহে বুজিলে যে গুৰুৰ কথা নমনা বাবে সি এই অভিশাপ পাবলগীয়া হ'ল।

জগতৰ কাম নিয়াৰিকৈ চলি গৈ থাকিল। এদিন হঠাতে পাৰ চৰাইটো আহি ব্ৰহ্মাক গোচৰ দিলেহি যে ডিঙিত ফুটফটিয়া এধাৰি কণ্ঠহাৰ পিন্ধা পাৰ চৰাইৰ আকৃতিৰ কপৌ নামৰ পক্ষীটিয়ে হেনো পাৰৰ কণ্ঠহাৰ নথকা বাবে সিহঁতক বিদ্ৰূপ কৰাৰ লগে লগে লগত ৰাখিবলৈকো লাজ পোৱা হৈছে। ব্ৰহ্মাই জানে কপৌ বৰ মিখিত পক্ষী। তথাপিও যদি এই কণ্ঠহাৰৰ বাবেই পাৰক উপলুক্ষা কৰা হৈছে তেন্তে পাৰক বণত ৰখাতকৈ ঘৰত ৰখাই ভাল হ'ব বুলি ঘৰতে আশ্ৰয় দি সিহঁতৰ মাজত মিমাংসা কৰাই দিলে।

ব্ৰহ্মাই কুলিক দিয়া আদেশ আখৰে আখৰে পালন কৰিব ধৰিলে। পুৱাতেই সকলো পক্ষীৰ মাত আৰম্ভ হয়। কুলিয়ে সুললিত কণ্ঠেৰে প্ৰকৃতিৰ বন্দনা গোৱা আৰম্ভ কৰিলে। গোটেই জগতত কুলিৰ কণ্ঠৰ বিষয়ে চৰ্চা হ'বলৈ ধৰিলে। পিছে অহৰহ গীত জুৰি থাকি থাকি কুলিৰ ভাগৰ লাগে। মাজে মাজে কিছু সময়ত বিৰতি লয়, পুনৰ গীত জুৰে। কুলিৰ কণ্ঠত যথেষ্ট চাপ পৰা হ'ল।

ব্ৰহ্মাই দেখিলে সৰস্বতীৰ আশীৰ্বাদে কুলিক সঁচাকৈয়ে এক অদ্বিতীয় কণ্ঠীৰূপে পৰিচয় দিলে। শীতত জড় হৈ থকা পৃথিৱীখনৰ গছ লতিকাৰ পাতবোৰ সৰি সৰি লঠঙা হৈ পৰিছিল। কিন্তু যিদিনাৰ পৰা কুলিয়ে সৰস্বতী দেৱীৰ বৰ প্ৰাপ্ত হৈ সাধনাত ব্ৰতী হৈ পৰিল সেই দিনাৰেপৰা যেন পৃথিৱীয়ে নতুন ৰূপ পাব ধৰিলে। গছ লতিকাই হৰিৎ বৰণ সলালে, বনত নানান সুগন্ধি ফুল ফুলি সুন্দৰ বাতাবৰণৰ সৃষ্টি কৰিলে, আমে মলিয়ালে, কঠালে মুচী পেলালে। ব্ৰহ্মাৰ চকুত পৃথিৱীৰ এই পৰিৱৰ্তনে বৰ আনন্দ দিলে। কুলিক মতাই আনি ব্ৰহ্মাই ক'লে— বৎস! মই তোমাৰ কামত ইমান সন্তুষ্ট যে মোৰেই সৃষ্টিত তুমি তোমাক কণ্ঠৰ বলেৰে এক অন্যবাদ্য মাত্ৰা প্ৰদান কৰিলা। তাৰ বাবে তুমি পুৰস্কাৰৰ যোগ্য। পুৰস্কাৰ হিচাপে মই তোমাৰ কণ্ঠক কিছুদিনলৈ ৰেহাই দিব খুজিছো। কথাষাৰ শুনি কুলিয়ে বৰ ভয় খালে। ব্ৰহ্মাৰ এই কথা কুলিৰ বাবে বাৰু পুৰস্কাৰ আছিল যে তিৰস্কাৰ আছিল কুলিয়ে বুজিব নোৱাৰিলে। জানোচা ব্ৰহ্মাই কুলিৰ কামত অসন্তোষেই হ'ল নেকি বুলি সুধিলে— হে পৰম ব্ৰহ্ম! তোমাৰ সৃষ্টিত মই কুৰূপ পালো। মইতো আত্মঘাটিয়েই হ'ব বিচাৰিছিলো, কিন্তু তুমি মোক জীয়াই থকাৰ বাট দেখুৱালা। এতিয়া তুমি মোক কি দোষত মোৰ কামৰ পৰা ৰেহাই দিবলৈ সিদ্ধান্ত ল'লা? মোৰ দোষখিনি জনাবা নে? ব্ৰহ্মাই মিচিকিয়া হাঁহিৰে ক'লে— মই জানো তুমি মোৰ শ্ৰেষ্ঠ সৃষ্টিবোৰৰে এজন। গোটেই জগতক জগাই তুলিবলৈ তুমি যি গুৰুৰভাৰ নিজে কান্ধ পাতি লৈছা, মই তাৰ পৰাহে তোমাক সাময়ীকভাৱে ৰেহাই দিব বিচাৰিছো। এতিয়াৰ পৰা তুমি মাথো তোমাৰ শক্তি অনুসৰিহে জগতৰ কাম কৰিবা। তোমাক মই মাত্ৰ বছৰৰ তিনিটা মাহমানলৈ হে সুললিত কণ্ঠেৰে জগতক আনন্দ দি নতুন ৰূপত সজায় তুলিবলৈ অনুৰোধ কৰিলো। কাৰণ তোমাৰ কণ্ঠৰ পৰিশ্ৰমে তোমাক যথেষ্ট কষ্ট দিয়ে। তুমি কষ্ট পাইও মোক কোৱা নাই। সেয়ে তোমাৰ গুৰুভক্তি দেখি মই আনন্দিত হোৱাৰ লগতে সন্তুষ্টও হৈছে। এতিয়াৰ পৰা তুমি মাথো তিনিমাহলৈ আহি তোমাৰ সুৱদী কণ্ঠেৰে প্ৰকৃতিক আপ্লুত কৰি পুনৰ সুদূৰ হিমালয়ৰ পাদদেশলৈ গৈ বাকী মাহকেইটা শান্তিত জিৰণি ল'বাগৈ। পুনৰ যেতিয়া তুমি হিমালয়ত সূৰ্যৰ প্ৰখৰতাৰ উমান পাবা, তেতিয়া তুমি বসন্ত কুমাৰক তোমাৰ লগতে ধৰালৈ নিমন্ত্ৰণ কৰি লৈ আহিবা। তোমাৰ এইখিনি কামেই মোৰ জগতৰ বাবে বহুমূলীয়া অৱদান হৈ ৰ'ব।

তেতিয়াৰে পৰাই কুলি চৰায়ে ফাগুণৰ পচোৱাৰ সৈতে প্ৰকৃতিৰ কোলালৈ আহে আৰু সৃষ্টিকৰ্তাৰ আদেশ অনুসৰি মাথো তিনিটা মাহ প্ৰকৃতিৰ সৈতে কটায়, প্ৰকৃতিক সুন্দৰৰূপে সজায় তোলে আৰু বসন্তৰ আগমনৰ বাতৰি দিবলৈ ল'লে। বসন্তই আনে নতুন উদ্যম, পৃথিৱীয়ে পায় নতুন ৰূপ। বতাহৰ চেৱে চেৱে বনৰীয়া ফুলে হালিজালি বসন্তক আদৰে। আন আন পক্ষক্ষীবোৰেও কুলিৰ সুৰতে সুৰ মিলাই পৰম ঈশ্বৰক কৃতজ্ঞতা জনায়। পৃথিৱীত শান্তি-সম্প্ৰীতিয়ে সমাৰোহ পাতে।

সেয়ে ময়ূৰ সুন্দৰ যদিও কাৰ্তিকৰ বাহন হৈ হে থাকিল। ৰাজহাঁহ এলেহুৱা বাবে দেৱী সৰস্বতীয়ে বছৰত এবাৰকৈ বসন্ত পঞ্চমীৰ দিনা ধৰালৈ ভক্তসকলৰ পূজা গ্ৰহণ কৰিবলৈ আহোতে লগতে বাহন হৈ আহে। কপৌ বনত থাকিল, মানুহৰ মাজত পাৰৰ স্থান হ'ল। ভাটৌ, শালিকাই বেদৰ মন্ত্ৰ মাতিবলৈ শিকিলে বাবে মানুহৰ শিকনিকো আয়ত্ব কৰি মানুহৰ প্ৰিয় পক্ষী হৈ থাকিল। কুলিয়ে দেৱী সৰস্বতীৰ আৰু ব্ৰহ্মাৰ আশীৰ্বাদ প্ৰাপ্ত হৈ সুমধুৰ কণ্ঠেৰে কিছুদিন গীত গাই পুনৰ হিমালয়ৰ পাদদেশলৈ উভতি যোৱা হ'ল।

পক্ষীকুলৰ এই সৃষ্টিৰ দ্বাৰা আমি ইয়াকে বুজি পালো যে— সৃষ্টিকৰ্তাক, পালন কৰোতাক আৰু গুৰুসকলক ভক্তি সন্মান কৰিব লাগে। জীয়াই থকালৈকে নিজৰ নিজৰ কাম কৰি জগতৰ হীত সাধন কৰি দিব্য ভোদ্যা বসুমূৰাত প্ৰত্যেকেই নিজকে শ্ৰেষ্ঠ জীৱ বুলি গৰ্বিত কৰিব পাৰিব লাগে।□

চোৰ আৰু ৰাজপৰিষদ

✍ কোৰিয়াৰ সংগ্ৰহিত সাধু

বহু বছৰ আগতে কোৰিয়াত এজন বুঢ়া চোৰ আছিল। সি আছিল মহা বুধিয়ক। তাৰ বুদ্ধিৰ কথা দেশখনৰ সকলোৰে মুখে মুখে। সি ইমান চালাক আছিল যে গোটেই জীৱনটো চুৰ কৰি কৰি বুঢ়া হ'ল কিন্তু এবাৰো কোনেও তাক ধৰা পেলাব পৰা নাছিল। ধৰা নপৰাকৈ অনায়াসে চুৰ কৰি কৰি বুঢ়াৰ সাহসটোও বাঢ়ি গৈছিল। 'এই অমুকা চোৰক ধৰা পেলোৱাৰ সাধ্য কাৰ?'— নিজৰ ওপৰত বুঢ়াৰ ইমানেই বিশ্বাস। পিছে 'এশ গৰু মাৰিলে বাঘৰো মৰণ' বুলি এষাৰ কথা আছে নহয়। বুঢ়াৰো সেয়ে হ'ল। অতি আত্মবিশ্বাসেই সেই বুঢ়া চোৰৰ কাল হ'ল। এদিন সি ধৰা পৰিল। কি চুৰ কৰি সি ধৰা পৰিল জানানে? ওহো, হাতী-ঘোঁৰা, ধন-সোণ একো নহয়। সামান্য অলপমান মচলা। 'মোক কোনে ধৰিব পাৰে' এনে ফিতাহী মৰা ভাৱেৰে এখন দোকানত সোমাই সামান্য মচলাৰ পেকেট এটা চুৰ কৰি কঁকালৰ খুচনিত গুজি থাকোতেই দোকানীজনে বুঢ়াক হাতে-লোটে ধৰিলে।

চোৰটোক দোকানত বহুৱাই ৰাখি পুলিচক খবৰ দিয়া হ'ল। পুলিচ আহি চোৰটোক বিচাৰকৰ ওচৰলৈ লৈ গ'ল। বিচাৰক হাকিমজন আছিল বিৰাট কাঢ়া। সকলো বিচাৰ কৰি তেওঁ চোৰটোক বহু টকা জৰিমনাৰ আদেশ দিলে। টকাৰ সংখ্যাটো শুনি চোৰটোৰ মুখখন শুকাই টেমিটো যেন হ'ল। ক'ৰপৰা সি ইমান সোপা টকা দিব? সি হাতযোৰ কৰি বিচাৰকক ক'লে, "ন্যায় অৱতাৰ, মোৰ কোনো সা-সম্পত্তি নাই। থকা চালিখন আৰু মোক নিজকে বিক্ৰি কৰিও সাত জনমতো ইমান টকা মই যোগাৰ কৰিব নোৱাৰিম। মোক এইবাৰলৈ মাফ কৰি দিয়ক, প্ৰভু ঈশ্বৰ।"

হাকিমজন হ'ল বৰ একাচেকা। দোষীয়ে শাস্তি পাবই লাগিব। তেওঁ চোৰটোক এইবাৰ পাঁচ বছৰৰ কাৰাদণ্ড বিহিলে।

চোৰটোক নি জেইলৰ ভিতৰত সোমোৱা হ'ল। সোমায়েই জেইলৰ ওখ ওখ দেৱাল আৰু চাৰিওপিনে বন্দুক লৈ থিয় হৈ থকা পহৰাদাৰবোৰ দেখি সি বুজিলে ইয়াৰ পৰা পলাই যোৱাটো কোনোপধ্যেই সম্ভৱ নহয়। সি জেইলৰ পৰা ওলোৱাৰ বেলেগ উপায় চিন্তা কৰিবলৈ ধৰিলে।

ভাবি ভাবি তাৰ মনত এদিন এটা বুদ্ধি খেলালে। সি গৈ হাতযোৰ কৰি জেইলাৰৰ সন্মুখত থিয় হ'ল।

তাক দেখি জেইলাৰে ধমক দি সুধিলে, "কি হ'ল! কি লাগে তোক?"

"মোক এবাৰ মহাৰাজৰ ওচৰলৈ লৈ ব'লক, প্ৰভু!" চোৰে ক'লে।

"মহাৰাজ!" শব্দটো আওৰাই জেইলাৰে হাঁহি দিলে। ক'লে, "হেৰৌ, কি কৈছ তই নিজেই গম পাৱনে? নিঃকিন চোৰ এটা হৈ তই স্বয়ং মহাৰাজক

দেখা কৰিব খোজ? মহাৰাজে কি দুঃখত তোৰ দৰে চোৰ এটাক সাক্ষাৎ দিব?" ঠাট্টাৰ সুৰত জেইলাৰে কথাখিনি ক'লে।

জেইলাৰৰ ঠাট্টাখিনিক গুৰুত্ব নিদি চোৰটোৱে ক'লে, "মোক এবাৰ মহাৰাজৰ ওচৰলৈ লৈ ব'লক প্ৰভু। মহাৰাজক মই এটা অসাধাৰণ বস্তু উপহাৰ দিব বিচাৰো। মহাৰাজৰ বাহিৰে আন কোনোৱেই সেই বিশেষ বস্তুটোৰ গৰাকী হোৱাৰ যোগ্য নহয়। মহাৰাজৰ হাতত সেই অসাধাৰণ বস্তুটো তুলি দি মই এই জীৱনটোত কৰা সমস্ত দোষৰ কিঞ্চিৎ প্ৰায়চিত্ত কৰিব খোজো। এবাৰ মাত্ৰ আপুনি মোক মহাৰাজৰ লগত সাক্ষাৎ কৰাই দিয়ক।"

চোৰটোৱে এনে বিনয়েৰে কথাখিনি ক'লে আৰু তাৰ চকুৰে মুখে এনে এটা আত্মবিশ্বাসৰ ভাব ফুটি উঠিল যে জেইলাৰে তাৰ কথা বিশ্বাস কৰিবলৈ বাধ্য হ'ল। জেইলাৰে ভাবিলে, "ই মিছা কোৱা নাই আৰু ইয়াক মহাৰাজৰ ওচৰলৈ লৈ গ'লে সেই অসামান্য উপহাৰটো পাই মহাৰাজ মোৰ প্ৰতিও সদয় হ'ব পাৰে।" জেইলাৰে ক'লে, "ঠিক আছে, তই ইমান খাটনি ধৰিছ যেতিয়া মই বাৰু চেষ্টা কৰি চাম কি কৰিব পাৰি। কিন্তু মনত ৰাখিবি মহাৰাজ অসন্তুষ্ট হ'ব লাগিলে মোতকৈ ডাঙৰ যম আৰু তোৰ বাবে কোনো নহ'ব।"

হাতযোৰ কৰি চোৰটোৱে ক'লে, "তেনে দুশ্চিন্তা আপুনি নকৰিবই। মোৰ এই বিশেষ উপহাৰটো পালে মোক তেওঁৰ ওচৰলৈ লৈ যোৱা বাবে মহাৰাজে আপোনাক পুৰস্কৃতহে কৰিব।"

চোৰটোৰ কথাত পতিয়ন গৈ জেইলাৰে আক-তাক খাটি ৰজাৰ সৈতে চোৰৰ সাক্ষাৎৰ ব্যৱস্থা এটা কৰি দিলে।

সাক্ষাৎৰ মসয় অনুযায়ী পিছদিনা জেইলাৰে চোৰটোক নি ৰজাৰ সন্মুখত উপস্থিত কৰোৱালে। এখন সুন্দৰ সিংহাসনত ৰজা বহি আছে। ৰজাৰ দুয়োকাষে থিয় হৈ দুজনী সুন্দৰী গাভৰুৱে বিশাল বিচনীৰে ৰজাক বা দি আছে। সন্মুখত ৰাজমাতা আৰু ৰাজ্যখনৰ বিয়াগোম বিষয়াসকল বহি আছে আৰু তেওঁলোকৰ পিছত থিয় দি আছে সভাসদ প্ৰজাগন। চোৰটোৱে গৈ মহাৰাজক সাষ্টাঙ্গে সেৱা জনালে।

চোৰটোলৈ চাই ৰজাই ক'লে, "শুনিছো, তই বোলে মোলৈ কিবা অসামান্য উপহাৰ এবিধ লৈ আহিছ? কি আনিছ সোনকালে দেখা। তোৰদৰে ভিকহু এটাৰ লগত মই সময় নষ্ট কৰিব নোৱাৰো।"

কথা কোৱাৰ আগতে বুঢ়া চোৰটোৱে ৰাজসভাৰ কেওপিনে এবাৰ মূৰ ঘূৰাই চাই ল'লে কোন কোন আছে। প্ৰধানমন্ত্ৰী, মুখ্য সচিব, সেনাধ্যক্ষ, মুখ্য জেইলাৰ সকলোৱেই ৰাজদৰবাৰত উপস্থিত আছে।

"মহাৰাজ মই আপোনাৰ বাবে এটি দুৰ্লভ উপহাৰ আনিছো।" এই বুলি চোৰটোৱে কাগজেৰে মেৰিওৱা সৰু এটি কাঠৰ বাকচ মহাৰাজলৈ আগবঢ়াই দিলে।

অতি আগ্ৰহেৰে আৰু কৌতুহলেৰে সেইটো হাত পাতি লৈ ৰজাই খপজপাই কাগজবোৰ চিঙি বাকচটো খুলিলে। বাকচটো খুলি চাই খঙতে ৰজাৰ চকু মুখ ৰঙা হৈ উঠিল। গৰজি উঠাৰ দৰে চোৰটোলৈ চাই ৰজাই ক'লে, "সামান্য চোৰ এটা হৈ তোৰ ইমান সাহস, মোৰ সৈতে ধেমালি কৰিবলৈ আহ? এটা সামান্য তালৰ গুটি মোক উপহাৰ দিবলৈ এনে সাহস তই ক'ত পালি? তোৰ এই বলিয়ালীৰ শাস্তি কি হ'ব পাৰে তই জাননে?"

হাতযোৰ কৰি চোৰটোৱে ক'লে, "মহাৰাজ মোক মাৰিলেও মাৰক, কাটিলেও কাটক। তালৰ গুটিটো দেখি মহাৰাজৰ খং উঠিব বুলি মই জানিছিলোৱেই। এইটো দেখিবলৈ এটা সাধাৰণ তালৰ গুটিয়েই, কিন্তু এই গুটিটো সাধাৰণ নহয়, স্বৰ্গদেউ প্ৰভু। এই গুটিটো পুতিলে যিজোপা গছ হ'ব তাত সাধাৰণ তাল নহয়, সোণৰ তাল লাগিব।"

ৰাজ সভা কক্ষত চেপা গুণ গুণনি এটা উঠিল।

ৰজাই এইবাৰ মাতটো অলপ কোমল কৰি ক'লে, "সোণৰ ফলেই যদি লাগে, তই নিজেইনো এই গুটিটো পুতি গছ নগজালি কিয়?"

"তাৰ কাৰণ আছে, মহাৰাজ। গুটিটোৰ বিশেষত্ব তাতেই। যিয়ে কোনোদিন চুৰ কৰা নাই বা জীৱনত কাকো ঠগোৱা নাই তেনে মানুহে নিজ হাতে এই গুটিটো পুতিলেহে গছ জোঁপাত সোণৰ তাল লাগিব। আনে পুতিলে সাধাৰণ তালেই হ'ব আৰু সেই কাৰণেই মই মহাৰাজৰ ওচৰলৈ এই গুটিটো লৈ আহিছো। কাৰণ মই জানো, মহাৰাজে জীৱনত কেতিয়াও চুৰ কৰা নাই আৰু কাকো কেতিয়াও ঠগোৱা নাই।" বুঢ়া চোৰে ক'লে।

ৰজাৰ আন কিবা দোষ আছিল নে নাই নাজানো কিন্তু এটা কথা মইহে নালাগে সকলোৱেই জানে, তেওঁ এগৰাকী সৎ, সাধু মানুহ। কিছু সময়ত তলমূৰ কৰি মনে মনে থাকি ৰজাই তেওঁৰ গোটেই জীৱনটোৰ কথা এবাৰ ভাবি চালে। হঠাতে তেওঁৰ মনত পৰিল, সৰুতে এদিন তেওঁ মাকৰ বেগৰ পৰা এটকা চুৰ কৰিছিল। কথাটো মনত পৰাৰ লগে লগে ৰজাই ক'লে, "মই বৰ দুঃখিত যে এই গুটিটো পুতিবলৈ মই উপযুক্ত মানুহ নহয়।"

চোৰটোৱে ক'লে, "প্ৰধানমন্ত্ৰী মহাশয়? তেওঁ নিশ্চয়...।"

চোৰটোৰ কথাখিনি শেষ হ'বলৈয়ে নাপালে, প্ৰধানমন্ত্ৰীয়ে কৈ উঠিল, "নাই, নাই অসম্ভৱ।" তেওঁৰ কান-মূৰ ৰঙা হৈ উঠিল। তেওঁ জানে, প্ৰায়েই পদোন্নতি, বদলি আদিৰ বিনিময়ত তেওঁ কিদৰে তলতীয়া বিষয়াবোৰৰ পৰা মোটা ঘোচ খায়। তালৰ গুটিটো তেওঁৰ হাতেৰে পুতিলে তাৰ ফল যে

নফলিয়াই সেইটো নিৰ্ঘাত। বৰং তেওঁ ঘোচ খোৱা কথাটোহে প্ৰমাণ হৈ যাব। কথাখিনি কৈ কালৈকো নাচাই তলমূৰকৈ প্ৰধানমন্ত্ৰী বহি ৰ'ল।

"তেনেহ'লে সেনাধ্যক্ষ মহাশয়!"— সেনাধ্যক্ষলৈ চাই চোৰটোৱে ক'লে।

চোৰটোৰ মুখলৈ নোচোৱাকৈয়ে তলমূৰ কৰি সেনাধ্যক্ষগৰাকীয়ে বিৰবিৰাই ক'লে "নাই, নাই। মোক নালাগে।" সৈন্য বাহিনীৰ নামত আৱণ্টিত বিভিন্ন আঁচনিৰ ধন আত্মসাৎ কৰি সেনাধ্যক্ষজনে তিনিটা প্ৰজন্মই খাব পৰাকৈ যি সম্পদ গোটাইছে, কি সাহসত তেওঁ গুটিটো হাত পাতি লয়?

এইবাৰ মুখ্য সচিবগৰাকীলৈ চাই চোৰে ক'লে, "মহাৰাজৰ বাবে উপহাৰ হিচাবে অনা এই অসাধাৰণ তালৰ গুটিটো আপুনিয়েই লৈ যাওঁক, মুখ্য সচিব মহাশয়!"

কথাবোৰ দেখি শুনি তেওঁ ইতিমধ্যে ঘামি-জামি আছিল। চোৰটোৱে তেওঁক সম্বোধন কৰা শুনি বুঢ়া সচিবৰ অৱস্থাটো চাবলগীয়া হ'ল। ৰুমালখনেৰে কঁপালৰ ঘাম মচি মচি এবাৰ মহাৰাজলৈ আৰু এবাৰ প্ৰধানমন্ত্ৰীলৈ চাই হাঁহিবলৈ চেষ্টা কৰাৰ দৰে মুখত অদ্ভুত এটি ৰূপ লৈ তেওঁ ক'লে, "এহ নালাগে দিয়া। মহাৰাজ আৰু প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ কৃপাত ভালদৰেই চলি আছো, সোণৰ তাল দিয়া গুটিটো মোক কিয় লাগিছে? নাই, মোক নালাগে।" কাৰণ তেওঁ জানে গুটিটো তেওঁৰ হাতেৰে পুতিলে সোণৰ তালৰ সলনি সাধাৰণ তালেই লাগিব। প্ৰধানমন্ত্ৰীৰ সৈতে লগ লাগি তেৰোঁ ঠিকা-ঠুকুলি, চাকৰি-বাকৰিকে আদি কৰি নানা সুবিধা দিয়াৰ বিনিময়ত প্ৰজাৰ পৰা সোঁৰে-বাওঁৰে টকা লুটিছে।

এইবাৰ চোৰটোৱে ক'লে, "এই ৰাজসভাত তেনেহ'লে মুখ্য জেইলাৰ গৰাকীয়েই এই গুটিটোৰ নিশ্চয় আদৰ্শ লোক হ'ব।"— এইবুলি চোৰটোৱে গুটিটো হাতত লৈ মুখ্য জেইলৰগৰাকীৰ পিনে আগুৱাই গ'ল। তাক আগবাঢ়ি অহা দেখিয়েই মুখ্য জেইলাৰে নিজৰ চকীখন অলপ পিছুৱাই নিলে। গোটেই চাকৰি জীৱনটোত তেওঁ মোটা অংকৰ ধনৰ বিনিময়ত ধনী কয়েদীবোৰক সুন্দৰ আহল-বহল কোঠা দি, জেইলৰ ভিতৰত বিলাসী জীৱন-যাপনৰ সুবিধা কৰি দিয়াৰ বিপৰীতে দুখীয়া কয়েদীবোৰক গড়ালৰ নিচিনা একোটা সৰু কোঠাত থাকিবলৈ দি চাকৰি জীৱনটোত কিমান সম্পত্তি কৰিলে তেওঁ ভালদৰেই জানে। তেৰো সেমেকা হাঁহি এটা মাৰি ক'লে, "মোক নালাগে, মই নিজকে ইয়াৰ উপযুক্ত বুলি নাভাবো।"

ৰাজসভাত উপস্থিত থকা প্ৰত্যেকজন সভাসদকে চোৰে সোণৰ ফল দিয়া গুটিটো ল'বলৈ অনুৰোধ কৰিলে কিন্তু কোনেও সেই তালৰ গুটিটো পুতিবলৈ ৰাজী নহ'ল। প্ৰত্যেকেই নিজৰ কথা জানে, ৰাজী হয় কেনেকৈ?

বুঢ়া চোৰে এইবাৰ তালৰ গুটিটো ওপৰলৈ তুলি ধৰি মাতটো অলপ ডাঙৰ কৰি ক'লে, "সভাত উপস্থিত থকা কোনো সদাশয় ব্যক্তিয়ে সোণৰ ফল দিয়া এই গুটিটো নিজহাতে পুতিবলৈ নিব নেকি? এই গুটিটোৰ পৰা গজা গছডালত সোণৰ তাল লাগিব। আপোনালোকে জানে মই চোৰ, মই এই গুটিটো পুতি একো লাভ নাই। আহক কোনে নিব আহি এই গুটিটো লৈ যাওঁক।" কৈ কিছুপৰ সি মনে মনে ৰ'ল।

গুটিটো ল'বলৈ কোনো এজনো আগবাঢ়ি নাহিলেই বৰং আটাইয়ে তলমূৰ কৰি ৰ'ল, কাৰো মুখত কোনো শব্দ নাই। ঠিক কোনোবা ডাঙৰ মানুহ ঢুকালে স্কুলৰ শোক সভাত যে এক মিনিট মৌন হৈ তলমূৰ কৰি থাকিব লাগে, তেনেদৰে।

সভাসদৰ অৱস্থাটো দেখি বুঢ়া চোৰটোৱে জোৰে হাঁহি ক'লে, "সভাত উপস্থিত থকা মাননীয় সভাসদসকল, আপোনালোকে মোক মাৰিলেও মাৰিব পাৰে কাটিলেও কাটিব পাৰে, কিন্তু এই কথাটো আজি আপোনালোক প্ৰত্যেকেই প্ৰমাণ কৰি দিলে যে আপোনালোক আটাইয়ে চুৰ কৰে কিন্তু আপোনালোক কেতিয়াও জেললৈ নাযায় আৰু মই সামান্য মচলা অকমান চুৰ কৰা বাবে পাঁচ বছৰ সশ্ৰম কাৰাদণ্ড ভুগিবলগীয়া হৈছে। আপোনালোকেই কওক এই বিচাৰ সঠিক হৈছে নে?

ৰাজসভাত কিছু পৰলৈ কাঁহ পৰি জীন যোৱা নিস্তব্ধতা বিৰাজ কৰিলে। সেই নিস্তব্ধতা ভাহি ৰজাই ক'লে, "ই ঠিক কথাই কৈছে। চোৰ এটা হৈ ই আটাইকে উচিত শিক্ষা দিলে। আটায়ে মিলি এটা ব্যৱস্থা কৰক ই যাতে আৰু কোনোদিন জেইললৈ যাবলগীয়া নহয়। আটাইয়ে মিলি তাৰ জৰিমণাৰ টকাখিনি দিয়াৰ ব্যৱস্থা কৰক।"

মহাৰাজৰ আদেশ শুনাৰ লগে লগে সভাত উপস্থিত থকা প্ৰত্যেকেই নিজৰ চোলাৰ জেপত যি টকা আছিল সকলো জাৰি-জোকাৰি চোৰক দিবলৈ হেতা-ওপৰা লগালে। ৰজাই বুঢ়া চোৰক ওচৰলৈ মাতি নি এটোপোলা সোণৰ মোহৰ তাৰ হাতত তুলি দি ক'লে, "তুমি আজি আমাক আটাইকে উচিত শিক্ষা দিলা। তোমাক ধন্যবাদ। তুমি সঁচাকৈয়ে মহা বুদ্ধিমান। আজিৰ পৰা তুমি মুক্ত।" ৰজাই তাৰ ঘৰটো ভালদৰে সাঁজি দিবলৈও প্ৰধানমন্ত্ৰীক আদেশ দিলে।

অতি সাধাৰণ এটা তালৰ গুটিৰেই নিজৰ বুদ্ধিৰ বলত বুঢ়া চোৰটোৱে জেইলৰ পৰা মুক্তি পালে। এটা ধুনীয়া ঘৰৰ লগতে সিদিনা সি ৰাজসভাত ইমান টকা পালে যে সিদিনাৰ পৰা হেনো আজিলৈ বুঢ়া চোৰ কৰিবলৈ ওলোৱা নাই। শুনা কথাহে দেই।□



বিপন্ন সময়

✍ ৰেৱতী মোহন হাজৰিকা

আবেলি চাৰে তিনি বাজিছে। সচিবালয়ত এঘণ্টামান সময় অফিচৰ কাম কৰি পৰিবহন আয়ুক্ত প্ৰভাত দত্তই চাহ একাপ খাই ফাইল এটা খুলি লৈ পঢ়িবলৈ আৰম্ভ কৰিছে মাত্ৰ। তেওঁৰ পাৰ্চনেল পিয়নটোৱে সৰু কাগজৰ টুকুৰা এটা টেবুলৰ ওপৰত থৈ ক'লে—'আপোনাক চাৰ এগৰাকী ভদ্ৰ মহিলাই অলপ লগ ধৰিব বিচাৰে।

'আহিবলৈ দে' কাগজৰ টুকুৰাটো গ্লাচ পেডৰ তলত ৰাখি ফাইলৰ পৰা মূৰ নোতোলাকৈয়ে দত্তই ক'লে।

'নমস্কাৰ চাৰ'

প্ৰতি নমস্কাৰ জনাই ফাইলৰ পৰা মূৰ নোতোলাকৈয়ে বাওঁহাতেৰে কাষৰ চকীখন দেখুৱাই দত্তই ক'লে—'বহক'।

"হ'ব চাৰ" বুলি মানুহগৰাকী থিয় হৈয়ে ৰ'ল। মানুহগৰাকীয়ে অলপ পৰ একো মাত-বোল নকৰা দেখি দত্তই ফাইলৰ পৰা মূৰ তুলি মানুহগৰাকীলৈ চালে। দুয়োৰে চকুৰে-চকুৰে পৰিল। থতমত খাই মানুহগৰাকীয়ে তলমূৰ কৰিলে। সেই সুযোগতে দত্তই মানুহগৰাকীক এবাৰ ভালদৰে চাই ল'লে। এগৰাকী কৃশাংগী নাৰী। বয়স অনুমান ৪৫-৫০ ভিতৰত হ'ব। চকুৰ গুৰি ক'লা পৰিছে। মুখ-মণ্ডলত লজ্জা-জড়িত অসহায় ভাব। মানুহগৰাকীৰ গঢ়-পিত, চকুৰ উজ্জ্বলতা আৰু বৈ পৰা চেলাউৰি দেখি দত্তই অনুমান কৰিলে যে বয়স আৰু দুৰ্যোগে আচুৰি যোৱা মানুহজনী এসময়ত বিশেষকৈ জীয়ৰি কালত বেছ ধুনীয়া আছিল। মানুহগৰাকীৰ পৰা চকু ঘূৰাই আনি স্বভাৱ-সুলভ গাম্ভীৰ্য্যৰে মানুহ গৰাকীক সুধিলে—'আপুনি কিয় আহিল, কি ক'ব লগা আছে নকয় কিয়? মোৰ কাম আছে নহয়।' কম চাৰ বুলি এটা দীঘল নিশ্বাস এৰি মানুহগৰাকীয়ে ক'বলৈ আৰম্ভ কৰিলে—"আপোনাক চাৰ আমনি দিবলৈ অহাৰ বাবে মই বৰ দুঃখিত আৰু লজ্জিত। কি কৰিম চাৰ, নাহিও নোৱাৰো। আমিওতো চাৰ, সুখ-দুখৰ মাজতে জীয়াই থাকিব লাগিব।"

"সেইবোৰ পাতনি বাদ দি আপোনাৰ ক'ব লগা আচল কথাটো নকয় কিয়?" কৈছো চাৰ—"মোৰ স্বামীয়ে আপোনাৰ বিভাগতে চাকৰি কৰিছিল। আজি এবছৰ কাল চাকৰিৰ পৰা চাচ্‌পেণ্ড হৈ আছে। ইতিমধ্যে কেছটো ইনকোৱাৰী কৰি ইনকোৱাৰী অফিচাৰে ৰিপৰ্ট দাখিল কৰিছে বোলে। আপুনি যদি চাৰ, অনুগ্ৰহ কৰি সোনকালে কিবা এটা কৰি দিয়ে ভাল হয়।"

'কিবা এটাটো কৰিব লাগিবই।'

'কিবা এটা যে কৰিব সেইটো খাতাং। কিন্তু চাৰ, আপোনালোকে আমাৰ পৰিয়ালটো জীয়াই থাকিবলৈ দিয়েনে মৰিবলৈ দিয়ে সেইটোহে আমাৰ বাবে মূল কথা।' মানুহগৰাকীৰ আৰু কিবা কোৱাৰ পৰা বিৰত ৰাখিবৰ বাবে দত্তই সুধিলে—'কি নাম আপোনাৰ স্বামীৰ? কি চাকৰি কৰিছিল?' —মোৰ স্বামীৰ নাম অতুল বৰা। আপোনাৰ বিভাগতে 'ভেহিকোল ইন্সপেক্টৰ' আছিল। চাকৰি একত্ৰিশ বছৰ হ'ল। অৱসৰৰ বাবে আৰু আঢ়ৈবছৰ মানহে আছে। চাকৰিত প্ৰমোচনতো নহ'লেই আৰু আঢ়ৈটা বছৰ চাকৰিত টানি-মুনি থাকিবপৰা হ'লে চাৰ, অৱসৰৰ পাছত পেঞ্চনৰ পইছা কেইটাৰে পৰিয়ালটো টানি-মুনি চলিব পাৰিলোহেঁতেন। আপোনালোকে কি কৰে জানো চাৰ।"

ঃ হ'ব বাৰু, চাম বাৰু মই। মই ইয়াত জইন কৰা এমাহহে হৈছে। আপুনি যাওঁক বাৰু এতিয়া।

ঃ হয় চাৰ, মই আহিলো। আপুনি চাব আৰু চাৰ। মানুহগৰাকী ৰুমৰ পৰা ওলাই গ'ল।

মানুহগৰাকীৰ কথাখিনিয়ে দত্তৰ মনত ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰিলে। অলপ পৰ নিথৰ হৈ বহি থাকি কলিং বেলৰ চুইচটো টিপি দিলে। পিয়নটো সোমাই আহিল। তাক ক'লে—'বৰবাবু বৰুৱাক মাত।' বৰ বাবু হৰেণ বৰুৱা সোমাই আহিল।

ঃ বৰুৱা, আমাৰ বিভাগৰে কোনোবা অতুল বৰা নামৰ 'ভেহিকোল ইন্সপেক্টৰ এজনৰ কিবা ডিপাৰ্টমেণ্টেল প্ৰছিডিং' আছে বোলে। কেচটো কি অৱস্থাত আছে?

ঃ হয় চাৰ, আছে। কেচটোৰ শুনানীও হৈ গৈছে। ইতিমধ্যে ইনকোৱাৰী অভিচাৰৰ ৰিপ'ৰ্টো আহিছে।

ঃ কি কেচনো?

ঃ কিনো ক'ব চাৰ, অতুল বৰা মানুহজন দুৰ্ঘোৰ মদাপী, বিশৃংখল আৰু কাজিয়া পেচাল কৰি ভালপোৱা বিধৰ। আজিৰ পৰা এবছৰ আগতে মদ খাই মাতাল হৈ অফিচলৈ আহি অফিচ এচিচ্‌টেণ্ট্ এজনৰ লগত তৰ্কাতৰ্কি কৰি মাৰপিট কৰিছিল। তাৰ বাবেই চাচ্‌পেণ্ড হৈ আছে।

ঃ হ'ব বাৰু, আপুনি অহাকালি, পৰহিৰ ভিতৰতে ৰিপ'ৰ্টটোৰ সৈতে ফাইলটো আৰু লগতে Discipline & Appeal Rules ৰ কপি এটাৰ সৈতে মোক দিব। আপোনালোকে ফাইলত নোট্‌চ নিদিলেও হ'ব। নাপাহৰিব কিন্তু।'

ঃ হ'ব চাৰ, বুলি বৰবাবু বৰুৱা ৰুমৰ পৰা ওলাই গ'ল।

পিছদিনা দুপৰীয়া চাৰে বাৰমান বজাত ফাইলটো লৈ বৰবাবু বৰুৱা দত্তৰ ৰুমত সোমালহি।

ঃ বহক বৰুৱা।

বৰুৱা বহিলত দত্তই সুধিলে—'হেৰি নহয় বৰুৱা, অতুল বৰুৱা মানুহজনৰ চাৰ্ভিচ ৰেকৰ্ড কেনেকুৱা? আহি একত্ৰিশ বছৰে বোলে মানুহজনৰ এটাও প্ৰমোচন হোৱা নাই, চাকৰিৰ পৰা চাচ্‌পেণ্ডহে হৈছে।'

ঃ মানুহটোৰ চাৰ্ভিছ ৰেকৰ্ডৰ কথা কিনো কম চাৰ। কোনোমতে চাকৰিটো কৰি আছে। ভাল বুলি ক'ব পৰা একো নাই। মস্ত মদপী এটা। কোনো কামৰ মানুহ নহয়। আগতেও এবাৰ চাচ্‌পেণ্ড হৈ আছিল। এটা এনুৰেল ইনক্ৰিমেণ্টো ষ্টপ কৰা হৈছিল। আজিৰ পৰা দহবছৰ মানৰ আগতে বৰপেটাত চাকৰি কৰি থাকোতে ট্ৰাকৰ ড্ৰাইভাৰৰ লগত মাৰপিট কৰোতে মূৰ ফাটি দুদিনমান হস্পিতালত আছিল। তথাপি মানুহটোৰ লাজ নাই।

ঃ হ'ব বাৰু, আপুনি যাওঁক। মই কিবা এটা সিদ্ধান্ত ল'ম। মানে কেলেংকাৰী চব।

দত্তই অনুসন্ধানকাৰী বিষয়াৰ ৰিপ'ৰ্ট আৰু ইয়াৰ লগত জড়িত সকলোবোৰ নথি-পত্ৰ পৰীক্ষা কৰি দেখিলে যে সকলোবোৰ ঠিকেই আছে। অনুসন্ধানৰ ক্ষেত্ৰত ক'তো অলপো হেৰফেৰ হোৱা নাই। কেৱল ইয়াৰ ওপৰত সিদ্ধান্ত ল'বলৈহে বাকী। দত্তৰ বাবে সেইটোৱেই মূল সমস্যা। চাকৰিৰ পৰা বৰখাস্ততো কৰিবই নোৱাৰি। এটা বা দুটা এনুৰেল ইনক্ৰিমেণ্ট বন্ধ কৰিলে চাকৰিৰ বাকী থকা কালচোৱাৰ ভিতৰত আকৌ যে কিবা খেলি-মেলি নলগাব তাকো একো নিশ্চয়তা নাই। এজন দুৰ্ঘোৰ মদপীয়ে যে শাস্তি পালে বুলিয়েই মদ এৰিব সেইটোও আশা কৰিব নোৱাৰি। বহু চিন্তা-চৰ্চাৰ পাছত সিদ্ধান্ত হ'ল মানুহ জনৰ এটা এনুৰেল ইনক্ৰিমেণ্ট বন্ধ কৰি গুৱাহাটীৰ পৰা নলবাৰীলৈ বদলি কৰাটো। ফাইলত অৰ্ডাৰটো লিখি দত্তই বৰবাবুলৈ ফাইলটো পঠাই দিলে। এসপ্তাহৰ ভিতৰতে চিঠি আকাৰে অৰ্ডাৰটো অতুল বৰালৈ পঠোৱা হ'ল। তাৰ দুদিন পাছতে অফিচৰ কামত দত্ত দিল্লীলৈ গ'ল। তিনিদিনৰ পাছত দিল্লীৰ পৰা দত্ত গুৱাহাটীলৈ ঘূৰি আহিল। বৰঝাৰ বিমান বন্দৰৰ পৰা ঘৰ পাওঁতে চাৰে-তিনি বাজিলেই। গতিকে অফিচলৈ নগ'ল। চাহ-তাহ খাই বিচনাত বাগৰ দিলে। টোপনি নাহিল। হঠাৎ মনত পৰিল মিচেচ অতুল বৰালৈ। মানুহজনী সহজ সৰল, ভদ্ৰ যেন লাগিলেও কিন্তু বাক্‌পটু। মিচেচ্ বৰাৰ বিষয়ে ভাবি থাকোতে আৰু এখন ছবিয়ে আহি মনৰ পটত দোলা দিলেহি। মনত পৰিল প্ৰণামীলৈ।

সাহেন

প্ৰায় ত্ৰিশ বছৰৰ আগৰ কথা। প্ৰভাত দত্তৰ বয়স তেতিয়া বিশ বছৰ। সপোনত উটি-ভাহি ফুৰাৰ বয়স। গুৱাহাটীৰে বি. বৰুৱা কলেজৰ পৰা বি. এ. পাছ কৰি কামৰূপ একাডেমী হাইস্কুলত শিক্ষকতা কৰে। লগতে আইন মহাবিদ্যালয়ত নামটো লগাই লৈছে।

এদিনৰ কথা। দত্ত গৈছিল তেজপুৰত থকা দূৰ সম্পৰ্কীয় খুৱায়েকৰ ছোৱালীৰ বিয়ালৈ। বিয়াৰ দিনা পুৱা বেলা ৰভা তলৰ চকী-মেজ আদি চিজিল লগাই প্ৰায় এক বজাত ৰভাৰ কাষতে তেওঁৰ সৈতে চাৰিজন ল'ৰা দুযোৰ ডেস্ক-বেঞ্চত ভাত খাবলৈ বহিছে। বাকী তিনিজনে খাবলৈ আৰম্ভ কৰিছেই। দত্তই কৰা নাই। দত্তই মন কৰিলে ওচৰৰ বাৰাণ্ডাৰ পৰা এজনী ধুনীয়া, দামী সাজ-সজ্জা কৰা ছোৱালীয়ে তেওঁৰ ফালে একান্তমনে চাই আছে। দত্তৰ চকুৰে চকুৰে পৰাত অলপ অপ্ৰস্তুত হৈ দত্তই তলমূৰ কৰিলে। ক্ষন্তেক পাছতে ছোৱালীজনী দত্তৰ ওচৰলৈ আহি ডেস্কত বাওঁ হাতেৰে ভেজা দি মূৰটো দত্তৰ ফালে হেলনীয়া কৰি ৰগৰ কৰি সুধিলে—'কি হ'ল, ভাত খোৱা নাই কিয়; খুৱাই দিব লাগিব নেকি?' দত্তই উত্তৰ দিবলৈ পোৱাৰ আগতে কাষতে বহি ভাত খাবলৈ আৰম্ভ কৰা বন্ধুজনেই উত্তৰটো দিলে— 'খুৱাই দিয়াত আপত্তি নহ'ব নিশ্চয়, কিন্তু আঙুলি চন্তালি ৰখা দায়িত্ব নিজৰ।' ছোৱালীজনীয়ে উত্তৰ দিব নোৱাৰা যেন দেখি কথাটো সহজ কৰিবৰ মনেৰে দত্তই ক'লে—'সৰু ল'ৰা এটাক হাত ধুবৰ বাবে মগ বা জাৰ এটাত অলপ পানী আনিবলৈ কৈছিলো। সি দেখোন পানী লৈ আহি নাপালেহি।'

'ৰ'ব বাৰু, ময়ে আনি দিছো।' লগে লগেই ছোৱালীজনী আঁতৰি গ'ল। দুই মিনিটমান পাছতে ছোৱালীজনীয়ে মগ এটাত এমগ পানী আনি দত্তক দিলেহি। হাত ধুই আহি মগটো ছোৱালীজনীক দি ধন্যবাদ বুলি কোৱাত ছোৱালীজনীয়ে দত্তৰ মুখলৈ চাই মিচিকিয়া হাঁহি মাৰি আঁতৰি গ'ল। এয়েই আছিল দুয়োৰো মাজত চিনাকিৰ সুত্ৰপাত। পিছদিনা দত্ত আহি গুৱাহাটী পালেহি। দত্তই জানিব পাৰিলে যে ছোৱালীজনী মাক-বাপেকৰ লগতে গুৱাহাটীতে থাকে। বাপেক যতীন বৰা চাপ্লাই ইন্সপেক্টৰ। তাইৰ নাম প্ৰণামী। সন্দিকৈ কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী।

প্ৰায় এমাহৰ পাছত দত্তই প্ৰণামীক লগ পালে ফাঁচী বজাৰৰ কাপোৰৰ দোকানত। তাই এগৰাকী মানুহৰ লগত কাপোৰ চাই আছিল। দত্তক দেখাৰ লগে লগেই প্ৰণামীয়ে দোকানৰ পৰা ওলাই আহি সুধিলে—'আপুনি ক'ৰ পৰা ওলালহি?

—মই দেখোন গুৱাহাটীতে থাকো।

—গুৱাহাটীত থাকে বুলি জানো। ইয়ালৈ, ফাঁচী বজাৰলৈ আহিল যে; কিবা কাপোৰ কিনিব নেকি?'

—চাওঁচোন বাৰু।

দত্ত আৰু প্ৰণামীয়ে কথা পাতি থকা দেখি দোকানত বৈ থকা মানুহগৰাকী দোকানৰ পৰা ওলাই আহি প্ৰণামীৰ কাষতে ৰ'লহি।

—মা এখেত প্ৰভাত দত্ত। গুৱাহাটীতে থাকে। কামৰূপ একাডেমী হাইস্কুলৰ শিক্ষক। আমাৰ সাদৰী মাহীৰ সম্পৰ্কীয় জেঠায়েকৰ পুতেক। মই তেজপুৰত মাইনিৰ বিয়াত লগ পাইছিলো।

প্ৰণামীৰ মাকে দত্তৰ ফালে চাই ক'লে—'অ' আমাৰ নিজৰে দেখোন। তুমি গুৱাহাটীৰ ক'ত থাকা?

ঃ চেনিকুঠীত

ঃ অকলে থাকা নে, কাৰোবাৰ লগত মেচ কৰি থাকা?

ঃ অকলেহে থাকো।

ঃ আহিবা আমাৰ ঘৰলৈ। আপোন মানুহবোৰৰ লগত চিনা-জনা, আহ-যাহ থাকিলেহে ভাল লাগে। জীয়েকৰ ফালে চাই নিৰ্দেশ দিলে— 'এওঁক আমাৰ থকা ঘৰৰ কথা ভালদৰে বুজাই দেছোন।' দত্তৰ মুখলৈ চাই প্ৰণামীয়ে ক'লে—"শুনক, আমাৰ থকা ঘৰটো উলিওৱাটো তেনেই সহজ। চানমাৰিৰ পৰা গণেশগুৰিলৈ যোৱা চিটিবাছত গৈ জোনালী পথত নামিব সেই পথৰ বাওঁহাতৰ তিনি নম্বৰ দুইতলা আৰ.চি.চি. ঘৰটোৰ তলতে আমি থাকো। ঘৰৰ মালিকৰ নাম হীৰেন বৰুৱা, এক্সজিকিউটিভ ইঞ্জিনিয়াৰ। আপুনি আমাৰ ঘৰলৈ নাহিলে কিন্তু বৰ বেয়া পাম।"

'হ'ব বাৰু'—দত্তই সন্মতি জনালে।

ফাঁচী বজাৰৰ পৰা ঘূৰি আহোতে দত্তই ভাবিলে—"দুঘৰ-এঘৰ মানুহৰ লগত চিনা-পৰিচয় হৈ আত্মীয়তা গঢ়ি উঠিলে ভালেই লাগিব নিশ্চয়। বহুখিনি নিসংগতা আতৰিব আৰু মনটোও সতেজ হৈ থাকিব।"

কেইদিন পাছতে এটা ৰবিবাৰৰ আবেলি দত্ত আহি প্ৰণামীহঁতৰ ঘৰ ওলালহি। প্ৰণামী আৰু মাকে দত্তক ভালদৰেই আপ্যায়িত কৰিলে। দত্তই এটা কথা অনুমান কৰিলে যে প্ৰথম দেখাৰ ভাব-প্ৰৱণতাই লাহে লাহে গভীৰতাৰ ফালে গতি কৰিছে। দৰিদ্ৰতা, দায়িত্ব আৰু আৱেগিক প্ৰেমৰ মিশ্ৰিতভাৱে দত্তৰ মনটোত খেলি-মেলি কৰি দিলে। দত্তই এটা কথা অনুভৱ কৰিলে যে তেওঁৰ আৰু পৰিয়ালৰ দৰিদ্ৰতা, পিতৃ-মাতৃ আৰু

ভাই-ভনীৰ প্ৰতি দায়িত্বহে তেওঁৰ বাবে বাস্তৱ সত্য, ভাৱ-বিলাসী প্ৰেম নহয়। প্ৰেমৰ কথা চিন্তা কৰাৰ আগতে সমাজত নিজকে প্ৰতিষ্ঠা কৰা, জীৱিকাক নিশ্চিত কৰা, পিতৃ-মাতৃ আৰু ভাই-ভনীৰ কথা চিন্তা কৰা আৰু যিমান দূৰ পৰা যায় পৰিয়ালৰ দাৰিদ্ৰতা দূৰ কৰাটোহে মূল কথা। আৱেগিক চিন্তাতকৈ দত্তই বস্তুনিষ্ঠ চিন্তাতহে বেছি গুৰুত্ব দিয়ে। সেই বুলি আৱেগ বা আৱেগিক চিন্তা ধাৰাক একেবাৰে বাদ নিদিয়ে। দত্তৰ এষাৰ প্ৰৱচন মনত পৰিল—'দাৰিদ্ৰতাই যেতিয়া দুৱাৰত টোকৰ মাৰে প্ৰেম খিৰিকিৰে পলায়।' দত্তই প্ৰণামী আৰু মাকক পৰিয়ালৰ প্ৰতি তেওঁ দায়িত্বৰ কথা, পৰিয়ালৰ দৰিদ্ৰতা আদি সকলো কথা এদিন ক'লে। প্ৰণামী আৰু মাকে একেলগে বহি দত্তৰ কথাখিনি শুনাৰ পাছত মাকে এটা দীঘল নিশ্বাস টানি উঠি গ'ল। প্ৰণামী মৌন হৈ বহি ৰ'ল। অলপ পৰ মৌনতাৰ পাছত প্ৰণামীয়েই আৰম্ভ কৰিলে—দত্তদা, আপোনাৰতো একো বয়স হোৱা নাই। আজিকালিৰ ল'ৰাই ত্ৰিশ বছৰ বয়সৰ আগতে বিয়াকে নকৰায়। শিক্ষকৰ চাকৰিটোতে সন্তুষ্ট নাথাকি আপুনি ভাল দৰে পঢ়া-শুনা কৰি এটা ভাল চৰকাৰী চাকৰি লওঁক। তাৰ পাছত আপুনি আপোনাক মা-দেউতা আৰু ভাই-ভনীৰ বাবে কিবা এটা কৰিবৰ বাবে সুবিধা পাব। দত্তই সেই ৰাংঢালি, ৰচকী ছোৱালীজনীৰ মাজত বেলেগ এজনী ছোৱালী দেখা পালে। তাৰ পাছতো তেওঁলোকৰ ঘৰলৈ আহ-যাহ চলি আছিল। ছমাহমানৰ পাছত প্ৰণামী বাপেকৰ প্ৰমোচন হোৱাত উত্তৰ লক্ষীমপুৰলৈ বদলি কৰিলে। লক্ষীমপুৰলৈ যোৱাৰ পাছত প্ৰায় ছমাহমান দত্তৰ লগত প্ৰণামিৰ চিঠি-পত্ৰৰ আদান-প্ৰদান চলিল। তাৰ পাছত বন্ধ হৈ গ'ল। দত্তই মনোনিৱেশ কৰিলে পঢ়া-শুনাত। উদ্দেশ্য আছিল অসম লোকসেৱা আয়োগৰ প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ এটা ভাল ৰাজপত্ৰিত পদ লাভ কৰাটো। প্ৰণামীহঁতে গুৱাহাটী এৰা প্ৰায় দুবছৰেই হ'ল। সময়ৰ লগে লগে মানুহৰ মনৰো পৰিবৰ্তন হয়। দত্তই ভাবিলে—আধুনিক মনস্তত্ববিদ পণ্ডিতসকলে ভবাৰ দৰে পুৰুষ-প্ৰকৃতিৰ প্ৰেম 'সৃষ্টি-স্পৃহাৰ' ৰূপান্তৰহে মাথোন নেকি?

ইতিমধ্যে দত্তই লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ই.এ.চি পদ পালে। শুনামতে প্ৰণামীৰো বিয়া হৈ গ'ল যোৰহাটৰ এটা ভাল পৰিয়ালৰ এজন ভাল চাকৰি কৰা ডেকাৰ লগত। কথাবোৰ ভাবি থাকোতে কাষৰ কোঠাত লেণ্ডফোনটো বাজি উঠিল।

পিছদিনা পুৱা চাৰে ন-বজাতে দত্ত অফিচ ওলালগৈ। চাৰিদিন অফিচত নথকা বাবে ফাইলে টেবুলত দম বান্ধিছে। দত্তই সকলো চিন্তা পাহৰি গ'ল। দুৱাৰ খোলাৰ শব্দত মূৰ তুলি চাই দেখে বৰবাবু বৰুৱা সোমাই আহিছে।

ঃ বহক বৰুৱা। কওঁকচোন বিশেষ কিবা খবৰ আছে নেকি?

ঃ বিশেষ খবৰ একো নাই চাৰ। সেই মানুহজনী, মানে অতুল বৰাৰ ঘৈণীয়েকজনী আকৌ আহিছিল যোৱা কালি।

ঃ আকৌ হ'ল কি?

ঃ আহিছিল আপোনাক ধন্যবাদ জনাবলৈ।

ঃ মোক ধন্যবাদ জনাবলৈ?

ঃ হয় চাৰ।

ঃ মোক ধন্যবাদ জনাব লগা কি আছে? মানুহজনে দোষ কৰিছিল, শাস্তি দিলো। তাৰ বাবে মোক ধন্যবাদ জনাব লাগেনে?

ঃ আপোনাৰ ওচৰত চাৰ মানুহগৰাকী বৰ কৃতজ্ঞ। আপুনি যে মানুহজনক চাকৰিৰ পৰা নেদেখি কেৱল মাত্ৰ এটা এনুৱেল ইন্‌ক্ৰিমেণ্টহে বন্ধ কৰি পৰিয়ালটোক ৰক্ষা কৰিলে তাৰ বাবেহে আপোনাক ধন্যবাদ জনাইছে। আপুনি বোলে চাৰ এজন সৎ, ভদ্ৰ আৰু আনৰ অহিত চিন্তা কৰিব নজনা মানুহ।

"হওঁক তেওঁ এগৰাকী মানুহে অন্ততঃ মোক শলাগিছে" বুলি দত্তই হাঁহিলে।

বৰুৱা ওলাই যোৱাৰ পাছত দত্তই চিন্তা কৰিলে মানুহগৰাকীৰ কথা। আদবয়সতে বুঢ়ী হৈ যোৱা এজনী মানুহ। গালৰ হনু ওলাইছে, চকুৰ গুৰি ক'লা পৰিছে। মুখ-মণ্ডলত দুখ আৰু অসহায়ভাৱে বিৰাজ কৰিছে। মানুহজনীৰ বিষয়ে দত্তৰ জানিবলৈ আগ্ৰহ জন্মিল। অৰ্থাৎ দত্তৰ চকু পৰিল মানুহগৰাকীয়ে তেওঁক দেখা কৰিবলৈ আহোতে দিয়া সৰু কাগজ টুকুৰালৈ। টেবুলৰ গ্লাচ পেডৰ তলৰ পৰা কাগজৰ টুকুৰাটো উলিয়াই আনি তাত লিখা নামটোত চকু পৰাৰ লগে লগে দত্তৰ গাটো শিয়ঁৰি উঠিল। মনটো কিবা লাগি গ'ল। কাগজৰ টুকুৰাটো হাতৰ পৰা সৰি পৰিল। চকু দুটা সেমেকি উঠিল। নিথৰ হৈ চকীখনত বহি থকাৰ ক্ষন্তেক পাছতে এটা দীঘল নিশ্বাস এৰি দত্তৰ মুখেৰে বাহিৰ হ'ল মাথো এটা শব্দ—'প্ৰ-ণা-মী'।□

লণ্ডনৰ তিনিটা স্নেপশ্বট

✍ মীনাক্ষি ডেকা

মোৰ জী-জোঁৱাই লণ্ডনৰ ওচৰৰ Loughborow ইউনিভাৰ্চিটিত কাম কৰে। চাকৰি সূত্ৰে সিহঁত তাতে থাকে। ২০১২ চনৰ জুলাই মাহত মই আৰু মোৰ স্বামী শ্ৰীকৃষ্ণ কান্ত ডেকা দুমাহৰ বাবে তালৈ গৈছিলো। তাৰে তিনিটা স্নেপশ্বট ইয়াতে তুলি ধৰিবলৈ কলম হাতত তুলি লৈছো।

(ক) নাদিছাৰ জন্মদিন

মোৰ ছোৱালী মাজনীৰ লগত একেলগে কাম কৰা শ্ৰীলঙ্কাৰ জীয়ৰী নাদিছাৰ জন্মদিনটো আটাইকেইজনী বান্ধৱীয়ে উদ্‌যাপন কৰিব ফেড্ৰাৰিকাৰ ঘৰত। কিন্তু এই কথাটো নাদিছাক জানিব দিয়া নাছিল। তাইক কেৱল তালৈ ৫-৩০ বজাত আহিব দিছিল। মাজনীয়ে নাতি নিয়ৰৰ সৈতে মোকো তালৈ লৈ গ'ল। তাত লগ হোৱা কেইজনী হ'ল—ফেড্ৰাৰিকা আৰু মিএঁৱা ইটালীৰ, পাওঁনা স্পেইনৰ, ৰুটিং চীনৰ, নিদা শ্ৰীলঙ্গাৰ, জেনীথ বুলগেৰিয়াৰ। মাজনীৰ বিদেশী বান্ধৱী কেইগৰাকীক লগ পোৱাৰ উলাহত বৰ আনন্দৰে ওলালো। যাওঁতে বাটতে নাদিছাক দিবলৈ এপেকেট চেৰীফল কিনি ল'লো। তাত কেজি হিচাপ নাই। মোক দেখাৰ লগে লগে আটাইকেইজনীয়ে গালে-মুখে চুমা খাই উষ্ম আদৰণি জনালে। মই পিন্ধি যোৱা পাট-মুগাৰ কাপোৰযোৰ লিৰিকি-বিদাৰি চাই খুব প্ৰশংসা কৰিলে। কাপোৰযোৰ কেনেকৈ তৈয়াৰ কৰিছো, কেনেকৈ পিন্ধিছো; সকলো সুধি মোক ব্যতিব্যস্ত কৰি তুলিলে। তাতে ফেড্ৰাৰিকাৰ বিয়া সমাগত। তাইৰ বিয়াত মোক তেনে এযোৰ কাপোৰ দিবলৈ অনুৰোধ কৰিলে, লগতে বিয়াৰ নিমন্ত্ৰণীও দিলে। (মাজনী তাইৰ বিয়াত ইটালীলৈ যাওঁতে মেখেলা চাঁদৰ পিন্ধিছিল। তাইৰ ড্ৰেছটো 'So lovely' বুলি কৈ সকলোৱে হেনো ফটো তুলিছিল। ইটালীৰ মিএঁৱাই মোৰ নামটো সুধিলে। মই মীনাক্ষি বুলি কোৱাত তাই চিঞঁৰি উঠিল 'So long name I call you Mina' মই সন্মতি জনালো। পিছত মাজনীৰ পৰা গম পালো তাত সৰু ডাঙৰ সকলোৱে নাম কাঢ়িহে মাতে। সেয়ে হ'বলা মোৰ নাতিটোৱে মিএঁৱা, ফেড্ৰাৰিকা সকলোকে নাম কাঢ়ি মাতে। ফেড্ৰাৰিকাই ইটালীৰ বিস্কুটেৰে চাহ যাচিলে। তাত খোলা চাহপাতৰ সলনি Tea bag হে বেছি ব্যৱহাৰ হয়। মই তেনেদৰে চাহ খাবলৈ ঘিণ কৰো। সেয়ে নাখাও বুলিয়ে কৈ এটা বিস্কুটকে ল'লো। আমি ড্ৰইংৰুমত বহি থাকোতে ফেড্ৰাৰিকা আৰু মিএঁৱাই ভিতৰত কিবা খুটুং-খাটাং কৰি আছিল। তাত সময় মানে সময়। সেয়ে ঠিক ৫-৩০ বজাত নাদিছা আহি পাইছিল। তাইক আটাইকেইজনীয়ে ভিতৰলৈ

লৈ গ'ল। কেক্ দেখি নাদিছা অবাক। আনন্দত চকুলো বোৱাই Thank you everybody বুলি কৈ ইজনীৰ পিছত সিজনীক সাৱটি ধৰিছিল। মোৰ লগতো তাইক পৰিচয় কৰাই দিলে। তাৰ পিছত মোৰ নাতি নিয়ৰ আৰু ৰুটিঙৰ ল'ৰা Sun ৰ হাতত ধৰি নাদিছাই কেক্ কাটিলে। সিহঁতে তাইক উপহাৰ দিলে স্কাৰ্ফ এখন আৰু ফুলোৱা বেলুন এথোপা। মই পিয়া চেৰীফল আৰু কেক্, শীতল পানীয়ৰে (Tuice) হাঁহি ধেমালিৰে পাৰ্টি শেষ কৰিলে। মই কেক্, শীতল পানীয় নাখাও বুলি জানি মৰম লগা পাওনা বোলাজনী দৌৰ মাৰিছিল কফি বনাবলৈ। মই যে একোৱেই নাখাও এই কথা কৈ মাজনীয়ে তাইক মাতি আনিলে। মই ৰসাল চেৰীফল কেইটামানকে খালো। নিয়ৰ আৰু Sunnএ মাজনীয়ে বনাই নিয়া পাস্তা খালে। খোৱাৰ বা উপহাৰ দিয়াৰ বিশেষ আড়ম্বৰ নাই। কিন্তু সাত সাগৰ তেৰ নদীৰ সিপাৰত থকা মাক-দেউতাক, পৰিয়ালবৰ্গৰ অভাৱ অনুভৱ কৰিব দিয়া নাই নাদিছাক। এজনক সুখ দি যে কিমান সুখ পোৱা যায় সেয়া পুনৰ এবাৰ উপলব্ধি কৰিলো। সিহঁতৰ মিলাপ্ৰীতি দেখি মোৰ হিয়া আনন্দত আবেগত উথলি উঠিল। সেই মুহূৰ্তত পৃথিৱীখন মোৰ এখন ঘৰ যেন অনুভৱ হ'ল। আটাইকেইজনী যেন মোৰ ছোৱালী। জাতি ধৰ্ম-বৰ্ণ, ভাষা, দেশ সকলো বেলেগ যদিও মনৰ ভাব সকলোৰে একে। নাদিচাৰ জন্মদিনত উপস্থিত থাকি এই কথা মোৰ বাৰুকৈয়ে উপলব্ধি হ'ল। সিহঁতে এতিয়াও মোলৈ শুভেচ্ছাবাণী পঠিয়াই থাকে। তেজৰ সম্পৰ্ক নাই যদিও সিহঁত আটাইকেইজনীলৈ হিয়াভৰা শুভেচ্ছা থাকিল।

খ) থাৰ্মিংহামৰ ড° সতীশ মহন্তৰ ঘৰত এসাঁজ

ড° সতীশ মহন্ত চিলঙৰ চক্ৰপানী মহন্ত পুত্ৰ। সত্তৰ দশকতে U.K. লৈ গৈ বৰ্তমান ৱামিংহামত নিগাজীকৈ থাকিব লৈছে। বিয়া কৰাইছে বৃটিছ জীয়ৰী। তেখেতৰ ঘৰলৈ আমাক এদিন নিশাৰ আহাৰৰ বাবে নিমন্ত্ৰণ কৰিলে। আমাৰ শ্বিলঙৰ বন্ধু সোণটি খাউণ্ড পৰিবাৰ লাহৰী খাউণ্ডৰ সৈতে তেতিয়া ৱাৰ্মিঙহামতে তেখেতসকলৰ জী-জোঁৱাইৰ (স্বপ্নীল আৰু অনুস্মিতা) ঘৰতে আছিল। তেখেত সকলকো নিমন্ত্ৰণ কৰা বুলি মহন্তই জনালে। এনে get together হেনো মহন্তই পাতিয়ে থাকে। শ্বিলঙৰ বন্ধু সুদূৰ ৱাৰ্মিহহামত লগ পাম, এয়া ভাবি মোৰ খুব ভাল লাগিল। মনৰ আনন্দত তেখেতৰ ঘৰলৈ জাঁপ মাৰি ওলালো। তাতে ব্ৰিটিছ জীয়ৰীয়ে বা কি খুৱায়, কেনে ব্যৱহাৰ কৰে, সেয়া ভাবি মোৰ মন উগুল-থুগুল।

আমি থকা ঠাইখনৰ পৰা ৱাৰ্মিংহাম ৫০ কিলোমিটাৰ দূৰত। আবেলি ৫-৩০ বজাত যাত্ৰা আৰম্ভ কৰিলো। আগতে মহন্ত পৰিয়ালক জোঁৱাইহঁতে লগ পাইছিল যদিও তেওঁলোকৰ ঘৰলৈ যোৱা এয়ে প্ৰথম। সেয়ে ৱাৰ্মিংহাম পাই G.P.S নামৰ যন্ত্ৰটোৰ সহায়ত মহন্তৰ ঘৰ বিচৰাত লাগিল। আমি তেখেতৰ ঘৰৰ পাছফালে ওলালো। তাত ঘৰবিলাকৰ প্ৰায়ে আগে পাছে ৰাস্তা। মহন্তলৈ ফোন কৰাত তেখেতৰ পৰিবাৰ, অৰ্থাৎ বগা ঢকঢকীয়া স্কাৰ্ট পিন্ধা মানুহ এগৰাকী ওলাই আহি আমাক আদৰি লৈ গ'ল। তেখেতে মহন্ত ডাঙৰীয়া ৰন্ধাত ব্যস্ত বুলি জনালে। ইতিমধ্যে খাউণ্ডৰ পৰিয়াল আহি পালো। মহন্তই ৰগৰ কৰি কৈ গ'ল পৰিবাৰে অসমীয়া ব্যঞ্জন বনাব নাজানে। সেয়ে তেওঁ ৰান্ধিছে। মিছেচ মহন্ত আৰু তেখেতসকলৰ কলেজত পঢ়ি থকা ছোৱালীজনীয়ে আমাক চাহ-জলপানেৰে আপ্যায়িত কৰিলে। ছোৱালীজনীয়ে আহি ভক্তিভাৱে ইস্কন মন্দিৰৰ প্ৰসাদ দি গ'ল। কাৰণ তেওঁলোক ইস্কন ভক্ত। বহু ঠাইত আমি ইস্কণ ভক্তলোক লগ পাইছো। মহন্তৰ আলমিৰাত বিধে বিধে মদিৰা। যাৰে যি ইচ্ছা ল'ব দিলে। কোনো লুক-ঢাক নাই। মই তেখেতৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিম বাবে ক্ষমা বিচাৰিলো। মিছেচ মহন্তই তেখেতসকলৰ বাৰীখন দেখুৱালে। নাচপতি, আপেল, প্লাম লোমালোমে লাগি আছে। আমাক এটোপোলা আপেল দিলে 'পাই' নামৰ চাট্‌নিবিধ বনাবলৈ। (মোৰ ছোৱালীয়ে বনাব জানে।)

যোৰহাটৰ আন এজন ড° মহন্ত তেওঁৰ ল'ৰাটোৰ সৈতে তালৈ আহিল। তেখেতৰ নামটো মই পাহৰিলো। তেখেতৰ পৰিবাৰো বৃটিছ। কিন্তু Divorce হৈছে। ল'ৰাটোৱে এটা-দুটা অসমীয়া ক'লে। ইতিমধ্যে মহন্তৰ ছোৱালীজনীয়ে আমাক ভাতৰ টেবুললৈ নিমন্ত্ৰণ জনালে। মিছেচ মহন্তই বৰ আদৰ-সাদৰকৈ সকলোৰে হাতত থাল তুলি দিলে। আমি তেখেতকো খাবলৈ জোৰ কৰাত আলহী আগত বুলি কৈ সকলোকে খাদ্য-সামগ্ৰী দিয়াত লাগিল। মহন্তই ৰান্ধিছিল ভাত, অমিতা খাৰ, মাটি মাহৰ ডাইল, চুকা শাকেৰে ৰৌ মাছ, পাভ মাচৰ চচৰী, লাইশাক ভজা, বেঙেনা ভজা, আলু ভজা পৰিবাৰে ৰান্ধিছিল বৃটিছ পদ্ধতিত মুৰ্গীৰ মাংস, বিৰিয়ানী জলফাইৰ চাট্‌নি। মহন্তৰ ৰন্ধা ভালেই হৈছিল। পৰিবাৰৰ ৰন্ধা কেনেকুৱা হৈছিল মই গম নাপালো, যিহেতু মই মাংস নাখাও। পাভ মাছ দেখি মই আচৰিত। মহন্তই ক'লে বিচাৰিব জানিলে সবেই পায়। লাজকুৰীয়া মানুহজনীয়ে সৰু সৰুকৈ আমাক কিবা লাগে নেকি সুধি ফুৰিছিল। (এনেও তাত মানুহে ডাঙৰকৈ কথা নকয়।) খোৱাৰ অন্তত তেওঁ নিজ হাতে বনোৱা চকলেট পুডিং দিছিল। মোৰ নাতিটোৱে নোখোৱা বাবে তেওঁ মৰমেৰে

তাক কোলাত বহুৱাই খুৱাই দিছিল। ইতিমধ্যে ১০ বাজি গৈছিল। সেয়ে মাক-জীয়েকৰ খোৱালৈ অপেক্ষা নকৰি তেখেতসকলৰ আদৰ আতিথ্যৰ শলাগ লৈ বিদায় মাগিলো। মহন্তৰ লগতে বৃটিছ মহিলাগৰাকী আৰু তেখেতৰ ছোৱালীৰ আদৰ আতিথ্য-মৰম চেনেহ সদায়ে মোৰ মনত সজীৱ হৈ ৰ'ব। এই সুযোগতে তেখেত সকলোলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

গ) নিয়ম ভঙাৰ নিয়ম নাই।

'ধুমপাণ সেৱন স্বাস্থ্যৰ বাবে হানিকাৰক'—এই আপ্ত বাক্য শাৰীৰ সাৰ্থক ব্যৱহাৰ U.K.ত সম্পূৰ্ণ উপলব্ধি কৰি আহিলো। ধুমপাণ সেৱণ কৰা লোক তাত যথেষ্ট আছে। কিন্তু আমাৰ ইয়াৰ দৰে ফোচ্ ফোচাই ধোৱা উলিয়াই আনৰ অপকাৰ হোৱাকৈ বা অসুবিধা হোৱাকৈ সেৱন নকৰে। তেওঁলোকে জণ-সমাগম নোহোৱা ঠাইত নিৰলে ধুমপাণ সেৱণ কৰে। কাষত ঠিয় হোৱা যেন পালেই চিগাৰেট পেলাই ভৰিৰে মোহাৰি দিয়ে। এনে এটা অভিজ্ঞতা এদিন মোৰো হ'ল। এদিন আমি দুয়োটাই ছোৱালীহঁত থকা ঠাইখনত হোৱা হাটবজাৰ (open Market) খনলৈ গ'লো। আমাৰ ইয়াৰ বেলতলা বজাৰৰ দৰে। সপ্তাহত দুদিন (বৃহস্পতিবাৰ আৰু শনিবাৰ) হয়। বস্তুৰ দাম কিছু সস্তা। বজাৰ কৰি বাছত উঠিব আহিলো। বাছৰ বাবে কিছু সময় ৰ'ব লগা হ'ল। হাতৰ বেগখন কিছু ওজন হৈছিল। সেয়ে ষ্টপেজত থকা বেঞ্চখনত বহিলো। বেঞ্চখনৰ সিটো মূৰে বয়স্ক মহিলা এগৰাকীয়ে চিগাৰেট হুপি আছিল। মই বহাৰ লগে লগে তেওঁ চিগাৰেটটো মাটিত পেলাই মোহাৰি দিলে। মোৰ বেয়া লাগি (Sorry) বুলি ক'লো। তেওঁ মিচিকিয়াই হাঁহি ক'লে সেইটো তেওঁৰ ভুল। মোৰ মনটো সন্তুষ্টিৰে ভৰি পৰিল। যিটো কথা আমাৰ ইয়াত দহবাৰ ক'লেও নুশুনে, তাত বিনা বাক্যই সমাধা হ'ল। অবাৱত কোনেও কাকো অসুবিধাত নেপেলায়। তেওঁলোকৰ আৰু আমাৰ মানসিকতাৰ কিমান পাৰ্থক্য উক্ত উদাহৰণটোৰ পৰাই অনুমান কৰিব পাৰি।

সেইদিনাই আমি আন এটা অভিজ্ঞতাৰ সন্মুখীন হ'লো। আমি বাছত উঠিব অহাৰ লগে লগে বাছখন এৰি দিলে। এটা ষ্টপেজত ১মিনিটমান সময়হে ৰয়। কিন্তু দুই-তিনি মিটাৰমান আতৰত থকা চিগনেল পইণ্টত বাছখন ৰ'ল। মই দৌৰি গৈ গ্লাছৰ দৰ্জাখনত টুকুটুকাই দিলো। তাত কেৱল ড্ৰাইভাৰহে থাকে। হেণ্ডিমেন নাই। ড্ৰাইভাৰজনে দৰ্জা খোলা নহয় বুলি মূৰ জোকাৰিলে। অৰ্থাৎ তাত য'তে ত'তে মানুহ উঠা-নামৰ নিয়ম নাই।

জাবৰ-জোঁথৰ য'ত যেনেকে পেলাব দিছে তেনেকৈয়ে পেলায়। প্ৰতিঘৰতে তিনিটা ডাষ্টবিন। এটাত সেমেকা বস্তু, এটাত শুকান বস্তু আৰু আনটোত পুনৰ ব্যৱহৃত (Bicycle) বস্তু। সপ্তাহৰ তিনিটা দিনত এটা এটাকৈ ডাষ্টবিনৰ বস্তু লৈ যায়। বজাৰ-সমাৰতো মানুহে ডাষ্টবিনৰ সঠিক ব্যৱহাৰ কৰে। Reserver (পানী সংৰক্ষণ কৰা ঠাই) বিলাকত পানী কমি গ'লে গাড়ী ধোৱা, ফুলত পানী দিয়া আদি কামবোৰ চৰকাৰৰ পৰা বন্ধ কৰিবলৈ জাননী দিয়ে। সকলোৱে সেই নিয়ম আখৰে আখৰে পালন কৰে। অৰ্থাৎ তাত নিয়ম মানে নিয়মেই নিয়ম ভঙাৰ নিয়ম নাই। আশা কৰো ইচ্ছা কৰিলে নিশ্চয় আমিও তেওঁলোকৰ সজ গুণবিলাকৰ অধিকাৰী হৈ এখন সুস্থ সমাজ গঢ় দিব পাৰিম।□

আহ্বান

✍ হেপী গোস্বামী

'বিহু' শব্দটোৱেই মন-প্ৰাণ চুই যোৱা এটা বিশেষ আলোড়ন সৃষ্টিকামি শব্দ। প্ৰাকৃতিক ভাৱেই ঋতু ভেদে কঙালী, ভোগালী আৰু ৰঙালী হৈ বিভিন্ন পৰম্পৰা, ৰীতি-নীতিৰে ইয়াক উদ্‌যাপন কৰা হয়। এয়া অসমীয়া জাতিৰ বড়ো, ৰাভা, আহোম, কছাৰী, ডিমাছা আদি সকলো জনগোষ্ঠীয়েই নিজস্ব গোষ্ঠীগত ভাষা তথা ভাৱধাৰা-জীৱন শৈলীৰে, নানা উৎসাহ-উদ্দিপনাৰে আবহমান কালৰ পৰাই একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ কৰি অহা এক ফলশ্ৰুতি।

ভোগালী বিহু প্ৰধানকৈ কৃষিকেই গইনা লৈ শস্য বৃদ্ধি উপলক্ষে পূজা-অৰ্চনা কৰি পিছলৈ আনন্দ উল্লাসেৰে ভোজ-ভাত খোৱাৰ উৎসৱ। ৰঙালী নৱবৰ্ষৰ নতুন আশা-আকাংক্ষা, শুভেচ্ছা-আশীৰ্বাদ, শস্য-বীজ প্ৰজনন তথা সংকল্পবদ্ধ হোৱাৰ এক উৎসাহ-উদ্দিপনা তথা ৰং-ৰহইচৰ উৎসৱ। প্ৰাকৃতিক ভাৱেই কৃষিৰ ওপৰতে ভিত্তি কৰি পথাৰত বিহু উদ্‌যাপিত হৈছিল যদিও সময়ৰ সোঁতত ১৯৫২ চনত সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা, ডঃ ভুৱনেশ্বৰ বৰুৱা আদি বহুতো নমস্য ব্যক্তিৰ আশাশুধিয়া প্ৰচেষ্টাত মঞ্চত প্ৰথমবাৰৰ বাবে ৰঙালী বিহু আৰম্ভ হৈছিল। নিশ্চয়কৈ অসমৰ সাংস্কৃতিক তথা অৰ্থনৈতিক ইতিহাসত ইও এক উল্লেখনীয় পদক্ষেপ। লাহে লাহে অসমৰ সাংস্কৃতিক জগতখনত এই যাত্ৰাই এক নতুন জোৱাৰ আনিলে। অসমৰ এক জাগৰণৰ সৃষ্টি হ'ল। 'সংস্কৃতি সমাজ পৰিৱৰ্তনৰ মোক্ষম হাঁঠিয়াৰ।' সমাজ পৰিৱৰ্তনত বাৰুকৈয়ে ইয়াৰ প্ৰভাৱ পৰে। দোপত-দোপে এই মঞ্চ বিহুয়েই লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাদেৱৰ 'হয়হেৰো জেতুকী বাই.....' লেখিয়া অসমীয়া জনজীৱনত দেখা দিয়া দুখীয়া-নিচলা, দুৰ্ভগীয়া এগৰাকী কৰুণ নাৰীৰ জীৱন শৈলীৰ পৰা এক জোকাৰণীৰ অনুভৱ হ'ল। বিদেশতো অসমীয়া প্ৰবাসীসকল থমকি নাথাকিল। এই মঞ্চ বিহুৱেই এতিয়া হাজাৰ হাজাৰ মানুহৰ বছৰটোৰ আয়ৰ উৎস হৈ পৰিছে। কোনোবা জকাই চুকীয়া গাঁৱতো পুৰুষানুক্ৰমে ঢোল, পেঁপা, গগনা, সুতুলী বনোৱাক লৈ তিনি-চাৰিমাহ আগৰ পৰাই দিনক ৰাতি কৰি থলুৱা সামগ্ৰী প্ৰস্তুতিত ব্যস্ত হৈ পৰে। ইয়াৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ থলুৱা খাদ্য সম্ভাৰ, বস্ত্ৰ, গীত মাতবোৰেও এক নতুনত্বৰ ধাৰা আনিলে। এই মঞ্চ বিহুৰ প্ৰসাৰতাই অনেক লোকক স্বাৱলম্বী হ'বলৈ অনুপ্ৰেৰণা যোগালে। জনগোষ্ঠীয় পৰম্পৰাসমূহেও সামাজিক ক্ষেত্ৰখনক বান্ধি ৰখা গাঠিটো কট্‌কটীয়া হোৱাত সামাজিক দায়িত্ববোৰেও হেঁচা মাৰি ধৰিলে। অসমৰ লোক সংস্কৃতিৰ এই চৰ্চা তথা প্ৰচেষ্টাই আজিৰ দিনত আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকি উঠিছে।

আহ্বান

ইতিহাসৰ বুৰঞ্জীত বহু সময়ত সমগ্ৰ অসমত ভাতৃঘাটি কিম্বা গোষ্ঠীগত সংঘৰ্ষই মূৰ ডাঙি উঠিছিল বা ইয়াৰ ফিৰিঙতী এতিয়াও নস্যাৎ কৰিব নোৱাৰি। এনেবোৰ ধুমুহাত 'বিহু' বোলা এই মনে-প্ৰাণে থকা শব্দটোৱেহে বাৰুকৈয়ে উল্লেখযোগ্য ভূমিকা লয়। সংস্কৃতিৰ এক সুস্থ-সবল ধাৰাৰ জোৱাৰ তুলিব নোৱাৰিলে কোনো জাতিয় সভ্যতা-সংস্কৃতিৰে উন্নত সমাজ ব্যৱস্থা গঢ়ি তুলিব নোৱাৰি। সেয়েহে এই ক্ষেত্ৰত সজাগতাৰ খুবেই প্ৰয়োজন। মঞ্চবিহুৰ উদ্‌যাপন সমিতি-শিল্পী-শ্ৰোতা-দৰ্শক আটাইৰে গুৰুত্বপূৰ্ণ ভূমিকা তথা দায়িত্ববোধ সামূহিকভাৱে থাকে যদিও শিল্পীসকলৰ স্থান এঢাপ ওপৰত যেন অনুভৱ হয়। তেখেতসকলৰ কিছু সংখ্যক আত্মসচেতন, কিছু সংখ্যক আত্মসন্তুষ্টিৰে ব্যস্ত হৈ থাকে, আকৌ কিছু কিছু সংখ্যাক নিজৰ গৰিমা-গৌৰৱকলৈ কেনেকৈ প্ৰচাৰ মূখী হৈ অনাগত দিনত এক বিশেষ (??) পৰিচয় আনিব পাৰে তাকে পাকে-প্ৰক্ৰিয়াৰ সমিতি তথা দৰ্শকৰ আগত নানা বহুৱালী কৰাৰ পৰাও বিৰত নাথাকে। দৰাচলতে তেৰা সৰে বুজি পোৱা উচিত সমিতিখনৰ লগত শতাধিক দৰ্শককেও অনেক আশাৰে সেই মহা আয়োজন কৰে অকল তেওঁলোকক মুখ্য আকৰ্ষণৰ বিন্দু কৰি। যিবোৰ গীতে মানুহৰ মন-প্ৰাণ চুই যায় আৰু মগজুৰ পৰা ওলাই নাযায়, সেইবোৰকেই প্ৰকৃত গীত বোলা হয়। সময়ৰ তাগিদাত গীতিকাৰ, সুৰকাৰ আৰু গায়কী ৰূপেও খোজ মিলাব লগা হৈছে। স্বতঃস্ফুৰ্তভাৱেই তেনে কিছু গীতৰ সুৰ আৰু গায়কী ধৰণ বেলেগ হ'ব। নতুন- পুৰণি সংযোজনেও সিবোৰত এক বেলেগ মাত্ৰা দিছে। এনেবোৰ পদক্ষেপ নিঃসন্দেহে আদৰণীয়। গীতৰ কথাত শব্দ সংযোজন তথা নিক্ষেপণত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, পাৰ্বতি প্ৰসাদ বৰুৱা, কেশৱ মহন্ত, পুৰুষোত্তম দাস আদি মহান গীতিকাৰ বা সুৰাকাৰসকলৰ অমৰ সৃষ্টিবোৰলৈ চেৰেংকৈ মনত পৰে। বহুতো জটিল সন্ধিক্ষণত তেখেতসকলক হেৰুওৱা বেদনাই হেঁচা মাৰি ধৰে। নতুনক আদৰি লোৱাৰ মানসীকতা নিশ্চয় থাকিব লাগিব। তথাপি কিছু সংখ্যক শিল্পীৰ (??) ব্যক্তিত্ব বা শব্দ প্ৰয়োগে যেন ক'ৰবাত আঘাত দিয়ে। ড° ভূপেন হাজৰিকাদেৱৰ কি অফুৰন্ত ব্যক্তিত্বৰে দৰ্শকক মোহিত কৰিব পাৰিছিল সাজ-পোচাকৰ কথা নকলোৱেই বা পৰিৱেশ পৰিস্থিতি চাই হাৰমনিয়ামত হাত বুলাইয়েই আৰম্ভ কৰিছিল—

(১) মোৰ গীত হেজাৰ শ্ৰোতা, তোমাক নমস্কাৰ

(২) অসমী আই ৰূপ, গুণৰো নাই শেষ....

(৩) শ্বহিদ প্ৰণামো তোমাক....

(৪) কত জোৱানৰ মৃত্যু হ'ল, কোনো মাতৃৰ বুকু শুদা হ'ল...।

(৫) কোনোবাই মোক হেনো মদাৰৰে ৰিজালে... স্বকীয় প্ৰকাশ ভঙ্গিৰে প্ৰতিটো গীতকেই প্ৰাণ দিছিল। দৰ্শকে নিৰৱে আকুলতাৰে উপভোগ কৰিছিল। তত্ব সাধুৰ গীতৰ বিপৰীতে হাস্য মধুৰ গীতো তেখেতে পৰিৱেশণ নকৰাকৈ থকা নাছিল।

(১) চৰাই চিকুণ অ' লীলাৰ হীলা....

(২) চকলা টেঙাটি অকলে নেখাবি.... অনেক গীতৰ সৃষ্টিৰে তেখেতে কৰ্মৰাজিক এক 'ইতিহাস' কৰি থৈ গৈছে। বিখ্যাত হোৱাটো সহজ, কিন্তু ইতিহাস হোৱাটো কঠিন। এইটোওটো নহয় যে 'মোৰ আইক ভাল বুলি ক'লে, তোমাৰ আইক জানো ঘিন কৰাটো বুজাব?' নৱ প্ৰজন্মৰ শিল্পী সমাজেও আমাক বহুতো দিছে বা আৰু বহু আশাকৰাৰ থল তেওঁলোকৰ সৃষ্টিত ধৰা দিছে। মাথো ব্যক্তিত্ব, ধৈৰ্য্য, সহনশীলতাই যেন ক'ৰবাত হেতা-ওপৰা লগাইছে। সংস্কৃতিৰ নামত দুষ্কৃতিবোৰক সমাজখনৰ পৰা আতৰাব নোৱাৰিলে, সময়ত গৈ সকলোৱে একে মুখে উপলুঙা কৰিব। ভৱিষ্যতৰ প্ৰজন্মই ঘাঁই শিপাৰ পৰা বহু আতৰলৈ গুচি যাবলৈ শিকিব। গীতিকাৰ, সুৰকাৰ অথবা গায়ক যিজনেই সমালোচনাৰ পাত্ৰ হয়, তেওঁ সকলেই যেন আত্মা সমালোচনা কৰি শ্ৰোতা-দৰ্শকক প্ৰত্যাহ্বান জনাবলৈ সাহস কৰে সমালোচনাৰ অগনিৰে পুৰি মোকো কৰা উন্নত।' এনেবোৰ ইতিবাচক চিন্তাৰে আগবাঢ়িলে নিশ্চয়কৈয়ে সামাজিক পৰিবৰ্তনে আৰু নতুন জোৱাৰ আনিব। পৃথিৱীত সমালোচনাৰ উৰ্ধত কোনো মানুহেই নাই। 'নোবেল বঁটা'ৰ পৰা অসম ৰত্ন পোৱা জনেও সমালোচনাৰ পৰা ৰেহাই নেপায়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা বিভিন্ন সময়ত কটু সমালোচনা কৰা হৈছিল। পিছে সেইবোৰৰ প্ৰত্যুত্তৰ তেখেতে দিছিল তেখেতৰ উন্নত চিন্তা-ধাৰা, ব্যক্তিত্ব, আত্ম-বিশ্বাস, সমাজ তথা জন-জীৱনৰে গভীৰ আত্মীয়তা আদি নানা বিশেষনীয় বিশ্লেষণৰে ভৰপুৰ স্বভাৱ সুলভ নিজস্বতাৰে সেয়েহে তেখেতৰ বহু গীতৰ কলিয়ে আমাৰ জীৱন সংগ্ৰামত উঠোতে-বহোতে ৰিঙিয়াই মাতে। ব্যক্তিগত জীৱনত বা শিল্পী জীৱনতো অনেক প্ৰত্যাহ্বানক নেওচি তেখেতে চিৰবিদায় মাগিলে। কাহানিও ক্ষন্তেকীয়া আমোদ-প্ৰমোদ, বিখ্যাত হোৱাৰ চিন্তা-ধাৰণা নকৰি এক নতুন ইতিহাসৰ সৃষ্টি কৰিলে। যি সৃষ্টি হয়তো অজেয়। সেয়েহে নৱ প্ৰজন্মইও যাতে নতুনৰ গতি খেদি, সুস্থ-সৱল এক নতুন সমাজৰ দায়িত্ব ল'বলৈ সাহস লৈ আগবাঢ়ি আহে। তাৰেই মাথো এক আহ্বান।□

তপত চেনেহৰ এসুঁতি

✍ অৰুণিমা কাকতি

চকীখনত নিৰৱ নিস্তব্ধ হৈ বহি আছো। লৰচৰ কৰিলেই বিপদ। কাৰণ মোৰ সন্মুখত বিখ্যাত সৌন্দৰ্য্য বিশেষজ্ঞ এগৰাকীয়ে মোৰ শৰীৰত সৌন্দৰ্য্যৰ প্ৰলেপ সনাত ব্যস্ত পয়ষষ্ঠী বছৰীয়া মোৰ ব্যস্ততাপূৰ্ণ জীৱন যাত্ৰাৰ মই এতিয়া বিশেষজ্ঞ গৰাকীৰ ওচৰত এডাল প্ৰাণশূণ্য কবিৰ টুকুৰা। যেনেকৈ কয় যি কয় তাকেই মানিব লাগিব। কাৰণ মুক্ত হৃদয়েৰে তাইৰ ওচৰত মই এতিয়া নিজকে সমৰ্পন কৰিছো।

দৌৰ মাৰি গৈ অকণমান আৰ্চী এখন ভিতৰৰ পৰা লৈ আনি মোৰ দুচকুৰ আগত দাঙি ধৰি তাই কৈ উঠিল 'আইতা চোৱাচোন কেনেকুৱা হৈছে'। মই উচপ্ খাই উঠিলো আইনাখনত মোক নিজকে দেখি হে ভগৱান এইজনী ময়েই নে বুলি। কাৰণ চেলাউৰি কোঁচাই কাজলৰ প্ৰলেপেৰে নিজৰ আকাৰ সলাই কঁপালৰ কুমটৌলৈ গতি কৰিলে। চকুৰ কোন দুটাত আৰু তলৰ পিৰিকটি দুটাৰ ডাঠ কাজলৰ প্ৰলেপ, গালে, কঁপালে থুতৰীয়ে ডিঙিয়ে, ৰঙা পাউদাৰৰ প্ৰলেপ, কঁপালত দহটামান বিন্দিৰ অঙ্কন, বিন্দিৰেই নাকফুলি, বিন্দিৰেই কাণফুলি, মূৰত তেলৰ চপচপীয়া ভৰণ, দুই ওঁঠত ৰঙা লিপষ্টিকৰ বোল। মুঠতে এজনী কিম্ভুত কিমাকাৰ আইতালৈ মই পৰিৱৰ্তন হ'লো। মোৰ কোনো খেদ নাই। তাইৰ ফুলকুমলীয়া লিহিৰি আঙুলিৰ পৰশত মোৰ বুকুখনত কিহৰ যেন আলোড়ণে উঠা-নমা কৰি থকা হৈছে মই নিজেই নুবুজা হৈ গৈছো। উৰুঙা ঘৰখনলৈ এনেকৈয়ে যেন আনন্দৰ সোঁত বৈ আনিছে। পুৱা চকুমেলাৰ পৰা ৰাতি দহটালৈ মোৰ মুখখন অনৰ্গল চলি থাকিব লগা হৈছে। কোনো সময়ত সাধু, কোনো সময়ত কাহিনী, বিভিন্ন ৰাইমবোৰ, কোনোসময়ত খেলা, কোনো সময়ত লুকাভাকু, মুঠতে বিভিন্ন বিষয়ত জড়িত হৈ মই ব্যস্ত পৰিচাৰিকা এগৰাকীলৈ পৰিবৰ্তন হৈ গৈছো। ব্যস্ততাৰ মাজত থাকি এইকেইদিন দুখ-বেদনা, ৰোগ-ব্যাধিবোৰ যেন পাহৰি পেলাইছো। কোনোবাদিনা তাইৰ আখলৰ সৰু সৰু বাচন কেইটা লৈ পাচলিৰ বাকলিৰে ভাত ৰান্ধে। মাকৰ আখৰল বেঙ্গলী দিদিজনী হৈ তাই মোক মেম্চাব বুলি মাতি কি খাম সোধে। কেতিয়াবা খালি কাপটোত শব্দ উঠাই উঠাই সোহামাৰি মাৰি মই চাহ খাব লাগে, খালি প্লেটখনৰ পৰা খোৱা বস্তু লৈ চোবোৱাৰ ভাও ধৰি দেখুৱাব লাগে, পাচলিৰ ঠাৰি ডাল জলকীয়া বুলি খাই সেঁহাই সেঁহাই হাতভৰি জোকাৰি দেখুৱাব লাগে। তেনে কৰিলে তাই ৰ লাগি চাই বৰ স্ফূৰ্টি পায়। সেইসময়ত তাইৰ কুমলীয়া দুচকুৰ সাগৰ নীলা দৃষ্টিখিনিয়ে মোৰ বুকুৰ সমস্ত বেদনাবোৰ ধুই নিকা কৰি লৈ যোৱা যেন লাগে। কিন্তু পিছমুহূৰ্ততে মই থমকি ৰৈ

যেন বোবা হৈ যাওঁ। এই আনন্দ কেইদিনৰ বা কেইমুহূৰ্তৰ? কাৰণ মোৰ ল'ৰা, মোৰ বোৱাৰী, মোৰ নাতিনী এতিয়া এই ঘৰৰ আলহিহে।

বিয়াখন হৈ যোৱাৰ ছয় মাহ মানৰ পিছতে এদিন সন্ধিয়া মোৰ ল'ৰা মাখনে মোৰ কাষতে বহি লৈ কওঁ নকওঁকৈ কৈছিল 'মা কথা এটা তোমাক শুধিব খুজিছো তুমি যদি বেয়া নোপোৱা......'। সি থমকি ৰ'ল। মোৰ মন মগজুত হেজাৰটা প্ৰশ্নবোধকে নিমিষতে থিয় দিলে। কি হ'ল মাখনৰ কিবা টকা-পইচাৰ অসুবিধা নে, আইমনীৰ লগত তাৰ মনৰ কিবা বিসঙ্গতিয়ে দেখা দিলে নে অফিছে বাহিৰে ক'ৰবাত কিবা কেনা লাগিল। খন্তেকৰ বাবে মোৰ কলিজাখন কঁপি উঠিল। নিজকে সংযত কৰি তাক ক'লো 'কি হ'ল থমকি ৰ'লিযে'? 'নহয় মা তোমাৰ যদি আপত্তি নাথাকে মই আৰু আইমনী কিছু সুবিধাৰ বাবে টাউনতে ঘৰ এটা ভাড়ালৈ থাকিব খুজিছো। দহ কিলোমিটাৰ দূৰত্বৰ ৰাস্তাহে। অফিচৰ পৰা আহি আধাঘণ্টাৰ বাবে হ'লেও তোমাৰ খবৰ লৈ থাকিব পাৰিম। ফেনেফোটোকাৰে বৈ অহা ভৰা নদীখনৰ বুকুত যেন হেঁচা মাৰি ধৰিলে। সেই সিদিনালৈকে যিটো ল'ৰাই মোক নোসোধাকৈ খোজ এটাও আগনবঢ়াইছিল, কাৰ্যালয়ত থকা সময়খিনিৰ বাদে মোৰ লগত ছাঁটোৰ দৰে লাগি ফুৰিছিল সেই ল'ৰা আজি মোৰ পৰা আঁতৰি যাব খুজিছে? মই নিৰ্বাক হৈ বৈ থকা দেখি সি আকৌ শুধিলে—'তুমি একো নক'লা যে মা'। গভীৰ টোপনীৰ পৰা সাৰ পোৱা মানুহৰ দৰে খকমককৈ উঠি নিজকে সংযত কৰি কৈ উঠিলো' তোৰ সুবিধাৰ বাবে কিবা এটা সিদ্ধান্ত ল'ব খুজিছে তাত মোৰ কি আপত্তি থাকিব পাৰে। ঘৰখন এৰি তুমি যে নোযোৱা সেই কথা মই জানো, গতিকে অহা মাহত আমি টাউনলৈ যামগৈ। ইতিমধ্যে ঘৰটোৰ আগধনো দিয়া হৈ গ'ল। কথাষাৰ কৈ সি ভিতৰলৈ উঠি গ'ল।

এটা বিশাল শূন্যৰ মাজত পাকঘূৰণী খাই খাই মই যেন অচেতনহে হৈ পৰিলো। থৰকৃবৰক্ খোজেৰে ভিতৰলৈ উঠি আহি বিচনাখনত শুই পৰিলো। গাৰুটোত মুখখন গুজি বাৰে বাৰে মনত পেলাবলৈ চেষ্টা কৰিলো। সজ্ঞানে বা অজানে মই কিবা ভুল কৰিলোনে কি বুলি। পিছ মুহূৰ্ততে মই মোৰ আত্মবিশ্বাসত অটল হৈ ৰ'লো। কাৰণ সিহঁত দুটাৰ সংসাৰখন পাতি দিয়াৰ দিন ধৰি মই সদায়েই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই আহিছো যেন সংসাৰখন এখন সুখৰ সংসাৰ হিচাবে গঢ় দি তোলে।

ন-কইনাৰ কিছুমান দৃষ্টি কটু দৃশ্যই মোক হতাশাগ্ৰস্ত কৰি তুলিছিল যদিও নজনা বা নেদেখাৰ ভাও ধৰি সেইবিলাক মই বিনাবাক্যে গ্ৰহণ কৰিবলৈ যত্ন কৰিছিলো, যাতে নকৈ গঢ়দি ল'ব খোজা সম্পৰ্কখিনিত কোনোধৰণৰ যতি নপৰে। সেইসময়ত মোৰ মন-মগজত হেজাৰ প্ৰশ্নই ভুমুকি মাৰিছিল। এগৰাকী লোক সমানেই শিক্ষিত নহওঁক, পৰম্পৰা অথবা নিজ সংস্কৃতিখিনিক উপেক্ষা কৰি কোনো চলিব নোৱাৰে। তেনেস্থলত সেই মাতৃগৰাকীয়ে তেওঁৰ ছোৱালীজনীক এঘৰলৈ উলিয়াই দিয়াৰ আগতে কিঞ্চিতমান হ'লেও সেইধৰণৰ শিক্ষাখিনি কিয় দি নপঠায় বা ছোৱালীজনীয়েও তাক শিকি বুজি নাহে কিয়? আমি নিজেও বা আনকো দেখিছিলো যে ন-কইনাজনী সদায় ঘৰৰ আনসকল নুথোতেই উঠি গা-পা ধুই শাকে-সেন্দুৰে ন সাজজোৰ পিন্ধি বাহিৰলৈ ওলাই আহি গোঁসাই ঘৰত সেৱা জনাই জ্যেষ্ঠজনকো সেৱা এটি জনাই পাকঘৰৰ যাৱতীয় কামত লাগি পৰিছিল। আজিৰ নৱ-প্ৰজন্মৰ মাজত এই সংস্কৃতিবোৰ খুব কমেই দেখা যায়। মোৰ ন-বোৱাৰীজনীকে দেখিছিলো শোৱাৰ পৰা সদায়েই দেৰিকৈ উঠে। চিধাই শুধিলে ক'ৰবাত কিবা দায়-দোষ লাগে বুলি.বুদ্ধিৰে উলিয়াবলৈ যত্ন কৰিছিলো, এই বুলি শুধি যে 'তোমাৰ কিবা গা বেয়া নেকি?' উত্তৰটো পাইছিলো 'দেৰিকৈ টোপনী যোৱাৰ বাবে উঠোতে পলম হয়।' ধন্যবাদ ন-বোৱাৰী, তোমালোকৰ নিচিনা নৱ-প্ৰজন্মৰ মাজত এইবোৰ বিচাৰিবলৈ যোৱা মানেই চাগৈ পৰ্বতত কাছ কণী বিচৰাৰ লেখিয়াহে হ'ব। মোৰ বান্ধৱী এগৰাকীয়ে চকুলো টুকি টুকি কোৱা এদিনৰ এষাৰ কথাই মোক বাৰুকৈয়ে ভীতিগ্ৰস্ত কৰি তুলিছিল। ঘৰখনৰ কিছুমান নিমিলা অঙ্কত যদি বান্ধৱীগৰাকীয়ে মাত মাতে বা খং কৰে, তেতিয়া তেওঁৰ পাঁচবছৰীয়া নাতিনীজনীয়ে তেওঁক কালী গোঁসানী, দুৰ্গা গোঁসানী বুলি বিভিন্ন নামেৰে উপহাস কৰে। সেই সময়ত মাকে হাঁহি হাঁহি বোলে চাই থাকে। এবাৰলৈ হ'লেও নকয় যে আইতাক তেনেকৈ কিয় কৈছা বা ক'বলৈ কোনে শিকাইছে। বাপেকেও কোঠাত সোমাই নজনা-নুশুনাৰ ভাও ধৰি থাকে। তেওঁলোকৰ নিৰ্বাক মুহূৰ্তই স্পষ্টকৈ আঙুলিয়াই দিয়ে যে এই শিক্ষাৰ শিক্ষাগুৰু তেওঁলোকেই। খন্তেকৰ বাবে আমোদ লোৱাৰ বিপৰীতে ছোৱালীজনীৰ জীৱনলৈ যে ধ্বংস কঢ়িয়াই আনিছে সেই কথা এবাৰলৈ হ'লেও ভাবি নাচায়। কাৰণ এতিয়াৰ নৱ-প্ৰজন্মৰ প্ৰায়বোৰেই পত্নীৰ দাস।

মোৰ ছোৱালীকালত কেইটামান কথাই হৃদয়ত বৰগভীৰভাৱে ৰেখাপাত কৰিছিল, যি খিনিয়ে মোৰ জীৱনৰ দীঘলীয়া যাত্ৰাপথত বৰ সুন্দৰ সহায়ক ৰূপে ঠিয় দিছিল। মোৰ মায়ে এষাৰ কথা সদায় কৈছিল 'ৰাতিৰ কাম ফেৰা যদি কৰি থোৱা যায়, সি পিছৰ দিনটোলৈ বৰ সহায়ক

হয়। আমাৰ ঘৰৰ নিচেই কাষতে থকা মানুহঘৰ ল'ৰা-ছোৱালী শাহু-গৃহস্থৰে ভৰা ঘৰ আছিল। গৃহিনীগৰাকীয়ে ঘৰখনৰ সকলো কাম নিজেই কৰিছিল। ল'ৰা-ছোৱালী বহু কেইটা বাবে সিহঁতৰ লেতেৰা কাপোৰবোৰ ৰাতিতেই চৌদা-চাবোনেৰে সিজাই থৈ ৰাতিপুৱা কোনো নুঠোতেই সেইবোৰ ধুই-ধাই চোতাল-ঘৰ সাৰি গা-পা ধুই আনসকল উঠালে আজৰি হৈ লৈছিল। চাহ-ভাতৰ যোগাৰৰ বাহিৰেও বাহিৰত জুই ধৰি তিনি-চাৰি কেৰাহীকৈ ধান সিজাই চোতালত মেলি দিছিল। পিঠিপোৱা ৰ'দত সেইবোৰ লৰাই-বগৰাই শুকোৱাই ঢেকীত চাউল উলিওৱাৰ বাহিৰেও দলাই দলাই পিঠাগুৰি খুন্দি পুৱাৰ জলপানৰ যোগাৰ ধৰিছিল। মুঠতে উশাহ ল'ব নোৱাৰা এটা অতি ব্যস্ত জীৱন।

ন-বোৱাৰীৰ আৰু দুটামান কথাই মোক কিছু দুখ দিছিল যেন তেওঁ জ্যেষ্ঠজনক দেখুৱাব লগা সন্মানখিনিত কিছু হেমাহি কৰিছিল। তেওঁ আঠুকাঢ়ি ভৰি চুই কাকো সেৱা নকৰিছিল। অকণমান হেলনীয়া হৈ ভৰিৰ ফালে হাতযোৰ কৰি সেৱা কৰিছিল (কণিষ্ঠ /জ্যেষ্ঠ যাৰেই নহওঁক, জোতাবোৰ ভৰিৰে ঠেলি আঁতৰাই দিছিল। বাহি গাৰেই চাহকাপ কৰি খাই গা-ধুবলৈ গৈছিল। ইমান দেৰি কৈ উঠিও আবেলি আকৌ এঘুমতি নমৰাকৈ নাথাকিছিল। ক'ৰবালৈ যাবলৈ হ'লে নিৰ্দ্ধাৰিত সময়ত কেতিয়াও ওলাই যাব নোৱাৰিছিল। এটা সু-শিক্ষিত পৰিয়ালৰ পৰা আহিলেও বা নিজেও উচ্চ শিক্ষিত হ'লেও এই ছোৱালীবোৰে নিজৰ সংসাৰ বা কৰ্মক্ষেত্ৰত নিজকে কেনেকৈ খাপ-খুৱাব তাকে ভাবিহে আচৰিত লাগে। স্বামীৰ প্ৰতি যি সন্মান বা আসক্তি আগৰ নাৰীসকলৰ আছিল, আজিৰ নৱপ্ৰজন্মৰ মাজত সেইখিনি নিচেই দুখ লগা। সময় বা যুগ আগবাঢ়ি গ'লেও পৰম্পৰাক অকণমান হ'লেও যদি ধৰি ৰাখিব পৰা যায়, তেনেহ'লে দুয়োৰে মাজৰ মৰম-চেনেহখিনিও নিশ্চয় নিখুঁট হৈ ৰ'ব। এইখিনিক ঢিলাই দিয়াৰ বাবেই হয়তো আজি-কালি স্বামী-স্ত্ৰীৰ মাজৰ সম্পৰ্কবোৰ সন্তীয়া ৰূপলৈ ৰূপান্তৰিত হৈছে আৰু সেইবাবেই মাৰপিট, হত্যা, বিবাহ-বিচ্ছেদৰ দৰে অভাৱনীয় ঘটনাবোৰ অতি সহজে ঘটিবলৈ আৰম্ভ কৰিছে। তেওঁলোকৰ হৃদয়ত মৰম-চেনেহৰ আকুলতাখিনি কমি গৈ স্বাৰ্থপৰ মনোভাৱে গা কৰি উঠিছে। তেওঁলোকে এতিয়া বিচাৰে মাথো নিজৰ সুখ-সুবিধা-স্বাধীনতা। হয়তো মোৰ ল'ৰা-বোৱাৰীৰ গাটো সেই বেমাৰটোৰেই লগ পালে।

.... সিহঁতৰ সিদ্ধান্ত মতেই এদিন টালি-টোপোলা বান্ধি সিহঁত দুয়ো মুক্ত আকাশ, মুক্ত জীৱন বিচাৰি আঁতৰি গ'ল মোৰ বুকুত শিলৰ বোজা এটা দি। মই যদিও ভিতৰি ভিতৰি ভাগি পৰিলো সিহঁতক কিন্তু সেই কথা জানিবলৈ নিদি বেছ সুখী যেনেই দেখুৱাবলৈ চেষ্টা কৰিলো। লাহে লাহে সিহঁতৰ সংসাৰ বাঢ়ি দুটাৰ পৰা তিনিটা হ'ল। মাজে মাজে সিহঁত আহি গুছি গ'লেও সিমান অনুভৱ কৰা নাছিলো। কিন্তু ছোৱালীজনী জন্ম হোৱাৰ পৰা খন্তেকীয়াকৈ আহি গুছি গ'লে মনটো ভাগি পৰা হ'ল। মৰমলগা নিষ্পাপ শিশুটিৰ মুখখনে মোক বাৰু কৈ আমনি কৰা হ'ল। ডাঙৰহৈ অহাৰ লগে লগে তাইৰ মৰমলগা কাৰ্য্যকলাপে মোৰ অন্তৰখনত বেছিকৈ দুখ দিয়া হ'ল। সেয়ে এদিন কওঁ নকওঁ কৈ ক'লো তাইক লৈ দুদিনমান থকাকৈ অহাকৈ।

বছেৰেকীয়া চুটিৰ প্ৰায় এসপ্তাহ মোৰ লগত কটাই সিহঁত যাবলৈ ওলাল। এসপ্তাহৰ ব্যস্ততা আৰু মৰম-চেনেহখিনিক টোপোলা বান্ধি থৈ তাইৰ দুগালত হেঁপাহ পলুৱাই চুমা খালো। মোৰ যেন মনৰ ভিতৰখনলৈ তাই জুমিহে চালে। তাই কৈ উঠি 'আকৌ আহিম নহয়'। হৃদয়ৰ কোনোবা এচুকত গোপনে লিখি থোৱা কথাষাৰিক আকৌ এবাৰ যেন পঢ়ি চাবলৈ যত্ন কৰিলো 'সঁজাৰ দুৱাৰ ভাঙি মুক্ত আকাশলৈ উৰা মৰা পখীক কোনে বাৰু বান্ধি ৰাখিব পাৰে?'□

সেই সেউজীয়া ফ্ৰকটো

ডাঃ কুমাৰ পাৰ্থ প্ৰতিম

"মানসীহঁতৰ ঘৰলৈ মই আজি কোনটো ফ্ৰক পিন্ধি যাম মা?"

ৰিমলীৰ প্ৰশ্নটোৱে দ্বিতীয়বাৰৰ বাবে মোক বিচলিত কৰি তুলিলে। বুকুখন গধুৰ হৈ পৰিল। কেতিয়াও লগ নোপোৱা দহবছৰীয়া কণমানি এজনীৰ সাধাৰণ ফ্ৰক এটাইয়ো জীৱনটোক নতুনকৈ বুজিবলৈ বাধ্য কৰাব পাৰে বুলি মই হয়তো কেতিয়াও ভাবিবই পৰা নাছিলোঁ। প্ৰত্যেকটো দিনেই দেখোন নিত্য নৱ অভিজ্ঞতাৰ সমষ্টি। সঁচাকৈ, জীৱনে শিকায় মানুহক।

ৰাতিপুৱাৰেপৰা কিবা এটা সাংঘাটিক অস্বস্তি লাগি আছিল। আচলতে আজি ৰিমলীৰ লগৰ মানসীৰ বাৰ্থ ডে। সেয়ে প্ৰান্তনক কালিয়েই ৰিমলীৰ বাবে কাপোৰ এযোৰ কিনি আনিবলৈ কৈছিলোঁ। কিন্তু নাই, তেওঁৰ আকৌ ৰোগী শেষ কৰি চেম্বাৰ সামৰালৈ দোকানবোৰ বন্ধই হ'ল বোলে। আচলতে পাহৰিয়েই গ'ল কিজানি, কোনেনো জানে? মই সুধিছিলোঁৱেই যে তেওঁৰ যদি কিবা কাৰণত অসুবিধা হয় বা সময় নিমিলেগৈ বা পাহৰি যায়, তেন্তে মই নিজেই দোকানলৈ বুলি ওলাই যোৱাটোৱে ভাল হ'ব নেকি? নাই, সেইটোও কৰিবলৈ নিদিলে। সকলো কথাতেই কেৱল জোখতকৈ বেছি আত্মবিশ্বাস। তাৰোপৰি কথাৰ বাহাৰ কি চাব! কথাৰেই জগতখন জিনি থৈ দিয়ে।

"তুমি এনেই এনেই কিয় কষ্ট কৰিব লাগে পত্নী? আগলৈ পিছলৈ বুলি আমাৰ এজনীয়েই ছোৱালী, তাইৰ ফ্ৰক এটা কিনিবলৈও পাহৰিমনে?"

শুনিলে ভাষাৰ ফুলজাৰি? 'আগলৈ পিছলৈ বুলি আমাৰ এজনীয়েই ছোৱালী'- বাহ! বাৰু যিয়েই নহওক, মিচিকিয়া মন গলাব পৰা হাঁহি এটি মাৰি ৰাতিপুৱাই ওলাই গৈছিল প্ৰান্তন। তাৰ পিছত ৰাতি আহি ঘৰ সোমালেহি চাৰে এঘাৰমান বজাত। ৰিমলী ড্ৰয়িং ৰুমৰ চোফাতেই টোপনি গৈছিল তেতিয়ালৈ । এনেয়েও আঠবছৰীয়া ছোৱালী এজনী দেউতাকলৈ বুলি বৈ বৈ সেই সময়লৈ টোপনি যোৱাটো একেবাৰেই স্বাভাবিক। আহি পায়েই তেওঁ তাইক কোলাত লৈ মূৰে কপালে দুটামান চুমা খাই বিচনাত শুৱাই থৈ আহিল। উস, ছোৱালীজনীক দুটামান চুমা খাই দিয়াতেই যেন দেউতাকৰ দ্বায়িত্ব শেষ। স্কুললৈ অনা নিয়া কৰাৰপৰা আৰম্ভ কৰি হোম ৱৰ্ক কৰোৱালৈকে ছোৱালীজনীৰ সকলো কাম মই মাকজনীয়ে অকলে চম্ভালাতো ইমান উজু নহয় বুলি বুজি পায় নে নাপায় বা আমাৰ মহাপুৰুষে?

ৰিমলীক শুৱাই গা পা ধুই তেওঁ ভাতৰ পাতত বহিলহি। একেলগে ভাত খালোঁ আমি দুয়োজনে । বিচনাত পৰালৈকে তেওঁ কাপোৰৰ কথা একোৱেই নোকোৱা দেখি অগত্যা মই নিজেই সুধিবলৈ বাধ্য হ'লোঁ।

"ৰিমলীৰ কাপোৰযোৰ গাড়ীতে এৰি থৈ আহিলা হ'বলা?"

তেওঁৰ উত্তৰ দিয়াৰ সলনি দুষ্টামিভৰা চাৱনিৰে মোৰ গাল দুখনত আঙুলি বুলাই ক'লে,

"কাপোৰৰ কথা পিছত পাতিম ৰ'বা। আগতে বেলেগ দৰকাৰী কাম এটা কৰি লওঁ দুয়োটাই। বহুদিন চান্সেই পোৱা নাই নহয়।"

মতা মানুহৰ কথা বুজি পাবলৈ আৰু বাকী আছেনে? এয়া নিজৰ দোষ ঢাকিবলৈ কথা সলোৱাৰ বাহানা।

"বুজিলোঁ, তাৰমানে পাহৰিলা?"

"নাই অ', দেখিছাই দেখোন, বহুত বিজী হৈ থাকিলোঁ গোটেই দিনটো। চেম্বাৰৰপৰা ওলোৱালৈ দোকানবোৰ বন্ধই হৈ গৈছিল।"

অকস্মাতে অভিমান জাগিছিল মোৰ। ছোৱালীজনীৰ এটাই কাম দিছিলোঁ, সেইটোও কৰিব নোৱাৰিলে। মনে মনে একপ্ৰকাৰ প্ৰতিজ্ঞাই কৰি পেলালোঁ, হ'ব, ভৱিষ্যতে আৰু একো কামৰ কথাই নকওঁ তেওঁক। ক'লোৱেই তেওঁক,

"বাহিৰত বহুত ডাঙৰ ডাক্তৰ হৈ ঘূৰি ফুৰিব পাৰা, ঘৰৰ কামত তুমি কিন্তু একেবাৰেই অপদাৰ্থ।"

"কিয়নো ইমানকৈ খং খাইছা অ'? কালিলৈ সন্ধিয়াহে যাবা তোমালোক? হ'ব দিয়া, দিনতে মই মৰমলগা ফ্ৰক এটা কিনি আনিম।"

একো উত্তৰ দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলোঁ। অলপ সময়ৰ বিৰতিত তেওঁ আকৌ ক'লে,

"হেৰা, শুনিছা, কাইলৈ দিনত দেখোন ৰিমলীক সিহঁতৰ স্কুলৰ ফাংছনটোলৈ ময়েই লৈ যোৱাৰ কথা আছে। উলটি আহোতেই কিনি আনিম দিয়া।"

এইবাৰ আৰু মনে মনে থাকিব নোৱাৰিলোঁ। টিঙিছকৈ খঙটো উঠি আহিল।

"কিনিবা তোমাৰ মুখখন দেখুৱাই। দোকানবোৰ তোমাৰ বাবেই খোলা ৰাখিব।"

"মানে?"

"মানে আৰু কি? ৰাতিপুৱা ৫ বজাৰপৰা দোকান পোহাৰবোৰ ২৪ ঘণ্টাৰ বাবে বন্ধ ৰখাৰ বাবে মাইকত চিঞৰি চিঞৰি জাননী দি আছিল আজি গোটেই সন্ধিয়াটো।"

"কিয়?"

"ব্যৱসায়িক সন্থাৰ সভাপতিক কোনোবাই বোলে বেয়াকৈ ক'লে।"

"অ'হ! এটা কাম কৰিবা বুজিছা, আগৰ কিবা ভাল চাই কাপোৰ এযোৰকে পিন্ধাই লৈ যাবা তাইক।"

"তাকে নকৰি বেলেগ কিবা কৰাৰ উপায় আছেহে যেনিবা। কথা শিকাব আহিছে।"

এইবাৰ প্লাৱনৰ খং উঠি আহিছিল।

"হেৰা, সকলো প্ৰগ্ৰামতে নতুন কাপোৰ লাগিবই বুলি কথা আছে নেকি? চাইহে আছোঁ মই, ছোৱালীৰ স্বভাৱ নষ্ট কৰিব খুজিছা?"

কথা বঢ়াই থাকিব নিবিচাৰিলোঁ। বিচনাৰ আনটো কাষলৈ মুখ কৰি শুবলৈ যত্ন কৰিলোঁ। প্লাৱনেও মোক আনদিনাৰ দৰে আকোঁৱালি ধৰিবলৈ যত্ন নকৰিলে। তেওঁৰ ফালে মুখ কৰি শুবলৈও নকলে। কিছুমান পৰিস্থিতিত মনে মনে থকাই ভাল বুলি মোতকৈও তেওঁ বেছি ভালকৈহে বুজি পায়। অলপ পিছতে প্লাৱনৰ নাকৰ মৃদু শব্দটি বাজি উঠিল। মোৰ খণ্ড দুগুণে চৰিল। মোৰ প্লেন পণ্ড কৰি তেওঁ ইমান আৰামত শুব পাৰিছে যে। মতা মানুহবোৰ এনেকুৱাই! এঘণ্টামান বিচনাত ইফাল সিফাল কৰি থকাৰ অন্তত কেতিয়ানো টোপনি গ'লোঁ সেয়া অৱশ্যে গম নাপালোঁ।

ৰাতিপুৱা শুই উঠাৰ পিছত সেই একেই নিত্য নৈমিত্তিক কাম কাজবোৰ। এওঁলোক দুয়োজনকে খুৱাই বোৱাই উলিয়াই পঠালোঁ। ৰিমলীহঁতৰ স্কুলৰ অনুষ্ঠানটোত সিহঁতৰ ক্লাছৰ ছাত্ৰ ছাত্ৰীবোৰে স্কুলীয়া ড্ৰেছ পিন্ধি পেৰেড এটাত অংশগ্ৰহণ কৰাৰ কথা। সকলো কাম শেষ কৰাৰ পিছত অলপ জিৰণি লওঁ বুলি ভাবোতেই অকস্মাতে মোৰ ৰিমলীৰ কাপোৰৰ কথাটো মনলৈ আহিল। যুদ্ধংদেহি মনোভাৱেৰে কাম আৰম্ভ কৰিলোঁ। গোটেই আলমাৰীকেইটা চলাথ কৰি ৰিমলীৰ আটাইবোৰ কাপোৰৰ ভিতৰত আটাইতকৈ নতুন কাপোৰযোৰ বাছি উলিয়ালোঁ। হওঁতে এই কাপোৰযোৰ তাই মাত্ৰ তিনিবাৰমানহে পিন্ধিছে। জোখটোও ঠিকেই হ'ব, পিন্ধিবলৈ একো অসুবিধা নাই। প্লাৱনে বুজা নাই, বেলেগ প্ৰ'গ্ৰামলৈ পুৰণি কাপোৰ পিন্ধাই নিবলৈ ময়ো একো নাভাবিলোঁহেঁতেন, কিন্তু মানসীৰ জন্মদিনলৈ মিছেছ বৰুৱা আৰু মিছেছ তালুকদাৰো নিশ্চয়কৈ আহিব। তেওঁলোকৰ উফাইদাং মৰা কথা আৰু তেওঁলোকৰ ছোৱালী কেইজনীৰ বহু দামী চকুত চাৎ মাৰি ধৰা পোছাকৰ সন্মূখত পুৰণি পোছাকেৰে মোৰ কণমানিজনী ম্লান পৰি যোৱাটো সহ্য কৰিবলৈ মই অন্তঃকৰণেৰে মানি ল'ব পৰা নাই।

কথাবোৰ ভাবি থাকোতে আৰ্বেলি তিনিমানেই বাজিলগৈ। ৰিমলীহঁতো আহি পাবৰে হ'ল। খোৱাৰ যোগাৰ একো কৰাই হোৱা নাই। হঠাতে কলিংবেলটো বাজি উঠিল। কোন বা আহিল? কামৰ সময়ত আলহী আহিলে বৰ অসুবিধা লাগে। আলহীয়েই সোধা পোছা কৰিব নে কামেই আজৰাব? খুদুৰনিভৰা মনটোৰে দুৱাৰখন খুলিলোগৈ। দৰ্জাৰ সন্মুখত সেয়া তৃষ্ণা।

"আহ, ক'ৰপৰা আহিলিনো এই সময়ত?"

"ক'ৰপৰা আহিবি আৰু? ডিউটিৰপৰা বাহিৰে বাহিৰে।"

"হওক তেও, ইমান দিনৰ মূৰত মনত পেলাবলৈ সময় পালি যে!"

"বাদ দেচোন এইবোৰ কথা হেৰৌ। ভোক লাগি আহিছে, যি আছে খাবলৈ দে। আজি আমাৰ এওঁ শহুৰ, শাহু আৰু ল'ৰাটোক লৈ গাঁৱৰ ঘৰলৈ গৈছে। গতিকে ভাবিলোঁ এই সুযোগতে তোক লগ কৰি যাওঁ। ইয়াৰপৰাই বাহিৰে বাহিৰে চেম্বাৰলৈ যাম। পিছে মেম চাহাবৰ মুড অফ হ'বলা আজি?"

"কিনো কবি আৰু?"

ক'ব খুজিও ৰৈ গ'লোঁ। তৃষ্ণাৰ আগত কিছুমান কথা ভাবি চিন্তি কোৱাটোৱেই মঙ্গল। আমাতকৈ তাইৰ বিচাৰধাৰাবোৰ অলপ বেলেগ।

সৰুৰেপৰাই আমি দুয়োজনী নলে গলে লগা বান্ধৱী। পঢ়া শুনাতো প্ৰায় সমানে সমানেই আগ বাঢ়িছিলোঁ। পিছলৈও পঢ়া শুনা একেদৰেই অক্ষুন্ন ৰাখি তাই চিকিৎসক হ'লগৈ। ময়ো ইঞ্জিনিয়াৰিং শেষ কৰি চাকৰিত সোমালোঁ। কিন্তু ৰিমলীৰ জন্মৰ পিছৰপৰা দেখোন ঘৰৰ কাম কৰিয়েই ভাল লগা হ'ল। প্লাৱন আৰু তৃষ্ণাই চাকৰিটো কৰি থাকিবলৈ উৎসাহ দিছিল, কিন্তু অৱশেষত মোৰ অনিচ্ছাৰ আগত তেওঁলোকে হাৰ মানিবলৈ বাধ্য হ'ল। মাজে মাজে অৱশ্যে মোৰ নিজৰ সিদ্ধান্তটো ভুল হোৱা যেনেই লাগে। মোৰ তেতিয়াৰ একে ৰেংকৰ ইঞ্জিনিয়াৰবোৰ এতিয়া বহু উচ্ছ খাপৰ বিষয়া, আৰু মই সাধাৰণ চিঙৰা এটা খাবলৈও প্লাৱনৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। ধেই!

"কিবা ক'ব খুজিও ৰৈ গ'লি যে? ক' আকৌ।"

ক'ব নুখুজিও সকলো কথাই তৃষ্ণাৰ আগত বলকি পেলালোঁ। আচলতে অন্তৰৰ ক্ষোভৰ কথা বিশ্বাসযোগ্য কাৰোবাৰ আগত ক'বলৈ পালে মনটো মুকলি হৈ পৰে। তাই খিলখিলাই হাঁহি উঠিল।

"তোৰো কাম নাই আৰু। কি কি কথাবোৰ যে ভাবি সময় নষ্ট কৰ! তই এজনী মস্ত বুৰ্বক। বেছিকৈ ভাবি ভাবিয়েইটো চাকৰিটো এৰিলি। প্ৰদীপ্ত আৰু মই, আমি দুয়োটাই কাম কৰিও কি সন্তান ডাঙৰ কৰা নাই?"

জ্বলা জুইত ঘিউ! নহয়, গেলাত টেঙা! মোৰ কলিজাত এপাত যেন শেলহে বহুৱাই দিলে তাইৰ কথাখিনিয়ে।

"বাৰু বাদ দে সেইবিলাক। এটা কথা ক'ছোন পঞ্চী। বৰুৱানীহঁতৰ লগত তাৰমানে তই চাক চাকিন্য লৈ ফেৰ মাৰিব ওলাইছ? লাভ নাই বুজিছ। আমাৰ সময়লৈ মনত পেলাচোন। কেতিয়াবা কাপোৰৰ অভাৱত আমি দেখোন স্কুলীয়া ইউনিফৰ্ম পিন্ধিয়েই আলহী খাবলৈ যাব লগাত পৰিছিলোঁ। তেতিয়া আমাৰ লগৰ কেইটামানৰ আটক ধুনীয়া সাজ পোছাক দেখি আমাৰ মনত অলপ হ'লেও দুখ লাগিছিল। সেইকেইটাৰ দুটামানক বাদ দি বাকী কেইটাই দেখোন বিশেষ একোৱেই কৰিব নোৱাৰিলে। মাক বাপেকৰ উপাৰ্জনেই খাই থকা নাই জানো এতিয়ালৈকে সিহতে?"

অলপ সময় ৰৈ তৃষ্ণাই পুনৰ ক'লে,

"সিহঁতলৈ বেয়াই লাগে বুজিছ। মাক দেউতাকে সঠিকভাবে পৰিচালনা কৰিবলৈ ব্যৰ্থ হোৱাৰ শাস্তি ভুগিবলগা হৈছে সিহঁতকেইটাই।"

"তাৰমানে তোৰ মতে ভাল কাপোৰ কানি পিন্ধালে ল'ৰা ছোৱালী অধঃপাতে যায়?"

"মই সেইটো কোৱা নাই। মই বুজাব বিচাৰিছোঁ যে সকলোৰে বেছিটো বেয়া। স্কুলৰ ইউনিফৰ্ম পিন্ধাই ৰিমলীক ফুৰাবলৈ নিবলৈ কোৱা নাই, আমাৰ দেউতাহঁত আৰ্থিকভাৱে অতিশয় দূৰ্বল আছিল। তোৰ সামৰ্থ্য আছে, গতিকে প্ৰয়োজনীয়খিনি দে। কিন্তু সাধাৰণ জন্মদিন এটাৰ বাবে বেলেগ কোনোবাই পিন্ধি আহিব কাৰণেই নিজৰ কণমানিজনীলৈও নতুন কাপোৰ আনি দিব লগাৰ কোনো কাৰণ মই নেদেখোঁ। সময়ৰ কাম সময়ত কৰিবলৈ শিক। এই বয়সত ৰিমলীক খেলা ধুলা আৰু লাহে লাহে অলপ ডাঙৰ হোৱাৰ লগে লগে কিতাপ পঢ়াৰ পৰিবেশ এটা দিবলৈ যত্ন কৰ। ফেশ্বন শ্ব' পিছতো কৰিব পাৰিবি।"

তৃষ্ণাৰ কথাখিনিয়ে মোৰ দেহত হুলে বিন্ধাদি বিন্ধিলে। অলপ সময় তাই নীৰৱে ৰ'ল। তাৰ পিছত আকৌ আৰম্ভ কৰিলে,

"ৰ, আজি তোক এটা কাহিনী শুনাওঁ। মোৰ অকণমানি শিশু ৰোগী এজনীৰ কাহিনী। দহ বছৰ বয়স। বৰ মৰমলগা। মোৰ ওচৰলৈ চিকিৎসা সংক্ৰান্তত তাই কেইবাবাৰো আহিব লগা হৈছিল। অভাৱত ডাঙৰ হোৱা ছোৱালী, কিন্তু একো আপত্তি নাই, মিচিকিয়া হাঁহি এটিৰে কথা-বতৰাত একেবাৰে অমায়িক। এক কথাত ক'বলৈ গ'লে কণমানিজনীৰ ব্যৱহাৰে মোৰ অন্তৰত এক বিশেষ স্থান কজা কৰি লৈছিল। প্ৰত্যেকবাৰে দেউতাকৰ লগতেই আহিছিল তাই। তাতোকৈ ডাঙৰ কথা কি জান? মোৰ ওচৰলৈ অহা সেই পাঁচ ছয়বাৰৰ প্ৰতিবাৰতেই তাই একেটা ফ্ৰকেই পিন্ধি আহিছিল। আঠুৰ অলপ ওপৰত শেষ হোৱা পুৰণি ৰং যোৱা সেউজীয়া ৰঙৰ ফ্ৰক এটা।"

"তাইৰ ফ্ৰকটো ইমান মনত ৰ'ল যে?"

"ৰ'ব আকৌ, তিনিমাহৰ ভিতৰত প্ৰত্যেকবাৰতেই যেতিয়া সৰু ছোৱালী এজনীক একেযোৰ কাপোৰতে দেখিম, কাপোৰযোৰ মনত ৰৈ যোৱাটো একেবাৰেই স্বাভাৱিক। তাইৰ লগত যেন মোৰ এক আত্মিক সম্পৰ্ক স্থাপন হৈ গৈছিল। তাইৰ মাজত হয়তোবা মোৰ নিজৰ ল'ৰালিকালটো আৱিষ্কাৰ কৰিছিলোঁ। বুজি পাইছিলোঁ, আৰ্থিক অনাটনে দেউতাকজনক কোঙা কৰি ৰাখিছে। প্ৰথমবাৰেই যি মই মোৰ ফীজ লৈছিলোঁ, তাৰ পিছত ৰিচেপছন কাউণ্টাৰত তাই ফীজ ৰাখিবলৈ মানা কৰি দিছিলোঁ। ছোৱালীজনীক ধুনীয়া ফ্ৰক এটা উপহাৰ দিবলৈ অত্যন্ত হেঁপাহ জাগিছিল। কিন্তু ভয় হৈছিল, জানোচা দেউতাকজনৰ আত্মসন্মানত আঘাত লাগে। ফীজ নোলোৱাতো আৰু কিবা উপহাৰ দিয়া, এই দুটা সম্পূৰ্ণ বেলেগ কথা। তদুপৰি আৰু এটা কথাই মোৰ মনত ক্ৰিয়া কৰিছিল, হাজাৰ হওক সৰু ছোৱালী, মই যেনিবা এবাৰ এটা ফ্ৰক দিলোৱেই, তাৰ পিছত তাইৰ যদি আব্দাৰ বাঢ়ি যায়, তেতিয়া দেউতাকে মনত কষ্ট নাপাবনে? পৰোক্ষভাৱে মই তাইৰ স্বভাৱ নষ্ট কৰা নহ'ব জানোঁ? কিন্তু কি জাননে? কেতিয়াবা যে যুক্তিয়ে হৃদয়ৰ ওচৰত হাৰ মানে। গতিকেই এদিনাখন তাই মোৰ ওচৰলৈ আহোতে মই দেউতাকক সুধিলোঁ।"

"কি সুধিলি?"

"যে মই তাইক ফ্ৰক এটা কিনি দিলে তেখেতে বেয়া পাব নেকি? কিন্তু উত্তৰটো ছোৱালীজনীয়েহে দিলে।"

"কি ক'লে তাই?"

"তাই ক'লে, বাইদেউ, পিন্ধিবলৈ মোৰ এই ফ্ৰকটো আছেই। কাপোৰ দিব নালাগে দিয়ক। বেয়া নাপায় যদি হৰলিক্স এবটলকে কিনি দিব নেকি বাৰু? হৰলিক্স খালে পঢ়া শুনাত ভাল হয় বোলে?"

অনিন্দিতা মনে মনে ৰ'ল। ময়ো আবেগিক হৈ পৰিলোঁ। কিনো ক'ম ভাবিয়ে পোৱা নাছিলোঁ। তথাপি সুধিলোঁ,

"কি বুলি ক'লি তই?"

থোকা থুকি মাতেৰে তৃষ্ণাই উত্তৰ দিলে,

"চাৰি বটল হৰলিক্স আৰু কমপ্লান কিনি দি পঠালোঁ। ইতিমধ্যে সন্থা এটাৰ লগত কথা বতৰা আৰম্ভ কৰিছোঁ, এতিয়াৰেপৰা তাইৰ পঢ়া শুনাৰ সমস্ত খৰচ মই বহন কৰিম।"

মৰিশালীৰ নিস্তব্ধতা বিৰাজ কৰিলে কোঠাটোত কিছুসময়।

"বাৰু, বাদ দে সেইবিলাক। ৰিমলীহঁত এতিয়াও ঘৰ পোৱাহি নাই যে?"

"তাইক দেউতাকে প্ৰগ্ৰামৰপৰা বাহিৰে বাহিৰে মামাকহঁতৰ তালৈ ফুৰাবলৈ নিয়াৰ কথা। আহি পাবই অলপ পিছতে।"

"স্কুলীয়া ড্ৰেছতে?"

"অ'।"

তৃষ্ণাই হাঁহি হাঁহি ক'লে,

"তাৰমানে ৰিমলীয়েও আমাৰ দৰেই স্কুলীয়া ইউনিফৰ্মতে ফুৰিবলৈ যাব লগা হৈছে?"

"ক'ৰ কথা ক'ত যে মিলাব পাৰ নহয় তই।"

পৰিস্থিতিটো কিছু ধেমেলীয়া হৈ পৰিল। এটা সময়ত তৃষ্ণা গ'লগৈ। কিছু সময় পিছত ৰিমলীহঁতো আহি পালে। ভাত খুৱাই উঠিয়েই ৰিমলীক গা ধুবলৈ পঠালোঁ। বাথৰুমৰপৰা তাই মোক চিঞৰি সুধিলে,

"মানসীহঁতৰ ঘৰলৈ মই আজি কোনটো ফ্ৰক পিন্ধি যাম মা?"

ৰিমলীৰ বাবে মই ৰাতিপুৱাৰেপৰা বিচাৰি খোচাৰি বাছি থোৱা ফ্ৰকটো হাতেৰে চুই চালোঁ। মাত্ৰ কেইবাৰমানহে পিন্ধা কিবা দামী ব্ৰেণ্ডৰ দুহেজাৰটকীয়া সেউজীয়া ৰঙৰ মৰমলগা ফ্ৰক এটা। একেই সেউজীয়া ৰঙ। কিন্তু মই কেতিয়াও লগ নোপোৱাকৈও অনিন্দিতাৰ চকুৰ মাজেৰে দেখা সেই কণমানিজনীৰ সেই সেউজীয়া ফ্ৰকটোৰ আগত যেন ইয়াৰ সৌন্দৰ্য্য বেছ কিছু ম্লান পৰি গৈছে। চকুকেইটা জপাই ধৰিলোঁ। চকুৰ সন্মুখত আন্ধাৰৰ মাজত এটি মিচিকিয়া হাঁহিৰে উজ্জ্বল সেউজীয়া ফ্ৰক এটা পিন্ধি দহবছৰীয়া কিশোৰীজনী জিলিকি উঠিল। ৰিমলীয়ে আকৌ এবাৰ চিঞৰি সুধিলে,

"মা, কোনযোৰ কাপোৰ?"

মোৰ অজানিতেই হয়তোবা মোৰ অন্তৰাত্মাই উত্তৰ দিলে,

"ভালদৰে যিকোনো এযোৰ পিন্ধি গ'লেই হ'ল মাজনী। তুমি সোনকালে বাথৰুমৰপৰা ওলোৱা।"

****

OF ASSAM AND THE ASSAMESE

✍ **RITUPARNA DAS**

One of the recent controversies making national headlines is that of Jallikattu. Jallikattu is the bull Taming sport of Tamil Nadu that is performed during Pongal. Jallikattu has been banned by the Supreme Court of India under Prevention of Cruelty to Animals Act, 1960. While animal right activists including Animal Welfare Board and PETA India who support the ban believe such a practice inherently entails ill-treatment of animals and is downright unjust, the defenders of the same claim it to be an integral art of their culture. Further the latter also put forward that Jallikattu cannot be banned because it is protected under the Fundamental Rights of the Constitution of India under Article 25 and Article 14. However Supreme Court contends that Article 14 only protects those Element that are 'fundamental' to a particular religion.

While Jallikattu does not have a direct bearing of religion on it, the popular narrative amongst the detractors of the ban is that since every festival has religious underpinnings therefore Jallikattu which is a part of Pongal celebrations comes under the ambit of religion and/or religious practices.

While the bill legalizing Jallikattu has been presented and passed in Tamil Nadu legislatures following an ordinance passed previously to the same effect, it still remains to be seen whether Jallikattu merits itself to be protected under Art 14. This, however, brings to light one very pertinent question. Does every festival has a religious underpinning?

Does bihu has any religious underpinnings?

Festivals that belong to a particular religion call for commemorating or celebrating certain event or cause exclusive to that religion. Janmastami, Moharram, Christmas or Good Friday clearly exemplify it. However bihu

has no such relevance so as to suggest it to belong to a particular religion. Infect, on contrary, as we all know, the three Bihus, i.eRangali Bihu, Kangali Bihu and Bhogali Bihu reflects upon the different phases of the crop cycle of the state as customized by the Assamese community in tandem with the changing whims of Mother Nature.

Bihu is folk and not religion-based. It celebrates nature and love. It is an expression of how the societal elements of the inhabitants of this region are so intricately intertwined with the nature and environment of the same. Quintessentially Bihu is a way of life for people of Assam.

It is worth noticing that a few elements like reference to Hindu deities or Hindu marriage practices ('choklong','houmorguri') et al in Bihu songs and wearing red 'bindi' by Bih dancers tend to make Bihu a Hindu festival. But the larger narrative only says that they have evolved in consonance with the popular customs of the majority population of the state who are the Hindus. Besides, they only accessorize bihu and not form the essentials of the festival.

In essence, Bihu belong to the ones who connects with the economy, culture and traditions of the Assamese society and the climate, flora and fauna of the state. Bihu belongs to everyone whose heart sings along with the 'kulisorai' and their senses treated at the sight of 'kopouful' in 'bohag', everyone who savours 'Iaru, pitha, doi, sira' in 'magh', and every soul that prays and prepares in 'kati'. One does not need to belong to a particular religion to treasure the 'muga' and 'pat' silk or take pride in the one horned rhinoceros and the mighty Brahmaputra or to celebrate Bihu. One just needs to be an Assamese. infect bihu belongs to every individual who identifies herself /himself as an Assamese.

While protecting and defending one's culture and tradition is her/his right, the same need not always be cornerstone on religious premises. Not all festivals have their origin in religion. Some festivals just celebrate brotherhood of living together as a community and with the nature irrespective of religion and Bihu is just one of that kind.□



BOHAG BIHU

✍ **HRISHIKESH SARMA**

Bihu:-Bihu is the chief festival in the Assam. It refers to a set of three different festivals. Rangali or Bohag Bihu observed in April, Kangali or Kati Bihu observed in October, and Bhogali or Magh Bihu observed in January. The Rangali Bihu is the most important of the three celebrating the Assamese new year and the spring festival. The Bhogali Bihu or the Magh Bihu is the one that is all about food. The kongali Bihu or Kati Bihu is the somber, thrifty one reflecting a season of supplies.

Bohag Bihu :Bohag Bihu(mid-April),also called Rongali Bihu),the most popular Bihu celebrates the Onset of the Assamese New Year (around April 14-1S) and the coming of Spring. This marks the first day of the Hindu solar calendar and is also observed in Bengali, Manipuri, Mithila, Nepali, Orissa, Punjab, Kerala and Tamil Nadu through called by different names. It's a time of merriment and feasting and continues, in general, for seven days. The farmers prepare the field for cultivation of paddy and there is a feeling of joy around. The women like pitha, larus (traditional food made of rice and coconut) and Jolpan which gives the real essence of the season.

The first day of the Bihu is called cow (goru) bihu, where the cows are washed and worshipped, which falls on the last day of the previous year, usually on 14th of April. This is followed by manhu (human) bihu on is15th of April, the New Year Day. This is the day of getting cleaned up, wearing new cloths and celebrating and getting ready for the new year with fresh vigor. The third day is Gosai (Gods) bihu; statues of Gods, worshiped in all households are cleaned and worshiped asking for smooth new year.

The folk songs associated with the Bohag Bihu are called Bihugeets or Bihu songs. The form of celebration and rites vary among different demographic groups.

Rongali Bihu is also a fertility festival, where the bihu dance with its sensuous movements using the hips, arms, et., by the young women call out to celebrate their fertility.

The Seven Days:-

Bohag Bihu or Rongali Bihu festival continues for seven days and called as Xaat Bihu. The seven days are known as Chot Bihu, Goru Bihu, Manhu Bihu, Kutum Bihu, Senehi Bihu, Mela Bihu and Chera Bihu.□

ZUBEEN GARG AND CONTROVER-SIES: A SNEAK-PEAK

✍ PARTHA PRAWAL

Zubeen Garg, media and controversies, have they actually become synonymous in Assam now? Over the years, right from the beginning of the Bihu season, Zubeen Garg tops media headlines for all the 'controversial' things and 2016 was no different and in this particular year the most popular controversy was that of State song claim. Though Angaraag Papon Mahanta also joined the band-wagon for a while, he simply faded away and it has been Zubeen Garg all the way.

Even though controversy has been media's favourite child, we have also not let our efforts die in fuelling the controversies. And for Zubeen Garg, he must be 'enjoying the limelight and the attention that he is receiving for his antics on stage'.

This is not the first time, even in the past he has been in the news for wrong reasons. But let us go back and ask, was he really at fault then, considering he is at fault now?

Pole act:

Few years back the 'Anamika' creator was performing at Nehru Stadium in Guwahati at the finals of 'Voice of Axom' when in the middle of the show he climbed up a pole that was supporting the stage. He was pulled down and was taken off stage. The entire State erupted later- few voicing against him, few in support and few had a neutral tone. The media went all guns blazing at him and criticised him.

Indeed, the act needed to be criticised as a singer like him should not climb the pole and that too in inebriated condition. What if had he fallen from the top? But the singer had his own justification for his act. Did media pick it up? Frankly speaking, NO!

As far as I remember, the singer said that he climbed the post as he was protesting against the fraud of the organisers regarding some financial matters. (I am not sure if this is true or not as there was no media post mortem to this statement)

Slap-gate:

Advocate Arup Borbora is a highly respected advocate of Assam and Zubeen Garg rubbed shoulders against this law typhoon when the latter slapped the former's under-age son for smoking in public and behaving in an un-parliamentary way.

In one hand the Government has banners saying that 'minors should not be sold alcohol and cigarette', on the other if someone stops a minor for doing it the media comes out all guns blazing at the person and questions his way and his moral rights. A case was also registered against the singer and I have heard that Garg apologised later to Borbora. (Citation required on this part though)

At loggerheads with a newspaper house:

Just after the slap-gate scandal, I heard that the singer went to the office of a popular Assamese daily and got into a brawl with one of the reporters. It was told that the reporter had written something obnoxious stuffs against him. Is it not natural for any human being to retaliate when hurt? The media indeed saw him punching the reporter, but it failed to see the punch of the reporter's pen, which had made deeper impact in the singer's heart.

Being in the media, are we entitled to write anything and everything? Don't we should also think twice and thrice before we pen down something?

Nabagraha crematorium:

For Zubeen Garg his sister late Jongki Borthalur meant a lot and when she died in an accident, the entire world shattered right before him. He was broken to an extent which only he can understand and we can't even feel a fragment of his pain. Well, media even didn't stay behind from dragging his name into controversy.

I don't know if the singer actually went to the Nabagraha crematorium late at night in drunken state, shouted and cried for his late sister cursing the gods above and tore apart his 'holy thread'. I really don't know at all but some newspapers picked this up and they ran stories after stories- most of them obviously negative. I remember one newspaper's headline which when translated to English roughly read as- Zubeen Garg picks up clash with the heavens, where are his Brahminical qualities?

Killer 87:

This has been the most talked about Zubeen Garg controversy till date. At a time when most of the people wore neatly ironed shirts and pants (in some cases brand new as well) for attending the funeral of the Bard of Brahmaputra, Zubeen Garg went to the Jalukbari Samadhi sthal of the legend wearing a quarter pant and a ganji, which had 'Killer 87' imprinted on it. The dress, many said, was cheap and vulgar and not appropriate for wearing at Bhupen das funeral. The media lambasted Garg for his dress code. Talk shows were organised in TV channels and Zubeen Garg was stripped over and over again.

I agree that what Zubeen Garg wore did not go with the 'dress code' of the occasion, but at least he was not fake like some of the singers- who while accompanying the truck that carried Bhupen das body from air-

port- waved to the crowd and showered flying kisses as if they returned from some war. Sadly enough, no TV camera was there to capture these scenes.

Hindi songs:

The United Liberation Front of Assam (ULFA), over the years has been issuing diktats during Rongali Bihu that no singer should sing Hindi songs on stage. But Zubeen Garg openly defied the diktats and he did sing his hit chartbusters.

Talk shows were held on the topic if a singer should sing Hindi songs or not and questions were raised on Zubeen Garg's sincerity as an Assamese. The same channels that otherwise showed news against the ULFA, were now having panel discussion on a diktat issued by the same banned outfit. The centre-stage, however, was Zubeen Garg for he defied the diktat.

In the conclusion

Examples like the ones above are in plenty where controversy has been created just at the drop of a hat but even then, some of the antics of Zubeen Garg probably are not right. Zubeen Garg is not just a singer but he is an icon on whom a generation looks up to. He is role model for many and in most occasions his acts on stage indeed have a negative impact o those lakhs of his fans.

As a person he knows what he is doing, what is right and what is wrong and he is solely responsible of these acts. 'Media's work is to report', it is said then the media must also remember that 'it should not sensationalise, exaggerate and be bias. Reporting should be two-way reporting and it should be done in a constructive manner. The way media has been handling all the Zubeen Garg issue, it is far from being constructive.

I, as a media person, I feel, we all have equal role in building the society and as we help our friends and relatives to grow in life, it is also out duty to help the ace singer grow in the right direction and stop only portraying his 'bad'. We should stop our trials and judgemental attitudes. If something is bad, let us call it bad but we should not post mortem it over and over again. After all- excess of anything is harmful!□

The Clarion Volume 6 Number 1 (2017) PP 119-120

The Clarion
International Multidisciplinary Journal
ISSN : 2277-1697

General article : views and analysis

Dams - not a threat but a necessity for modern India.

S L Kapil

General Manager, NHPC Ltd., Sec.33, Faridabad, Haryana, India.

Himalayas the mighty mountain ranges span almost the entire breadth of 2500km of the Indian subcontinent. They are examples of mountain ranges formed by two continental plate collision between Indian plate and the Eurasian plate. Because of this typical geography Himalayas are home to frequent seismic activity.

Himalayas are also blessed with some mighty rivers with great power potential trapped within them. Any attempt to develop these natural resources into a major energy source in form of Hydroelectric projects is a challenge. If not tapped, the renewable form of energy will be getting wasted every year without providing any benefits to citizens of India specially the locals in the nearby areas. In the face of drought and flood conditions faced by different parts of the country along with severe power shortages constantly faced, construction of Dams can come as great relief to the public. One question which is often raised amidst all this is- **are the Dams built in the Himalayas worth building considering the risks involved.**

When it comes to water management on a large scale, agrarian country like India needs Dams for water storage in adverse times considering the situation faced in the past few years. So building of dams will be a big step towards mitigating drought and facilitating flood control measures. It is also a fact that earthquakes don't kill but the randomly constructed structures which do not follow the stringent IS codes laid down for aseismic design of structures are the major cause of destruction. Earthquakes can't be controlled but what can be done is to design earthquake resistant structures.

In recent times questions have been raised on construction of dams in seismically active Himalayan terrain. If designed with great care, taking into consideration the seismicity factors during design and construction of these structures, they perform safely and contribute to the economy of the region. Countries like China and Japan with very high seismicity incidences have successfully built some biggest dams of the world which are functioning safely. In the Indian context also, this fact is strongly supported by the performance of the hydro projects in high seismicity region of the Himalayas which have withstood some of the big shocks felt in the last decade in the Himalayan belt ranging from Jammu and Kashmir to the North Eastern region.

The **2005 Kashmir earthquake** of magnitude 7.6 occurred on 8 October in the Pakistani territory of Azad Kashmir. It was centered 19 km northeast of the city of Muzaffarabad, (epicentre 34.45°N 73.65°E) and also affected the Indian state of Jammu and Kashmir. Muzaffarabad, was hardest hit in terms of casualties and destruction.

On Indian side widespread destruction was seen in the Baramulla District. However, the operating hydropower station of **Uri I** of NHPC at a distance of only about **53km** from the epicentre withstood the earthquake without any damage to the structure or its functioning. This only proves that proper designing and construction can withstand any earthquake without causing any harm to people.

The **18th Sep. 2011 Sikkim Nepal earthquake** of magnitude 6.8 rocked the Northeastern state of Sikkim (epicentre 27.7° N 88.08°E). The effect of this earthquake was widespread with tremors felt as far as West Bengal, Assam, Bihar and Delhi. Buildings, monasteries and roads collapsed due to this event on a large scale.

Corresponding author : shyamkapil@gmail.com
DOI number: 10.5958/2277-937X.2017.00020.X

Post earthquake NHPC assessed the impact of this earthquake on number of its hydroprojects operating in the state. Teams from institutes and government bodies like IIT-Kanpur, CWPRS also went independently to assess the onsite damage. The projects were **TeestaV HEP** (56km from epicentre of the earthquake), **Rangit Power station** (53km from epicentre), **Teesta Low dam** III (82km from epicentre), **Teesta Low dam** IV (88km from epicentre). All the projects performed well during the earthquake and no damage was observed. With some of the HEP's operating so close to the epicentre, the robust earthquake resistant design of these structures once again comes into play.

The **25th April 2015 Nepal earthquake** of magnitude 7.8 which struck around 81km from Kathmandu occurred due to the collision tectonics of two continental plates the Indian Plate and the Eurasian Plate. Widespread damage was reported from Nepal including states of Bihar and Bengal of neighbouring India. Landslides and Himalayan avalanches were triggered due to this event. Many building and airport in the capital city of Kathmandu were destroyed.

Installed accelerograph

This event had been recorded by accelerographs installed at NHPC power stations ranging from the state of Sikkim to projects as far as in Jammu and Kashmir. Four power stations located in Sikkim which were closest to this event operated smoothly without any damage.



Accelerograph installed at Uri-II project, J&K

With the dawn of the new year, on 3th Jan. 2016 Tamenglang district of Manipur was rocked by an earthquake of magnitude 6.7 (epicentre 24.8N, 93.5E). Damage to property and loss of life was reported from the area. One of the nearest operating power station of NHPC at Loktak was merely at a distance of 53 km from the epicentre and again the project performed well without any damage.

In order to have close monitoring and better control, NHPC has setup a one of its kind **Real Time Seismic Data Center** at its Corporate Office. Accelerographs installed at all these Power Stations are connected online to this data center. This is a big step towards strengthening the seismic monitoring of all its projects.



Acceleration data of Manipur Earthquake recorded at Loktak Power station (PGA=.0272g, epicentral distance 53.5km)

With this new initiative NHPC was able to collect some valuable acceleration data for these events at its power stations. On performing a comparative study it is found that the **actual value of PGA recorded at all the power stations is much lower than the computed values of PGA derived after application of attenuation laws like those of Abrahamson & Litehiser (1989) and Campbell, Boore & Joyner** (1981) which shows that all NHPC structures are over safe against any seismic activity.

From above cited examples, it can definitely be stated that with competent and careful selection of seismic design parameters for design of structures like dam and its components, a safe performing structure can be built. From the recent examples mentioned above, it shows that design and construction of hydro projects are so far safe in India. In future also similar approach shall be adopted by all developers, so that people can get only benefits without any single cause of harm. In India it is mandatory to get the seismic design parameters of hydro projects approved from **National Committee on Seismic Design Parameters** a high level interdisciplinary official body set up by GoI. The site specific seismic design studies of hydro projects are to be approved from NCSDP before the project clearance. By generating public awareness about the actual science and engineering involved in construction of hydro projects, the Nation can look forward to clean and safe renewable source of energy & water management.

শান্ত শ্ৰী

✍ মীৰা ঠাকুৰ

মোৰ শিলাময় বুকুত ফুলৰ তোৰণ সাজি, যিদিনা তুমি অতিথি হ'বাহি, এনিশাৰ, সেইদিনাই শিলবোৰৰ নিপাত হ'ব এক স্বাভাৱিক প্ৰক্ৰিয়াত।

ওঁঠৰ ভাষা হেৰুৱাই হিয়ালি জিয়ালি হোৱা চৰাইবোৰে সেইদিনাই গানৰ সুৰ এটা পিন্ধি ল'বহি ঠোঁটত।

তুমি আহিবা বুলিয়েই নৈত গা ধুই থকা বেলিটোৰ স'তে পানীৰ যি সোণোৱালী আলাপ, সেই আলাপে প্ৰেমৰ সাজ পিন্ধিবহি।

তুমি আহিবা বুলি, খিল খিল যৌৱন এজাকে আশাৰ খালৈ বান্ধি, হেপাহৰ খলিহনা বিচাৰি ফুৰিছে, দেহৰ উজান ভাটি কৰা, নৈ-উপনৈবোৰত।

তুমি অহাৰ আগেয়ে ক'তো এটা তৰায়ো হুঁহা নাছিল, বেতনিত পৰি চিৰিলা চিৰিল হৈছিল জোনাকৰ লৱণু কোমল গা।

শুনা শুনা, তুমি আহিলে মনৰ জপা খুলি উবুৰিয়াই কথা পাতিম, একেখন পাটিতে বুকুত বুক থৈ, চকুত চকু থৈ, ওৰেতো ৰাতি সজাল ধৰা টোপনিক জোকাম। হেঁপাহৰ হাচতি খুলি মুহুদি খুৱাম বতৰৰ।

হালধীয়া নাৱত উঠি নীল সাগৰত সপোনৰ জাল মাৰি তৰা মাছ ধৰিম। মাছবোৰে তিৰ বিৰাবহি চকুত।

তাকে দেখি, উলাহী জোনাকী পৰুৱাবোৰেও এন্ধাৰৰ চোতালত মাটিৰ চাকি জ্বলাই লৰি আহিব সুৱাগুৰি তুলিবলৈ।

তুমি আহিলেই, মই তোমাৰ সৈতে নৈ এখনৰ ভংগীমা লৈ সাগৰত নামিম। বহাগে বিহু নাচ এফাঁকি পিন্ধি, শিমলু তুলা হৈ নাচিবহি আমাৰ তেজত।

এইমাত্ৰ শুনিলো তোমাৰ হেনো অসুখ
অতবোৰ হেপাহ
অতবোৰ সপোন
সপোনৰ সুৱাগ মণি
অতবোৰ আশাৰ হৈ চৈ বুকুক
কোন সতেৰে কওঁ
তুমিয়েই কোৱাচোন
কোনটো সতেৰেনো কওঁ বাৰু
তুমি যে নৰিয়া পাটিত।□

সাহিত্য

ব'হাগৰ প্ৰহৰ

✍ বিজয়া দেৱদাস

পাটকাই বাট কাটি অহা মানুহজাকৰ লগতে
হেনো প্ৰথম ৰঙিলী হৈ আহিছিলি তই
লগত আনিছিলি ৰঙা আঁচুৰ গামোছা,
কিন্তু আজিকালি বহুত পোচাকী হলি তই
মই জানো তই হঁও বুলি হোৱা নাই।
চকুৰ মণিত তৰাফুল পিন্ধি
উজনি নামনি নৱনীতা কৰিবলৈ বাধ্য তই
শৈশৱ যৌৱনত তোৰ স'তে কটোৱা
সাতদিন সাতৰাতিৰ মুহূৰ্তবোৰ
এতিয়াও মোৰ হৃদয়ত জলমল দাপোণ।
চ'ৰাঘৰৰ কাঠিত আইৰ তাঁতশালৰ মাকোৰ খিটখিটনি
যঁতৰৰ তেল পিচলা ৰচীৰ গুণগুণনি,
বৰচেৰেকী-সৰুচেৰেকীৰ কেৰ্‌কেৰণি
বাৰী ঢাপৰ তৰু-তৃণ লতিকাৰ ন' সাজোন-কাচোন।
তগৰৰ, নাহৰৰ কুমলীয়া কুঁহিয়ে
ৰোমন্থনৰ হেন্দোলনিত জোনাক সৰায়।
ব'হাগ, তই অহাৰ প্ৰহৰত।
ব'হাগ আহিবি প্ৰতি ঋতুৰ সলনিত
মই মাজৰাতি উনাম বিহুনামেৰে—
"কিনো চ'তমহীয়া বতাহজাকি মাৰিলে
গছে-বনে সলালে পাত,
কিনো অসমীয়াৰ বিহুটি আহিলে
গৰু ছালে লগালে মাত।"
ব'হাগ আহিবি হাঁহি হাঁহি যাবিগৈ হাঁহি হাঁহি
প্ৰতি আগমনত হওক নতুন সৃষ্টি
এক নতুন আবেগ-নৱ প্ৰজন্মৰ
নৱ জাগৰণৰ।□

গাভৰু হোৱাই তাইৰ লেঠা

✍ পশুপতি হাজৰিকা

এদিন তাই গাভৰু হ'ল
এতিয়া অন্তঃসত্বা
ঋতুমতী জীৱনৰ
গাত তাইৰ শাওন ভাদ
নৈৰ দুই পাৰে
হেজাৰ প্ৰেমীকৰ জাকৈয়া জাল
আনিঙ্গনৰ বাবে
তাইৰ উন্মুক্ত দুৱাৰ
যেতিয়া আকাশে
কথা পাতে তাইৰ সতে
ধুমুহাই টানে আঁচলত ধৰি
বাউলি হৈ নাচে তাই
পথাৰ ভৰি
তাই যে অন্তঃসত্বা
ঋতুমতী যৌৱনৰ
উন্মুক্ত সত্বা
তাই জানো কেতিয়া গাভৰু হ'ল
গাভৰু হোৱাই তাইৰ লেঠা।

স্নিগ্ধ বৰষা

✍ কুংকুম সাধনিদাৰ বৰুৱা

গুম্ গুম্ কৰি গৰজি
উঠিল মেঘ;
হুৰহুৰকৈ নামি অহা বৰষুণজাকে
ধুই নিলে মোৰ মনৰ
ধূলি-মাকতিবোৰ,
মুকলি হ'ল মোৰ মন আকাশ
হিয়াখনি ভৰি পৰিল
এক আমেজভৰা স্নিগ্ধতাৰে।
কোবাই গ'ল মোৰ,
আউল লগা জীৱনক.
চেঁচা পৰি গ'ল নিমিষতে,
জলি উঠা বুকুৰ অগনি।
কঁপি উঠিছে ওঠ দুটি মোৰ
হৈ আহিছে দুটোপাল চকুলো।
এয়া যে বৰষা
যি আনিছে কঢ়িয়াই ন-বতৰা
এয়া যে সময়,
দুখক পাহৰি
সুখক আলিংগণ কৰা।□

যন্ত্ৰণা

✍ ৰাজীৱ হাজৰিকা

মেলিদিলো মোৰ পালতৰা নাও
নদীৰ বুকুত উজনি মুৱাকৈ,
মতলীয়া বতাহে ক'পালে চৈ
চৈৰ তলত বহি
ভাবিলো কত শত স্মৃতি বুকুত লৈ
কত জাতি-উপজাতিৰ সৃষ্টি আৰু কৃষ্টিৰ সংস্কৃষ্টি
নদীওয়ে আছে পশ্চিমলৈ বৈ।
আকাশ আছিল ফৰকাল
হঠাৎ দেখো পশ্চিম আকাশত
কলীয়া ডাৱৰৰ চকামকা
কোবাল গতিত বয় পূৱৰ ফালে
লাগিল ভয়, তেতিয়াও যে মোৰ পালতৰা নাও
নদীৰ বিশাল বুকুত!
ধুমুহাৰ কোব লাগিল পালতৰা নাৱত
অস্থিৰ গতি, সলাই সঘনে তাৰ দিশ
আৰ্তনাদত ছটফটায় গুৰিয়াল,
বতাহৰ কোবে দিলে হেৰুৱাই তাৰ পশ্চাদগমন
নাই তাৰ বিন্দু পাৰিবনে স্পৰ্শ কৰিব সিন্ধু?
কোবাল ধুমুহাই দিলে বুকু বিদাৰি মোৰ পাল
পালেও নাজানে যে ধুমুহাৰ গতি
জানে মাথো তাৰ ৰছিয়েহে সাক্ষী
ৰক্ষা কৰা দয়াময় কৰুণা নিধি
তুমিয়েই হেনো কৰিছিলা সৃষ্টি
মানৱ দানৱৰ বিধি
জয় মানৱ জাতি
সৃষ্টিত অধোগতি
স্বাৰ্থ আগত
জাতিৰ চিন্তা পিছত।□



বিষাদ

✍ পলাশ বৰুৱা

হিয়াৰ মাজতে সাঁচিছিলো যতনে,
ক'তনো হেৰালি তই!
মৰমৰ বান্ধোন ছিঙি,
উকা মন, উকা বুকু কৰি
কোননো পাকত হ'লি এৰা এৰি;
সুখ-দুখৰ ভটিয়াই বৰনৈ....!
এন্ধাৰ নিশাৰ কত কথা;
ৰেলিঙৰ কাষতে পৰি ৰ'ল।
আধাখোৱা গিলাচত
ক'তয়ে বেদনা আধাই গিলা হ'ল।
সোঁৱে বাওঁৱে, আগে-পিছে
ক'তনো আছ তই নীৰৱে,
আহ! অলপ ধোঁৱা খাও ব'ল।
পদূলিৰ মুখৰ খৰিকাজাঁই
তই আহিবি আবেলিৰ মলয়াত
শৈশৱৰ সুবাস নিতে জুৰাই,
পুঁৱতিৰ চাঁৰনিৰে ভুমুকি মাৰি,
মেঘ হৈ সৰিবিচোন প্ৰথম বাৰিষাত.....
চিপ চিপ বৰষুণ, সৰল-উদাৰ চিত্ তোৰ,
কৃত্ৰিমতাৰে মলিয়ন, নিবি মোক ধুৱাই।□

হে সময়

✍ পশুপতি হাজৰিকা

স্বচ্ছতা যেতিয়া
মেৰপেচত ঢাক খায়
সত্যতা যেতিয়া
পিছ দুৱাৰেদি কটা যায়
তেতিয়া আদালত হয়
মাথো সাক্ষীগোপাল
বিচাৰৰ ৰায় হয়
আকাশ-পাতাল
কোনে বুজি পাব
হৃদয়ৰ তাল-আফাল?
ৰাজনীতিকৰ লক্ষ্যও আজি
মাথো আত্মসাৎ
যাৰ ফলত
বহু সময়ত
ফুলৰ মালা জোতাৰ মালা
একাকাৰ হয়
ৰাইজৰ হাতত
হে সময়,
থাকিবনে সকলো কথা
তোমাৰ মনত
উচিত বিচাৰ বাৰু
কিমান আতৰত
অতিষ্ঠ লোকৰ আত্ৰানিত
বনৰ পখীও যে বিনাই□

পৰিৱৰ্তনৰ ধামখুমীয়াত বিহু

✍ ৰমেন কলিতা

বহাগ আহি আছেহি বৈ নঙলা মুখত
নৱ প্ৰভাতত আকৌ বিহু লগাৰ মান
অচিনাকি চিনাকি বতৰত
বহাগমহীয়া সুৰ
আগ ব'হাগৰ প্ৰথমজাক বৰষুণত
পথাৰবোৰ তিতিছে
বুকুৱে চকুৱে নাচোন
সপোনৰ কঠীয়াতলীত
বাসনাৰ বীজে গজালি মেলিছে
নৈৰ পানী উঠলি উঠিছে

মযো সেয়ে আজি
তোমাৰ স'তে তিতিম
থেৰেজুবুলীয়া ওঁঠত
কপৌফুলৰ কোমল চুমা
মন মতলীয়া নাহৰ কেতেকী ফুলৰ গোন্ধ
আজুৰি আনিম যেন
জেতুকাবুলীয়া যৌৱন

পৰিৱৰ্তনৰ ধামখুমীয়াত বিহু
এচামে যি মন যায় তাকে কৰিছে
দুৱাৰবোৰ মেলি থৈছে
যেন গৰখীয়া নোহোৱা গৰু
চেঙেলীয়াহঁতৰ চঞ্চল ব'হাগ
বিহুৱে মোট সলাইছে
যৌৱন বসন্ত
বাট এৰি অবাটে
উটি যাব নেকি
সাতাম পুৰুষীয়া পৰম্পৰা

সাঁচতীয়া মৰম তোমালৈ মই
গামোচাৰে আনিছো বান্ধি
পিন্ধাই দিম ব'হাগৰ প্ৰথম পুৱাতে
মোৰ গাঁৱৰ চিনাকি বাটত
গাম আমি পুৰণি বিহুগীত এফাকি
পামগৈ নে আই
মোৰ গাঁৱৰ লৰালি আদি...



নতুনৰ বতৰা

✍ ৰীণা পূজাৰী

ডালে ডালে কুঁহিপাতে
কিনো কৈ যায়,
কুলি আৰু কেতেকীয়ে
বতৰৰ বতৰা জনায়।
ধুলীয়াই ছেওঁ মাৰে
ধিন ধিন ধাক,
তালিয়াই তাল বজায়
খিত খিত তাক।
পেপুঁৱাই ফু মাৰে
তি তি তিহিটি,
শিপিনীয়ে বয় তাত
খিট্ খিট খিটিতি।
ধেংকুলুচ ধেংকুলুচ
ঢেকীৰে শব্দত,
উহালত ভাজে লাৰু পিঠা
মনৰে উচ্ছাহত।
আমাৰো মন আজি
নাচে আনন্দত,
বিহু বিহু বিহু বুলি
গাও উলাহত।।

মন

✍ দী বৈশ্য

কুলি-কেতেকীৰ শুৱলা মাতে
গছ শতিকাৰ কুঁহি পাতে
বতৰা আনিছে বহাগৰ
ৰোৱনী, ডাৱনীৰো তত নাই
পথাৰৰ কাম সামৰি
ব্যস্ত তাঁতৰ পাতত
বিহুৱানখনি উলিয়াবই লাগিব
চেনাই লৈ বুলি।
ঢুলীয়া, নাচনীও ব্যস্ত
আখাৰা গৃহত, কৰ্মশালত
শিল্পী সকল ব্যস্ত
নতুনৰ সৃষ্টিত
কোনে দিব পাৰে কিমান
নৱ নৱ সৃষ্টি আৰু প্ৰেমাৰ
ভ্ৰূক্ষেপ নাই ভাষা আৰু সুৰৰ
বিতৰ্কৰো শেষ নাই।
এইয়া যে বিহুৰ বতৰ
অসমীয়াৰ দেহত, প্ৰাণত
তেজত আছে বহাগৰ বিহু
ডেকা, গাভৰু, জীয়ৰী, বোৱাৰী
বুঢ়া, মেঠা, সকলোৰে
কঁকাল ঘূৰাই ঘূৰাই
এবাৰ নাচিবৰ মন।

কপৌ ফুলৰ সুবাসেৰে

✍ অঞ্জলি দেৱী গোস্বামী

কাতিত কঙালী
মাঘত ভোগালী
বহাগত ৰঙালীৰ
কপৌ ফুলৰ সুবাসেৰে
লুকা ভাকু খেলে হৃদয়ে হৃদয়ে,
মুগাৰ মেখেলা চাদৰে
গাভৰু গাভৰু লগা
অসমীয়া জীয়ৰীৰ
প্ৰেমৰ উদয় হয় অন্তৰে অন্তৰে,
ঢোল, পেঁপা, গগণাৰে
তিহিতি তিতা মিঠা মাতত
বিহু ডেকা নাচি উঠে
ম'হৰ শিঙৰ সুৰে সুৰে,
আহঁতৰ তলে তলে
কৃষ্ণচূড়াৰ ফাকে ফাকে
লাহি ককাল হালে জালে
বিহুগীতৰ তালে তালে,
নাচি নাচি ভাগৰিলে
হাতযোৰ কৰিলে
অসমবাসীৰ ওচৰত
আশীৰ্বাদ ভিক্ষা মাগিলে।।

অতীতক বিচাৰি

✍ ফুলেশ্চ্ গগৈ

ল'ৰালি কালত
ধেমালি সুৰত
ধোলৰ চেঁওত
গাইছিলো বিহু
আঁহতৰ তলত,
বিলীন হ'ল অতীতত
কালৰ সোঁতত।
জীৱনৰ আবেলি পৰত
সেই স্মৃতিৰ মধুৰতা
আছে অন্তৰত।
কি যে আনন্দদায়ক!
ভৱিষ্যৎ হ'ব বৰ্তমান
বৰ্তমানো অতীত
ই যে মহাজাগতিক
প্ৰৱাহমান গতি
নাই পৰিৱৰ্তন
থাকিব ৰোমন্থন
মৃত্যু জিনি
ৰ'ব মাথোন
যশ আৰু কীৰ্তি।
নৱ প্ৰজন্মৰ বাবে
ই যে হ'ব প্ৰশস্তি।☐

সাহেন

শব্দ-কবিতা আৰু ল'ৰালি

✍ হেমন্ত কুমাৰ চৌধুৰী

সখি, আছেনে মনত ল'ৰালিৰ শাব্দিক গুণগুণনিবোৰ?
আজিও মোৰ মনত আছে সখি, সেই দুষ্টালিবোৰ।
কিন্তু সখি, সেইবোৰ আজি কবিতা হ'ল
জোনাক আৰু আন্ধাৰ, দিন আৰু ৰাতিৰ কবিতা
তেনেই পুৱা-দুপৰীয়া-আবেলি-গধূলিৰ কবিতা

সখি, আছেনে মনত,
কেৰাচিনৰ চাকিৰ পোহৰত থৈলা পাৰি বৰ্ণমালা লিখিব দিয়া
মাৰ মুখৰ শব্দ-ছবিৰ সুৰধ্বনি?

সখি, অ আ ক খ লিখা ফলি-পেঞ্চিল এতিয়া সাধু-সমল হ'ল।
আৰু মনত আছেনে তোমাৰ ধূপৰ ধোঁৱাৰে টোপনি ভগা সেই ল'ৰালিটো?
পথাৰত সৰি পৰা চৰাইৰ পাখি, বাঁহৰ জেকনিৰে কলম বনোৱা ল'ৰালিৰ কথা?
থালিৰ ছাই-পুইশাকৰ গুটিৰ চিয়াহীৰে কলপাতত লিখাবোৰো পুৰণি সাধু হ'ল।
সখি, তথাপি মনত আছেনে তোমাৰ
পাঠশালাত প্ৰধানমন্ত্ৰী, শিক্ষামন্ত্ৰী, চাফাইমন্ত্ৰী হোৱাৰ কথা?
২০ পইচা, ২৫ পইচা তুলি পানী খোৱা বাল্টি কিনাৰ কথা?
সেয়াও তেনেই সাঁথৰ।

সখি, গামোচা-গেঞ্জি-পায়জামা পিন্ধি বিদ্যালয়লৈ যোৱা,
পানীলাউৰ ঢোল-কুৰকুৰি লৈ বিহু গোৱা,
এডাল-দুডালকৈ পাঁচ-ছয়ডাল চেকনিৰ কোববোৰ আজি মোৰ
আপোন হৈ আছে; কিন্তু সখি, পৰেনে মনত
পণ্ডিতৰ কুঁহিপাঠ-পাটী গণিতৰ দৰে নাক
বজাই টোপনি মৰা ঘণ্টা-সন্ধিৰ কথা?
বাঁহৰ পখিয়াৰে জুই ধৰি কলাছেউ উহাই খোৱা কলাতলীৰ কথা?
আজি সেই পথাৰখনো নোহোৱা হ'ল,
নোহোৱা হ'ল কাণমলা দিয়া ককা-আইতাজনী।
সেয়া বাৰু মনত পৰে নে?

সখি, পাহৰিছিলোৰেই
দৰাৰ গাড়ীৰ ছিটৰ তলত সোমাই বিয়ালৈ যোৱা ৰাতিৰ সেই সমীয়াহঁত
এতিয়া মধ্য বয়সীয়া হ'ল আৰু গৰু চৰাই চৰাই
টাংগুটি, ধোপ, হাঠা, কুৰকুৰি, গুটি লুকুওৱা খেলৰ সমীয়াও
বিষয়া-কৰ্মচাৰী হ'ল—
সখি সেইবোৰ সাধু-সাঁথৰ যেন লাগিলেও আজি আকাশী জোন-তৰাৰ
সাধু শুনা গধূলিৰ জোনাকী চোতাল নোহোৱা হ'ল।
সখি, পৰেনে বাৰু মনত গধূলিৰ চোতালত আইতাই পিঠিৰ ঘামচি ভঙা
নিচুকনি গীতৰ লহৰ
পাটী ঢাৰি-নলিহা ঢাৰিৰ কথা।
কিন্তু সখি, মোৰ মনত থকা মন খেদা দুমুৰা গামোচাখনো
এতিয়া নোহোৱা হ'ল.....।

সখি, তোমাৰ-মোৰ সেই অনুপম ল'ৰালি জীৱন পামনে বাৰু ঘূৰাই।
সখি, ক'তনো হেৰাল সেই ল'ৰালিটো?
গাঁৱৰ বিবাহ, মৃতকৰ ভোজভাত খাবলৈ যাওঁতে
লগত নিয়া ঘটি-গিলাছৰ শব্দটোও দেখোন নুশুনা হ'লো,
আৰু হেৰাই গ'ল ককাদেউতা, ডাঙৰ পিতা-খুৰাহঁতে তোলা
কলৰদোনা-চটিয়া...।

সখি, সাধু যেন সেই ল'ৰালিটো আজিও মোৰ মনত পৰে
কাতিমহীয়া নাম-ঠাকুৰ পূজাত ঘৰমুৰি দিয়া
লাড়ু-গোপালভোগৰ গোন্ধটোও সাঁথৰ যেন হ'ল আজি...
কিন্তু সখি হাতত লাড়ু-গোপালভোগ লৈ আহোতে
বাটৰ কোৰাচৰ ডাল জোঁকাৰি দিয়া সেই নিশাটো আৰু বীৰাটোও আজি
ক'ৰবাত হেৰাই থাকিল,
আৰু হেৰাই থাকিল
আহুধানৰ নৰাৰে বেৰ দিয়া পথাৰখন,
জাকৈৰে মাছমৰা দুপৰীয়াটো,
খোলাপাৰ্টি চাই আহি ধানখেৰৰ চাকত শোৱা
সেই পুৰতি নিশাৰ ল'ৰালিটো....।

বিহুৰ বতৰত

✍ মানসী দাস

গছে বনে কুলিৰ মাতে
বহাগ অহাৰ বাতৰি দিলে
পুৱাবেলাতেই ৰিণি ৰিণি শুনিলো
খট্ খট্ তাঁতৰ শব্দ
এই কংক্রিটৰ মহানগৰীত
কোনোবা বিহুৱতীয়ে তৰা ফুল বাচিছে
প্রিয়জনলৈ...
ব্যস্ততাপূর্ণ জীৱনতো
পৰা নাই ম্লান কৰিব
তাইৰ নিভাজ মৰম।
মলয়া বতাহে সুৰভি বিলালে
বিহু বিহু বুলি বিহুৱতি চৰায়ে
গাই যায় বিহুৰে গীত।
তাকে শুনি বিহুৱতীৰ
চঞ্চলা মন হয় বাউলী
ঢোলবিৰি, জোনবিৰি।
মুগা ৰিহা পিন্ধি
তাই অপেক্ষাত বন্দী
মৰমৰ বিহুৱানখনি
চেনাইক দিবলৈ বুলি।

হেঁপাহৰ ব'হাগ

✍ অঞ্জনা দেৱী

আহা,
আমি দুয়ো জাতিস্কাৰ কৰো
ৰুক্মিণীনগৰ বিহুতলী

ঢোলৰ চাপৰত
টাকুৰী ঘূৰাদি ঘূৰিম
অনামিকা আঙুলিত আঙুলি বুলাম

বতাহক মোৰ কথা সুধিবা
আৰু গছে ক'ব তোমাৰ কথা
তেনেকুৱা সময়তে আমি হৈ পৰিম অস্থিৰ।

আচলতে কি জানা?
তুমি মোক কঠিন শব্দ দিবা
তোমাক মই কোমল ভাষা দিম

তুমি মোক দুখ দিবা
তোমাক মই সুখৰ বতৰা দিম

তুমি মোক সুৰ দিবা
দুয়ো মিলি এইবেলি বিহুত হুঁচৰী জুৰিম।

আহা, আমি দুয়ো জাতিস্কাৰ কৰো
ৰুক্মিণীনগৰ বিহুতলী।

অনুভৱ

✍ সিদ্ধাৰ্থৰাজ বৰদলৈ

মোৰ দেউতাৰ শুদ্ধ বগা কাপোৰ এসাজ আছিল
মোৰ ল'ৰালিতে দেউতাই
সেই সাজযোৰ গাত সুমুৱাই
হাঁহিছিল আৰু হাঁহি, হাঁহি
হাঁহিৰ ভাগ আমাকো দিছিল,
দেউতা এতিয়া নাই
সাজযোৰ সযতনে সাঁচি থোৱা আছে।
মোৰ কেতিয়াবা বৰ মন যায়
সাজযোৰ গাত সুমুৱাই হাঁহিবলৈ
আৰু হাঁহিৰ ভাগ আনক দিবলৈ
পিছে, অজানিতে কিবা এটি ভয় আহি
বুকুত বাহ ল'লে।
সেই সাজ মই পিন্ধিলে
জানোচা ফিচিকি উৰলি যায়
সেইবাবে কোনোদিনে
সাজযোৰ মোৰ পিন্ধা হোৱা নাই
কেতিয়াও পিন্ধা হোৱা নাই।□

গীত এটি বহাগৰ

✍ কল্পনা শৰ্মা

তলসৰা পাতৰ ঝংকাৰে
আনিছে বহাগৰ বতৰা
ক'ত সুৰৰে ক'ত লহৰে
জিলিকিছে আই অসমী
নতুনৰ সুবাস লৈ
আহিছে ৰঙালী
আনন্দৰ আবিৰ ছটিয়াই।।

গছে-বনে পাতে-পাতে
নৱ আভূষণে
ৰচিছে সেউজী সপোন।
পৰ্বতে-ভৈয়ামে প্ৰীতিৰ নিজৰাই
মন-প্ৰাণ দিয়ে উপচায়
ঢোলটি বাজিছে পেঁপাটি বাজিছে
বিহুগীত এফাঁকি গাই
আনন্দৰ আবিৰ ছটিয়ায়

নানা জাতি-উপজাতিৰে
বৰণীয়া কৃষ্টিৰে
হে আছো আমি চহকী
ভেদাভেদ পাহৰি নাচো উজাৰি
পেঁপা ঢোল গগণা বজাই
সংস্কৃতিৰ সুবাস বিলাই
আনন্দৰ আবিৰ ছটিয়াই।।

ৰেড লাইট এৰিয়াত তাই

✍ নয়নমণি দেৱী

সূৰ্যোদয় ক্ৰমশ সূৰ্যাস্ত
তাই হেৰাই গৈছে
তাই ভিতৰৰ কামিজ সোলকাই
সোণোৱালী আঁচল মেৰাই
তাই এটা যন্ত্ৰ।
টুকটিকিয়া ৰঙা জবাৰ দৰে তাইৰ মুখত
ভাগৰৰ জঠৰতা...
তথাপি তাই এটা যন্ত্ৰ
তাইৰ বুকুৰ খটখটয়েদি উঠি যায়
কোনোবা অচিন পুৰুষৰ হাতৰ আঙুলি
ক্ৰমে গভীৰৰ পৰা গভীৰতালৈ
কিহৰ তাড়নাত
তাই এটা যন্ত্ৰ... ?
কোনোবা দিনা বাৰাণ্ডাত বহুত ভিৰ
তেতিয়া তাই দিনোবোৰক ভাগ কৰে
ছেকেণ্ড, মিনিট, ঘণ্টাৰে
হেৰাই যায় সোণালী শৈশৱ, কৈশোৰ আৰু
ৰূপোৱালী জোনাকৰ যৌৱনৰ মাদকতাবোৰ
যান্ত্ৰিকতাই তাইৰ দেহত অজানিতে
ৰোপণ কৰে সেই ক্ষুদ্ৰ এটম বোমাটো
এইড্চ...
অ' এতিয়া তাই
ৰেড লাইট এৰিয়াৰ স্থায়ী বাসিন্দা
কোনোবা মেট্ৰ'পলিটান চহৰৰ
এখন কুঁৱলীৰ আঁৰত লুকাই
তাই এটা যন্ত্ৰ...।

সাহিত্য

ব'হাগ

✍ ড° চিত্তৰঞ্জন দাস

সৰাফুল কাহানিও
ডাললৈ উভতি নাহে
সেই যে ফুলি আছে থোপা থোপে
পলাশ শিমলু ডালত
মদাৰৰ কাঁইটত
সেইবোৰ তেজ হে
কোনোবাই গম নাপায়
কোনোবাই গম পাই উচুপে অথবা হাঁহে

ব'হাগ জীয়াই থাকে
কাৰ যেন বুকুৰ ৰঙেৰে
ক'ত কাৰ
স্মৃতি সুবাসেৰে।

বাঁহ বিজ্ঞেয়

✍ চন্দাস্মিতা হালৈ

জাতি বাঁহৰ ৰুৱা কামি আৰু মাৰলী,
গাৰে-ভুঞে দেখা পাও সৰু বৰ জুপুৰী।
জাতি বাঁহ আমাৰ হিয়াৰ বাঁহ,
গাৰে-ভুঞে ৰুবলৈ নকৰে এলাহ।
বাৰীৰ পিছফালে ৰুৱে চুকে-কোণে,
ঘৰ-বাৰীৰ কামত লাগে সকলোকে।
নঙলা-জপনা বেৰৰ জেউৰা কামি,
লেহুকা টঙালেৰে বান্ধে আতি-পুতি।
ঘৰুৱা কামৰ ডলা-কুলা আৰু ছালনী,
খেতিৰ কামৰ মৈ-দাকুৰা আৰু ওখনী।
মাছ-ধৰা চেপা-চৰহা আৰু জুলুকী,
জাকৈ-খালৈ আৰু প'ল সজায় টুকি-টাকি।
ঘৰ সাজে বেৰ সাজে আৰু সজায় ৰভা
ফুলাম জাপি আৰি থৈ কিমান কাৰ শোভা।
হালোৱাই হাল বাই মূৰত লয় জাপি,
নাচনীয়ে জাপি লৈ নাচে কঁকাল ভাঙি।।

বিষাদ

✍ মামনী দাস

ও কুলি কুকু কৰি কিয়
বাৰুকৈয়ে কান্দিছ
কাকনো বিচাৰি ইমান
হাহাকাৰ কৰিছ
তোমাৰ নিচিনা মইয়ো যে অকলশৰীয়া
মনৰ আবেগ অনুভূতি
হিয়া উজাৰি ক'বলৈ
মোৰ মানুহজনে দেখোন
নাইকীয়া
সৌ তাহানিৰ কথা ভাবি মনতে
সপোন ৰচি
উজাগৰে চকুলো টুকি
আকৌ ঘূৰি আহিবনে
শান্তিৰ চকুপানী।

বহাগী বা লাগি

✍ মৌচুমী ব্ৰহ্ম

ফাগুন বননিত কোলাহল বহাগীৰ
সময়ো যে হ'ল বিদায় ফাগুন চ'তৰ মেলানিৰ।
বুকুত অলেখ সপোন বুটলি লৈ,
বিৰিখে বিৰিখে মেলি দিলে পোহৰ আস্বাদনৰ
সুকোমল সেউজী সুঠাম ধৰণীলৈ।।
মন গহনত অলেখ কল্পনাৰাজি বহাগীৰ
পাট মুগাৰ সাজত সেউজী ৰহন, নে...
ভমকা ফুলীয়া চম্পা, তগৰ, নাহৰৰ ৰূপত
চঞ্চল প্ৰাণোচ্ছল বুটবছা ভাজে ভাজে সাজত।
পাত ফুলে সাজিলে কেৰু মণি থুৰীয়া,
ৰক্তিম ওঠতো সানিলে লালিমা।
ৰঙা ৰঙী ৰেণুয়ে পিন্ধালে গোপনে,
কঁপালত সেন্দুৰী ফোঁট সযতনে।
কপৌ পাহি ওলমিলে খোপাত লাগি
মুচি খাৰু গাম খাৰু বন্ধালে তৰু লতাই,
গা মন উচাতন বহাগীৰ ঘনাই।
মঙ্গলময় আকাশত কোবালে কলীয়া মেঘে মৃদংগ বৈ বৈ
অৰণ্য শুশোভিত পক্ষীকুল বিয়াকুল বহাগীক আদৰিবলৈ
মঙ্গলাচৰণ জনালে শশব্দে বিয়াকুল কুলি কেতেকীয়ে দেও লৈ লৈ
শশব্দে নামিছে প্ৰাণোচ্ছল জীপলতা অন্তহীন ধৰণীলৈ।।

এৰাসুঁতি

✍ প্ৰতিমা বৰা

পৰিসীমাৰ ভিতৰত থাকিলে
সুখে-দুখে নদীখনেই
সিহঁতৰ পৰম বান্ধৱ
মন গ'লে
পানীৰ দাপোণত মুখ চাই চাই
সুখৰ মালিতা গাব পাৰি
অথবা
বিষাদৰ গানবোৰ
এটা এটাকৈ গুণ-গুণাই
নদীৰ সোঁতত উটুৱাব পাৰি
মাজে মাজে
নদীৰ বিশালতাই
স্পৰ্শ কৰে সিহঁতৰ আকাশ
গাভৰু নদীয়ে পাৰ ভাঙে
ভাঙে পৰিসীমা,
বাৰে বাৰে
ভাঙি-চিঙি থানবান কৰে
সিহঁতৰ সপোন
সেইবাবেই
শিলবোৰ গোটাই গোটাই
সিহঁতে
নদীখনৰ বুকুত গঢ়িছিল
এটা শিলৰ পাহাৰ
ওফোন্দা ওফোন্দি কৰি উঠিছিল নদীখন
অৱশেষত
নদীখনে গতি সলালে
এটা এৰা সুঁতি
কেৱল .... ৰ'ল।

প্ৰতিস্থা হ'ব নতুন সমাজ

✍ বেদৱতী দাস

সেউজী অসমী আইৰ বুকুত আজি আনন্দৰ ৰোল।
গছত কঁপৌ ফুল আৰু
নাহৰ কেঁতেকী তগৰ
চাৰিওফালে ৰঙীণ আৰু ৰঙীণ
এয়া যে ফুল ফুলাৰ বতৰ
মদাৰ পলাশ কৃষ্ণচূড়া ৰাধাচূড়া
সকলোৰে মুখত আনন্দৰ হাঁহি
থোপা থুপি। এমোকোৰা হাঁহি।
হাতত জেটুকাৰ বোল সানি
এপাক নাচিলে বিহুটি
মৰমী দৰ্শনা দিব্যাঙ্গী আৰু
অৰ্চনাহঁতে কি যে ভাল লগা।
সিহঁতৰ হিয়া মন হাঁহিৰে জকমকাই উঠিল
ব'হাগ বিহুটি পালেহি বুলি।
নতুন বছৰ, নতুন পণ নতুন আশা
পূৰণাক ঠেলি, দুখৰ এলান্ধু আতৰাই
প্ৰতিষ্ঠা হ'ব নতুন সমাজ
য'ত নাথাকিব হিংসা, কপটতা।
সৰু-বৰ, জাতি, ভেদ আৰু বৰ্ণ ভেদ।
থাকিব ঢোল, পেঁপা, গগণা, তালৰ
খদমদম বিহু মঞ্চ।
আতায়ে মিলি একগোট হৈ
আদৰিম বাপতি সাহোন ৰঙালী
বিহুটিক ৰঙ্গ মঞ্চত
আত্মীয় স্বজন একগোট হৈ।

আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে

✍ চন্দন বাচফোৰ (ওম)

নেৰা নেপেৰা বাৰিষাই
বিহুৰ মঞ্চ নিৰ্মাণত বাধা দিলেও
মহানগৰবাসীয়ে ৰঙালীক আদৰাত
অকনো ত্ৰুটি কৰা নাই
অসমী আইৰ বাপতি সাহোনে
বৰদৈচিলাৰ আলফুলিয়া প্ৰীতিৰ সৈতে
লৈ অনা বেদনাবোৰো
সকলোকে সমানে বিলাইছে
আৰু উৎসৱ পালত সমভাগী হ'বলৈ
আকুল আহ্বানেৰে ৰাংঢালী বেলীক
নিজৰ কৰণিয়তাৰ প্ৰতিও জনাইছে.....।
ঢুলীয়া আৰু নাচনীসকলেও
আখৰাত ব্যস্ত হৈ
পহিলা বহাগৰ দিনাখনে
অসমীয়াৰ হিয়াৰ আমঠুক
বসুন্ধৰাৰ দাপোণত উজলাই
একতাৰ এনাজৰীৰ ডোলেৰে বান্ধ খাই
আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে
ৰঙালীক আদৰণি জনাইছে.....।

বসন্তৰ আগমনত

✍ কৰবী গগৈ

বসন্তৰ আগমনত নৱ প্ৰভাতত
ধৰাৰ বকুলে বুলি,
মেটমৰা সম্ভাৰেৰে আই বসুমতীক
অমৃত বিলাব বুলি।

ফাগুনৰ পছোৱাত নাঙঠ পৃথিৱীখনি
কুঁহিপাতৰ ন সাজত ৰূপহী ধৰণী।
বিহুটিত জনাবলৈ হিয়াৰ ওলগনি
আইৰ ঘৰলৈ বুলি ঢাপলি মেলি
প্ৰকৃতিৰ সুকোমল ফুলাম দলিচাখনত
উৰি আহি জিৰালেহি বৰদৈচিলাজনী।
ৰংমনৰ সুপ্ত সত্তাটোক জগাই দিলে
বিহুটি আহিল বুলি।
বিজুলীৰ চমকত ৰাংঢালী গাভৰুজনীৰ
প্ৰাণোচ্ছল নাচোনৰ পাকত ঘূৰে নাচৰ চকৰী
কুলি কেতেকীৰ মৌসনা সুৰীয়া মাতত
চৌদিশ মুখৰিত বসন্তৰ আগমনত।

নীলিম আকাশৰ এচোতাল জোনাকত
ৰিব্‌ৰিব্ মলয়াৰ মৃদু সমীৰণ,
হাচনাহানা, মাধৈমালতী, গোলাপ, কুসুম, পাৰিজাত
বিলালে প্ৰকৃতিৰ হিয়াত আহি সুগন্ধি সুবাস।

ৰত্নগৰ্ভা প্ৰকৃতিৰ ৰূপ মনোহৰা
সবে মিলি পাতিছেহি ৰঙৰ মেলা
নাই একো ভেদাভেদ, নাই সৰুবৰ
বাপতি সাহোন বিহুটি আমাৰ
অতি আদৰৰ।।❐

গীত

✍ তফজ্জুল আলী

ধিনিকি ধিন্‌দাও ঢোল বাজিছে
পেঁপা-বাঁহীৰ ৰোল উঠিছে
নাচনীচোন নাই,
তাই যে আমাৰ বিহুৱতী
তাই নহ'ল বিহুতলী
নিজম পৰি যায়।।

দেশৰ মাটিত জুই জ্বলিছে
মনৰ মাজত ভয়
মনৰ দুখত ঘৰৰ চুকত
সোমাই আছ তই,
আহ নাচনী ওলাই আহ তই
এফাকি গীত গাই।।

ৰাইজে ইবাৰ বিহুতলীত
শান্তি সভা পাতিব
তোক দেখিলে হাজাৰ চকুত
সাহৰ শিখা জ্বলিব,
নাচনী তই এপাক মাৰি
যাবি মাথোন চাই।।❐

প্ৰতিষ্ঠাকালৰ পৰা বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি আৰু সম্পাদকসকল (১৯৮৪-২০১৭)

চন	সভাপতি	সাধাৰণ সম্পাদক
১৯৮৪	প্ৰয়াত ডঃ ভবেন্দ্ৰ নাথ শইকীয়া	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি
১৯৮৫	প্ৰয়াত ডঃ ভবেন্দ্ৰ নাথ শইকীয়া	ফুলেশ্চ গগৈ
১৯৮৬	প্ৰয়াত ৰজনী তামুলী	হৰেণ হালৈ
১৯৮৭	দীনেশ চন্দ্ৰ বৰ্মন	গোপাল বৈশ্য
১৯৮৮	দীনেশ চন্দ্ৰ বৰ্মন	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি
১৯৮৯	দীনেশ চন্দ্ৰ বৰ্মন	সুৰেন দাস
১৯৯০	দ্বীজেন শৰ্মা	সুৰেন দাস
১৯৯১	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি	বসন্ত পোদ্দাৰ
১৯৯২	ৰেৱতী মোহন হাজৰিকা	হৰেণ হালৈ
১৯৯৩		
১৯৯৪	ৰেৱতী মোহন হাজৰিকা	টঙ্কেশ্বৰ কাকতি
১৯৯৫	ৰেৱতী মোহন হাজৰিকা	টঙ্কেশ্বৰ কাকতি
১৯৯৬	সুনীল বৰা	ফুলেশ্চ্ গগৈ
১৯৯৭	সুনীল বৰা	প্ৰয়াত পৰেশ নেওঁগ
১৯৯৮	সুনীল বৰা	প্ৰয়াত পৰেশ নেওগ
১৯৯৯	হেম শইকীয়া	ফুলেশ্চ্ গগৈ
২০০০	সুনীল বৰা	প্ৰয়াত পৰেশ নেওগ
২০০১	সুনীল বৰা	বৃহস্পতি ডেকা আৰু গুণীন্দ্ৰ ডেকা
২০০২	সুনীল বৰা	ফুলেশ্চ্ গগৈ
২০০৩	সুনীল বৰা	ফুলেশ্চ্ গগৈ
২০০৪	গোপাল বৈশ্য	প্ৰয়াত পৰেশ নেওঁগ
২০০৫	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্ গগৈ
২০০৬	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্ গগৈ
২০০৭	উমেশ চন্দ্ৰ শৰ্মা	নিৰ্মল চন্দ্ৰ দত্ত
২০০৮	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্ গগৈ, সম্পাদক প্ৰধান
২০০৯	নিৰ্মল চন্দ্ৰ দত্ত	নিৰ্মল চন্দ্ৰ দত্ত, সাধাৰণ সম্পাদক
২০১০	প্ৰদীপ কুমাৰ গগৈ	ডঃ ধৰ্মেশ্বৰ সোণোৱাল
২০১১	দীপক কোঁৱৰ	শুক্ৰেশ্বৰ বড়ো
২০১২	দীপক কোঁৱৰ	সত্যজিৎ বৰা
২০১৩	নিৰ্মল চন্দ্ৰ দত্ত	সত্যজিৎ বৰা
২০১৪	নিৰ্মল চন্দ্ৰ দত্ত	ৰাজীৱ হাজৰিকা
২০১৫	নিৰ্মল চন্দ্ৰ দত্ত	ৰাজীৱ হাজৰিকা
২০১৬	ফুলেশ্চ্ গগৈ	মুকুল বুঢ়াগোহাঁই
২০১৭	ৰনজিৎ গগৈ	গুণীন্দ্ৰ ডেকা
		গুণীন্দ্ৰ ডেকা

সাহেন

৩৪তম বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউচিং কল'নী, দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

১ আৰু ২ ব'হাগ, ১৯৩৯ শকাব্দ, ১৪২৪ ভাস্কৰাব্দ

ইং ১৫ আৰু ১৬ এপ্ৰিল, ২০১৭

পৰিচালনা সমিতি

মুখ্য পৃষ্ঠপোষক ঃ

মাননীয় শ্ৰীযুত কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ, তথ্য-প্ৰযুক্তি আৰু বিজ্ঞান-প্ৰযুক্তি বিভাগ, অসম চৰকাৰ

মাননীয় শ্ৰীযুত অতুল বৰা, বিধায়ক, দিশপুৰ সমষ্টি

পৃষ্ঠপোষক ঃ

শ্ৰীযুত দেৱজিৎ দাস, শ্ৰীযুত ভূপিন্দৰ সিং (কিকি), শ্ৰীযুত বিজুকুমাৰ জৈন, শ্ৰীযুত মেজৰ সিং, শ্ৰীযুত সুজিৎ পাঠক, শ্ৰীযুত সুমন্ত কুমাৰ, শ্ৰীযুত শুভাশীষ মণ্ডল, শ্ৰীযুত প্ৰদীপ বৰা, শ্ৰীযুত প্ৰকাশ আগৰৱালা, ডাঃ ঘনশ্যাম বসুমতাৰী, শ্ৰীযুতা অমিয়া বৰগোঁহাঞি, শ্ৰীমতী পূণ্য বৰগোঁহাই, শ্ৰীহেম শইকীয়া, শ্ৰীযুত আদৰ্শ ঝুনঝুনৱালা, ডাঃ হিতেশ বৰুৱা, শ্ৰীসঞ্জীৱ নাৰায়ণ, শ্ৰীযুত অনিল সন্দিকৈ, শ্ৰীযুত ৰোহিনী পাঠক, শ্ৰীযুত সত্যজিৎ ভূঞা, শ্ৰীযুত হৰকান্ত ডেকা, শ্ৰীযুত ৰাজীৱ পানীফুকন, শ্ৰীযুত প্ৰণৱ ডেকা, শ্ৰীযুত অনুজ শইকীয়া, শ্ৰীযুত ৰাণা গগৈ, শ্ৰীযুত উত্তম কলিতা, শ্ৰীমতী ৰুমী বৰগোঁহাই, শ্ৰীযুত অপূৰ্ব দাস, শ্ৰীযুত দিগন্ত কলিতা, শ্ৰীযুত মৃদুল বৰুৱা, শ্ৰীযুত স্বাক্ষ্যৰ শৰ্মা, শ্ৰীযুত ত্ৰিদিব দুৱৰা, শ্ৰীযুত হেমন্ত কলিতা, শ্ৰীযুত গোপাল ডেকা, শ্ৰীযুত নৱ দাস, শ্ৰীযুত প্ৰত্যুস তপন হাজৰিকা, শ্ৰীযুত ৰাজীৱ বৰা, শ্ৰীযুত গৌতম ডেকা, শ্ৰীৰমেশ শৰ্মা, শ্ৰীশশাংক গুপ্ত, কাশ্যপ, শ্ৰীঈশ্বৰ মহন্ত, শ্ৰীসুৰেণ নেওঁগ, শ্ৰীদীপক কাকতি, শ্ৰীঅনু সন্দিকৈ, শ্ৰীসঞ্জীৱ বৰুৱা, শ্ৰীধ্ৰুৱ বৰগোঁহাই, শ্ৰীঅৰূপ মহন্ত, শ্ৰীপংকজ শইকীয়া, শ্ৰীকৌশিক হাজৰিকা, শ্ৰীবনেন্দ্ৰ বসুমতাৰী, শ্ৰীপংকজ লাল গগৈ।

মুখ্য উপদেষ্টা ঃ

শ্ৰীযুত ফুলেশ্চ্ গগৈ, শ্ৰীযুত নিৰ্মল চন্দ্ৰ দত্ত।

উপদেষ্টা মণ্ডলী ঃ

শ্ৰীযুত সুনীল বৰা, শ্ৰীযুত বৃহস্পতি ডেকা, শ্ৰীযুত দিনেশ বৰ্মণ, শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা, শ্ৰীযুত কমল কাকতি, শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ, শ্ৰীযুত বীৰেন্দ্ৰ নাথ বড়া, শ্ৰীযুত হৰেণ দাস, শ্ৰীযুত সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, শ্ৰীযুত ৰাজীৱ হাজৰিকা, শ্ৰীযুত দ্বিজেন শৰ্মা, শ্ৰীযুত টঙ্কেশ্বৰ ডেকা, শ্ৰীযুত কেশৱলাল দাস, শ্ৰীযুত ঈশ্বৰ প্ৰসন্ন ফুকন, শ্ৰীযুত দিলীপ চক্ৰৱৰ্তী, শ্ৰীযুত অজিত বৰুৱা, শ্ৰীযুত বিপ্লৱ বৰুৱা, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা, শ্ৰীযুত টঙ্কেশ্বৰ কাকতি, শ্ৰীযুত প্ৰসন্ন মজুমদাৰ, শ্ৰীযুত দীপক কোঁৱৰ, শ্ৰীযুত গিৰীশ দত্ত, শ্ৰীযুত মহাদেৱ শৰ্মা, শ্ৰীযুত প্ৰদীপ দত্ত, শ্ৰীযুত বীৰেণ গোস্বামী, শ্ৰীযুত কুশল পাঠক, শ্ৰীমতী কাঞ্চন হাজৰিকা, শ্ৰীযুত মৃগাংশু কুমাৰ ঠাকুৰীয়া, শ্ৰীযুত মানবেন্দ্ৰ দেৱৰায়, ডাঃ অনিল কলিতা, শ্ৰীযুত পশুপতি হাজৰিকা, শ্ৰীযুত অমল শৰ্মা, শ্ৰীযুত ৰবীন দাস,শ্ৰীযুত বসন্ত পোদ্দাৰ, শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত লক্ষী দাস, শ্ৰীযুত ৰমেশ ডেকা, শ্ৰীযুত ধনীৰাম কলিতা, শ্ৰীযুত ফণীন্দ্ৰ নাথ চক্ৰৱৰ্তী, শ্ৰীযুত তপন ডেকা, শ্ৰীযুত অবিনাশ গগৈ, শ্ৰীযুত উপকূল বৰদলৈ, শ্ৰীযুত থানেশ্বৰ দত্ত, শ্ৰীমতী কমলা ৰাণী পাঠক, শ্ৰীমতী দিব্য কাকতি, শ্ৰীমতী গায়ত্ৰী গগৈ, শ্ৰীযুত সুভাষ কলিতা, শ্ৰীযুত হৰেশ্বৰ বৰুৱা, শ্ৰীযুত নৰেণ দাস, শ্ৰীযুত ভবেন পাঠক, শ্ৰীযুত উমেশ শৰ্মা, শ্ৰীযুত মানৱ জ্যোতি ভট্টাচাৰ্য্য, শ্ৰীযুত মহেন্দ্ৰ ডেকা, শ্ৰীযুত ফুকন চন্দ্ৰ বৈশ্য, শ্ৰীযুত সঞ্জয় বৰ্মণ, শ্ৰীযুত বলীন চন্দ্ৰ মহন্ত, শ্ৰীযুত হেমন্ত কাঠকটীয়া, শ্ৰীযুত বিৰেন শৰ্মা,শ্ৰীযুত উপেন শৰ্মা, শ্ৰীযুত মতিচান্দ কুমাৰ, শ্ৰীযুত ৰাজশোভন গোস্বামী, শ্ৰীযুত হৰেণ হাঁলৈ, শ্ৰীযুত ভগৱান ডেকা, ডাঃ দিলীপ ডেকা, শ্ৰীযুত যাদৱ বৰুৱা, শ্ৰীমঞ্জু শৰ্মা, শ্ৰীযুত হেম চেতিয়া, শ্ৰীযুত প্ৰবোধ বৰ্মণ, শ্ৰীযুত টুপিৰাম চেতিয়া, শ্ৰীযুত চন্দ্ৰ শইকীয়া, শ্ৰীযুত কনক ভড়ালী, শ্ৰীযুত কানুৰাম ইংতি, শ্ৰীযুত সোমেশ্বৰ শইকীয়া, শ্ৰীযুত সত্যেন পাটোৱাৰী, শ্ৰীযুতা ভানু কোঁৱৰ, শ্ৰীযুতা ৰাণু গগৈ, শ্ৰীযুতা জুনু নেওঁগ, শ্ৰীযুত কেশৱ ভূঞা, শ্ৰীযুত ৰাজেন কলিতা, শ্ৰীযুত খগেন ডেকা, শ্ৰীমতী মণি বৰদলৈ, শ্ৰীযুত গৌতম শৰ্মা, শ্ৰীযুত গোবিন্দ বল্লভ গোস্বামী, শ্ৰীযুত ফণীন্দ্ৰ পাটোৱাৰী, শ্ৰীযুত কৰুণা কান্ত চৌধুৰী, শ্ৰীযুত টঙ্কেশ্বৰ বৰা, শ্ৰীযুত জিতেন বৰগয়াৰী, শ্ৰীৰঞ্জিত বৰা, শ্ৰীপঙ্কজ বৰা, শ্ৰীযুত টীকেন্দ্ৰ চৌধুৰী, শ্ৰীযুত অতুল দত্ত, শ্ৰীযুত পৰিক্ষীত নাৰায়ণ দেৱ, শ্ৰীযুত মৃগেন চৌধুৰী

কাৰ্য্যনিৰ্বাহক সমিতি

সভাপতি ঃ শ্ৰীযুত ৰনজিৎ গগৈ

কাৰ্য্যকৰী সভাপতি ঃ শ্ৰীযুত সত্যজিৎ বৰা

সাহেন

উপ সভাপতি	ঃ	শ্ৰীযুত সোণেশ্বৰ দাস, শ্ৰীযুত চক্ৰধৰ মটক, শ্ৰীযুত সুৰেণ দাস, শ্ৰীযুত মুকুল বুঢ়াগোঁহাই, শ্ৰীযুতা ৰীতা ডেকা, শ্ৰীযুতা প্ৰতিমা বৰা, শ্ৰীযুত ভূপেন বড়ো, চেয়দা নাজনীন হুছেইন
সাধাৰণ সম্পাদক	ঃ	শ্ৰীযুত গুনীন্দ্ৰ ডেকা
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰীনিৰুদ্ধ বৰগোঁহাঞি, গৌতম ওঁজা, পাৰ্থপ্ৰতিম শইকীয়া, গুণজিৎ তালুকদাৰ
কোষাধ্যক্ষ	ঃ	শ্ৰীপলাশ বৰুৱা
হিচাপ পৰীক্ষক	ঃ	শ্ৰীযুত পৰাগ দাস
কাৰ্য্যলয় সম্পাদকদ্বয়	ঃ	সৰ্বশ্ৰী খুদিৰাম বড়ো, নাৰায়ণ বড়ো

বিত্ত উপসমিতি

উপদেষ্টা	ঃ	শ্ৰীযুতা স্মৃতিলেখা নাথ
সভাপতি	ঃ	শ্ৰীযুত অপূৰ্ব কুমাৰ শৰ্মা
উপ-সভাপতি	ঃ	সৰ্বশ্ৰী চিন্ময় ফুকন, গোবিন্দ মাধৱ শৰ্মা, ৰঞ্জন দাস, গৌতম গগৈ, ৰুবুল স্বৰ্গিয়াৰী, বিপ্লৱ বৰা, পৰাগ জ্যোতি গগৈ, সত্যেন কোঁৱৰ, অমল ডেকা, ৰঞ্জিত দত্ত
সম্পাদকদ্বয়	ঃ	শ্ৰীমহেন্দ্ৰ শৰ্মা, শ্ৰীগজেন্দ্ৰ প্ৰসাদ উপমণ্যু (তনু)
সহ-সম্পাদকদ্বয়	ঃ	সৰ্বশ্ৰী নীলম বৰুৱা, খনীন চৌধুৰী, ৰূপক চৌধুৰী, ৰামনাথ প্ৰসাদ, মুকুট শইকীয়া, জ্ঞানদ্বীপ গগৈ, দিগন্ত মাধৱ বৰা, দেৱজিত কলিতা, উৎপল মল্ল বৰুৱা, সীমান্ত দত্ত
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী দীপক গুপ্তা, বিজু শৰ্মা, অমল ডেকা, অনুপ পাঠক, অঞ্জয় পাঠক, ৰাতুল দাস

সাংস্কৃতিক উপসমিতি

উপদেষ্টা	ঃ	শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ
সভাপতি	ঃ	শ্ৰীযুত মৃদুল বুঢ়াগোঁহাই
উপ-সভাপতি	ঃ	শ্ৰীযুতা পাৰুল বৰুৱা, শ্ৰীযুতা অনিমা বৰদলৈ শ্ৰীযুত পবিত্ৰ ফুকন
সম্পাদক	ঃ	শ্ৰীশুক্ৰেশ্বৰ বড়ো
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী অৰূপ মিশ্ৰ, সিদ্ধাৰ্থৰাজ বৰদলৈ, কিশোৰ দত্ত, সিদ্ধান্ত মাধৱ বৰদলৈ, শ্যাম মহন্ত, পঙ্কজ বৰা
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী বীণা দত্ত, ডাঃ প্ৰণিতা দেৱী, পূৰবী কাকতি শৰ্মা, মানসী দাস, সীমাশ্ৰী বৰা, মৌচুমী ব্ৰহ্ম, পাৰ্থৰাজ বৰদলৈ, উপেন দাস, কঙ্কন বেজবৰুৱা, হিমাংশু দাস, পিংকু কলিতা

মঞ্চ আৰু আলোকসজ্জা উপসমিতি

সভাপতি	ঃ	মঃ মণিৰ আহমেদ
উপ-সভাপতি	ঃ	সৰ্বশ্ৰী ৰাজেন দাস, সুৰেশ বৈশ্য, শিবেন্দ্ৰ ডেকা
সম্পাদক	ঃ	সৰ্বশ্ৰী বাবুল নাথ, ৰাজাৰাম বড়ো
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী কল্যান জ্যোতি বৰা, পঙ্কজ কাঠকটীয়া, প্ৰজ্ঞান দাস, অমৰ নাথ, দিপাঙ্কৰ পাঠক, প্ৰণৱজ্যোতি হাজৰিকা
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী ঋষভ ৰাভা, বিদ্যা সিং, হলধৰ বৈশ্য, কৌস্তুভ বৰবৰুৱা, মৃন্ময় কলিতা, ৰাকেশ দাস, দীপক দাস, বাবলু থাপা

স্মৰণিকা সম্পাদনা সমিতি

উপদেষ্টা	ঃ	শ্ৰীযুত ৰমেন কলিতা, শ্ৰীযুতা ভাৰতী ভট্টাচাৰ্যী
সভাপতি	ঃ	শ্ৰীযুতা মঞ্জুলা কাকতি
উপ-সভাপতি	ঃ	শ্ৰীদীপাংক হাজৰিকা, শ্ৰীযুতা উন্মনা মাধুৰী দত্ত
সম্পাদক	ঃ	শ্ৰীঅভিজিত নেওঁগ
সহ-সম্পাদকদ্বয়	ঃ	শ্ৰীমতী অজন্তা বৰঠাকুৰ, শ্ৰীমতী সূৰ্বৰ্ণলতা হাজৰিকা, শ্ৰীঅলকেশ ভাগৱতী
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী কল্পনা শৰ্মা, নিলীমা শইকীয়া দাস, নিলীমা ডেকা, হেপি গোস্বামী, প্ৰসেনজিৎ বৈশ্য, মুক্তিকাম সান্দিল্য

প্ৰচাৰ উপসমিতি

সভাপতি	ঃ	শ্ৰীযুত ৰাঘবেন্দ্ৰ দাস, শ্ৰীযুত মোহন টেৰণ
উপ-সভাপতি	ঃ	শ্ৰীযুত অপূৰ্ব গোস্বামী, শ্ৰীযুত নীলমণি ঠাকুৰ
সম্পাদকদ্বয়	ঃ	শ্ৰীগোপাল দাস, শ্ৰীঅপূৰ্ব কলিতা
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী ৰঞ্জন বড়ো, নৱদ্বীপ বড়ো, মজিৰুল লস্কৰ, ৰত্নেশ্বৰ ৰাভা, ৰূপম গুৰুং
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী কনক বণিয়া, ৰাণা ৰাভা, মহিতোষ দাস, বৰ্ণমজ্যোতি ৰাজকাশ্যপ, নৱজ্যোতি দেৱনাথ, লাকী বৰগোঁহাই

অভ্যৰ্থনা উপসমিতি

আহ্বান

সভাপতি	ঃ	শ্ৰীযুত দীনবন্ধু বৈশ্য, শ্ৰীযুত বংশীধৰ কাকতি
উপ-সভাপতি	ঃ	শ্ৰীযুত ভাইটি দত্ত, শ্ৰীমতী পুষ্পাঞ্জলি গগৈ, শ্ৰীকাণু ৰাভা
সম্পাদকদ্বয়	ঃ	সৰ্বশ্ৰী ৰূপজ্যোতি দাস, মুণীন্দ্ৰ হাজৰিকা
সহ-সম্পাদিকা	ঃ	শ্ৰীমতী মিনু বৰুৱা, শ্ৰীৰাজৰ্ষি চৌধুৰী
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী বাহাৰুল লস্কৰ, ননী ডেকা, পিণ্টু বড়ো, বাবুল গাড়ো, বিশাল মল্লিক, কল্লোল বেজবৰুৱা

ক্ৰীড়া উপসমিতি

সভাপতি	ঃ	শ্ৰীসুভাষ গাড়ো, শ্ৰীজ্যোতি প্ৰসাদ ডাউকা
উপ-সভাপতি	ঃ	সৰ্বশ্ৰী জীতেন বড়ো, অলকেশ ওঁজা
সম্পাদক	ঃ	সৰ্বশ্ৰী চন্দন নাথ, কুলেশ ডাউকা
সহ-সম্পাদকদ্বয়	ঃ	সৰ্বশ্ৰী বিকী বড়ো, বলোৰাম বড়ো, সুনীল গাড়ো
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী ৰাজ চেত্ৰী, ৰাজু বড়ো, ভদ্ৰেশ্বৰ বড়ো, ধনজিৎ ৰাভা, অজিত মণ্ডল, বিকি মল্লিক, সমীৰ সূত্ৰধৰ

স্বাস্থ্য উপসমিতি

সভাপতি	ঃ	ডাঃ গৌৰী কলিতা
সম্পাদিকা	ঃ	ডাঃ মাধুৰ্য্য গগৈ
সহ-সম্পাদক	ঃ	ডাঃ নিযাদ ডেকা, শ্ৰীজ্যোতিৰ্ময় বৰুৱা, শ্ৰীপ্ৰাঞ্জল ডেকা
সদস্য	ঃ	সৰ্বশ্ৰী সঞ্জয় বড়ো, বিপুল ৰয়, ভাস্কৰ জ্যোতি দত্ত
নাম প্ৰসঙ্গ বিভাগ	ঃ	শ্ৰীযুত নাৰায়ণ পাঠক, শ্ৰীযুত গোপাল ডেকা

উদযাপন সমিতিৰ সদস্য/সদস্যাবৃন্দ ঃ

সৰ্বশ্ৰী অনিৰুদ্ধ ওঁজা, মীনা দত্ত, হেমা চৌধুৰী, তৰুণী কলিতা, যোগেন বড়ো, সত্যসুন্দৰ উপমন্যু, পূৰ্ণিমা বৰদলৈ, নিত্যানন্দ তালুকদাৰ, দিলীপ পাঠক, পংকজ কাকতি, গৌতম কাকতি, অনুপ মিশ্ৰ, মৃণাল ডেকা, জীতেন সিন্‌হা, পৰিমল বিশ্বাস, ফণিধৰ কলিতা, প্ৰমোদ কলিতা, অঞ্জন বুজৰবৰুৱা, সন্তৰা ৰাভা, ইলা ৰাজবংশী, সুনন্দা দত্ত, ৰামেশ্বৰ দাস, ৰঞ্জন বড়ো, আনন্দ বড়ো, প্ৰবাল সিন্‌হা, মহাদেৱ নাথ, ৰঞ্জন বিশ্বাস, দেবেন্দ্ৰ ৰায়, পংকজ ভূঞা, পুতু বড়ো, কৃষ্ণ বড়ো, মহেশ্বৰ বড়ো, মাধৱ কলিতা, চম্পা দাস, বিদ্যুৎ বৈশ্য, আবু চৈয়দ মহম্মদ আব্দুল্লা বৰভূঞা, দীপক সূত্ৰধৰ, ৰাতুল পাটোৱাৰী, আনোৱাৰুল ইছলাম লস্কৰ, চেলিমুদ্দিন বৰভূঞা, চাৰু নাৰ্জাৰি, বিষ্ণু পাঠক, ৰজনী গাড়ো, অমূল্য পাঠক, মহাদেৱ শৰ্মা, অসীম কলিতা, মানস প্ৰতিম বৰা, মনোৰঞ্জন কাকতি, উৎপল ওঁজা, কালিপদ সেন, মুহিৰুদ্দিন বৰভূঞা, ভূমিকা তালুকদাৰ, সিবল দাস, সীমান্ত বড়ো, অবনী বৰ্মন, চিণ্টু দত্ত, নৱজ্যোতি হাজৰিকা, ৰশ্মি দাস, সত্যব্ৰত দাস, নাৰায়ণ সিং, বিজয় সিং, বিহুল সিং, মণ্টু বড়ো, ধন কাকতি, শৈলেন ৰাভা, ৰাজ বৰুৱা, জিতু হাজৰিকা, **ৰুক্মিণীনগৰ সামাজিক-সাংস্কৃতিক কেন্দ্ৰৰ** সমূহ সদস্য, **ৰূপালীম মহিলা চ'ৰাৰ** সমূহ সদস্যা, **অৰুণাভা ক্ৰীড়া-সাংস্কৃতিক গোষ্ঠীৰ** সমূহ সদস্য, **উদয়ণ সংঘৰ** সমূহ সদস্য

আৰু

বৃহত্তৰ ৰুক্মিণীনগৰ অঞ্চলৰ সমূহ ৰাইজ....

ত্ৰিত্ৰিংশতিতম্ বৃহত্তৰ ৰুক্মিণীনগৰ দ্বিত্ৰিংশতিতম ৰঙালী বিহু সন্মিলনৰ

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, গুৱাহাটী - ৭৮১০০৬

(৩০ চ'ত ১ আৰু ২ ব'হাগ, ১৪২৩ ভাস্কৰাব্দ)

সদৌ অসম ভিত্তিত হুচৰি বিহু, বিহুৱাণী, শ্ৰেষ্ঠ বিহুৱা আৰু শ্ৰেষ্ঠ পেঁপুৱা প্ৰতিযোগিতাৰ ফলাফল

হুঁচৰি বিহু প্ৰতিযোগিতা

১ ম পুৰস্কাৰ	ঃ	বংমন এনাজৰী বিহুৱা দল, মৰাণ
২ য় পুৰস্কাৰ	ঃ	সুৰুযমুখী হুঁচৰি দল, শিৱসাগৰ
৩ য় পুৰস্কাৰ	ঃ	দিচাং বিহুৱা দল, কাহিলিপাৰা

বিহুৱাণী (২০১৬)	ঃ	শিৰোশ্ৰী শইকীয়া, ধেমাজি
শ্ৰেষ্ঠ বিহুৱা (২০১৬)	ঃ	উৎপল বৰা
শ্ৰেষ্ঠ পেঁপুৱা (২০১৬)	ঃ	ভাৰ্গৱ গগৈ

৩৪তম

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

বৰমঞ্চ পথ, হাউছিং কল'নী, গুৱাহাটী - 781006

১ আৰু ২ ব'হাগ, ১৪২৪ ভাস্কৰাব্দ

<u>সদৌ অসম ভিত্তিত হুঁচৰি বিহু প্ৰতিযোগিতা (2017)</u>

প্ৰথম পুৰস্কাৰ : **প্ৰয়াত লীলাধৰ বৰগোহাঁই সোঁৱৰণী চলন্ত বঁটা** লগতে 30,001 টকা
দাত্ৰী : শ্ৰীমতী অমিয়া বৰগোহাঁই আৰু পৰিয়ালবৰ্গ

দ্বিতীয় পুৰস্কাৰ : **প্ৰয়াত বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা** লগতে 20,001 টকা
দাত্ৰী: শ্ৰীমতী পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ
আৰু **প্ৰয়াত ফাৰুক হুছেইন সোঁৱৰণী বঁটা**

তৃতীয় পুৰস্কাৰ : **প্ৰয়াত কুঞ্জলতা দাস সোঁৱৰণী চলন্ত বঁটা** লগতে 10,001 টকা
দাতা: শ্ৰীযুত অপূৰ্ব দাস আৰু পৰিয়ালবৰ্গ
আৰু **প্ৰয়াত গোপাল বৈশ্য সোঁৱৰণী বঁটা**

শ্ৰেষ্ঠ বিহুৱা : **অনিল দাস সোঁৱৰণী বঁটা**

শ্ৰেষ্ঠ পেপুৱা : **বদন চন্দ্ৰ বড়ো সোঁৱৰণী বঁটা**

<u>সদৌ অসম ভিত্তিত বিহুৱাণী প্ৰতিযোগিতা (2017)</u>

বিহুৱাণী 2017 : এটা ৰূপৰ চলন্ত মুকুট, লগতে **প্ৰয়াত শোভেশ্বৰী দাস সোঁৱৰণী চলন্ত বঁটা** নগদ ধন 20,001 টকা
আৰু অন্যান্য আকৰ্ষণীয় পুৰস্কাৰ

দাতা: শ্ৰীযুত দেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

<u>সদৌ অসম ভিত্তিত জেং-বিহু প্ৰতিযোগিতা (2017)</u>

প্ৰথম পুৰস্কাৰ : **পুনম কে চি নাথ সোঁৱৰণী চলন্ত বঁটা**আৰু নগদ ধন 10,001 টকা

দাত্ৰী : শ্ৰীমতী স্মৃতিলেখা নাথ

দ্বিতীয় পুৰস্কাৰ : **স্নেহময়ী বৰঠাকুৰ সোঁৱৰণী চলন্ত বঁটা**আৰু নগদ ধন 7,001 টকা

দাতা: শ্ৰীগজেন্দ্ৰ প্ৰসাদ উপমন্যু আৰু পৰিয়ালবৰ্গ

তৃতীয় পুৰস্কাৰ : **সদানন্দ দাস আৰু পাৰুল বালা দাস সোঁৱৰণী চলন্ত বঁটা** লগতে 5,001 টকা

দাতা: শ্ৰীযুত ৰাঘবেন্দ্ৰ দাস আৰু পৰিয়ালবৰ্গ

চিত্ৰাংকণ প্ৰতিযোগিতাৰ বঁটা

'ক' শাখা : (পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ)

প্ৰথম পুৰস্কাৰ : **পৰেশ নেওঁগ সোঁৱৰণী বঁটা**

দ্বিতীয় পুৰস্কাৰ: **হীৰা বৰদলৈ সোঁৱৰণী বঁটা**

তৃতীয় পুৰস্কাৰ: **প্ৰভা গাবো আৰু ৰূপা বড়ো সোঁৱৰণী বঁটা**

'খ' শাখা : (প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ)

প্ৰথম পুৰস্কাৰ : **ৰঞ্জিত দাস সোঁৱৰণী বঁটা**

দ্বিতীয় পুৰস্কাৰ: **সিদ্ধাৰ্থপ্ৰতিম শইকীয়া সোঁৱৰণী বঁটা**

তৃতীয় পুৰস্কাৰ: **অভিনন্দন হাজৰিকা সোঁৱৰণী বঁটা**

33rd

Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati - 781006

<u>Receipt & Expenditure Statement</u>

RECEIPT		AMOUNT
Opening Balance		43062.00
Cash	24500.00	
Bank Account	18562.00	
Collection From Donation Books		425597.00
Membership Fees	102601.00	
Donnor's Contribution for Prizemoney	65000.00	
Compitition Joining Fees	9000.00	
Other Collection	248996.00	
Sponsorship		48000.00
Aircel	25000.00	
State Bank of India	10000.00	
NECEM	3000.00	
EURO KIDS	5000.00	
Others	5000.00	
Interest Accrued from Bank Deposit		370.00
Loans		59880.00
Mridul Buragohain	38000	
Nirmal Chandra Dutta	1400	
Gunindra Deka	5480	
Gautam Ojah	15000	
Donation from RSCC		45000.00
		621909.00

EXPENDITURE			AMOUNT
Printing & Stationaries			43696.00
Megazine + Certificate		35000.00	
Donation Book }		5000.00	
Letter Head }			
Flex		3040.00	
Stationaries		656.00	
Pandal & Generator			32410.00
Pandal		21300.00	
Stage Decoration		9110.00	
Generator		1000.00	
Generator Diesel		1000.00	
Gamocha & Badges			11650.00
Gamoch & Badges		11650.00	
Reception			31156.00
Cook & Helper		10200.00	
Grocery		9810.00	
Disposable Items		1750.00	
LPG Cylinder		2400.00	
Naam Prohongo		2246.00	
Priti Bhoj		4200.00	
Water		550.00	
Electrical Connection			10000.00
Load Security		3000.00	
Meter Security		5000.00	
DC/RC		500.00	
Test Report		1000.00	
ASEB Labour Charge		500.00	
Sound & Lighting Arrangement			20680.00
Sound		14000.00	
Electrician		4700.00	
Electrical Item		1980.00	
Photographer			4500.00
Renumeration To Judges			10000.00
Husori & Bihuraani Judges		9000.00	
Modern Dance Judges		1000.00	
Labour Charges			2700.00
Prize Money for Compititions			92296.00
Husori Bihu		60003.00	
Bihu Raani		20001.00	
Modern Dance		6000.00	
Sports Event (Trophy)		6292.00	
Cultural Night Expenditure			305000.00
1st Night		46000.00	
2nd Night		139000.00	
3rd Night		120000.00	
Miscelleneous Expenses			1130.00
Light Refreshment		430.00	
Temporary Urinal		700.00	
Outstanding Liabilities & Others			50000.00
Jeng Bihu Prizemoney Returned		10000.00	
<u>Outstanding Liabilities</u>			
Mukul Buragohain		30000.00	
Dipankar Pathak (Sound)		5000.00	
Pacific Printers (Megazine)		5000.00	
Total Expenditure			615218.00
Closing Balance			6691.00
Cash-in-hand		759.00	
Bank Accounts		5932.00	
Opening	18562		
Deposited	48000		
Interest Accrued	370		
Withdrawal	61000		
			621909.00



JANASANYOG/47/17

২০১৬ ৰ বিহু পতাকা উত্তোলন

২০১৬ ৰ প্ৰথম পুৰস্কাৰ বিজয়ী বিহুহুঁচৰি দল

২০১৬ ৰ তৃতীয় পুৰস্কাৰ বিজয়ী বিহুহুঁচৰি দল

স্মৰণিকা 'সাহোন' উন্মোচন ২০১৬

বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰ এটি মুহূৰ্ত ২০১৬

২০১৬ ৰ সাংস্কৃতিক কাৰ্য্যসূচী

২০১৬ ৰ বিহুৱাণী বিজেতা

২০১৬ ৰ সাংস্কৃতিক সন্ধিয়াত ৰূপালীম মহিলা সমিতিৰ দ্বাৰা সমবেত সংগীত পৰিৱেশণ

২০১৬ ৰ সাংস্কৃতিক সন্ধিয়াৰ অন্যতম বিশেষ আকৰ্ষণ অপূৰ্ব বৰুৱা আৰু সঙ্গীবৃন্দ

বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰ এটি মুহূৰ্ত ২০১৬

২০১৬ ৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ বিপিন চাওদাং



ENERGISING INDIA WITH HYDROPOWER

A "Miniratna" Category-I, Government of India Enterprise

Over 40 years of experience from Concept to Commissioning of Hydroelectric Projects

'AAA' rating by rating agencies

Spreading International presence through Overseas Consultancy Services

Total 26 Beneficiaries States/UTs/Distribution Companies

Power Generation of 23679 million units during 2015-16



NHPC Limited
(A Government of India Enterprise)
NHPC Office Complex, Sector-33, Faridabad-121003 (Haryana)

CIN: L40101HR1975GOI032564 • Website: www.nhpcindia.com

Issued by : Subansiri Lower H E Project.

জয়গুৰু শঙ্কৰ

স্থানীয় ৰূপালীম মহিলা চ'ৰাৰ সদস্যাসমূহৰ একাংশ

সাংস্কৃতিক বিভাগৰ বিষয়ববীয়া আৰু সদস্যসকল

স্মৰণিকা 'সাহোন'ৰ সম্পাদনা সমিতি ২০১৭

MP CONSTRUCTION

Palacia WOODSTOCK

FULLY EARTHQUAKE RESISTANT

BOOKING OPEN



Book a flat and get monthly rent from first month of booking

SITE : SANSKRIT COLLEGE ROAD, NEAR RADISSON BLU HOTEL
JALUKBARI, GUWAHATI

ALSO AVAILABLE AT :

PALACIA CASA
Six Mile

PALACIA PARK
VIP Road, Six Mile

CONTACT NO : +91 98641 07847 / 0361 2338099

OFFICE : PALACIA GRAND. NEAR AXIS BANK, SIX MILE, GUWAHATI-781022

e. mail : mpconstruction_ghyy@yahoo.in
www.mpconstruction.co.in
*Like us at facebook.com/mpconstruction.co.in